# কৗনৈয়ান

৪৭ তম সংখ্যা ১৯৯৫-৯৬ চন



সম্পাদক

মানস প্রতীম শর্মা

# কৌনেয়ান

## কানৈ মহাবিদ্যালয়'ৰ বাৰ্ষিক আলোচনী
## ৪৭তম সংখ্যা
## ১৯৯৫-৯৬ চন

প্ৰতি

আন্তৰিকতাৰে /শ্ৰদ্ধাৰে ..........................................................

..........................................................................................

..........................................................................................

সম্পাদক

সম্পাদক ঃ মানস প্ৰতীম শৰ্ম্মা

# KANOIAN

## KANOI COLLEGE STUDENTS' JOURNAL
## 47th Issue
## 1995-96

# কৌনেয়ান

কানৈ মহাবিদ্যালয়'ৰ বাৰ্ষিক আলোচনী

৪৭তম সংখ্যা

১৯৯৫-৯৬ চন

সম্পাদক ঃ মানস প্ৰতীম শৰ্ম্মা

# KANOIAN

KANOI COLLEGE STUDENTS' JOURNAL

47th Issue

1995-96

# শ্ৰদ্ধাঞ্জলি

*বিগত বছৰটোত স্বদেশ আৰু স্ব-জাতিৰ হকে যিসকল মহান আত্মাই*
*আমাৰ মাজৰ পৰা চিৰবিদায় ল'লে*
*তেওঁলোকৰ সোঁৱৰণত অশ্ৰু-অঞ্জলি নিবেদিছোঁ ।*
*কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক জগতৰ পৰা চিৰবিদায়*
*লোৱা মেহেদি হাছান চাৰলৈ .............*
*অসমৰ সাহিত্য জগতৰ পৰা বছৰটোত চিৰবিদায় লোৱা -*

**ড০ প্ৰফুল্ল দত্ত গোস্বামী**

**ড০ মহেশ্বৰ নেওগ**

**দেৱকান্ত বৰুৱা**


**ড০ চন্দ্ৰ কটকী**

আৰু

**ড০ মহেন্দ্ৰ** বৰালৈ ...........

*অসমৰ বোলছবি জগতৰ পৰা চিৰবিদায় লোৱা —*
*ৰাণা তামুলী, বিজয় শংকৰ দাস আৰু পৱিত্ৰ বৰকাকতীলৈ..........*
*অসমৰ সংবাদজগতৰ পৰা দুঃভাগ্যজনকভাৱে চিৰ বিদায় লোৱা নিৰ্ভিক*
*সাংবাদিক 'অসমীয়া প্ৰতিদিন' কাকতৰ কাৰ্য্যবাহী সম্পাদক পৰাগ কুমাৰ*
*দাসলৈ আমাৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি থাকিল।*

# উৎসৰ্গা



*"বিদায় নোলোৱাকৈয়ে গুচি যায় নৈ*
*এনেকৈ গুচি যোৱাটোৱেই নৈৰ নিয়ম।"*

*যোৱা ৭ জুন তাৰিখে পৰলোকগামী হোৱা খ্যাতনামা কবি তথা 'কানৈয়ান'ৰ প্ৰাক্তন সম্পাদক হিতেশ বিকাশ গগৈৰ নামত 'কানৈয়ানৰ' এই সংখ্যাটি উচৰ্গা কৰা হ'ল ।*

# কৃতজ্ঞতাৰ শৰাই

* বিভিন্ন ৰচনাৰে 'কানৈয়ান'ৰ সৌষ্ঠৱ বৃদ্ধি কৰা সমূহ সৰস লেখক লেখিকালৈ

* মহাবিদ্যালয়ৰ মাননীয় অধক্ষ্য শ্ৰীযুত ডিম্বেশ্বৰ চলিহা দেৱলৈ

* নৈমত্যিক ব্যস্ততাৰ মাজতো বিভিন্ন দিহা-পৰামৰ্শ আৰু উৎসাহ-উদ্দীপনা আগবঢ়োৱা ড০ প্ৰহ্লাদ কুমাৰ বৰুৱা, উষাৰাণী বৰুৱা, ড০ ভাৰতী দত্ত আৰু ৰূপালীম ঠাকুৰলৈ

* অতিথি লেখক ড০ পৰমানন্দ ৰাজবংশী, শ্ৰী নীলিম কুমাৰ, শ্ৰী কিশোৰ মোহন ভট্টাচাৰ্য্যলৈ

* একতা সভাৰ বিভাগীয় কৰ্মচাৰী শ্ৰীলক্ষেশ্বৰ বৰুৱালৈ

* বিভিন্ন ব্যস্ততাৰ মাজতো 'কানৈয়ান'ৰ লগত এটি অন্তৰঙ্গ অলাপৰ বাবে সময় উলিওৱা অসমৰ স্বনামধন্য শিল্পী শ্ৰীযুত নীলপনবৰুৱালৈ ।

* আলোচনীৰ কামত গুৱাহাটীত থাকিবলৈ সুবিধা কৰি দিয়া প্ৰাক্তন কানৈয়ান শ্ৰী প্ৰদীপ শৰ্মালৈ আৰু শ্ৰী ৰাজীৱ গগৈলৈ

* গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজীৱদা, হেমেন দা, কবিন দা, দিপাঙ্কৰ দা, হিৰেণ দা আৰু নবজিৎ দালৈ।

* বেটুপাতৰ শিল্পী বিদ্যুৎ বৰুৱা আৰু অলংকৰণ কৰা শ্ৰী ৰূপজ্যোতি শৰ্মালৈ

* সম্পাদনা মঞ্চৰ সমূহ সদস্যলৈ

* এম. এম. গ্ৰফিকচ্'ৰ সমূহ কৰ্মীবৃন্দলৈ

* ফাৰহিন,লিপিকা, ভুগিল, জুৰি, জিতু, শৈলেন, জুতিকা, স্বৰ্ণালী, জ্যোৰ্তিময়, সীমান্ত, দিপাঙ্কৰ, ৰাভিজিৎ মনালিছা, অমলদা, ৰাহিদুদু, মহতাব, কুমাৰ, তাহেৰ আৰু বহুতলৈ ॥



# প্ৰত্যয়

*যিদৰে উজ্জ্বল পোহৰেৰে দিনে ঘেৰি ধৰেহি মানুহক,*
*আৰু স্বৰ্গৰপৰা উৎসাৰিত এই পোহৰেৰে একত্ৰিত কৰে*
*দৃষ্টিয়ে ঢুকি পোৱা ধূসৰ-অনুজ্জ্বল বস্তুপুঞ্জক,*
*মানুহৰ বোধশক্তিয়ে গভীৰত লাভ কৰা প্ৰজ্ঞাৰো প্ৰকাশ সেইদৰে*

**(ফ্ৰীডৰিখ হ'ল্ডাৰলিন)**

# অনুক্ৰমণি

## সম্পাদনা মঞ্চ

**ভাৰপ্ৰাপ্ত অধ্যাপিকা**
ড০ ভাৰতী দত্ত

**উপদেষ্টা**
অধ্যাপিকা উষাৰাণী বৰুৱা

**উপদেষ্টা**
অধ্যাপক যাদৱ বৰুৱা

**সম্পাদক**
মানস প্ৰতীম শৰ্মা

**সদস্য**
জ্যোতিৰ্ময় হাজৰিকা

**সদস্য**
বেদান্ত প্ৰসাদ বৰুৱা

**সদস্য**
মৃদুপৱন লাহন


## সম্পাদকীয়

## প্ৰবন্ধ

ঋতুবোৰ এনেকৈয়ে গুচি যায় — ৰাজীৱ গগৈ ॥১॥
সশ্চিন্তা অনুশীলনৰ প্ৰতিকূলতা আৰু অসমৰ শিক্ষানুষ্ঠান — স্বপন চুতীয়া ॥ ৫ ॥
ব্ৰহ্মচাৰীৰ দেশাত্মবোধ — শৈলেন গোহাঁই ॥ ৮ ॥
শৈক্ষিক পৰিবেশ আৰু যুৱমানসিকতা — আদিত্য শইকীয়া ॥ ১১॥
উচ্চ-জীৱন নিৰ্বাহ, ব্যয় আৰু সৰ্বসাধাৰণ — ড০ আতিকুদ্দিন আহমেদ ॥ ১৮ ॥
অসমীয়া ভাষাৰ বৈশিষ্ট্য — মৃণাল কুমাৰ গগৈ ॥ ২০ ॥
Computer the Electronic Enigma -- Bhugil Neog 22
নিলমণি ফুকনৰ কবিতা আৰু গোলাপী জামুৰ লগ্ন — অধ্যাপিকা উষাৰাণী বৰুৱা ॥ ২৭ ॥
আন্তৰ্ভাষিক তুলনামূলক সাহিত্য গৱেষণা প্ৰসংগ আৰু প্ৰয়োজনীয়তা — অধ্যাপিকা কল্পনা সেনগুপ্ত বৰুৱা ॥ ৩০ ॥
Pestidial Properties of Neem -- Dr. Nirmali Bhuyan 32
ৰহস্যজনক আৰু উহ্য বিষয়টোৰ সন্দৰ্ভত — প্ৰমথেশ ডেকা ॥ ৩৫॥
মেন — প্ৰদীপ শৰ্মা ॥ ৩৭॥
বিভিন্ন সামগ্ৰীত ৰঙৰ ব্যৱহাৰ কিমানদূৰ স্বাৰ্থসন্মত — ড০ ভাৰতী দত্ত ॥ ৪০॥
মহাকাশ বিজয়ৰ যুগৰ এক নতুন কিম্বদন্তী — শৈলেন দাস ॥ ৪২ ॥
Impact of Western Education System in the Present Indian Youth -- Rabhijeet Saikia 47
Big Bank Theory in Trouble -- Dipankar Kakati 51
গণিত বিজ্ঞান — ৰশ্মিৰেখা শইকীয়া ॥ ৫২ ॥
Stephen Spender -- Sagar Daimari 54
ছাত্ৰ-ছাত্ৰীৰ বৰ্তমান আৰু ভৱিষ্যৎ — অধ্যাপক অসীমকুমাৰ বৰকটকী ॥ ৫৬ ॥

## অতিথি চ'ৰা

ব্যৰ্থ প্ৰয়াস (গল্প) — ড০ পৰমানন্দ ৰাজবংশী ॥ ৫৮ ॥
অন্তসত্বা (কবিতা) — নীলিম কুমাৰ ॥ ৬১॥
হৃদয়ৰ পৃথিৱীত — কিশোৰ মোহন ভট্টাচাৰ্য্য ॥ ৬২ ॥

## সাক্ষাৎকাৰ


কানৈয়ানৰ পাতত নীলপৱন বৰুৱাৰ সৈতে অন্তৰংগ আলাপ ॥ ৬৩ ॥


## গল্প


| | | |
|---|---|---|
| অনুসন্ধান | — মৌচুম বৰুৱা | ॥ ৬৬ ॥ |
| The confession | -- Kabita Duwarh | 69 |
| মৰু মৃগয়া | — মানস প্ৰতীম শৰ্মা | ॥ ৭০ ॥ |
| মৃত্যুৰ কাৰণ বিচাৰি | — দূৰ্গাচৰণ গগৈ | ॥ ৭৫ ॥ |


## কবিতা


| | | |
|---|---|---|
| সুধাংশুৰ সৈতে মোৰ অন্তৰংগ আলাপ | — গীতালী হাজৰিকা | ॥ ৭৬ ॥ |
| মেঘ, মাটি, মানুহ আনুষংগিক | — অধ্যাপিকা ফৰিদা শ্বৰিফুদ্দিন | |
| স্পৰ্শ | — নবজিৎ দেউৰী | ॥ ৭৭ ॥ |
| এটি স্কেচ | — নীলা উপাধ্যায় | |
| পৰাগৰ হৃদয় আৰু অধিভৌতিক কল্পনা | — বেদান্ত প্ৰসাদ বৰুৱা | ॥ ৭৮ ॥ |
| ন সুৰযৰ আলোকত | — স্বপ্না কাকতি | ॥ ৭৯ ॥ |
| স্বৰ্গদেও | — ঋতুৰাজ বৰা | |
| On the Silent Beach at Sunset | -- Vedanta Vikash Barua | 80 |
| Hope Never Fades | -- Nawazish Alam | 81 |
| A Message With Love | -- Moushumi Duwarah | 82 |
| My Loneliness | -- Apu Chetia | 82 |
| পাপৰিজনীলৈ কপৌফুলীয়া চিঠি | — মৃদুপৱন লাহন | ॥ ৮৩ ॥ |
| তেজিমলা | — পপী সান্ত্বনা ভৰালী | |


## ছাত্ৰ একতা সভাৰ বাৰ্ষিক প্ৰতিবেদন


উপ-সভাপতিৰ প্ৰতিবেদন
সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন
সাধাৰণ ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন
মুখ্য ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন
গৌণ ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন
ছাত্ৰ জিৰণী কোঠা সম্পাদকৰ প্ৰতিবেদন
সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন
সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন


## কানৈয়ানৰ প্ৰাক্তন সম্পাদকসকল


**সদস্যা**
জ্যোৎস্না নেওঁগ

**বেটুপাত**
বিদ্যুৎ বৰুৱা

**অলংকৰণ**
ৰূপজ্যোতি শৰ্মা
বিদ্যুৎ বৰুৱা
মানস প্ৰতীম শৰ্মা

**প্ৰকাশক**
ছাত্ৰ একতা সভা
কানৈ[redacted] মহাবিদ্যালয়

**মুদ্ৰক**
এম. এম. গ্ৰাফিকচ্
শিলপুখুৰী, গুৱাহাটী

## বিহঙ্গম দৃষ্টিত সাহিত্য ঃ

*সাহিত্য একেধাৰে এক বহু-বোধ আৰু সংযোগ সাধনাৰ সাক্ষ্য । চিন্তা আৰু অনুভূতি, সজ্ঞান আৰু নিজ্ঞান, যৌক্তিকতা আৰু অযৌক্তিকতা, অন্তৰ্জগত আৰু বহিৰ্জগত, বিশ্বাস আৰু অবিশ্বাস, ব্যক্তি আৰু সমাজ — এই বিভিন্ন বৈপাৰীত্যবোৰৰ মাজত সাহিত্যৰ যোগেদিয়েই জীৱনৰ স্বৰ-সংহতিপূৰ্ণ এটা ৰূপ আৰু আদৰ্শৰ আভাস আমাৰ মনৰ দাপোনত প্ৰতিবিম্বিত হয় । সাহিত্যৰ আচলতে দুটা প্ৰাথমিক ধৰ্ম আছে — যুগধৰ্ম আৰু কালধৰ্ম । এই দুয়োটাৰ দ্বাৰা লেখক এজন একে সময়তে প্ৰভাৱান্বিত হয়। কালধৰ্মৰ অৰ্থ ঐতিহ্য (ট্ৰেডিচন), যুগধৰ্মৰ অৰ্থ বাস্তৱতা (ৰিয়েলিটি) । প্ৰৱাহমান ধাৰাৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱ অথচ সমসাময়িক জীৱনৰ ভঙ্গা-গঢ়াৰ মৌলিক অনুভূতি প্ৰৱণতা যুগপৎ কৰি চিত্তত প্ৰতিফলিত হ'লে সাহিত্যই লোকোত্তৰ ব্যঞ্জনা লাভ কৰে । মানুহ দুটা ক্ষেত্ৰত সাহিত্যৰ বেছি ওচৰ চাপে — মৌলিক বা মৌলিকতম প্ৰবৃত্তিৰ স্তৰটোত আৰু বিশ্বপ্ৰকৃতি সম্পৰ্কীয় বিমূৰ্ত চিন্তাৰ চূড়ান্ত পৰ্যায়ত। প্ৰধানকৈ এই দুইস্তৰৰ মধ্যৱৰ্তী অৱস্থাবোৰেই সাহিত্যৰ ক্ষেত্ৰ । কিন্তু এফালে প্ৰবৃত্তিগত স্তৰটোৰ লগত আৰু আনফালে বিমূৰ্ত চিন্তাৰ চূড়ান্ত বিকাশৰ পোহৰখিনিৰ লগত ইয়াৰ সম্পৰ্ক একেবাৰে অস্বীকৃত নহয়। কাৰণ প্ৰবৃত্তিয়ে দিয়া যুক্তিৰ অবিহনে মনোকথন (মন'লগ) আৰু সাহিত্যৰ কোনো উৎস নাই ; আনহাতে, বিমূৰ্ত চিন্তাৰ অবিনাশী সূতাকল নাথাকিলে সাহিত্যসৃষ্টি অসম্ভৱ ।*

*সাহিত্য কেতিয়াবা শেষ হয় প্ৰশ্নত — কাৰণ সকলোবোৰ প্ৰশ্নৰ উত্তৰ নাই । লগতে উত্তৰ থাকিব পৰা সকলো প্ৰশ্নৰো উত্তৰ পোৱা হোৱা নাই বা পোৱা নাযায় । একেদৰেই সাহিত্য কেতিয়াবা শেষ হয় উত্তৰত । তেনে একোটা উত্তৰ এচটা পোহৰ, তেনে বহুত উত্তৰ একোচটা পোহৰ, আৰু এনে পোহৰৰ সামান্যতম স্পৰ্শও আমাৰ মানসিক উদ্দীপনাৰ বাবে যথেষ্ট .................*

*এই বছৰটোৰেই যুদ্ধোত্তৰ আধুনিক অসমীয়া সাহিত্যৰ সোণালী জয়ন্তীক (১৯৪৬-১৯৯৬) মাতি আনিছে। ১৯৪৬ চনত প্ৰকাশিত 'আধুনিক অসমীয়া কবিতা' নামৰ এখন কাব্যসংকলৰ দ্বাৰাই আধুনিক অসমীয়া সাহিত্যৰ সূচনা হৈছিল ; সেয়েহে কাব্যসংকলনখনৰ পাতনিতে এই কথাটো লক্ষ্য কৰি কোৱা হৈছিল — ''এয়া আমাৰ অসমীয়া সাহিত্যত আধুনিক যুগৰ নতুন ভাৱধাৰা লিপিবদ্ধ কৰাৰ এটি প্ৰচেষ্টা '' যোৱা পঞ্চাশটা বছৰৰ ভিতৰত এই আধুনিকতাৰ সন্ধানে অসমীয়া সাহিত্যত ইয়াৰ বিকশিত ৰূপটো কিদৰে বা কিমানদূৰ লাভ কৰিছে ই বিচাৰ্য্যৰ বিষয়।*

## কানৈয়ানৰ জন্ম বেদনাৰ অন্তৰালত ঃ

মাতৃ হোৱাৰ যি গৌৰৱ এগৰাকী নাৰীৰ বাবে, আলোচনী এখনৰ সম্পাদক এজনো সেই একে গৌৰৱৰেই অংশীদাৰ। মাতৃত্বৰ গৌৰৱৰ লগতে থাকে প্ৰসব যন্ত্ৰণা, তথাপিও সেই অৱৰ্ণনীয় কষ্টকো ম্লান কৰে মাতৃত্বৰ স্বৰ্গীয় গৌৰৱে। এজন সম্পাদকৰ বাবে তেওঁৰ আলোচনীখনৰ জন্ম-যন্ত্ৰণাও কোনো গুণে কম নহয় । যিদৰে প্ৰতিবন্ধ হ'লেও সন্তান মাতৃৰ বৰ আদৰৰ হয়, একেদৰেই এটা বছৰৰ জ্বালা-যন্ত্ৰণাৰ পিছত প্ৰকাশ পোৱা আলোচনীখনৰ মানদণ্ড যিয়েই নহওক — কিম্বা, তাৰ আকাৰ যিমানেই সৰু নহওক কিয়, সম্পাদক এজনৰ বাবেও ই হৈ পৰে অতি আদৰৰ।

পৰিকল্পনা আছিল এইবাৰৰ 'কানৈয়ান'খনক উচ্চ মানদণ্ডৰ সৰ্বাংগসুন্দৰ কৰি সমূহ কানৈয়ানৰ হাতত তুলি দিম। কিন্তু আলোচনী এখন প্ৰকাশ কৰিবলৈ হ'লে প্ৰথম কথা হ'ল পুঁজি আৰু দ্বিতীয় কথা হ'ল প্ৰবন্ধপাতি । কৰ্তৃপক্ষৰ পৰা পোৱা সীমিত টকাৰে আলোচনী এখন সৰ্বাংগসুন্দৰ কৰি প্ৰকাশ কৰাটো প্ৰায় অসম্ভৱ । মই কাৰ্য্যভাৰ লোৱাৰ পৰা আজিলৈকে কাগজৰ দাম প্ৰায় ৫৫% বাঢ়িল । কৰ্তৃপক্ষ কিন্তু এই ক্ষেত্ৰত সম্পূৰ্ণ নিৰ্বিকাৰ । তদুপৰি তেওঁলোকৰ মাথো এটাই কথা, ফিক্সড গ্ৰাণ্ট । প্ৰবন্ধ-পাতিৰ ক্ষেত্ৰত ক'ব পাৰি সাতাশীটা অসমীয়া কবিতা, সম্পাদনা মজিয়ালৈ অহাটো যিদৰে এটা আনন্দৰ কথা, একেদৰেই তাৰ পৰা মাত্ৰ কেইটামান কবিতা নিৰ্বাচিত হোৱাটো বৰ দুৰ্ভাগ্যজনক। গল্প-প্ৰবন্ধ আদিৰ ক্ষেত্ৰটো একে কথাকে ক'ব পাৰি । কানৈ কলেজত আচলতে সাহিত্যৰ প্ৰতি অনুৰাগী ছাত্ৰ-ছাত্ৰীৰ অভাৱ নাই । মাথো সাহিত্য চৰ্চাৰ বাবে এটা সুস্থ পৰিৱেশৰ অভাৱহে তেওঁলোকে অনুভৱ কৰিছে।

আমাৰ সাহিত্যৰ ভঙা পঁজাত ভৰি আমাক কৃতাৰ্থ কৰাৰ বাবে ড০ পৰমানন্দ ৰাজবংশী, শ্ৰী নীলিম কুমাৰ আৰু শ্ৰী কিশোৰ ভট্টাচাৰ্য্যলৈ সমূহ কানৈয়ানৰ হৈ কৃতজ্ঞতা জনালোঁ এওঁলোকৰ লিখনীয়ে কানৈয়ানৰ মানদণ্ড উন্নীত কৰাৰ লগতে ইয়াৰ প্ৰৱাহমান বৌদ্ধিক গাম্ভীৰ্য্যতাক জিপাল কৰিছে ।

সদৌ শেষত অজ্ঞানিতে বৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে —

**মানস প্ৰতীম শৰ্মা**

# ঋতুবোৰ এনেকৈয়ে গুচি যায়

ৰাজীৱ গগৈ
প্ৰাক্তন ছাত্ৰ

"তুমি গুচি গলা সেই বাটেদিয়ে, য'ত খাজুৰাহো ভাস্কৰ্য্যৰ মাজে মাজে অজস্ৰ অঘৰী আত্মাৰ অশান্ত কান্দো সেউজীয়া টেবুলৰ মিহি লাহী পিঠিত বাগৰা জোনাকৰ ৰেখাৰ দৰে তুমি যশোধৰা ধৰিত্ৰীৰ সেই বাটেদিয়ে বতাহী এটি।"

তেওঁ গুচি গ'ল। এনেদৰে গুচি যোৱাটোৱেই নিয়ম মৃত্যুৰ গতানুগতিক আহ্বান তেওঁলৈ বৰ সোনকালে আহিল। তেওঁ আছিল কবি হিতেশ বিকাশ গগৈ। যি, যোৱা ৭ জুন তাৰিখে চিৰ প্ৰশান্তিত চকু মুদিলে।

কবিতা তেওঁ শিৰা উপশিৰা, তেজৰ প্ৰতিটো কণিকাৰে বৈছিল। শব্দ আছিল প্ৰিয় সুহৃদ। জীৱনৰ সত্য,প্ৰেম, বিষাদক কবিতাৰে তেওঁ দিব বিচাৰিছিল এটা সুৰ। সেই সুৰ আছিল তেওঁৰ নিজৰ বাঁহীৰে বোৱাই অনা। প্ৰেম, বৃষ্টি, লৰালি, পথাৰ,ধান, শব্দ, হৃদয়, খেজুৰৰ পাত আছিল তেওঁৰ চেতনাক জাগৰুক কৰা কবিতাৰ উপাদান –

*"ফেনেকৈ যায় কোনোবাই*
*মোৰ হৃদয়ৰ সেউজীয়া শষ্যৰ পথাৰ*
*ক'ত পাওঁ ক'ত পাওঁ*
*তাহানিতে উৰি যোৱা*
*সেই কৃষ্ণচূড়া ৰঙৰ চৰাই।"*

বৰ কম বয়সৰ পৰাই কবি হিতেশ বিকাশ গগৈয়ে কবিতা লিখিছিল। জীৱনৰ উপলব্ধি, অভিজ্ঞতা, ৰহস্যতা, নোপোৱাৰ বেদনা, নিৰাশাবাদ আৰু কেতিয়াবা ন্যাৰ্য্য প্ৰাপ্তিৰ দাবীত কলমেৰে শব্দৰ সোঁত বোৱাইছিল। সেই সোঁতে নিৰ্মল জলৰ দৰে, পবিত্ৰ বায়ু ৰূপে বহুজনৰ হৃদয়ক চুই গৈছিল। গগৈৰ কবিতাত বহুসময়ত ৰোমাণ্টিকতাৰ প্ৰলেপ পৰিস্ফূত, কিন্তু ইয়াৰ ওপৰিও তেওঁৰ আছিল বাস্তৱ সন্মত এক দৃষ্টি। বাস্তৱতাৰ জড়তাই কোঙা কৰা আত্মাৰ দ্বান্দিকতা, মানুহৰ জীৱনৰ জটিলতা আৰু ক্ৰমশ বাঢ়ি অহা মানুহৰ সম্পৰ্কৰ শিথিলতা, এই সকলোকে চিত্ৰিত কৰিছিল তেওঁৰ কবিতাই।

*........ একেলগে এসাজ খাম বুলি ভাবিবৰ*
*আজি আৰু থল নাই*
*প্ৰতি সাজতে সঙ্কুচিত হাত। ........*

গগৈ আছিল এজন কবি, বহুতৰ বাবে এজন ধেমেলীয়া মানুহ, কিছুমানৰ বাবে "সেই দীঘলচুলিৰ মানুহজন।" কিন্তু কানৈ কলেজৰ প্ৰতিজন কানৈয়ানৰ বাবে তেওঁৰ আছিল এক অন্য পৰিচয়। সত্তৰ দশকৰ আৰম্ভণিতে তেওঁৰ দৰে ছাত্ৰৰ উপস্থিতিয়ে জীপাল কৰিছিল কানৈ কলেজৰ বৌদ্ধিক চিৰ সেউজ সত্বা আৰু তেওঁ আছিল ২৪তম সংখ্যাৰ কানৈয়ানৰ সম্পাদক ; যি আমাৰ সকলোৰে বাবেই এক গৌৰবৰ কথা।

## তেওঁৰ বিষয়ে কিছু কথা ঃ

জীৱিকাৰ তাগিদাতে হিতেশ বিকাশ গগৈয়ে গুৱাহাটীতে কটালে জীৱনৰ অৰ্ধেক সময়। কিন্তু সেই জীৱনৰ আৰম্ভণি হৈছিল নদী, পথাৰ আৰু চৰাই মাতৰ অমল স্পৰ্শেৰে। ১৯৫২ চনৰ ২২ আগষ্টত ডিব্ৰুগড় জিলাৰ চাঁচনিত হিতেশ বিকাশ গগৈৰ জন্ম হয়। ১৯৭০ চনত তেওঁ চাঁচনি উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ বুৰঞ্জী বিষয়ত অসম, মণিপুৰ, মেঘালয়, ত্ৰিপুৰাৰ ভিতৰতেই সৰ্ব্বোচ্চ নম্বৰ পাইছিল। ১৯৭৪ চনত গগৈয়ে কানৈ কলেজৰ পৰা বুৰঞ্জীত সন্ধান সহকাৰে স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৭৬ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ

কৰে। শিক্ষা জীৱনৰ মাজতো তেওঁ ১৯৭৫ চনৰ ১৬ আগষ্টৰ পৰা ১৯৭৭ চনৰ ৯ জানুৱাৰীলৈকে চাচনি উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰে। ইয়াৰ পিছত গগৈয়ে অসম প্ৰকাশন পৰিষদৰ চাকৰিত যোগদান কৰিবৰ বাবে গুৱাহাটীলৈ যাত্ৰা কৰে। মাজতে তেওঁ আকাশবাণী গুৱাহাটীতো চাকৰি কৰিছিল। আৰম্ভ হ'ল তেওঁৰ ব্যস্ত জীৱন। ইয়াৰ আগতেই তেওঁৰ বৈবাহিক জীৱন আৰম্ভ হৈছিল।

অসমীয়া সাহিত্যৰ পথাৰত হিতেশ বিকাশ গগৈ আছিল এজন ক্লান্তিহীন সৈনিক। জীৱন জিজ্ঞাসা আৰু হৃদয়ৰ এৰাব নোৱৰা তাগিদাতেই তেওঁ হাতত কলম তুলি লৈছিল। কম বয়সৰ পৰাই লিখা আৰম্ভ কৰিছিল। তেওঁৰ প্ৰথমটো কবিতা প্ৰকাশ হৈছিল ১৯৬৭ চনৰ ৫ আগষ্টত "অসম বাণী" কাকতত। "এয়েতো জীৱন" নামৰ এই কবিতাটো লিখোতে তেওঁ দশম মান শ্ৰেণীৰ ছাত্ৰ আছিল। ১৯৭১ চনত কবিতাৰ কাকত 'প্লাৱন,' তেওঁ যুটিয়াভাৱে সম্পাদনা কৰিছিল। ১৯৭৩-৭৪ চনত গগৈয়ে কানৈ কলেজ আলোচনীৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰে। কানৈ কলেজ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তেওঁ শ্ৰেষ্ঠ সাহিত্যকৰ সন্মানো লাভ কৰিছিল।

বিভিন্ন কাকত আলোচনীত গগৈৰ শতাধিক কবিতা প্ৰকাশ হৈছিল। তেওঁৰ কবিতাবিলাক সিঁচৰিত হৈ আছে অসম বানী, সীৱলু, প্ৰকাশ, আমাৰ প্ৰতিনিধি, পান্থ-পাদৰ্পণ, বৰ্তমান, প্ৰাসঙ্গিক, গৰীয়সী, কবিতা আদি আলোচনীত।

## কবিতা জীৱন ইত্যাদি ঃ

হিতেশ বিকাশ গগৈৰ কবিতাৰ মূল চালীকা শক্তি আছিল প্ৰেম। সেই প্ৰেম নাৰীৰ প্ৰতি, শৈশৱৰ প্ৰতি ; প্ৰেম আৰু স্মৃতিৰ চাকনৈয়াত ডুব যোৱা হালধীয়া সোনাৰু ফুল গগৈৰ কবিতাৰ বহু ঠাইতেই স্পষ্ট। প্ৰেমৰ মোহাচ্ছন্নতাই তেওঁৰ হৃদয়ত এডাল চালোকৰ দৰে কোৱাইছিল।

"মনত নপৰে
কোনটো ঋতুত উৰি লৈছিলো
গাত
তুমি হৈ দিয়া
বিষাদৰ ছাদৰখন"

গগৈৰ জীৱন আৰম্ভ হৈছিল মাটিৰ লুণীয়া গোন্ধে আচন্ন কৰা এখন গাঁৱত। সেইবাবেই তেওঁৰ শৈশৱ উৰি আহিছে এহাল বুলবুলি হৈ, বহাগগৈ, নাহৰৰ সুগন্ধহৈ, দাহাঁচীয়া কমলাৰ সুমথিৰ হৈ নাইবা বালিমাহীৰ শুকুলা নেজত নছা সুহুৰি হৈ ভিৰ কৰিছেহি।

*"আইতাৰ সমাধিত বন গজা বহুদিন হ'ল*
*ককাৰ চাকচন মতা গীত*
*চোমনিৰ শুকান পাতৰ সতে মিলি গ'ল"*

একেদৰেই কিছুমান কবিতাত তেওঁৰ কৈশোৰক বিদায় দি যৌৱনক আদৰি লোৱাৰ বৰ্ণনাও পৰিস্ফূৰ্ত —

পাহাৰটোৰ সিপাৰৰ পৰাই/আহিছিল চাউলৰ গুৰি যেন মিহি লাহী/এজাক/বৰষুণ আৰু লগতে এজাক কোমল ৰ'দৰ নাচোন/ এগৰাকী সমালোচকে কৈছিল "জাপানী হাইকু কবিতাৰ আৰ্হিত লিখা কবিতাবোৰত কবি হীৰেণ ভট্টাচাৰ্য্যৰ প্ৰভাৱ সুস্পষ্ট। সাঙ্গীতিক ধ্বনি তেওঁৰ কবিতাৰ অন্যতম বৈশিষ্ট্য যিটো আকৌ আন বহুতো নতুন কবিৰ কবিতাতে শূন্য।" গগৈৰ কবিতাত থকা সাংগীতিক ধ্বনিময়তাক তেওঁৰ পাঠক সকলে কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰে।

*"খাজুৰ পাতৰ তাৰোৱালে*
*কোনে কাটি যায়*
*মোৰ নিদ্ৰা*
*মোৰ মন*
*তৰা আৰু মাটিৰ উত্তাপে*
*পুৰি যায় মোৰ এৰাতি যৌৱন"*

কবি নীলমণি ফুকনে কোৱাৰ দৰে "প্ৰতিজন মানুহ প্ৰেমিক আৰু বিদ্ৰোহী"। সেইদৰেই হিতেশ বিকাশ গগৈৰ কবিতাটো কেতিয়াবা কেতিয়াবা প্ৰতিফলিত হৈছে বিদ্ৰোহৰ স্ফুলিংগ।

"চৰাইজাক উৰি যায় — এচিয়াৰ ভিয়েটনামৰ আকাশেদি — মৰাশৰ ওপৰে ওপৰে ঈশ্বৰৰ ওচৰলৈ সিহঁত উৰি যায় - পৃথিৱীৰ মানুহৰ সৃষ্টি আৰু বিনাশৰ কৈফিয়ৎ দিবলৈ।"

হিতেশ বিকাশ গগৈৰ কবিতাত ৰোমান্তিকতা দৃশ্যমান যদিও আধুনিক জীৱনৰ অনেক দিশ অংকণ কৰাতো তেওঁ সফল হৈছে। জীৱনৰ মায়াময়তা, দৈন্যতা, হতাশা, নষ্টালজীয়াক উপজীব্যৰূপে লোৱা কবিতাবিলাকে পাঠকক এক অন্য জগতৰ সন্ধান দিয়ে। শব্দৰ প্ৰতি থকা স্পৰ্শকাতৰতা আৰু কম সঙ্গীপ্ৰিয়তাৰ মাজত নিজক বিচৰণ কৰাৰ এখন ৰহস্যময় জগতৰ ইংগিত তেওঁৰ কবিতা বিলাকে দিয়ে। তেওঁৰ কবিতাই বহন কৰিছে তেওঁৰ সত্ত্বাক। এটা নিসঙ্গ ভাবুক জীৱন। গগৈ ধেমেলীয়াও আছিল কিন্তু সি যেন আছিল প্ৰেমৰ জুইয়ে ছা কৰি দিয়া বুকুৰ যন্ত্ৰনাক শাত কৰাৰ এক প্ৰচেষ্টা। স্মৃতিৰ এডাল সুদৃঢ় বন্ধনে কবিজনক এনেদৰে আগুৰি আছিল যেন তেওঁৰ সত্য আৰপিত হৈছিল সেইখন জগতত, যিয়ে তেওঁক বোবা কৰিছিল।

## গগৈৰ অন্য লেখা সম্পৰ্কে ঃ

মূলত কবিতাই আছিল হিতেশ বিকাশ গগৈৰ লেখাৰ মাধ্যম।

কিন্তু মাজে মাজে তেওঁ গদ্যও নিলিখাকৈ থকা নাছিল। কানৈ কলেজৰ আলোচনীৰ পাততেই "গ্ৰহনান্তত উত্তমাশা।" নামৰ তেওঁৰ উপন্যাসিকা এখন প্ৰকাশ হৈছিল। ইয়াৰ পিছতো তেওঁ কেইবাখনো উপন্যাসিকা ৰচনা কৰিছিল। সেইবিলাক অপ্ৰকাশিত অৱস্থাতে থাকি গ'ল। গগৈয়ে গল্পও লিখিছিল। তেওঁৰ বহুতো গল্প সত্তৰ আৰু আশীৰ দশকৰ আৰম্ভণীত প্ৰকাশ হোৱা কাকত আলোচনীৰ পাতত সিঁচৰিত হৈ আছে। মানুহৰ জীৱন, সামাজিক পৰিস্থিতি, নৈতিক স্খলনেই আছিল গগৈৰ গদ্য ৰচনাৰ বিষয় বস্তু।

বিভিন্ন বিষয়ৰ ওপৰত প্ৰবন্ধও ৰচনা কৰিছিল গগৈয়ে। আহোম সকলৰ জীৱনধাৰা-বিষয়ক কেইবাটাও গধুৰ প্ৰবন্ধ তেওঁ লিখি থৈ গৈছে।

এইখিনিতে অধিক উল্লেখনীয় বিষয়টো এইয়ে যে গগৈৰ লেখনী সমূহৰ অধিকাংশই অপ্ৰকাশিত ৰূপত থাকি গ'ল। কিছু সংখ্যক কবিতা আৰু কেইটামান গল্পৰ বাহিৰে অন্য গদ্য ৰচনাসমূহ প্ৰকাশৰ বাবে তেওঁ কাকত আলোচনীলৈ পঠোৱা নাছিল। যি বিলাক কেৱল কেঁচা পাণ্ডুলিপি আকাৰতেই থাকি গ'ল। গগৈৰ নিসঙ্গপ্ৰিয় জীৱন নাইবা নিজক প্ৰকাশ কৰাৰ পৰা বিৰত থকা মনোভাৱৰ বাবেই বহুতো লেখনী অপ্ৰকাশিত অৱস্থাত থাকিল। অপ্ৰকাশিত কবিতাৰ সংখ্যাও শতাধিক।

## তেওঁৰ ইচ্ছা আৰু আশাবোৰ ঃ

হিতেশ বিকাশ গগৈৰ ভালেমান কবিতা কাকত আলোচনীৰ পাতত সিঁচৰিত হৈ আছে যদিও তেওঁৰ কবিতাৰ সংগ্ৰহ বা সংকলন প্ৰকাশ হোৱা নাছিল। তেওঁৰ এটা ইচ্ছা আছিল কবিতাৰ সংকলন এখন কৰাৰ। নামটোও ভাবি ৰাখিছিল। "তুইঁতৰ সপোন আৰু সাঁতোটামান সোনাৰু ফুল।" কিন্তু গগৈৰ জীৱন কালত সেই আশা বাস্তৱায়িত নহ'ল। নিয়তিৰ কাল হাতোৰাৰ হাতত পৰাজিত হল তেওঁ। হয়তো মৃত্যুৱেই পৃথিৱীত একমাত্ৰ সত্য, যি চিন্ন কৰে মানুহৰ আশা আকাংক্ষা। কিন্তু গগৈৰ যি কাব্য কীৰ্তি তাৰ বাবেই তেওঁ জীয়াই থাকিব পাঠকৰ হৃদয়ত।

তেওঁৰ ছোৱালীজনী আৰু লৰাটোৰ সপোনবোৰক সফল কৰাৰ বাবে থকা ইচ্ছাক তেওঁ পূৰ্ণ কৰিব নোৱাৰিলে। কটন মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিকত থকা ছোৱালীজনীৰ আৰু নৱমমান শ্ৰেণীত থকা ল'ৰাটোৰ জীৱনৰ দায়িত্বক তেওঁৰ পত্নী মলয়া গগৈৰ হাতত এৰি যাবলগা হ'ল। এতিয়াৰ পৰা সিহঁতৰ সৰুসৰু সপোন বোৰৰ আৰদাৰ কৰিবৰ বাবে গগৈৰ দায়িত্বখিনিকো গ্ৰহণ কৰিব লাগিব তেওঁৰ পত্নীয়ে।

## তেওঁৰ জীৱনৰ শেষ সময় খিনি ঃ

*জীৱনত একোৱেই পোৱা নাই বুলি*
*খেদ মই নিশ্চয় নকৰোঁ*
*শব্দৰ লগতেই মোৰ মিতিৰালি*
*কিছুমান শব্দই কৰি আছে অহৰহ*
*প্ৰতাৰণা*
*কিছুমানে দি আছে*
*যন্ত্ৰণা।"*

প্ৰতিজন ব্যক্তিৰ জীৱনত পোৱাতকৈ নোপোৱাৰ ভিৰ বেছি। সেইয়া হিতেশ বিকাশ গগৈৰ জীৱনতো হৈছিল। অপ্ৰাপ্তি বা ব্যৰ্থতাক আন্ধাৰৰ মাজত শব্দৰ অমল স্পৰ্শই আছিল তেওঁৰ বাবে এক অনন্য সুখানুভূতি। বাস্তৱ জীৱনত দুখ দৈন্যতাই ভাৰাক্ৰান্ত কৰা কবিৰ অন্তৰজগত আছিল কাব্যিক সত্ত্বাৰেএপাহ সোনাৰুৰ ফুল –

*"আগ বাৰিষাৰ ধুমোৱাই বাৰাণ্ডাত থৈ যাৱ*
*সাতটামান সোণাৰুৰ ফুল*
*হেমন্তৰ চাউলৰ গুৰি যেন হিমকণাই*
*মোৰ জপৰা চুলিত তুলি যাব কোমল হিল্লোল।"*

কিন্তু ভাবুক কবিৰ বৰ কম বয়সৰ পৰাই জীৱন সম্পৰ্কে এক সংশয় আছিল। সেইয়া মৃত্যুৰ মোহাচ্ছন্নতা। অৱচেতন মনত প্ৰতিজন মানুহৰ মৃত্যুৰ কাল আৱেশৰ প্ৰতি এক শঙ্কা থাকে, কিন্তু হিতেশ বিকাশ গগৈৰ বাবে সি আছিল অধিক গাঢ় যেন মৃত্যুৰ শীতল প্ৰচ্ছায়া অহৰহ তেওঁৰ ছাঁহে ঘুৰিছিল। তেওঁৰ মৃত্যুৰ কিছুদিন আগতে লিখিছিল

*"হে মোৰ অনুপম শব্দ*
*চাবলৈও যে নাপাম সেইদিনা*
*মোৰ চোতালত গিয়াতীৰ ভিৰ*
*আৰু*
*এক মিনিটৰ মৌনতা"*

এই কবিতাটো লিখাৰ পিছত তেওঁৰ পত্নীকে কবিক সুধিছিল তাৰ অৰ্থ। কবিয়ে উত্তৰ দিলে – "মোৰ যোৱাৰ সময়ে হৈছে মলয়া। মোৰ বহুত বয়স হ'ল।" গগৈৰ এনে আশ্চৰ্য্যজনক উত্তৰত হতবাক তেওঁৰ পত্নীয়ে গগৈক কৈছিল, "আপুনি কিয় এনে ধৰণৰ কথা কৈছে? আপোনাৰ বয়স কিমান হৈছে?"

কিন্তু গগৈৰ নিজৰ জীৱনৰ টুটি অহা দিন সম্পৰ্কীয় ধাৰণাতো সঁচা আছিল। অন্তৰৰ গভীৰত অহৰহ কিবা বিচৰাত মগ্ন কবিয়ে

স্পষ্টকৈ গম পাইছিল তেওঁৰ ভৱিষ্যত হয়তো মৃত্যুৰ সতেও সজ্ঞানেই হৈছিল চুক্তি । তুলি দিছিল স্বাক্ষৰ।

জুন মাহৰ প্ৰথম সপ্তাহত 'কানৈয়ান'লৈ বুলি এটা কবিতা আহিছিল । সোনালী জয়ন্তীৰ স্মৰণীকাৰ বাবে বৰ পলমকৈ পঠাইছিল কবিতাটো । এজন কানৈয়ান হিচাপে কবি হিতেশ বিকাশ গগৈৰ 'কানৈ' কলেজৰ প্ৰতি আছিল এক অন্য দুৰ্বলতা। সেই বাবেই মহেন্দ্ৰ মোহন চৌধুৰী হস্পিতেলৰ ৰোগশয্যাৰ পৰাও তেওঁ কবিতাটো পঠাইছিল । কিন্তু কবিতাটো পোৱাৰ তিনি দিনৰ পিছত গগৈৰ মৃত্যুৰ খবৰটো কাকতত ছপা হৈছিল । এটা শোকৰ ছাঁ পৰিছিল । কানৈয়ানলৈ তেওঁ পঠোৱা কবিতাটো আছিল —

''ঋতুবোৰ এনেকৈয়ে গুচি যায়
কাৰোবাৰ বাবে থৈ যায়
মৰম -
যন্ত্ৰণা -
আৰু কাৰোবালৈ
বেদনা ।
মই এতিয়া ঋতুৰেই
নিষ্ঠুৰ বলিশালত
মই কবি সঁচা কথা
পৰি আছো হস্পিতালৰ বিচনাত
এক প্ৰকাৰৰ
মৃত্যুৰ ক্ষণ
গণি থকাৰ দৰে।''

যোৱা ৭ জুন তাৰিখে প্ৰাতঃকালেই হিতেশ বিকাশ গগৈ পৰলোকগামী হ'ল । তেওঁ গুচি গ'ল যাৰ বুকুত আছিল অযুত আশা। হৃদয়খন আছিল নীলা আৰু বেঙুনীয়া । শব্দৰ সেউজীয়াৰে তেওঁ জীৱনক প্ৰত্যক্ষ কৰিছিল । কবিয়ে শৈশৱৰ ফুল তৰা গানক লৈ কবিতা লিখিছিল । পংকিলতাৰ পৃথিৱীক তেওঁ কৈশোৰত দেখা মানুহৰ স্বাচ্ছত স্নেহেৰে মধুময় হোৱাটো বিচাৰিছিল । প্ৰেমৰ যন্ত্ৰণাময় স্পৰ্শেৰে কবিৰ হৃদত্মাক ছাই কৰিছিল । তেওঁ আছিল সেউজ আশা বাদৰ মন্ত্ৰ । কবিৰ সমাধিত আমি তুলি দিছো এপাহ ৰঙা গোলাপ । শব্দৰ চেতনাৰে তুমি আমাক চহকী কৰিছা । তোমাৰ আত্মাই চিৰশান্তি লাভ কৰক ।

শেষৰ কবিৰ এফাকী কবিতাৰে —

*''দাহাঁচীয়া কমলাৰ মোক খা গোন্ধৰ তীব্ৰতা*
*গৰখীয়া, মহৰ শিং, বিহুগীত, কাতি আৰু আঘোণৰ*
*ধোঁৱা উৰা সন্ধিয়াৰ নীড়মুখী বগলীৰ পাখিৰ*
*ৰথত উঠি*
*বহুত দূৰৰ কোনোবা দেউলগা বাঁহনি বা বিলৈলৈ*
*হয়তোবা তুমি গুচি গ'লা।''*

# সশ্চিন্তা অনুশীলনৰ প্ৰতিকূলতা আৰু অসমৰ শিক্ষানুষ্ঠান

*স্বপন চুতিয়া*
স্নাতক ৩য় বৰ্ষ (কলা)

সাম্প্ৰতিক বিশ্বৰ আগৰনুৱা দেশবিলাকৰ তুলনাত অসম বা ভাৰতবৰ্ষৰ প্ৰগতিশীলতাৰ মাপকাঠি নিচেই সন্তোষজনক নহয়। মূলতঃ শৈক্ষিক অগ্ৰগতিয়েই যে সকলো ধৰণৰ উৎকৰ্ষসাধনৰ মাধ্যম সেইকথা অনস্বীকাৰ্য্য। কিন্তু অসম নালাগে সমগ্ৰ ভাৰতবৰ্ষৰেই শৈক্ষিক চিন্তাচৰ্চাৰ প্ৰাণবিন্দু শিক্ষানুষ্ঠানসমূহত যিধৰণৰ অৱক্ষয়মূলক পৰিবেশৰ সৃষ্টি হৈছে সেই কথা অতি জৰুৰীকালীন চিন্তাচৰ্চাৰ বিষয়বস্তু হৈ পৰিছে। বৰ্তমান কালত শিক্ষাৰ বিভাগসমূহৰ লগত যে কেনেধৰণৰ নিম্নমানৰ কথাবতৰা জড়িত হৈ পৰিছে সেই কথা সৰ্বজন বিদিত। অৱশ্যে শিক্ষাব্যৱস্থাটোৰ কথা সুকীয়া। যিকোনো এটা ব্যৱস্থাৰ পাঠ্যক্ৰমৰ লগত নিজকে নিবিড় আগ্ৰহ আৰু মনোযোগেৰে সংযোজিত কৰি পৰীক্ষাত কৃতকাৰ্য্য হোৱাৰ স্বৰূপ এই আলোচনাৰ বিষয়বস্তু নহয়। কিন্তু যি শিক্ষাই বাস্তৱ জীৱনবোধৰ সাৰ্থকতা উপলব্ধিৰ সহায়ত মানৱীয় নৈতিকতা আৰু বিশ্বপ্ৰেমৰ উৎকৰ্ষ সাধন কৰিব পাৰে তাৰ বাবে কিছুমান সশ্চিন্তাৰ অনুশীলন অপৰিহাৰ্য্য আৰু পৰিবেশৰ অনুকূলতা আৱশ্যকীয়।

উৰ্দ্ধমুখী সভ্যতাৰ চূড়ান্ত প্ৰতিফলন ঘটাব পৰা অনুষ্ঠানসমূহৰ ভিতৰত শিক্ষানুষ্ঠানসমূহেই বোধহয় শীৰ্ষস্থান পাব। মনুষ্যত্বৰ উত্তৰোত্তৰ বিকাশ ঘটাই পৰিমাণগতভাৱে প্ৰত্যেক দেশৰ মানুহক সভ্য কৰি তুলিব পৰা যিবোৰ শক্তিশালী মাধ্যম আছে সেইসকলোবিলাকৰ ভিতৰত নিঃসন্দেহে বিদ্যালয়সমূহে সৰ্বাত্মক ভূমিকা পালন কৰি আহিছে। কিন্তু বৰ্তমানৰ কুৰিশতিকাৰ অন্তিম দশকত সভ্যতাৰ নিত্য পৰিবৰ্তন অথবা মানৱ মনৰ চিন্তাৰ দ্ৰুত পৰিবৰ্তনশীলতাই সৃষ্টিৰ লগতে কিছুমান বিয়োগাত্মক দিশৰো অৱতাৰণা নকৰাকৈ থকা নাই। অৱশ্যে এই কথা ভাবিলে ভুল হব যে আমি আমাৰ জীৱন যাত্ৰাত ভুলক্ৰটী অথবা প্ৰতিকূল অৱস্থাক সম্পূৰ্ণৰূপে এৰাই চলিব পাৰিম। আন্ধাৰ আৰু পোহৰ, সুখ আৰু দুখৰ দৰে আমাৰ অৰ্ন্তলীন সত্বাতো আকাঙ্খিত আৰু অনাকাঙ্খিত দুয়োটা অৱস্থাকেই মানি লবই লাগিব। যি কি নহওক কথা হ'ল এই যে আমি সম্প্ৰতি শিক্ষানুষ্ঠান হিচাপে অথবা মানৱ জীৱনৰ সম্পূৰ্ণ নিৰ্ভৰযোগ্য শিক্ষাকেন্দ্ৰ হিচাপে যে বিদ্যালয়সমূহক স্বীকৃতি দিছো সিবিলাকত আমি কি ধৰণৰ শিক্ষা পাইছো। পৰীক্ষাৰ প্ৰমাণপত্ৰত শৈক্ষিক নম্বৰৰ বাহিৰে নৈতিক, বৌদ্ধিক ইত্যাদি দিশৰ শিক্ষাকো গুৰুত্বসহকাৰে লৈছোনে? কেৰীয়াৰ সৰ্বস্ব মানসিকতাৰ ওপৰত বৰ্তমানৰ শিক্ষাব্যৱস্থাৰ ভূমিকাই সুদুৰপ্ৰসাৰী সংকটজনক প্ৰভাৱ পেলোৱাৰ কথা আজিকালি আলোচ্য বিষয় হৈ পৰিছে।

আলোচনাৰ প্ৰাসঙ্গিকতাৰে আমি ক'ব খুজো যে যিবিলাক অৱক্ষয়মূলক কাৰণৰ বাবে আমাৰ অচলাৰ্থৰ শিক্ষাৰ ওপৰত ভিত্তি কৰি উদয়ণ হোৱা জীৱনৰ আনুষাঙ্গিক কিছুমান চিন্তাক বিদ্যালয় সমূহে কিয় নিৰাপদ পথত আগবঢ়াব পৰা নাই; ইবিলাকৰ পথৰুদ্ধতাৰ স্বৰূপ কেনে? অথবা কেনেধৰণৰ অনাকাঙ্খিত বিশৃঙ্খলতাই কিছুমান চিন্তাশীল মগজুক ক্ৰমাগতভাৱে নিৰ্বাক আৰু নিস্পন্দ কৰি তুলিছে?

কোনো ব্যক্তিয়েনেই ক'ব নোৱাৰে যে কোনো এটা ভাল অৱস্থা স্বয়ংক্ৰিয়ভাৱে কোনোবা এটা পৰিবেশত সৃষ্টি হ'ব পাৰে। এটা সুস্থিৰ আৰু শৃঙ্খলাবদ্ধ পৰিবেশো মানুহেই ৰচনা কৰে। বিশ্বজগত এনে কোনো শক্তি নাই যে বিবেকৰ ধাৰণাৰ অবিহনেই এটা সুন্দৰ পৰিবেশৰ জন্ম হ'ব। অৱশ্যে প্ৰকৃতিৰ স্বকীয় শান্ত পৰিবেশৰ কথা সুকীয়া। গতিকে ভাল অথবা শক্তিশালী মগজুৰ গৰাকীও বৰ্তমানৰ সংকটকালীন অৱস্থাতো যে উদ্ভৱ নহব সেই কথা আমি ন দি কব

নোৱাৰো। কিন্তু সভ্যমনৰ গৰাকী হিচাপে বুদ্ধিবৃত্তিশীল, সামাজিকভাৱে গন্য-মান্য বিবেকবান মানুহ খিনিয়েইতো বিদ্যালয়ত অৱস্থান কৰি থাকে । শিক্ষক, শিক্ষাৰ্থী বা আন সকলো শিক্ষা সংশ্লিষ্ট উপাদানেৰেই শিক্ষানুষ্ঠানসমূহ গঢ় লৈ উঠে । বৰ্তমান এই অনুষ্ঠানৰ উন্নতিৰ কিছুমান বিয়োগাত্মক দিশে অথবা অনাকাঙ্খিত অৱস্থাই মানুহক কিদৰে যে বিৰুদ্ধাচৰণ কৰোৱাইছে সেই কথা চিন্তনীয় হৈ পৰিছে । সভ্যতাৰ আদিমতম অৱস্থাৰপৰা উন্নততৰ জীৱনৰ সন্ধানী পথত মানুহক গতিশীল কৰাৰ প্ৰাক্ অৱস্থাত থকা শক্তিটো অথবা উপাদান হল মানুহৰ চিন্তা । বস্তুত ঃ এই চিন্তাৰ সততা অথবা নীচতাৰ কথা সুকীয়া । জীৱনৰ জ্ঞান গৰিমা আৰু মানৱতাবোধৰ প্ৰতি দুৰ্বাৰ হেপাহ হোৱাৰ পৰিণতিস্বৰূপে সমগ্ৰ বিশ্বত আজি মানুহে নিজৰ বুদ্ধিবৃত্তিশীলতাৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে । মানুহক ইতৰ প্ৰাণীৰপৰা পৃথক কৰি ক্ৰমাগতভাৱে উন্নতিৰ জখলাত আগবঢ়াই লৈ যোৱাৰ মূলতে আছে মানুহৰ সুশ্চিন্তাৰ অনুশীলন । কিন্তু সভ্যতাই এই অৱস্থাৰ প্ৰাপ্তিতো আজি কিয় অপসংস্কৃতি কিছুমানক আঁকোৱালি লৈ অসংস্কৃত মনক পৰিচয় দিছে তাৰ কাৰণ অথবা উদিত সমস্যা নিঃসন্দেহে সহজবিশ্লেষ্য নহয় । শিক্ষাৰ লগত জড়িত মানুহে মুখ্যতঃ যদি এই সংকটজনক অৱস্থাৰ কথা সজোৰে ফঁহিয়াই চিন্তা নকৰে তাৰ পৰিণাম অতি ভয়াবহ হোৱাটো স্বাভাৱিক ।

বৃহত্তৰ অসমৰ প্ৰাথমিকৰপৰা বিশ্ববিদ্যালয়ৰ পৰ্য্যায়পৰ্যন্ত উচ্চ-নিম্ন ধাৰণাৰ অথবা মানদণ্ডৰ যিবিলাক শিক্ষানুষ্ঠান আছে সিবিলাক সকলোৰে গতিশীলতাৰ স্বাভাৱিকতা বৰ্তমান আছে যদিও আনুষঙ্গিক বহু সত্যৰ নিম্নগামীতা আজি বিশ্লেষণমূলক । শিক্ষা আয়োগ অথবা নিৰ্দ্ধাৰিত পাঠ্যক্ৰমৰ ওপৰত হ'বলগা সাময়িক বিচাৰ বিবাদসমূহক বাদ দি অনুষ্ঠানসমূহৰ ব্যক্তিগত যিবিলাক চৰ্ত আছে সিবিলাকৰ যথাযথ কিছুমান দিশৰ ওপৰতহে আমাৰ নিবন্ধ আলোচনাত্মক। সাম্প্ৰতিক দেশৰ বিভিন্ন অৱস্থা, বৌদ্ধিক, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক দিশৰ প্ৰাকৃতিক অপ্ৰাকৃতিক দ্ৰুত পৰিবৰ্তনশীলতাই সমাজৰ সকলো স্তৰৰ লোককে ভাবুক কৰি তোলাটো লক্ষনীয় হৈ পৰিছে । তেনেস্থলত জ্ঞান হবৰ দিন ধৰি প্ৰত্যেক সচেতন ব্যক্তিৰ মানসিক জগতত তীব্ৰ ভাবাবেগৰ সৃষ্টি হৈছে । জীৱন যাত্ৰাৰ লগত সংশ্লিষ্ট সকলোবিলাক দিশৰ ওপৰত আজিৰ যুৱসমাজৰ সচেতন দৃষ্টিৰ অভাৱ সামগ্ৰিকভাৱে প্ৰায় দেখা নাযায় । কিন্তু কিছুমান আচহুৱা পৰিস্থিতিৰ কবলত পৰি সচেতন আৰু সৎ দৃষ্টিভংগীৰ ভাৱপ্ৰৱণ ছাত্ৰ-ছাত্ৰীক নিজৰ চিন্তাদৰ্শৰ অভ্যুদয় আৰু অনুশীলতাত বাধাপ্ৰাপ্ত হোৱা দেখা গৈছে । তেনে পৰিপ্ৰেক্ষিতত বিদ্যালয়সমূহৰ প্ৰাঙ্গন অথবা আবেষ্টনীৰ মাজত যিকেইটাৰ প্ৰভাৱে ধ্বংসাত্মক ক্ৰিয়া কৰিব পাৰে সেইটোহে লক্ষনীয় ।

প্ৰধানতঃ সুচিন্তাৰ অনুশীলন বুলি কলে চিন্তাৰ বাবে এখন ক্ষেত্ৰ লাগিব । বিষয়বস্তুৰ স্বৰূপ মাথোন শিক্ষাসংক্ৰান্তই হব নোৱাৰে । অলেখ ছাত্ৰ-ছাত্ৰীৰ সমাগমত বিদ্যালয়ৰ চৌহদত চিন্তা জগতৰ পৰিসৰ সীমাবদ্ধ কৰাটো অবাস্তৱ আৰু অমূলক কথা । কিন্তু সিবিলাক যি নহলেও যিকোনো প্ৰকাৰৰ চিন্তাত বিদ্যালয়ৰ প্ৰয়োজনীয় উপাদানসমূহ কি কি ? নিশ্চয় আদৰ্শৰ স্বচ্ছলতা, নৈতিকতাৰ চিৰপ্ৰাধান্য, শিক্ষক-শিক্ষাৰ্থীৰ সম্বন্ধ, পুথিভঁৰালৰ সদ্ব্যৱহাৰ, শিক্ষাদানৰ গ্ৰহণযোগ্য পদ্ধতি, পৰিবেশৰ নিবিড়তা আৰু যথাগৃহিত প্ৰশাসনিক নিয়মৰ কথাই মন কৰিবলগীয়া ।

অসমৰ শিক্ষানুষ্ঠানসমূহৰ বৰ্তমান অৱস্থা বাৰু কেনেধৰণৰ, ছাত্ৰ-ছাত্ৰীৰ বিবেক আৰু মনোবৃত্তিৰ সৎ প্ৰকাশৰ দ্বাৰা নিজৰ চিন্তাদৰ্শক বাট বোলাই নিজকে উত্তৰণ ঘটাবলৈ সকলো যোগাত্মক সমলকেই পাইছেনে ? ব্যাধিগ্ৰস্ত সভ্যতাৰ কবলত বৰ্তমানৰ মানুহ এনেয়ে অসুখী । মানুহৰ জ্ঞানৰ সাধনা বাঢ়িলেও একপ্ৰকাৰৰ ব্যক্তিকেন্দ্ৰিকতা আৰু আধুনিক জীৱনৰ স্বাৰ্থান্বেষীতাই শিক্ষিত সমাজকো আপোন পাহৰা নকৰাকৈ থকা নাই । শিক্ষাদানক প্ৰধান দায়বদ্ধতা হিচাপে নোলোৱা শিক্ষক সমাজৰ বাবে বিদ্যালয়ত উদ্ভৱ হোৱা সমস্যাৰ বিষয়ে সচেতন জনসমাজ আজি চিন্তাক্লিষ্ট । বিভিন্ন ধৰণৰ ভাব চিন্তাত আপ্লুত হৈ শিক্ষকেও কেৱল ব্যক্তিগত জীৱনক লৈ ব্যস্ত হোৱাৰ দৰে অন্ধকাৰাচ্ছন্ন মানসিকতাক সমাজত উদঙাই দেখুওৱাটো আজিৰ দিনত বৰ দুৰ্ভাগ্যজনক কথা । নানা সমস্যাৰ আলম লৈ মাহ মাহ জোৰাকৈ শ্ৰেনীবৰ্জন কৰাটো প্ৰকৃত শিক্ষাদানৰ মানসিকতা থকা লোকৰ বিচাৰ হ'ব নোৱাৰে । ছাত্ৰ-ছাত্ৰীৰ লগত নিজৰ অন্তৰংগ সম্বন্ধ স্থাপনত অপাৰগ হোৱাটোৰ দুৰ্বলতাত তেওঁলোকেও স্বীকাৰ কৰিব লাগিব । কেৱল পতনমুখী সমাজৰ আন আন কাৰকবোৰৰ কথা ভাবিলেই নহ'ব বুলি তেওঁলোকে যদি চিন্তা কৰে তেতিয়াহলে শৈক্ষিক অগ্ৰগতিত তেওঁলোকৰ পুৰামাত্ৰাৰ ভূমিকা নুই কৰিব নোৱাৰি । কিন্তু তুলনামূলক সমস্যাজৰ্জৰিত দেশীয় অৱস্থাত শিক্ষানুষ্ঠানসমূহত নিজৰ শিক্ষাদানৰ নৈতিক চেতনা বেছি হৈ অহাটোৱেই পৰিলক্ষিত হৈছে । নিজৰ সশ্চিন্তাৰে সকলো অসুবিধাকে সুবিধালৈ ৰূপান্তৰিত কৰিব পৰাটোহে তেওঁলোকৰ সাৰ্থকতা বুলি ভবাটো মহানুভৱতাৰ পৰিচায়ক । এই কথা পাহৰিলে নহ'ব যে এজন হত্যাকাৰীয়ে এজন

লোককহে হত্যা কৰে কিন্তু এজন শিক্ষকে ইচ্ছা কৰিলে যুগে যুগে প্ৰজন্মৰ পিছত প্ৰজন্মক হত্যা কৰিব পাৰে । বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সজ মানসিকতা গঠনত আদৰ্শবান সেই শিক্ষকসকলৰ ভূমিকা অপৰিসীম ।

অসমৰ বিদ্যালয়সমূহৰ কৰ্তৃপক্ষৰ ন্যায়পৰায়ণতা আৰু প্ৰশাসনীয় ব্যৱস্থাপনাৰ ওপৰতো ছাত্ৰ-ছাত্ৰীৰ মানসিক শৃঙ্খলাবদ্ধতাৰ কথা বহু পৰিমাণে নিৰ্ভৰশীল । বৌদ্ধিক সংকটাপন্ন সাম্প্ৰতিক পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীৰ মগজুৰ বিশ্লেষণ এনেয়ে তড়িৎ গতিৰ । এনে অৱস্থাত বিদ্যালয়ত থকা গ্ৰন্থাগাৰসমূহো ছাত্ৰ-ছাত্ৰীৰ সৰহ অংশৰ মনোযোগৰ ঠাঁই হ'ব পাৰে । কিন্তু আমাৰ শিক্ষানুষ্ঠানসমূহত থকা গ্ৰন্থাগাৰসমূহৰ লগত জড়িত কৰ্তৃপক্ষৰ নিৰ্লিপ্ততা আৰু দায়িত্ববোধৰ প্ৰতি অচেতনতাই ,সচেতন ছাত্ৰ- ছাত্ৰীক বিমূৰত পেলায় । অসমত যি কেইখন উচ্চমানৰ মহাবিদ্যালয় আছে তাৰ ভিতৰত নামনি অসমৰ কটন আৰু উজনি অসমৰ কানৈ মহাবিদ্যালয় অন্যতম । কিন্তু এই দুটা শিক্ষানুষ্ঠানৰ গ্ৰন্থাগাৰৰ অভাৱনীয় বিশৃঙ্খলতাৰ কথা আজি চিন্তামূলক । কটন মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশৰ কথা কাগজে পত্ৰই বিস্তাৰিতভাৱে বহু দিনৰ পৰাই প্ৰকাশ পাই আছে । গ্ৰন্থাগাৰৰ দুৰৱস্থাৰ বিষয়ে সেই মহাবিদ্যালয়ৰে প্ৰতিভাবান ছাত্ৰ প্ৰানজিত বৰাই সবিশেষ প্ৰকাশ কৰিছে যে "............ লাইব্ৰেৰীৰ দুৰৱস্থা দেখি সঁচাকৈয়ে আমাৰ মনত বৰ দুখ লাগিল । লাইব্ৰেৰীটোৰ কিতাপৰ অনুপাতে শ্বেল্ফ খুব কম ; ফলত হাজাৰ হাজাৰ কিতাপ মজিয়াত থব লগা হৈছে । কিতাপবোৰ ইতিমধ্যেই নষ্ট হ'বলৈ আৰম্ভ কৰিছে । শ্বেল্ফত যোৱা কিতাপবোৰতো ধূলি মাকতিৰ কেবাতৰপীয়া আৱৰণ । ইংৰাজী বিভাগৰ কিতাপবোৰ যিটো কোঠাত থোৱা হৈছে তাত পোহৰৰ কোনো সুব্যৱস্থা নাই । .......... লাইব্ৰেৰীৰ কাৰণে নতুন ঘৰ এটা সাজিবলৈ ইউনিভাৰছিটি গ্ৰাণ্টছ্ কমিছনে প্ৰায় ত্ৰিশ লাখ টকা অনুদান দিছিল। আধাৰশিলা স্থাপনো হৈ গৈছিল । কিন্তু সেই ত্ৰিশ লাখ টকা কোনে কেনেকৈ কি কামত খৰচ কৰিলে সি আজিও এটা ৰহস্যাবৃত হৈয়ে আছে । আধাৰশিলা স্থাপনৰ সময়ত খন্দা গাঁতকেইটা এতিয়া বৰষুণ দিলে পুখুৰীত পৰিণত হয় ।

কানৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ সমস্যাও একে । ছাত্ৰ-ছাত্ৰীৰ মনোজগতত শৃঙ্খলাই ঠাই পাব নোৱাৰা অসুবিধাসমূহ কেনেদৰে দূৰ হ'ব ? গ্ৰন্থাগাৰত থকা কৰ্মচাৰীৰ দুই একৰ অসংযত ব্যৱহাৰ, ছাত্ৰ-ছাত্ৰীক সন্তুষ্ট কৰিব নোৱাৰা কাৰ্য্যকলাপ, অসংখ্য কিতাপ থকা স্বত্ত্বেও সময়ত কিতাপ উলিয়াই দিব নোৱাৰাটো অধ্যয়ন কক্ষক শৃঙ্খলাবদ্ধ আৰু নিয়াৰিকৈ পৰিচালনা কৰিব নোৱাৰাৰ বাবে মহাবিদ্যালয়ত এই গ্ৰন্থাগাৰত বহু ছাত্ৰ ছাত্ৰীয়ে বহুকালে দুৰ্ভোগ ভোগ কৰি আহিছে । এইধৰণৰ অসুবিধাবোৰক কৰ্তৃপক্ষই যদি সুবিধালৈ ৰূপান্তৰিত কৰিবলৈ যত্ন নকৰে তেন্তে অসমৰ শিক্ষানুষ্ঠানক প্ৰতিনিধিত্ব কৰিব পৰা এই দুই মহাবিদ্যালয়ত বিশৃঙ্খলতাই আৰু গভীৰতালৈ শিপাব।

শিক্ষানুষ্ঠানত সুশ্চিন্তাৰ অভ্যুদয় অথবা অনুশীলনৰ অৱক্ষয় সংক্ৰান্তত আমি ছাত্ৰ সমাজকো কিছুমান ক্ষেত্ৰত জগৰীয়া কৰিব লাগিব । প্ৰতিবছৰে শিক্ষানুষ্ঠানত নতুনকৈ নাম ভৰ্ত্তি কৰা শিক্ষাৰ্থীক চিনাকি পৰ্বৰ আলম লৈ ভয়াৱহভাৱে ৰেগিং কৰাটোৰ প্ৰতিক্ৰিয়া কেনেধৰণৰ হৈছে তাৰ কথা ন-কৈ নকলেও হ'ব । নিজৰ ককাই-ভাই, বাই-ভনীক শাৰীৰিক তথা মানসিকভাৱে বিকলাংগ কৰাতেই যেন তেওঁলোকৰ মানসিক প্ৰশান্তি ; সেই ধৰণৰ ছাত্ৰ-ছাত্ৰীৰ কাৰ্য্যকলাপৰ আগত নৈতিক চেতনাৰ গান গোৱাটো সম্ভৱ নহয় । স্কুল কলেজৰ চৌহদত নানাধৰণৰ অমাৰ্জিত আচৰণ আৰু চাল-চলন, কাৰ্য্য-কলাপ, হাই-উৰুমি , নিজৰ দৰে আনৰ ভাই-ভনীক ভাবিব নোৱাৰাটোৱে শিক্ষা আহৰণকাৰী প্ৰকৃত ছাত্ৰ ছাত্ৰীৰ সুস্থ মানসিকতাক প্ৰতিনিধিত্ব নকৰে । নিজৰ সংস্কৃতিৰ কথা আওকাণ কৰি পাশ্চাত্য অথবা আনৰ সংস্কৃতিক আদৰণি জনোৱাতেই ক্ষান্ত নাথাকি বিশৃঙ্খল ৰুচিবোধৰ পৰিচয় দিয়াটো চৰম লজ্জাজনক কথা । সেইবিলাকে যে নিজা চিন্তাৰ অস্থিৰতাক পৰিচয় দিয়ে সেয়া নিৰ্মোহ সত্য কথা । এতিয়াও সময় মজুত থকাৰ কথা ভাবি আজিৰ ছাত্ৰ-ছাত্ৰীয়ে সশ্চিন্তাৰ অনুশীলন কৰক আৰু তাৰ বিপৰীতে কি ধৰণৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিবলগা হ'ব পাৰে সেই কথা নকলেও হ'ব । গতিকে বৈচিত্ৰ্যময় জীৱনটো যেতিয়া উপভোগ্য বুলি জ্ঞান পোৱা যায় তেতিয়াই কৰ্মসংস্কৃতিৰ প্ৰতি আগ্ৰহ জন্মাব লাগিব । জীৱনৰ প্ৰিয়তম যিবিলাক বাসনা সিবিলাকৰ স্বৰূপ প্ৰকাৰত ব্যক্তিভেদে ভিন্নাত্মক । জীৱনৰ গভীৰতম সত্য অথবা উচ্চতম লক্ষ্যৰ সাৰ্থকতা উপলব্ধিৰ সহায়ত বিস্ময়কৰ জীৱনটোৰ সঠিক কৰ্মত সময় অতিবাহিত কৰি উত্তৰোত্তৰ অৱস্থাৰ বাবে এখোজ আগবাঢ়িব পৰাতেই নিশ্চয় সভ্যমনৰ চূড়ান্ত সিদ্ধান্ত আৰু কাৰ্য্যকলাপ । জীৱনৰ অন্তৰতম গুপুতৰ লগত অন্তৰংগতাৰ উমান পোৱাৰ বাটত প্ৰজ্ঞাৰ সাধনাৰ উদ্দেশ্যে আমাৰ প্ৰধান কৰণীয় কৰ্ম হ'ল আমাৰ সশ্চিন্তাৰ অনুশীলন আৰু বিকাশৰ ওপৰত গুৰুত্ব দিয়া। সেয়ে প্ৰত্যেকে মনত ৰাখিব লাগিব যে ঘৰেই হওক বা বিদ্যালয়তেই হওক — এই জীৱনৰ পঢ়াশালিবোৰত এটা - সৎ চিন্তাৰ জন্ম দিয়াৰ বাবে শিক্ষক, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ উমৈহতীয়া প্ৰচেষ্টাৰ প্ৰয়োজন আছে ।

# ভ্ৰষ্টাচাৰীৰ দেশাত্মবোধ





*শৈলেন গোহাঁই*

স্নাতক ৩য় বৰ্ষ (কলা)


কোনো চিন্তা-ভাৱনাহীন নিষ্কাম, বহুৱা নাইবা চিঞা বেমাৰীৰ দৰে দুৰদৰ্শনৰ আগত বহি ঘণ্টাৰ পিছত ঘণ্টা গোটে গোটে গিলাব দৰে নিস্ফল আভিজাত্যসুলভ দৌৰাত্ম্য মোৰ নিজৰো নাই আৰু আন কোনোবা সদাশয় আত্মীয়ও তেনে কৰ্মত ব্যস্ততা দেখুৱালে মই অতিমাত্ৰা অপ্ৰস্তুত অনুভৱ কৰোঁ । কিন্তু নিৰৰ্থক ৰোষত যেতিয়াই মই অত্যাধিক ক্লান্ত আৰু অৱসাদ অনুভৱ কৰোঁ তেতিয়াই মই এইবোৰৰ পৰা নৈমিত্তিক নিস্কৃতিৰ আশাত, মোৰ সৰুকালৰ দুষ্টালিবিলাক পুনৰাবৃত্তি ঘটাই মোৰ চৰিত্ৰৰ একপ্ৰকাৰ লম্পট, 'লাফংগাৰ' দিশটো একেবাৰে 'ক্লজআপ'ত আনি ৰিল নিছিগাকৈ প্ৰদৰ্শন কৰাত লাগি যাওঁ আৰু তেনে তন্ময় মুহূৰ্ততে মই ঘৰৰ টি.ভি.টোৰ ভলিয়ম কানৰ পৰ্দা ফাটি ছিটি যোৱাকৈ বঢ়াই দি সময় নিৰ্ধন যজ্ঞত অসুৰৰ দৰে জপিয়াই পৰোঁ । মিছা কোৱা নাই, ই মোক ক্ষন্তেক উপক্ষমৰ পৰিবৰ্তে আৰু অধিক পৰিশ্ৰান্ত কৰি এৰি দিয়াতো বাদেই বৰং মোৰ দৰে লম্পট এটাকো নিমিষতে মুহকঁছ নিয়াবলৈও সক্ষম হয় । পাঠক সমাজে হয়তো ভাবিব পাৰে, কিহৰ উদ্ধতালিতনো এই নিলাজে অপদস্তৰ ফান্দত পৰিবলগা হয় ? আচলতে মোৰ যিটো কথাত হীনমন্যতা বা ক্ৰোধ ওপজে সি আনৰ ক্ষেত্ৰত তেনে নহ'ব পাৰে, তাত অৱশ্যে আমাৰ কবলগীয়া একো নাই । কিন্তু যিটো বিষয়ত এটা জাতি বা এখন ৰাষ্ট্ৰৰ ভৱিষ্যতৰ প্ৰশ্ন নিহিত হৈ থাকে তেনেক্ষেত্ৰত মই জনসাধাৰণৰ সামগ্ৰিক মনোদ্বন্দৰ ওপৰত বিশেষ গুৰুত্ব দিওঁ । এনে পৰ্য্যবেক্ষণৰ অন্তত কিন্তু সাম্প্ৰতিক ৰাষ্ট্ৰযন্ত্ৰৰ কিছুমান আদৱ- কায়দাৰ প্ৰতি মোৰ প্ৰচণ্ড ঘৃণা আৰু বিতুষ্টি প্ৰকট হৈ উঠে । দূৰদৰ্শনে ইয়াৰ জন্মলগ্নৰ পৰাই প্ৰচাৰিত কৰি অহা দুটা দৃশ্যই হয়তো প্ৰায়ভাগ অচেতন নাগৰিককে মোৰ দৰে ব্যতিব্যস্ততাত

ভোগাই মাৰিছে বুলি আমাৰ ভাব হৈছে আৰু তাৰে প্ৰথমটো হ'ল স্বাধীনোত্তৰ পিছৰে পৰা নিশকতীয়া জাতি এটাৰ বীৰত্বৰ ভেম দেখুৱাবলৈ ঐক্যতান জুৰি অহা দেশপ্ৰীতিমূলক সংগীত বিলাক যাৰ উদ্দেশ্য কেৱল দুৰ্নীতি আৰু কেলেংকাৰীৰ ভিৰত মূৰ পোনাব নোৱাৰা চৰকাৰ এটাৰ প্ৰগতিৰ খাটিয়ান নতুন ভ্ৰষ্টাচাৰী শাসকৰ লেবেলা জাতি-প্ৰীতি প্ৰদৰ্শন কৰা । দ্বিতীয়টো হ'ল অনীতি, অনিয়ম আৰু অপকৰ্মৰ একনিষ্ঠ সেৱক আমাৰ বিয়াগোম ৰাজনীতিক সকলৰ সেই জ্ঞানশূণ্য ভাষণবিলাক যিটো নেকি এটা মুৰ্খয়োও এন্নাৰ শুনাৰ পিছত হুবহু বখানিব পাৰিব আৰু তাকেই আমাৰ দূৰদৰ্শনে ৰাজকীয় ভেশত প্ৰচাৰ কৰি সমাজৰ প্ৰতিটো শ্ৰেণীকে অবিবেচক, চেতনাশূণ্য বুলি জ্ঞান কৰি আহিছে। আমাৰ নেতাসকলৰ এনে পৰম্পৰাখচিত ভাষণবিলাক শুনিলে মোক এই প্ৰশ্নই জুমুৰি ধৰে যে ইমান উকা মগজুধাৰী সকলক ৰাষ্ট্ৰৰ ভাৰ এৰি দি আমি কি প্ৰগতিৰ কথানো আশা কৰিব পাৰোঁ ? স্বাধীনোত্তৰ অৰ্ধশতিকাৰ পিছতো 'মেৰা ভাৰত মহান' 'হম ভাৰত কা অমৃত সন্তান' ইত্যাদি অসংখ্য ঘূনে ধৰা সংগীতেৰে আজি 'অমৃতৰ সন্তান'ক গুৱাহাটী এৰিবলৈ খাতিৰ কৰিব লগা হৈছে ; ইয়াতকৈ বাৰু আন কিবা লজ্জাৰ কথা কল্পনা কৰিব পাৰিনে? এজন জাপানীয়ে যদি মোক এইদৰে প্ৰশ্ন কৰে যে যোৱা পঞ্চাশটা বছৰত তোমালোকনো কিডাল কৰিলা? কিংকৰ্তব্যবিমূঢ়ভাৱে হ'লেও মোৰ চিধা উত্তৰ হ'ব বগা ছালধাৰী ইংৰাজসকলক উদ্দেশ্যি নানা ভৎৰ্সনাৰে কেইখনমান বুৰঞ্জী লিখা হ'ল, বাকী আমাৰ স্বভাৱ-চৰিত্ৰ, মনন চিন্তন সকলো ইংৰাজে পোহা ভৃত্যৰ দৰেই হৈ থাকিল।

"এতিয়ালৈকে সকলো প্ৰান্তীয় ভাষাত অল্ ইণ্ডিয়া ৰেডিঅ'ই সৰ্বমুঠ তেৰ হাজাৰ দেশপ্ৰেমমূলক গীত সংগ্ৰহ কৰিছে । ইয়াৰ সৰহভাগেই আপচু হৈছে যদিও .....। কিন্তু এইখিনিতে কথা হৈছে ডেৰশ বছৰকাল পৰাধীন হৈ থকা যিটো পোন্ধৰ বছৰীয়া জাতিক আজি ৰেডিঅ' গীতেৰে জগাব লগা হ'ল, সেইটো জাতিৰ দেশপ্ৰেম কিমান গভীৰ, সেইষাৰ কথাও ভাবি চাবলগীয়া ।" কথাষাৰ স্বাধীনতাৰ দুটা দৰ্শক পূৰ নহওঁতেই, অসমৰ আটাইতকৈ সুযোগ্য সাংসদ হেম বৰুৱাই তেতিয়াই দেশৰ এনে তথৈবচ অৱস্থাৰ বিষয়ে উপলব্ধি কৰি আনকো হুচিয়াৰ কৰি দিছিল । সাংসদ বৰুৱাদেৱৰ এনে বাস্তৱিক উপলব্ধিৰ চূড়ান্ত বিস্ফোৰণ ঘটিছিল চীনৰ ভাৰত আক্ৰমণৰ কালছোৱাত যেতিয়া তেওঁ দিল্লীৰ এখন ৰাজহুৱা সভাত উদাও কণ্ঠেৰে কৈছিল – "You don't want a song, you want a gun." (তেওঁৰ আটুঁফুলখন পঢ়ক)। ৰাছিয়াই জাৰৰ কবলৰ পৰা মুক্ত হৈ তিনিটা দশকত যি অপ্ৰতিৰোধ্য প্ৰগতি কৰিবলৈ সক্ষম হৈছিল সি কেৱল হেজাৰ হেজাৰ বেলে নত্য বা স্বদেশপ্ৰেমমূলক গীতৰ উচটনিতে সম্ভৱ হৈছিলনে? আধুনিক বিশ্বত ক্ষুদ্ৰ ৰাষ্ট্ৰ জাপানে আজি যি পাৰ্গতালিৰ পয়োভৰ ঘটাইছে সি কি মাথো হাইকু গীত মাত বা কম্ফু কাবুটেৰ দপ্‌দপ্‌নিতেই সম্ভৱ হৈছেনে? প্ৰকৃততে এনে কাৰণতে তেওঁলোকে এনে দুসাধ্য কামকো সাধ্য বুলি প্ৰমানিত কৰিছে আৰু সেইটোৱেই হৈছে এই ৰাষ্ট্ৰবোৰৰ প্ৰতিজন সচেতন নাগৰিকৰ হৃদয়ত জীপাল হৈ থকা এক নিৰ্ভেজাল দেশাত্মবোধ যিটো নেকি কেৱল প্ৰকৃত আত্ম উপলব্ধিৰ ফলতহে সম্ভৱ । গীত-মাত নতুবা অন্য উপায়ে জোৰজবৰদস্তী জাতীয় চেতনা জগাবলৈ যোৱা দেশ এখনৰ ভৱিষ্যত কি বা সেই ৰাষ্ট্ৰৰ নাগৰিক সকলৰ mentality এই যুগটো কেনে স্তৰত আছে তাক, যিয়েই উপলব্ধি কৰি পাইছে সিয়েই হয়তো এইদৰে লম্পটৰ নাক কোঁচাবলৈ বাধ্য হৈছে । স্বাধীনোত্তৰ ভাৰতৰ বাবে আটাইতকৈ অশুভ লক্ষণটো হ'ল যে নাগৰিকৰ যিটো কৰ্ম স্বতঃস্ফূৰ্ত আৰু চৰ্তহীন হোৱা উচিত তাক আজি AK-47 ৰ দ্বাৰা কৰোৱাব লগা হৈছে, হাজাৰ হাজাৰ ফোঁপোলা সংগীতেৰে আমাৰ দৰিদ্ৰতাক গাপ দি ৰাখিবলৈ আজি আমাৰ ৰাষ্ট্ৰযন্ত্ৰই অলপো কুণ্ঠাবোধ কৰা নাই । নেহেৰু-আম্বেদকাৰৰ সাংসদীয় গণতন্ত্ৰত সম্প্ৰতি আমি আৰু এখন নব্য গণতন্ত্ৰৰ সোৱাদ লবলৈ পাইছো য'ত কেৱল গুণ্ডা, দালাল, ভিকহু, প্ৰৱঞ্চক আৰু লুণ্ঠনকাৰীয়েহে অনাবিল শান্তিত দিন নিয়াব পাৰে । আমাৰ সভ্যতা-সংস্কৃতি আজি ইমানেই বিচিত্ৰ ও বিভিন্ন তাৰ মাজত ঐক্য যে দেশৰ এটা শ্ৰেণীয়ে যদি পৰমানু বোমা দলিয়াবলৈও সাজু থাকে তেন্তে আন এটা শ্ৰেণীয়ে এই যুগটো টিপচহী লগাবলৈ দ্বিধাবোধ নকৰে ; দেশৰ এটা শ্ৰেণীৰ শিশুৱে যিটো সময়ত উত্তৰণৰ সাধনাত নিমগ্ন হৈছে আন এটা শ্ৰেণীৰ শিশুৱে আধুনিক সভ্যতাৰ আটাইতকৈ ঘৃণিত আৰু ভয়াৱহ শক্ৰ গোষ্ঠীগত সংঘৰ্ষত আত্মঘাহ হৈছে । ভ্ৰষ্টাচাৰীৰ একনায়কত্বত স্বদেশপ্ৰীতিয়ে আৰু কি ৰেহৰূপ লয় তাৰ কোনো সীমা সংখ্যা নাই, মাথো ধৈৰ্য্য সহকাৰে আপোনসৰে উপভোগ কৰি যোৱাতহে লাগে ।


দূৰদৰ্শনৰ দ্বাৰা প্ৰচাৰিত সদ্যসমাপ্ত আটলাণ্টা অলিম্পিক মই বহু চেষ্টা কৰিও নিশ্চিন্ত মনেৰে চাব পৰা নাছিলো । আমাৰ ৰাষ্ট্ৰৰ খেলুৱৈ চৰম ব্যৰ্থতাই মোৰ ক্ৰীড়াস্থলত মনটোক বাৰে বাৰে বিসাদগ্ৰস্ততাত ডুবাই মাৰিছিল । অৱশ্যে এনে ব্যৰ্থতাৰ লগত আজন্ম মিতিৰালি বাবে তাক আমি এলক'হল জাতীয় ঔষধ অবিহনেই চম্ভালিব পাৰিছিলো । কিন্তু অলিম্পিক ক্ৰীড়া চলি থকা সময়ত আমাৰ ৰাষ্ট্ৰৰ নায়কসকলে 'ল'কেল গ্ৰাউণ্ড'ত যি বীৰত্বৰে তেওঁলোকৰ অভিজ্ঞপুষ্ট ক্ৰীড়াশৈলী প্ৰদৰ্শন কৰিছিল সিহে মোক তবধ মনাইছিল। মোৰ এনে ভাব হৈছিল যে যদি এইদৰেই ৯৫ কোটি মানিচ, এপাল অনিষ্টকাৰী গাহৰিৰ মুখৰ কচু-টেপু হৈ থাকিবলগীয়া হয় তেন্তে আগলৈ অলিম্পিকতত সোণ কঢ়াটো দূৰৰে কথা বিশ্ব ক্ৰীড়া মানচিত্ৰৰ পৰা ভাৰতৰ নাম উৎখাত হোৱাৰ সম্ভাৱনাই অধিক । আটলাণ্টাত ধুমুহাৰ গতিত অলিম্পিক চলি থকা অৱস্থাত আমাৰ ৰজা-মন্ত্ৰীসকলে এই দৃঢ়সংকল্পলৈ ঘৰুৱা প্ৰতিযোগিতাত নামিছিল যে অলিম্পিক অস্ত

পৰাৰ লগে লগে আমিও এইফালে দেশৰ ৰাজভঁৰাল লুটি খতম কৰিম ! এসময়ৰ স্বয়ম্ভু ৰাষ্ট্ৰপ্ৰধানজনেই এই দিন-ডকাইত দলৰ নেতৃত্ব দিছিল আৰু এইজন গভাইট চোৰৰ শিয়ালসদৃশ চতুৰালিৰ জোৰতেই এতিয়াও বহু ভণ্ড ৰাষ্ট্ৰনায়ক অন্য নহ'লেও গান্ধীটোপীটোকে মূৰত গুজি বীৰদৰ্পে ৰাজপথত তহল দি ফুৰিবলৈ সক্ষম হৈছে। সুখীৰাম-দুখীৰাম প্ৰভৃতি দৰিদ্ৰশ্ৰেণীৰ ত্ৰানকৰ্ত্তা সকলে স্বাধীনতাৰ অৰ্দ্ধশতিকাৰ পূৰ্তিৰ উপলক্ষে ৰাজভঁৰালৰ পৰা কোটি কোটি টকা জোলোঙাত ভৰাই লণ্ডন-নিউইৰ্য়ক আদি মহানগৰীত বিদেশী বনিতা বিচাৰি দেশৰ পৰা উধাও হোৱা কাহিনী সচেতন ৰাইজ মাত্ৰে অজ্ঞাত হৈ থকা নাই। দস্যুৰানী ফুলনদেৱীয়ে আধা জীৱন হাবিত থাকি যি সম্পত্তি লুটিছিল তাতকৈ বহু গুণে অধিক, মাত্ৰ কেইটামান দিনতে আত্মসাৎ কৰি ৰুণু-চিলা আদি নব্য ভাৰতীয় ৰমনীয়ে সৰ্বকালৰ সৰ্বতো ৰেকৰ্ড ভঙ্গ কৰি সীতা-সাবিত্ৰী খ্যাত ভাৰতীয় নাৰী সমাজৰ মূৰত এটা ৰামটাঙোন সোধালে, আন যিয়েই নহওক ভণ্ডামি আৰু দালালিনগৰীত যে আমাৰ নাৰীসমাজ একেবাৰে পৰিমৰাবিধৰ নহয় ই তাৰেই নিদৰ্শন নহয়নে? সৌ সিদিনা টি.এন. শেষানে নকৈ নোৱাৰিলে যে সাংসদৰ ৮৫জন সদস্যই সংখ্যাধিক দুৰ্নীতি আৰু নাৰীজনিত কেলেংকাৰীত জড়িত আছে আৰু এনে এচাম কুখ্যাত দাগী আচামীয়েই হৈছে আমাৰ দেশ আৰু জাতিৰ ভাগ্যদষ্টা। এয়ে এদল চোৰ ডকাইতে হাজাৰ হাজাৰ গীতৰ ভঙ্গীমাৰে আনক স্বদেশপ্ৰীতিৰ 'লেচন' দিবলৈ যোৱাটোৱে কেৱল এই 'লাফাংগাৰ'কে নহয় এজনী চতুৰ বেশ্যাকো লাজত নেপেলাবেনে?


"No Indian Science the Buddha has been endowed with so many God's gifts." — সাৱলীল ইংৰাজী ভাষাৰ অধিকাৰী, নেহেৰুৰ প্ৰতিটো কথাতে উভতি ধৰা আমাৰ হেম বৰুৱাই তাহানিতে, বিৰোধী দলৰ স্বয়ম্ভু প্ৰধান লগতে দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত নেহেৰুৰ সম্পৰ্কেই উক্ত কথাফাকি ব্যক্ত কৰিছিল। কথাষাৰ এইবাবেই একেবাৰে মিছা নহয় যে নেহেৰুৰ দৰে একেধাৰে এজন বিশ্ব-বিশ্ৰুত লেখক, সুবক্তা আৰু তীখৰ ৰাজনীতিজ্ঞ স্বৰাজোত্তৰ ভাৰতবৰ্ষই আজি পৰ্য্যন্ত সৃষ্টি কৰিব নোৱাৰিলে। যোৱা ১৫ আগষ্টত আমাৰ নব্য প্ৰধানমন্ত্ৰী দেৱেগৌড়াই শ-শ বিদেশী ৰাষ্ট্ৰদূত আৰু অগণন জনতাক উদ্দেশ্যি যিটো ভাষণ পাঠ কৰিলে, তাত যে কিবা নতুনত্ব আছে সেয়া আমি একেবাৰে নুই কৰিব পাৰোঁ। ৰাজনীতিত কোন কৃষকৰ ল'ৰা, কোন টাটা বিৰালাৰ সন্তান সি বিশেষ গুৰুত্ব পোৱা কথা নহয়, জনসাধাৰণ একেবাৰে নিৰ্বোধ হলেও আন দুটা গুণৰ প্ৰতিহে আকৰ্ষিত হোৱা আমি দেখি আহিছোঁ। সেই নেতা এগৰাকীৰ 'অন্তৰৰ বিশুদ্ধতা' আৰু 'মগজুৰ তীব্ৰতা'। আন নহ'লেও এই দুটা গুণৰ ব্যতিৰেকে ৰাজনীতিত যে যশ-খ্যাতি অৰ্জন কৰা কঠিন, যোৱা পঞ্চাশটা বছৰত তাকেই প্ৰমাণিত হৈ আহিছে। হেম বৰুৱাই এই সম্পৰ্কে তেওঁ 'আঁচু ফুল'খনত কৈছে, "অন্তৰৰ বিশুদ্ধতা আৰু মগজুৰ তীব্ৰতা, ইয়াৰ কথাও কোনেও অস্বীকাৰ কৰিব নোৱাৰে। নেহেৰুৱে বহুত ভুলেই কৰিছে জীৱনত, বিশেষকৈ ৰাজনীতিৰ ক্ষেত্ৰত। এইবোৰ জানিশুনিও এনেবোৰ মৰ্মস্পৰ্শী গুণৰ বাবেই ৰাইজে তেওঁক বাৰে বাৰে ক্ষমা কৰি আহিছে।" দুৰ্নীতি আৰু ব্যভিচাৰত লুতুৰি-পুতুৰি হৈ থকা আমাৰ নেতাসকলৰ কোনটো গুণতনো মুগ্ধ হৈ ৰাইজে তেওঁলোকৰ মনুষ্যত্বহীন কৰ্মক পাহৰি পেলাব বা ক্ষমা দান কৰিব?

সম্প্ৰতি দেশৰ প্ৰান্তে প্ৰান্তে শোষণমুক্ত আৰু সাৰ্বভৌম ৰাষ্ট্ৰ গঢ়াৰ নামত সন্ত্ৰাসৰ জোঁৱাৰ উঠিছে। হাজাৰ হাজাৰ দেশপ্ৰেমমূলক গীতেৰেও এই নাগ্নাসনক থমাব পৰাটো ভাৰতীয় ৰাষ্ট্ৰযন্ত্ৰৰ পক্ষে সামৰ্থ্যৰ বাহিৰত। এক কথাত, যোৱা পাচঁোটা দশকত আমাৰ ৰাজনীতি ইমানেই আগুৱাই গ'ল যে কিছুসংখ্যকক সাৰ্বভৌম ৰাষ্ট্ৰৰ সপোন দেখিবলৈ বাধ্য কৰোৱাইহে এৰিলে। বৰ্তমানৰ সংকটৰাজিক অধ্যয়ন কৰি আমাৰ ধাৰণা হৈছে, যোৱা সময়ছোৱাত আমাৰ শ্ৰমিক-কৰ্মচাৰী সকলে যি দৰ্শনৰ বশৱৰ্ত্তী হৈ ৰাষ্ট্ৰৰ প্ৰতি থকা তেওঁলোকৰ কৰ্তব্য ও দায়িত্ব পালন কৰি আহিছে আৰু ভৱিষ্যতে তেওঁ যদি তাকেই কৰি যায় তেন্তে আমাৰ সংকটে আৰু বীভৎস ৰূপহে ল'ব। আদৰ্শ আৰু নৈতিকতাৰ এনে নিলাজ অধঃপতনক লৈ আমি বিশেষ চিন্তিত নহ'লেও ৰাষ্ট্ৰৰ নাগৰিকসকলৰ নিজ কৰ্তব্য ও দায়িত্বৰ প্ৰতি প্ৰদৰ্শন কৰা এনে অনিহা মনোভাৱেহে আমাক ক্ষুণ্ণ কৰি তুলিছে। ভ্ৰষ্টাচাৰীতাৰ এনে সৰ্বগ্ৰাসী দিনত ৰাষ্ট্ৰৰ প্ৰতিজন শ্ৰমিক কৰ্মচাৰীয়ে এই কথা উপলব্ধি কৰক যে দেশৰ হকে কৰা তেওঁলোকৰ শ্ৰমৰ অন্তৰালত কেৱল কেইটামান পেট নতুবা মাহিলি দৰমহাটোৱেই সাঙোৰ খাই থকা নাই তেওঁলোকৰ কৰ্তব্যনিষ্ঠা আৰু দায়িত্বশীল মনোভাৱৰ ওপৰতে নিৰ্ভৰ কৰিছে এখন দেশ আৰু এটা জাতিৰ ভৱিষ্যত। এনে দায়িত্ববোধ আৰু কৰ্তব্যজ্ঞানেই হৈছে প্ৰতিজন বিবেকবান নাগৰিকৰ একমাত্ৰ নিভাঁজ দেশাত্মবোধৰ পৰিচায়ক। আমাৰ ৰাজনীতিক সকলকো অনুৰোধ, তেওঁলোকে গীতেৰে নহয় প্ৰকৃত কৰ্মৰে দেশাত্মবোধৰ সোঁত বোৱাঁওক। এনে কৰ্তব্যজ্ঞানে দেশৰ সন্ত্ৰাসবাদ দমনত AK-47 তকৈ অধিক ফলপ্ৰসূভাৱেহে কাম কৰিব বুলি আমাৰ বিশ্বাস। এইখিনিতে গণতন্ত্ৰৰ পথিকৃৎ প্লেটোৱে তাহানিখনকে এৰি থৈ যোৱা সেই শ্বাশ্বত উক্তিফাঁকিকে পুনৰ সোঁৱৰি কওঁযে **"অসুখ হলে আমি সুদক্ষ, যোগ্য আৰু ডিগ্ৰীধাৰী চিকিৎসকক মাতি পঠাওঁ, সুদৰ্শন বা সুবক্তা চিকিৎসকক সেই কামত নামাতো। তেনেস্থলত সমগ্ৰ ৰাষ্ট্ৰ যদি ৰুগ্ন হৈ পৰে, তেতিয়া আমাৰ উচিত নহবনে সকলোতকৈ বিজ্ঞ আৰু উত্তম জনৰ পৰামৰ্শ আৰু নিৰ্দ্দেশ লোৱা ?"**

প্ৰবন্ধ




# শৈক্ষিক পৰিৱেশ আৰু যুৱ মানসিকতা





*শ্ৰী আদিত্য শইকীয়া*

স্নাতক প্ৰথম বৰ্ষ (কলা)


সাম্প্ৰতিক কালত শৈক্ষিক পৰিৱেশৰ লগত বহুতো আনুষঙ্গিক কথা জড়িত হৈ আছে যদিও পোণপ্ৰথমে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যাত জীৱনৰ ভেঁটি স্বৰূপ শিক্ষানুষ্ঠানবোৰৰ কথাকে ক'ব লাগিব । এটি শিশুৰ আনুষ্ঠানিক শিক্ষাৰ শুভাৰম্ভ হয় শিশুটিৰ শিক্ষানুষ্ঠানত নামভৰ্ত্তিকৰণৰ তাৰিখৰ পৰাই । নানা ৰঙীন সপোন, মধুৰ কল্পনা আৰু ভৱিষ্যত জীৱনত কিবা এটা হোৱাৰ প্ৰবল আশা-আকাংখা বুকুত বান্ধি এটি শিশু শিক্ষানুষ্ঠানলৈ আহে। পিতৃ-মাতৃ তথা অভিভাৱক সকলৰো শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ওপৰত গভীৰ আস্থা আৰু বিশ্বাস থাকে। কাৰণ সামাজিকভাৱে দায়বদ্ধ শিক্ষানুষ্ঠান সমূহে ভৱিষ্যতৰ দেশৰ মেৰুদণ্ড স্বৰূপ নাগৰিক গঢ়াৰ ক্ষেত্ৰত দায়িত্ব পালন কৰিবই লাগিব । উপযুক্ত আৰু অনুকূল শৈক্ষিক পৰিৱেশতহে শিক্ষানুষ্ঠান সমূহে এই দায়িত্ব সূচাৰুৰূপে পালন কৰিব পাৰিব । ইয়াৰ যৎকঞ্চিত ব্যতিক্ৰম ঘটিলেই শৈক্ষিক পৰিৱেশ বিনষ্ট হয় আৰু ছাত্ৰ-ছাত্ৰীসকলো শিক্ষা গ্ৰহণৰ দৰে মহৎ কাৰ্য্যৰ পৰা বঞ্চিত হ'ব লগা হয় ।

বৰ্তমান নানা সভা-সমিতি সমূহে আয়োজন কৰা আলোচনাচক্ৰ সমূহৰো মূল বিষয়বস্তু হৈছে - শৈক্ষিক পৰিৱেশ। উক্ত আলোচনাচক্ৰ সমূহত আলোচকসকলে শিক্ষানুষ্ঠান সমূহৰ শৈক্ষিক পৰিৱেশ বিনষ্ট হৈছে বুলি দুখ প্ৰকাশ কৰিয়েই ক্ষান্ত থাকে । কিন্তু শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাৰ মূল কাৰণবোৰ নিৰ্দ্ধাৰণ কৰা আৰু শৈক্ষিক পৰিৱেশ উন্নত কৰা আদি বিধৰ যোগাত্মক আলোচনাৰ পৰা বিৰত থাকে । চূড়ান্ত পৰীক্ষাসমূহত বছৰি অনুত্তীৰ্ণৰ হাৰ বৃদ্ধি হোৱাৰো মূল কাৰণ হিচাপে শৈক্ষিক পৰিৱেশকেই দায়ী কৰিবলৈ বহুতে দ্বিধাবোধ নকৰে ।

উপযুক্ত শিক্ষাৰে শিক্ষিত নাগৰিকেহে দেশ আৰু জাতিৰ প্ৰগতিত ইন্ধন যোগাব পাৰে । উপযুক্ত শিক্ষালাভ কৰিবলৈ হ'লে প্ৰয়োজন হয় উপযুক্ত শৈক্ষিক পৰিৱেশৰ । উপযুক্ত শিক্ষাৰে শিক্ষিত নাগৰিক কেনেকৈ সৃষ্টি হ'ব যদিহে শৈক্ষিক পৰিৱেশেই ব্যাহত হয়; সেইবাবে শৈক্ষিক পৰিৱেশ ব্যাহত হোৱাৰ মূল কাৰক সমূহ নিৰ্দ্ধাৰণ কৰি এইবোৰ নিৰাকৰণ কৰিবৰ কাৰণে শিক্ষানুষ্ঠানৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সমাজে কেনে ভূমিকা গ্ৰহণ কৰিছে বা শৈক্ষিক পৰিৱেশ ব্যাহত হোৱাত এইসকলৰ কিবা প্ৰত্যক্ষ বা পৰোক্ষ ইন্ধন আছে নেকি বিচাৰ বিশ্লেষণ কৰি চোৱাৰ সময় আজি সমাগত ।

পূৰ্ণ সাক্ষৰতা আঁচনি চৰকাৰে গ্ৰহণ কৰিছে যদিও ভৱিষ্যতৰ দেশৰ নাগৰিক উৎপাদনৰ কাৰখানা স্বৰূপ শিক্ষানুষ্ঠান সমূহত ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰিবৰ বাবে প্ৰয়োজন হোৱা ন্যূনতম সা-সুবিধাখিনিৰো অভাৱ প্ৰায়ভাগ শিক্ষানুষ্ঠানতে পৰিলক্ষিত হয় । ছাত্ৰ-ছাত্ৰী অনুপাতে বেঞ্চ-ডেস্কৰ অভাৱ, শিক্ষণ সামগ্ৰীৰ অভাৱ, শৌচাগাৰ-প্ৰস্ৰাৱগাৰৰ অভাৱ প্ৰায় প্ৰতিখন

বিদ্যালয়তে আছে বুলি ক'লেও অত্যুক্তি কৰা নহয়। কিন্তু উল্লেখিত অভাৱসমূহৰ শৈক্ষিক পৰিৱেশ গঢ়ি উঠিব তাৰ কোনো নিশ্চয়তা নাই । শিক্ষানুষ্ঠানসমূহৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত ব্যক্তিসকলৰ সামুহিক আৰু আন্তৰিকতাপূৰ্ণ প্ৰচেষ্টাৰ অবিহনে শিক্ষানুষ্ঠান সমূহত এক অনুকূল শৈক্ষিক পৰিৱেশ গঢ়ি উঠাটো সম্ভৱ নহয় ।

শিক্ষানুষ্ঠান সমূহত প্ৰত্যক্ষভাৱে জড়িত হৈ থাকে শিক্ষাগুৰু সকল, তেওঁলোকৰ নিষ্ঠা, একাগ্ৰতা আৰু কৰ্ম পদ্ধতিৰ ওপৰতেই শিক্ষাৰ মানদণ্ডৰ উন্নতি-অৱনতি নিৰ্ভৰ কৰে বুলি ভৱাৰ যুক্তিযুক্ততা আছে । এই প্ৰসঙ্গতে গ্ৰীচৰ প্ৰখ্যাত দাৰ্শনিক এৰিষ্ট'টলে মন্তব্য কৰিছিল "এজন শিক্ষক হ'ব লাগিব শাৰিৰীকভাৱে উপযুক্ত, আৱেগিকভাৱে ধীৰ-স্থিৰ, মানসিকভাৱে সজাগ, সামাজিকভাৱে কৰ্মপটু আৰু আধ্যাত্মিকদিশত ঈশ্বৰৰ প্ৰতি ভয়-ভক্তি থকা লোক।"

বৰ্তমানৰ শিক্ষাৰ মানদণ্ড আৰু শৈক্ষিক পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজ দায়িত্ব-কৰ্তব্য পালনত অবহেলা কৰিছে নেকি, শিক্ষাদানৰ কোনোবাখিনিত আন্তৰিকতাৰ অভাৱ ঘটিছে নেকি এই বিষয়ে বিচাৰ-বিশ্লেষণ হোৱাটো অতীৱ প্ৰয়োজনীয় । আজিকালি বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাতে স্থান পায় শিক্ষক বাছনি আৰু নিযুক্তিৰ ক্ষেত্ৰত হোৱা দুৰ্নীতি, শিক্ষক চাকৰিৰ দাম ত্ৰিশ চল্লিশ হাজাৰ টকা পযন্ত হোৱা খবৰে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত দিক্‌নিৰ্ণায়ক শিক্ষা বিভাগত এনে দুৰ্নীতিয়ে পোষাশা মেলাতো অতি পৰিতাপৰ কথা । এজন শিক্ষকৰ দাম-দৰ নিৰ্দ্ধাৰণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক কোনো অধিকাৰ দিলে এই বিষয়ে বিজ্ঞজনে বিচাৰ বিশ্লেষণ কৰি চোৱাৰ সময় আহি পৰিছে । এই ক্ষেত্ৰত সমাজৰ প্ৰতিজন ব্যক্তিয়েই সচেতন নহ'লে সেই দুৰ্নীতিৰ পোষাশা সময়ত বৰ গছৰ আকাৰ যে ধাৰণ নকৰিবগৈ তাক কোনেও নুই কৰিব নোৱাৰে ।

শৈক্ষিক পৰিৱেশৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ থকা দ্বিতীয় অঙ্গ হ'ল-ছাত্ৰ সমাজ । নিজে অধ্যয়ন কৰা শিক্ষানুষ্ঠানটিত সুস্থ শৈক্ষিক পৰিৱেশ বৰ্ত্তাই ৰাখিবলৈ ছাত্ৰসকলে উল্লেখনীয় ভূমিকা পালন কৰিব লাগে । অনুশাসনহীনতাৰ ফলস্বৰূপে একোখন ঘৰ বাঁহতলত পৰিণত হোৱাৰ দৰে একোখন শিক্ষানুষ্ঠানৰ অনুকূল শৈক্ষিক পৰিৱেশ বৰ্ত্তী থকাৰ প্ৰধান চাবি-কাঠি হৈছে নিয়ম-শৃংখলা আৰু অনুশাসন।

বৰ্তমান যুগসন্ধিক্ষণত ছাত্ৰ সমাজে ভৱিষ্যত জীৱন গঢ়াৰ বাবে প্ৰয়োজনীয় শিক্ষা আহৰণৰ প্ৰতি মনোনিবেশ কৰাৰ লগতে সময়ৰ আহ্বানতেই হওক বা আন কিবা কাৰনেই হওক সমাজ, দেশ তথা জাতিৰ বিভিন্ন সমস্যাৱলীৰ প্ৰতিও মনোনিবেশ কৰা পৰিলক্ষিত হৈছে । এনে কৰিবলগা হোৱাত ছাত্ৰ-ছাত্ৰীসকলে নিজ উদ্দেশ্য বা লক্ষ্যৰ পৰা কিছু পৰিমাণে হ'লেও বিচ্ছ্যুত হ'ব লগা হৈছে আৰু ইয়াৰ কুপ্ৰভাৱে শৈক্ষিক পৰিৱেশৰ ওপৰতো গভীৰভাৱে ৰেখাপাত কৰিছে । এই প্ৰসঙ্গত বেনুধৰ শৰ্মাদেৱৰ এষাৰি উক্তি প্ৰনিধানযোগ্য, তেখেতে কৈছিল "ছাত্ৰসকল আজি কালি পাঠ্যপুথিতে আবদ্ধ হৈ থকা নাই ; ৰাজনীতি, সমাজনীতি, সাহিত্য-সংস্কৃতি আদিৰ চৰ্চ্চাতো মনোনিবেশ কৰিছে। এই মনোনিবেশৰ সুফল কিম্বা কুফল সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰিছে তেওঁলোকৰ নিজৰ বৈশিষ্ট্যৰ ওপৰত আৰু নিজৰ মাজত থকা সংগঠন দক্ষতাৰ ওপৰত । আলোচ্য শৈক্ষিক পৰিৱেশ উন্নত কৰিবলৈ ছাত্ৰ সমাজৰ প্ৰতিজন ছাত্ৰ হ'ব লাগিব একোজন "প্ৰকৃত ছাত্ৰ" (Real Student) । প্ৰকৃত ছাত্ৰৰ সংজ্ঞা জগদীশ চন্দ্ৰ বসুদেৱে এনেদৰে দিছিল – "প্ৰকৃত ছাত্ৰই কেতিয়াও খ্যাতি, ক্ষমতা, নাইবা আমোদ নিবিচাৰে । তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য । সত্য আবিস্কাৰ কৰিবৰ কাৰণে তেওঁ সকলো কৰিবলৈ সাজু।" অনুকূল শৈক্ষিক পৰিৱেশেহে প্ৰকৃত ছাত্ৰ উৎপাদনত সহায়তা কৰে।

আজি-কালি কিতাপৰ বিপনিসমূহ ভৰি পৰিছে "নোট বুক" (Note Book) বোৰেৰে । এই "সহায়িকা" (!) বোৰ পাঠ্যপুথি প্ৰকাশ হোৱাৰ আগতেই প্ৰকাশ হোৱাটো চিন্তনীয় বিষয় হৈ পৰিছে। "নোট বুক" বোৰৰ উপৰিও বৰ্তমান জনপ্ৰিয় হৈ পৰা "প্ৰাইভেট টিউছন" (Private Tuition) পদ্ধতিয়েও শৈক্ষিক পৰিৱেশৰ ওপৰত কুপ্ৰভাৱ পেলাইছে । এই ক্ষেত্ৰত অভিভাৱকৰ অৰ্থনৈতিক বোজাৰ কথা নকলোৱেই বা । ছাত্ৰ-ছাত্ৰী সকল নিজ চেষ্টাৰ প্ৰতি, বিদ্যালয়ত শিক্ষকে দিয়া পাঠদানৰ প্ৰতি অমনোযোগী হৈছে ।

আজি কিছু বছৰৰ পৰা আমাৰ ছাত্ৰ সমাজ নকল নামৰ এক মহাব্যাধিৰ দ্বাৰা আক্ৰান্ত হৈছে । চূড়ান্ত পৰীক্ষাবোৰৰ কথাটো বাদেই বিদ্যালয়-মহাবিদ্যালয়ৰ আভ্যন্তৰীণ সাময়িক পৰীক্ষা বোৰতো 'নকল' নামৰ মহাব্যাধি বিয়পি পৰিছে আৰু এইটো শিক্ষা জগতৰ প্ৰতি এক প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। এই কাৰ্য্যত পৰীক্ষা পৰিচালনাৰ লগত জড়িত এক শ্ৰেণী শিক্ষকৰ লগতে কিছু অভিভাৱকেও ইন্ধন যোগোৱাৰ কথা মাজে সময়ে কাকতে পত্ৰই পঢ়িবলৈ পোৱা যায় । নৈতিকতাক জলাঞ্জলি দি কোমলমনৰ ছাত্ৰ-ছাত্ৰীসকলক এনে কুকাৰ্য্যৰ প্ৰতি প্ৰৰোচিত কৰাটো আমাৰ শিক্ষাজগতখনৰ কাৰণে চৰম দুৰ্ভাগ্য আৰু লজ্জাজনক কথা বুলি ক'ব লাগিব ।

ইয়াৰ বিপৰীতে এক শ্ৰেণীৰ সচেতন আৰু নিষ্ঠাবান শিক্ষকে এই কাৰ্য্যৰ বিৰোধীতা কৰিবলৈ গৈ বহুসময়ত লাঞ্চিত, আৰু অপমানিত হোৱাৰ লগতে বহু সময়ত শাৰীৰিক নিৰ্য্যাতন ভোগ কৰিব লগা হোৱাৰ দৃষ্টান্ত দেখাৰ পোৱা যায় । ইয়াৰ ফলত আমাৰ শৈক্ষিক পৰিৱেশ কোন দিশে গতি কৰিছে সেইয়া সহজেই অনুমেয় । আমাৰ শিক্ষাৰ মানদণ্ড নিৰ্ণীত হৈ আহিছে পৰীক্ষাত লাভ কৰা নম্বৰৰ ওপৰত। পৰীক্ষাত 'নকল'ৰ সহায় লৈ এজন ছাত্ৰই যদি তেনে অসৎ উপায় অৱলম্বন নকৰি নিজ চেষ্টাৰে পৰীক্ষাত অৱতীৰ্ণ হোৱা ছাত্ৰ এজনতকৈ ভাল ফলাফল লাভ কৰিবলৈ সক্ষম হয় তেন্তে দ্বিতীয়জনৰ মানসিক অৱস্থা বাৰু কেনে হ'ব ? তেওঁ যদি প্ৰথমজনতকৈ কিছু চোকা মনোবৃত্তিৰ হয় তেন্তে তেওঁৰ নিজৰ ওপৰতে ধিক্কাৰ নজন্মিব নে?? বৰ্তমান শৈক্ষিক পৰিৱেশৰ ওপৰত এই কথাবোৰেও নিঃসন্দেহে প্ৰভাৱ পেলাইছে ।

এক সুস্থ শৈক্ষিক পৰিৱেশ বৰ্ত্তাই ৰখাৰ ক্ষেত্ৰত অভিভাৱক সকলৰো ভালেখিনি কৰণীয় আছে । কেৱল ল'ৰা-ছোৱালীক শিক্ষানুষ্ঠানত নাম লগাই দিয়েই অভিভাৱকসকলৰ দায়িত্ব শেষ বুলি ভবা দিন আজি আৰু নাই । শিক্ষানুষ্ঠানৰ

শৈক্ষিক পৰিৱেশ উন্নত তথা সুস্থ কৰিবলৈ হ'লে অভিভাৱক সকলৰ প্ৰত্যেকেই ঘৰতে এক অনুকূল শৈক্ষিক পৰিৱেশ গঢ়ি তুলিবলৈ অহোপুৰুষাৰ্থ কৰিব লাগিব । তথাকথিত আধুনিক সভ্যতাৰ অবিচ্ছেদ্য অংগ হৈ পৰা অনেক সামগ্ৰীৰ অপপ্ৰয়োগ নগৰ-গাওঁ সকলো ঠাইৰ লোকৰ ওপৰত প্ৰভাৱ পেলাইছে । ইয়াৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ আমাৰ শৈক্ষিক পৰিৱেশৰ ওপৰতো যে পৰিছে ইয়াত কোনো সন্দেহ নাই ।

অৰ্থনৈতিক অৱস্থাইও শৈক্ষিক পৰিৱেশৰ ওপৰত প্ৰভাৱ পেলায় । স্বাধীনতাৰ ৪৯ বছৰৰ পাছতো ভাৰতবৰ্ষই অৰ্থনৈতিক স্বাধীনতা লাভ কৰিবলৈ সক্ষম হোৱা নাই । শতকৰা প্ৰায় ৭০ জন লোকেই দাৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে । এমুঠি অন্নৰ বাবে খোৱা-কামেৰা কৰিব লগা হোৱা এটা পৰিয়ালত শিক্ষাৰ বাবে অনুকূল পৰিৱেশ থাকিব বুলি আশা কৰাটো অমূলক ।

বৰ্তমানৰ প্ৰগতিশীল সমাজব্যৱস্থাত মানুহৰ প্ৰয়োজনবোৰ ক্ৰমান্বয়ে বৃদ্ধি পাই আহিছে । সমাজৰ প্ৰতিটো স্তৰতে জীৱন ধাৰণৰ মান সলনি হৈ আহিছে । সেইবাবে জীৱনধাৰণৰ বাবে প্ৰয়োজনীয় সম্পদ আহৰণৰ এক তীব্ৰ সমাজব্যৱস্থা আৰু অনুকূল শৈক্ষিক পৰিৱেশৰ পৰিপন্থী অনেক উপায় বহুতো লোকে সম্পদ আহৰণৰ এই প্ৰতিযোগিতাত বিজয়ী হ'বৰ বাবে অৱলম্বন কৰিছে । ফলত মানবীয় মূল্যবোধ আৰু প্ৰমূল্যসমূহৰ কোনো মূল্যই নোহোৱাৰ দৰে হৈ পৰিছে। ন্যায়পৰায়ন আৰু সৎলোকসকল আজি পদে পদে সন্মুখীন হৈছে উপহাস-উপলুঙাৰ । বৰ্তমান সমাজত জ্ঞানীজনতকৈ ধনীজনক সকলো ক্ষেত্ৰতে অধিক প্ৰধান্য দিয়া হৈছে । ফলত মানুহৰ জ্ঞানৰ দৌৰ সীমিত হৈ পৰিছে । এনেবোৰ পৰিৱেশে শৈক্ষিক পৰিৱেশকো জানো স্পৰ্শ কৰি কলুষিত কৰি থৈ যোৱা নাই ।

উল্লেখিত শিক্ষাৰ পৰিৱেশ আৰু বস্তুবাদী, ব্যক্তিকেন্দ্ৰীক তথা ধনসৰ্বস্ব সমাজ ব্যৱস্থাৰ ধামখুমীয়াত অতি সাম্প্ৰতিক কালত গঢ় লৈ উঠা যুৱমানসিকতা আমাৰ সমাজ, দেশ তথা জাতিটোৰ বাবেই এক চৰম প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে । বৰ্তমান জ্ঞান-বিজ্ঞানৰ বিস্ফোৰণৰ যুগত বিভিন্ন মাধ্যমৰ জড়িয়তে বহু কথা-বতৰা বিষয় আদিৰ লগত তেওঁলোক পৰিচিত হৈ পৰিছোঁ বুলি আত্মগৌৰৱত উৎফুল্লিত হৈ জ্যেষ্ঠজনক আনকি পিতৃ-মাতৃ আৰু শিক্ষাগুৰুকো নমনা হৈছে । ফলত জীৱনৰ প্ৰকৃত মূল্যবোধ আৰু প্ৰমুল্য সমূহ দিনক দিনে বিলুপ্তিৰ অতল গৰাহত ম্লান হ'ব ধৰিছে । কাকো কোনেও নমনা হৈছে । হত্যা, ধৰ্ষণ, লুণ্ঠন আদি ঘটনা আমাৰ প্ৰত্যাহিক জীৱনৰ লগৰীয়া হৈ পৰিছে । ভৱিষ্যত প্ৰজন্ম আজি এক অনিশ্চয়তাৰ গহবৰত ক্ৰমান্বয়ে নিমৰ্জ্জিত হ'ব ধৰিছে। অসুয়া-অশান্তি আৰু প্ৰতিহিংসাৰ দাবানলে আমাৰ ব্যক্তিগত জীৱন সামাজিক জীৱন তিল-তিলকৈ দাহ কৰিব ধৰিছে ।

পৰিশ্ৰমৰ মৰ্য্যাদা উপলব্ধি কৰি এক কৰ্ম সংস্কৃতি গঢ়ি তোলাৰ বিপৰীতে এলাহ-অৱহেলা আৰু বিলাসপূৰ্ণ জীৱন যাপনৰ প্ৰতি আমাৰ যুৱসমাজ আকৃষ্ট হ'ব ধৰিছে । তথাকথিত "Easy Earning (সহজ উপাৰ্জন) সংস্কৃতিয়ে আজিৰ যুৱ মানসিকতাৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে । ড্ৰাগছ, ব্লুফ্লিম, টি.ভি., ভি.চি. আৰ., মাৰুতি য়ামাহা-সংস্কৃতি একা? অৱশ্যে গুণতকৈ ধনক অধিক প্ৰধান্য দিয়া বৰ্তমানৰ সমাজ-ব্যৱস্থাও ইয়াৰ বাবে কম জগৰীয়া নহয়। তদুপৰি যুক্তিতৰ্কে আৱেগক অধিক প্ৰাধান্য দিয়া এক সংস্কৃতি বৰ্তমান আমাৰ যুৱকসকলে আয়ত্ব কৰি পেলাইছে যাৰফলত বৰ্তমান সমাজত কি এক অশান্তিজনক পৰিস্থিতিৰ সৃষ্টি হৈছে সেইয়া সকলোৰে জ্ঞাত । আজি সমগ্ৰ বিশ্বতে তোলপাৰ লগোৱা সন্ত্ৰাসবাদী (Terrorist) কাৰ্য্যকলাপ সমূহৰো অন্যতম চালিকা শক্তি হৈছে এই আৱেগ।

প্ৰসঙ্গত চাকৰিমুখী শিক্ষাই আমাৰ যুৱ মানসিকতাক কৰ্মবিমুখ কৰি তুলিছে । শিক্ষা সাংকৰি সংস্থাপন নাপাই লাখ-লাখ যুৱকে আজি অনিশ্চয়তাত দিন অতিবাহিত কৰিব লগা হৈছে । চাকৰি-বাকৰি নাপালেও যিকোনো কাম কৰি সংস্থাপিত হোৱাৰ মানসিকতা আমাৰ শিক্ষা ব্যৱস্থাই গঢ়ি তুলিব পৰা নাই। এনে হোৱাৰ কাৰণ সম্পৰ্কে বাগ্মীবৰ নীলমনি ফুকনদেৱে এইদৰে কৈছিল "যি শিক্ষাই ল'ৰা-ছোৱালীক পৰৱৰ্তী জীৱনত শাৰিৰীক পৰিশ্ৰমৰ বাবে অকামিলা কৰি তোলে সেই শিক্ষা কোনো শিক্ষা নহয় । সমাজৰ পৰিৱেশ চাইহে শিক্ষানীতি আৰু পদ্ধতি হোৱা উচিত । লেখিব বা পঢ়িব জানিলেই শিক্ষা লাভ হ'ব বুলি ভাব ভুল । যদিহে সেই শিক্ষাই এজন ল'ৰাৰ হাত, ভৰি, নাক কান আদি ইন্দ্ৰিয়ৰ কামবোৰ মগজুৰে ভালদৰে ঢুকি পোৱা কৰি নোতোলে" উল্লেখিত শিক্ষা পদ্ধতিৰ দ্বাৰা আক্ৰান্ত হৈ নিষ্কৰ্মা আৰু নিবনুৱা হৈ থাকিব লগা হোৱাত যুৱকসকলৰ মনবোৰ অস্থিৰ হৈ পৰিছে ; নানা অসৎ প্ৰবৃত্তিৰ প্ৰতিও আসক্ত হৈ পৰিছে । কথাতে কয় নহয় "Ideal brain is devil's workshop" - বুলি । সেয়ে আধুনিক শিক্ষাব্যৱস্থাত কৰ্মমুখী শিক্ষাৰ সুসমন্বয় ঘটাই এক নতুন শিক্ষাপদ্ধতি প্ৰয়োগ কৰিবৰ বাবে যুগৰ আহ্বান আহিছে ।

বৰ্তমান আমি এক যুগসন্ধিক্ষণত উপনীত হৈছোঁহি। এই যুগসন্ধিক্ষণত পৰস্পৰে পৰস্পৰক দোষাৰূপ কৰি থকাতকৈ প্ৰত্যেকেই আত্মবিশ্লেষাত্মক দৃষ্টিভঙ্গীৰে নিজৰ দোষবোৰ নাইকিয়া কৰি শুদ্ধ পথ ল'বৰ বাবে চেষ্টা কৰাটোহে সকলোৰে বাবে মঙ্গল । আমি আশাবাদী "If winter comes, can spring be far behind" - শীতৰ অন্তত বসন্ত আহিবই। এইয়া চিৰন্তন সত্য । বৰ্তমান উৎশৃংখল যুৱমানসিকতাও এদিন শৃংখলিত ৰূপত গঢ় লৈ উঠিব । কিন্তু সেইবুলি জানো আমি আশাপালি বহি থাকিলে হ'ব ? নিশ্চয়ে নহ'ব । সকলোৱে মিলি ইয়াৰ বাবে এক অনুকূল পৰিৱেশ গঢ়ি তুলিব পাৰিব লাগিব । এই ক্ষেত্ৰত উপযুক্ত শিক্ষাপদ্ধতি আৰু ইয়াৰ প্ৰয়োগ কৰিবৰ বাবে গঢ়ি তোলা পৰিৱেশৰ ওপৰতে সকলো কথা নিৰ্ভৰ কৰিব ।

তৰুণ শক্তি দুৰ্জ্জেয় শক্তি । ইয়াৰ গতি আছে যতি নাই । এই গতি ধ্বংসমুখী নহৈ কৰ্মমুখী হওক । আহিবলগীয়া দিনবোৰ আৰু ৰচিত হ'ব লগা নতুন পৃথিৱীখনি তেওঁলোকৰেই। ইয়াক স্বাগতম জনাবৰ বাবে উপযুক্ততা অৰ্জন কৰিবৰ বাবে তেওঁলোক যত্নপৰ হওক। চাৰিওদিশ মুখৰিত হৈ উঠক তৰুণ শক্তিৰ জয় গানেৰে!

প্ৰবন্ধ

# বিজ্ঞান আকাশৰ ধ্ৰুৱতৰা

## এলবাৰ্ট আইনষ্টাইন

(১৮৭৯-১৯৫৫)



ডিম্বেশ্বৰ চলিহা

১৯৫২ চন। ইজৰাইলৰ প্ৰথম ৰাষ্ট্ৰপতি চেইম ওৱাইজমেনৰ মৃত্যু হ'ল। এজন নতুন ৰাষ্ট্ৰপতিৰ প্ৰয়োজন। ৰাজসিংহাসন বেছি দিন খালি হৈ থাকিব নোৱাৰে। কিন্তু দেশৰ এই সৰ্বোচ্চ পদটি কাক যাচিব? ইহুদীসকলৰ মাজত কোন এনে যোগ্য পুৰুষ ওলাব – যি দেশৰ নেতৃত্বৰ ভাৰ ল'ব পাৰিব ? এই লৈয়েই ইহুদীসকলৰ মাজত নানান জল্পনা কল্পনা চলিল। সকলোৰে কিন্তু মত একেই। যিজন ইহুদীয়ে বিজ্ঞান জগতলৈ অলেখ বৰঙণি আগবঢ়াই বিশ্বৰ শ্ৰেষ্ঠ বিজ্ঞানীৰূপে স্বীকৃতি পাইছে, তেওঁকেই এই আসনত অধিষ্ঠিত কৰাব লাগে। পাছে তেওঁক পায় ক'ত? তেওঁ সুদূৰ আমেৰিকান প্ৰিন্সটন বিশ্ববিদ্যালয়ত গৱেষণাত মত্ত হৈ আছে ! যি হওক তেওঁলৈ খবৰ পঠোৱা হ'ল। দুই এজনে গৈ লগো ধৰিলে। কিন্তু কি আচৰিত – বিজ্ঞানীজনাই সম্মতি নজনালে। অনেক কাকুতি-মিনতি কৰিও তেওঁক সন্মত কৰিব পৰা নহ'ল। তেওঁ ৰাষ্ট্ৰপতি পদৰ নামকে নুশুনিলে। তেওঁ সেই পদৰ কাৰণে আনযোগ্য ব্যক্তি বাছি ল'বলৈহে ইজৰাইলবাসীক ঘূৰাই অনুৰোধ জনালে। তেওঁ হেনো ক'লে যে মানুহৰ ৰাজ্যতকৈ বিজ্ঞানৰ ৰাজ্যত বিচৰণ কৰিহে তেওঁ বেছি আনন্দ পায়। ৰাষ্ট্ৰপতিৰ দৰে পদকো নেওচা দিয়া সেই বিজ্ঞানীগৰাকী কোন ? তেৱেঁই হ'ল সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ বিজ্ঞানী এলবাৰ্ট আইনষ্টাইন।

এগৰাকী বিখ্যাত গনিতজ্ঞ, পদাৰ্থবিদ হিচাপে আইনষ্টাইনক নিচিনা বা তেওঁৰ বিষয়ে নজনা লোক বোধহয় নোলাব। পাছে খুব কম সংখ্যক মানুহেহে জানে যে বিজ্ঞান আৰু দৰ্শনৰ মাজত সমন্বয় ঘটোৱাৰ গুৰিতেও আছিল আইনষ্টাইনেই। তেওঁ কৈছিল যে একেবাৰে সঠিক (absolute) সময় বা সঠিক স্থান বুলি একো থাকিব নোৱাৰে। আনকি বৈজ্ঞানিক অধ্যয়ন বা আৱিষ্কাৰ সমূহো আপেক্ষিকহে। অৰ্থাৎ সেইবিলাকো বস্তুনিষ্ঠ (objective) নহয়। তেওঁৰ এনেধৰণৰ জটিল তথ্যসমূহ মানুহে হৃদয়ঙ্গম কৰিবলৈ আজিও টান পায়। সাধাৰণ লোকৰ কথা বাদেই, পদাৰ্থবিদসকলেও আপেক্ষিকবাদ বুলিলে ভয় খায়। এবাৰ সাংবাদিক এজনে চাৰ আৰ্থৰ এডিংটন নামৰ এগৰাকী প্ৰখ্যাত সৌৰবিদক সুধিছিল –''আপোনাক লৈ হেনো পৃথিৱীৰ তিনিগৰাকী বিজ্ঞানীয়েহে আইনষ্টাইনৰ আপেক্ষিকতাবাদ সুত্ৰ বুজি পায়। কথাষাৰ সঁচানেকি? আৰ্থাৰে হেনো খঙতে কৈ উঠিছিল – ''তৃতীয়জননো কোন?''

দক্ষিণ জাৰ্মানিৰ উলম্ (Ulm) নামে চহৰত ১৯৭৯ চনৰ ১৪ মাৰ্চত এটা ইহুদী পৰিয়ালত এলবাৰ্ট আইনষ্টাইনৰ জন্ম হয়। তেওঁৰ দেউতাকৰ নাম আছিল হেৰমেন্ আইনষ্টাইন। এওঁলোকৰ পৰিয়ালটোৱে হঠাই সিঠাইকৈ প্ৰায়েই সলাই ঘূৰি ফুৰিছিল। গতিকে এলবাৰ্টেও সৰুতে মিউনিক মিলান, পভিয়া আদি বিভিন্ন ঠাইলৈ যাব লগাত পৰিছিল। অথৰী জীৱন কটালেও এলবাৰ্টে পঢ়াশুনা নকৰাকৈ নাছিল। তেওঁ মিউনিকৰ স্কুলতে প্ৰথমে পঢ়াশুনা আৰম্ভ কৰে। পাছে পঢ়াশুনা নকৰাকৈ নাছিল। তেওঁ মিউনিকৰ স্কুলতে প্ৰথমে পঢ়াশুনা আৰম্ভ কৰে। পাছে পঢ়া-শুনাৰ প্ৰতি তেওঁৰ আগ্ৰহ আছিল কম। তাতে এলবাৰ্ট সৰুতে বৰ এলেহুৱাও আছিল। গতিকে স্কুলৰ বিভিন্ন পৰীক্ষাবোৰত ভাল ফল দেখুৱাব পৰা নাছিল। কিন্তু গণিত তেওঁ খুব ভাল পাইছিল। পাছে এলেহুৱা স্বভাৱৰ কাৰণে তাতো বেছি সুখ্যাতি অৰ্জন কৰিব পৰা নাছিল। এলবাৰ্টৰ এজন খুড়াক ইঞ্জিনিয়াৰ আছিল। তেৱেঁই মাজে সময়ে এলবাৰ্টক বীজগণিত শিকাইছিল। এবাৰ হেনো তেওঁ বীজগণিতৰ ব্যাখ্যা এনেদৰে দিছিল –''এলেহুৱা গণিতজ্ঞসকলৰ কাৰণে বীজগণিতৰ বৰ প্ৰয়োজন। তুমি যদি কিবা এটা সংখ্যা নাজানা, তাক ভ বুলি ধৰি লোৱা। তাৰ পাছত যদি তুমি অংক কৰা, দেখিবা যে শেষত ভ ৰ ঠাইত বহুৱাবলগা সংখ্যাটো ওলাই পৰিছে। এয়ে হ'ল বীজগণিত।''

এলবার্টে খুড়াকৰ এই ব্যাখ্যাটো শুনি বৰ ৰং পালে। তেওঁৰ এলেহুৱা স্বভাৱটোৰ কথা তেওঁ নিজেও জানে। গতিকে খুড়াকে তেওঁক উদ্দেশ্য কৰিয়েই যে ব্যাখ্যাটো দিছে — এলবার্টৰ বুজিবলৈ সৰহপৰ নালাগিল।

আইনষ্টাইনৰ সৰুৰে পৰাই ধৰ্মৰ প্ৰতি কোনো গোড়া মনোভাৱ নাছিল। তেওঁ নিজেই কৈ ফুৰিছিল যে স্পাইনজা দেৱতাকহে তেওঁ কেৱল পূজা কৰে। ইহুদীসকলৰ মতে স্পাইনজা দেৱতা হ'ল এক বিধৰ্মী দেৱতা। আইষ্টাইন সৰু কালৰে পৰা পৰিৱেশ আৰু শিক্ষা-দিক্ষা এনে আছিল পৰিয়ালটোৰে কেৱল এজন লোক বুলি তেওঁ নিজকে কাচিতো নাভাবিছিল। এনে ধৰণৰ ভাবেই সকলো সময়তে তেওঁৰ মহত্ত্ব ফুটাই তুলিছিল। তেওঁ নিজেই লিখি থৈ গৈছে —"যদিও মই এজন ইহুদী আছিলো, সেই সম্পৰ্কে মই একো ভবা নাছিলো। মই বাৰ্লিনলৈ অহাৰ পাছতহে এক নতুন আবিষ্কাৰ দেখা পালো যে মই এজন ইহুদী। এই আবিষ্কাৰকসকলৰ বেছিভাগেই আছিল অনা ইহুদী।"

সৰুকালতেই এখন গ্ৰন্থই এলবার্টৰ মন বৰকৈ আকৰ্ষণ কৰিছিল। সেই গ্ৰন্থখন হ'ল ইউক্লিডৰ জ্যামিতি। বেছিভাগ ছাত্ৰই বেয়া পোৱা এই গ্ৰন্থখন পঢ়িয়েই আইনষ্টাইনে বেছিভাগ সময় কটাইছিল। তাৰ লগে লগেই ইন্টিগ্ৰেল কেলকুলাচ, দিফাৰেন্সিয়েল কেলকুলাচ আৰু এনালাইটিকেল জ্যামিতিও তেওঁ অতি মনোযোগেৰে পঢ়িছিল। মিউনিকৰ স্কুলত পঢ়া শেষ কৰাৰ পাছত আইনষ্টাইনে জুৰিকত পদাৰ্থবিজ্ঞান পঢ়িবলৈ ল'লে। কিন্তু কি আচৰিত এই বিখ্যাত পদাৰ্থবিদজনে তাৰ এটা পৰীক্ষাতো পাছ কৰিব নোৱাৰিলে। কিন্তু তেওঁ হতাশ নহ'ল। তাৰ পাছত তেওঁ নাম লগালৈগে চুইজাৰলেণ্ডৰ এখন স্কুলত। তাতেই তেওঁ ডিপ্লোমা উপাধি পায়। এইবাৰ তেওঁ এখন পলিটেকনিকত নাম লগালে। তাৰপৰাও তেওঁ কাণে কাণ মাৰি পাছ কৰিহে ওলাই আহে। মুঠতে ছাত্ৰজীৱনত আইনষ্টাইন এজন বেয়া ছাত্ৰ বুলিয়েই পৰিগণিত হ'ল। কিন্তু সুখৰ কথা এয়ে যে তেওঁ নপঢ়াকৈ নাছিল। গোটেই দিনটো গৱেষণাগাৰত বহি পৰীক্ষা-নিৰীক্ষা কৰিয়েই কটাইছিল আৰু পুৰা-গধূলি বিজ্ঞানৰ ডাঙৰ ডাঙৰ গ্ৰন্থসমূহ অতি মনোযোগেৰে পঢ়িছিল। তেন্তে তেওঁ পৰীক্ষাত ভাল ফল দেখুৱাব নোৱাৰিছিল কিয়? ইওঁ এক ডাঙৰ প্ৰশ্ন। তাৰ উত্তৰো এটাই - আইনষ্টাইনে জ্ঞান আহৰণৰ কাৰণেহে পঢ়াশুনা কৰিছিল, পৰীক্ষাত বহিবৰ কাৰণে নহয়। পৰীক্ষাই যে জ্ঞানৰ মাপকাঠি নহয়, আইনষ্টাইনেই তাৰ প্ৰমাণ।

১৯০১ চন। আইনষ্টাইনৰ বয়স তেতিয়া ঐকৈশ বছৰ। আনুষ্ঠানিক শিক্ষা শেষ কৰি তেওঁ চাকৰি বিচাৰি ইফালে সিফালে ঘূৰিবলৈ ধৰিলে। ইতিমধ্যে তেওঁ বিয়াও কৰালে। গতিকে সাংসাৰিক দায়িত্ব বাঢ়িল। দুটীয়া সংসাৰখন চলাই নিবলৈকো কিছু অৰ্থৰ প্ৰয়োজন হ'ল। আন চাকৰিতকৈ শিক্ষকৰ কামেই ভাল হ'ব বুলি ক'ববাত শিক্ষকৰ পদ ওলালেই আবেদন কৰিবলৈ ধৰিলে। এইদৰে বহুবাৰ আবেদন কৰাৰ পাছত স্কাৰ্ফহাউচেন নামে ঠাইৰ স্কুল এখনত শিক্ষকতা কৰাৰ সুযোগ পালে। পাছে দুৰ্ভাগ্যক্ৰমে সেই চাকৰিও বেছিদিন নাথাকিল। ইয়াৰ প্ৰধান কাৰণ দুটা। প্ৰথমটো হ'ল — স্কুলত পঢ়াবলগীয়া বিষয়সমূহৰ ওপৰত আইনষ্টাইনৰ ইমান গভীৰ জ্ঞান আছিল যে ছাত্ৰসকলে দুটা নতুন কথা শিক্ষক বুলিয়েই পাঠ্যক্ৰমত নথকা দুই এটা কথাও কৈছিল। দ্বিতীয়টো কাৰণ হ'ল তেওঁৰ অপৰিপাটী পোছাক। স্কুল কৰ্তৃপক্ষই ভাবিলে যে পাঠ্যক্ৰমত নথকা কথা শিকাই আৰু জধলাকৈ কাপোৰ কানি পিন্ধি ছাত্ৰসকলক এওঁ বিপথেহে পৰিচালিত কৰিব। এই দুই কাৰণ দেখুৱাইয়েই তেওঁক চাকৰিৰপৰা বিদায় দিয়া হ'ল।

তাৰ পাছত তেওঁ বহুত কষ্ট কৰি চুইজ পেটেণ্ট অফিচৰ ৰেজেষ্টাৰী কৰা চাকৰি এটা যোগাৰ কৰিলে। আইনষ্টাইনৰ সাক্ষাৎকাৰ লওতে অফিচৰ ডিৰেক্টৰজনে হোনো সুধিছিল —"আপুনি ৰেজিষ্টাৰী কৰাৰ বিষয়ে কি জানে?" আইনষ্টাইনৰ উত্তৰ আছিল —"একো নাজানো।" তেওঁৰ সৎমনৰ পৰিচয় পায়েই হেনো ডিৰেক্টৰ সন্তুষ্ট হ'ল আৰু চাকৰিটো তেওঁকে দিলে। আইনষ্টাইন সেইটো অফিচতে সাত বছৰ থাকিল। কিন্তু সেই চাকৰিয়েই কেৱল তেওঁৰ মন আৱদ্ধকৈ ৰাখিব নোৱাৰিলে। তেওঁ প্ৰায়েই ক'বলৈ ল'লে —"এইবিলাক মুচিৰহে কাম।" গতিকে চাকৰিত থকা কালছোৱাত আজৰি উলিয়াই গৱেষণা কৰিবলৈও ল'লে। জুইক কাপোৰেৰে ঢাকি নুমুৱাব নোৱাৰাৰ দৰে সৃষ্টিৰ প্ৰতিভাকো সৰু-সুৰা চাকৰিৰ লোভে ধ্বংস কৰিব নোৱাৰে। আইনষ্টাইনৰ ক্ষেত্ৰতো সেয়ে হ'ল। সৃষ্টিৰ চিন্তাই তেওঁক চিন্তিত কৰি তুলিলে। তেওঁ কৈছিল —"বহুতো মৃত আৰু জীৱিত লোকৰ অশেষ পৰিশ্ৰমৰ ফলতেই আমি আজি জীয়াই থাকিবলৈ সমৰ্থ হৈছোঁ। আমি যি খাদ্য খাই জীয়াই আছো — তাক তৈয়াৰ কৰিছে আনে, আমি যি পোছাক পিন্ধিছোঁ — তাক বনাইছে আনে, আমি যি ঘৰত বাস কৰিছো — তাক সজিছে আনে আৰু আমি যি জ্ঞান লাভ কৰিছোঁ — তাকো পাইছোঁ আনৰপৰা। এনেস্থলত আমিও আনক কিবা নহয় কিবা এটা দিবলৈ চেষ্টা কৰা উচিত। সঁচাকৈয়ে এনে চিন্তাৰ ফলস্বৰূপেই চাকৰি কালতে আইনষ্টাইনে আপেক্ষিকতাবাদৰ সূত্ৰ আবিস্কাৰ কৰিলে। অকল সেয়ে নহয়, এই সময়ছোৱাৰ ভিতৰতে তেওঁ আন বহুতো সুত্ৰও প্ৰকাশ কৰিলে।

আইনষ্টাইনৰ আগলৈকে বিজ্ঞানীসকলৰ ধাৰণা আছিল যে কোনো বস্তুৰ দীৰ্ঘ, প্ৰস্থ আৰু বেৰহে থাকে। এই তিনিটা লক্ষণ থকা বস্তুসমূহো সেই কালত স্থিৰ বুলি ভবা হৈছিল। কিন্তু আইনষ্টাইনে ক'লে যে এই পৃথিৱীত স্থিৰ বুলি কোনো বস্তুৱেই নাই। গোটেই বিশ্বব্ৰহ্মাণ্ড গতিশীল। গতিকে গতিশীল বস্তুৰ ওপৰত স্থিৰ বস্তু থাকিব কেনেকৈ ? তেনেকৈ স্থিৰ স্থানো থাকিব নোৱাৰে। ই সময়ৰ ওপৰতহে নিৰ্ভৰ কৰিব। আকৌ সময়ো নিৰ্ভৰ কৰিব স্থানৰ ওপৰতহে। কোনো

নক্ষত্ৰৰপৰা যদি আমাৰ এটা দিন জোখা হয় আৰু সেইটো দিনকে আমাৰ পৃথিৱীৰপৰাও জোখা হয় –দুয়োটা দিন সমান নহয়। এইদৰেই গতি, সময় আৰু স্থানৰ মাজত আইনষ্টাইনে এক নতুন সম্পৰ্ক স্থাপন কৰিলে। আগতে কেৱল দৈৰ্ঘ, প্ৰস্থ আৰু বেৰৰ কথাহে কোৱা হৈছিল। কিন্তু আইনষ্টাইনে তাৰ মাজতে সময়ো যোগ দিলে। এয়েই হ'ল আইনষ্টাইনৰ ফৰ্থ ডাইমেনচন (forth dimension)।

১৯০৫ চনত মাইকেলচন মৰলেই ইথাৰৰ মাজেদি পৃথিৱীয়ে কেনেকৈ গতি কৰে সেই সম্পৰ্কে পৰীক্ষা-নিৰীক্ষা চলাইছিল। কিন্তু বিভিন্ন কাৰণত তেওঁ ফলৱতী নহল। সেই সময়ত এইলৈয়েই বিজ্ঞানীসকলৰ মাজত আলাপ-আলোচনা, তৰ্ক-বিতৰ্ক আদি হৈছিল। পাছত হলেণ্ডৰ লৰেন্স আৰু ফ্ৰান্সৰ ফিট্জাৰলেণ্ড নামৰ দুগৰাকী বিজ্ঞানীয়ে এক নতুন তথ্য দাঙি ধৰি ক'লে যে যদি আন্তঃ পাৰমাণৱিক শক্তিসমূহ বৈজ্ঞানিক হয়, গতি কৰি থকা সকলো বস্তুৱেই চুটি হৈ যোৱা যেন লাগে। মাইকেলচনৰ পৰীক্ষাৰ ই হ'ল, সম্পূৰ্ণ বিপৰীত। আইনষ্টাইনে লৰেন্সতকৈও কিছু আগবাঢ়ি গৈ তেওঁৰ আপেক্ষিকতাবাদ সুত্ৰটো আৱিস্কাৰ কৰিলে। তেওঁ নিজৰ ভাষাতে সূত্ৰটো এনেদৰে ব্যাখ্যা কৰিছে – "আগতে বিশ্বাস কৰা হৈছিল যে যদি বিশ্বব্ৰহ্মাণ্ডৰ সকলো বস্তুত নাইকিয়া হৈ পৰে, সময় আৰু স্থান (Time and space) থাকি যাব। কিন্তু আপেক্ষিকতাবাদ সূত্ৰমতে সময় আৰু স্থানো নিঃশেষ হৈ যাব।"

ছাৱিশ বছৰ বয়সত আইনষ্টাইনে পদাৰ্থ বিজ্ঞান বাৰ্ষিক পত্ৰিকালৈ পাঁচোটা প্ৰবন্ধ আগবঢ়াইছিল। তাৰে এটা হ'ল "গতি কৰি থকা অৱস্থাত পদাৰ্থৰ বিদ্যুৎ গতি।" ইয়াতেই আপেক্ষিকতাবাদৰ মূল কথাখিনি উল্লেখ কৰা আছিল। এই সূত্ৰই সময়, স্থান আৰু পদাৰ্থ সম্পৰ্কে মানুহৰ মনত এক নতুন চিন্তাৰ সূচনা কৰিলে। সময় আৰু স্থান এই দুয়োৰে মাজত ব্যৱধান নাই বুলি কোৱা হ'ল। বিশ্বৰ প্ৰতিটো পদাৰ্থৰে নিজস্ব একোটা সময় বা কাল থাকে। পদাৰ্থ সম্পৰ্কে আৰু কোৱা হ'ল যে ই শক্তিৰ একোটা বিশেষ ব্যৱস্থা নহয়। এনে ধৰণৰ নতুন নতুন তথ্যই সেই সময়ৰ আপেক্ষিকতাবাদ সূত্ৰেৰে বিশ্বৰ সকলো গতিশীল বস্তুকে সামৰি ল'লে। তেওঁ কৈছিল যে পদাৰ্থ আৰু শক্তি একেই। এই সম্পৰ্কত তেওঁ এটা সূত্ৰকে প্ৰকাশ কৰিলে – সূত্ৰটো হ'ল –$E=Mc^2$। ইয়াত E হৈছে শক্তি c হৈছে ভৰ আৰু m হৈছে বায়ুমণ্ডলত পোহৰৰ গতিবেগ। এই সুত্ৰ অনুসৰিয়েই কোৱা হয় যে এক গ্ৰাম ওজনৰ কোনো বস্তু শক্তিলৈ ৰূপান্তৰিত কৰিলে যি শক্তি উৎপন্ন হয়, সি অসীম। এই সূত্ৰৰ সহায়তে আইনষ্টাইনে ঘোষণা কৰিছিল যে পদাৰ্থৰ পৰমাণুৰ ভিতৰত অজস্ৰ শক্তি সঞ্চিত হৈ থাকে। তেওঁৰ এই তথ্যৰ গয়না লৈয়েই পৰমাণু বোমা আৱিস্কাৰ কৰা হয়।

আপেক্ষিকতাবাদ সূত্ৰত আইনষ্টাইনে প্ৰমাণ কৰিলে যে মহাকৰ্ষণ ক্ষেত্ৰ ত্বৰণ ক্ষেত্ৰৰে সৈতে একে। তেওঁ আৰু ক'লে যে মাধ্যাকৰ্ষণৰ ফলতেই পোহৰৰ ৰেখাসমূহ বেঁকা হৈ গতি কৰে। পদাৰ্থবিজ্ঞান আৰু মাধ্যাকৰ্ষণ সম্পৰ্কে নিউটনৰ তথ্যসমূহ বিজ্ঞানীসকলে সহজে বুজি পাইছিল, কিন্তু আইনষ্টাইনৰ আপেক্ষিকতাবাদ সূত্ৰ বুজিবলৈ বিজ্ঞানীসকলে টান পোৱা হ'ল। আপেক্ষিকতাবাদ সূত্ৰই গণিত, পদাৰ্থবিদ্যা আৰু ৰসায়ন বিদ্যাৰ মূল ভেটীকে লৰাই দিলে। আইনষ্টাইনৰ প্ৰতিভাৰ ৰেঙণি বিশ্বৰ চাৰিওফালে বিয়পি পৰিল। প্ৰাগ্, জুৰিক, বাৰ্লিন আৰু বিভিন্ন বিশ্ববিদ্যালয়ৰপৰা নিমন্ত্ৰণ আহিল – তেওঁ সেইবিলাকৰ অধ্যাপকৰ পদ গ্ৰহণ কৰিব লাগে।

ৰেজিষ্টাৰী কৰা অফিচৰ কেৰাণী গৈ অধ্যাপক হ'বগৈ। আইনষ্টাইনৰ অন্তৰ আনন্দেৰে ভৰি পৰিল। কিন্তু মানুহ এজন, নিমন্ত্ৰণ বহুতো। যাব ক'লৈ? অৱশেষত ১৯১২চনত বাৰ্লিনৰ বিখ্যাত কাইজাৰ উইহেলম ইনষ্টিটিউটৰ অধ্যাপক পদ তেওঁ গ্ৰহণ কৰিলে। তাত কিছুকাল গৱেষণা কৰাৰ পাছত ১৯২১ চনত আইনষ্টাইনে নোবেল বঁটা লাভ কৰে। বহুতৰে এতিয়াও ধাৰণা যে আইনষ্টাইনে আপেক্ষিকতাবাদ সুত্ৰৰ কাৰণেহে নোবেল বঁটা পাইছিল। পাছে নহয়। তেওঁক নোবেল বঁটা দিয়া হৈছিল কোৱেন্টাম সূত্ৰৰ কাৰণেহে। সেই সময়ত জাৰ্মেনীত বৈজ্ঞানিক কাম-কাজ কৰাও এক সমস্যা আছিল। হিটলাৰ কেতিয়া ৰুষ্ট হয় আৰু কেতিয়া তুষ্ট হয় কোৱা টান। হিটলাৰৰ এনে মনোভাৱৰ ফলতেই ১৯৩৩ চনত আইনষ্টাইনে বাৰ্লিন ত্যাগ কৰিব লগাত পৰে। প্ৰথমতে ফ্ৰান্স তাৰ পিছত বেলজিয়াম, ইংলেণ্ড আদি দেশত কিছুদিন থাকি অৱশেষত তেওঁ আমেৰিকাত নিগাজিকৈ থাকিবলৈ লয়। ১৯৪০ চনত তেওঁ আমেৰিকাৰ নাগৰিকত্ব লাভ কৰে। তাতে তেওঁ প্ৰিন্সটন বিশ্ববিদ্যালয়ত অধ্যাপকৰ পদত যোগদান কৰে। জীৱনৰ বাকীকেইটা দিন তেওঁ তাতেই কটালে। অৱশ্যে পাছলৈ সেই বিশ্ববিদ্যালয়ৰ আচাৰ্য্য পদতো অধিষ্ঠিত হ'লগৈ।

আইনষ্টাইনৰ পঞ্চাশ বছৰীয়া জন্ম দিৱসৰ আগে আগে লগৰ বিজ্ঞানীসকলে অনুৰোধ কৰিলে – তেওঁ যেন জন্মদিনত বিজ্ঞানৰ এটি নতুন প্ৰৱন্ধ পাঠ কৰে। আইনষ্টাইনে তেওঁলোকৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি এটি প্ৰৱন্ধ লিখিলে। প্ৰৱন্ধটো মাত্ৰ পাঁচ পৃষ্ঠাৰহে আছিল। আইনষ্টাইনে তাতে কিছুমান সমীকৰণ আৰু জ্যামিতিৰ কথা উল্লেখ কৰিলে। লগৰ পদাৰ্থবিদসকলে তেওঁৰ প্ৰৱন্ধটো বুজি পালে, কিন্তু বিষয়বস্তু দেখি হতাশ হ'ল। কাৰণ তাত তেওঁ কোৱেন্টাম মতবাদৰ বিৰুদ্ধে দুই-এটা কথতা উল্লেখ কৰিছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে কোৱেন্টাম মতবাদৰ জন্মদাতা মেক্স প্লেংকহে আছিল যদিও আইনষ্টাইন যোৰ সমৰ্থক আছিল। তদুপৰি মতবাদটো বহলাই প্ৰচাৰো কৰিছিল আইনষ্টাইনেই। অকল সেয়ে নহয়, এই মতবাদটোৰ কাৰণেই তেওঁ নোবেল বঁটা লাভ কৰিছিল। অথচ এনে এটা মতবাদৰ বিৰুদ্ধেই আইনষ্টাইনে তেওঁৰ প্ৰৱন্ধত দুই এটা কথাৰ অৱতাৰণা কৰিছিল। ৰক্ষণশীলতাই যে তেওঁৰ কাষ চাপিব নোৱাৰিছিল – এয়ে

তাৰ প্ৰমাণ । এবাৰ ভুল কৰিলে বুলিয়েই যে তাক নুশুধৰাব — তেনে ভাব তেওঁৰ নাছিল ।

আইনষ্টাইন আছিল শান্তিপ্ৰিয় । তেওঁৰ চিন্তা-চৰ্চা সকলোতে এই ভাব প্ৰকাশ পাইছিল । মহাত্মা গান্ধীৰ প্ৰতি তেওঁৰ গভীৰ শ্ৰদ্ধা আছিল। তেওঁ প্ৰায়েই কৈছিল — ''এগৰাকী ঋষিতুল্যলোকে সত্যৰ ওপৰত ভিত্তি কৰি সম্পূৰ্ণ অহিংসভাৱে যুদ্ধ কৰিবলৈ আগবঢ়াটো কম সাহসৰ কথা নহয়। তেওঁৰ এই অহিংসাৰ নীতি আমাৰ সকলোৱে কাৰণেই অনুকৰণীয় হোৱা উচিত।'' পৰমাণু বোমা সৃষ্টিৰ ক্ষেত্ৰত আইনষ্টাইনো অৰিহণা নথকা নহয় । কিন্তু ব্যৱহাৰৰ ক্ষেত্ৰত তেওঁ সদায় বিৰোধিতা কৰিছিল । পৰমাণুবোমা ব্যৱহাৰ নকৰিবলৈ তেওঁ আমেৰিকাৰ চৰকাৰক অনুৰোধ কৰিছিল । কিন্তু তেওঁৰ অনুৰোধ উপেক্ষা কৰি যেতিয়া হিৰোচিমা আৰু নাগাচাকিৰ ওপৰত পৰমাণু বোমাৰ বিস্ফোৰণ ঘটো হৈছিল তেতিয়া তেওঁৰ প্ৰাণে কান্দি উঠিছিল । দুখত মৰ্মহত হৈ তেওঁ কৈছিল —''পুনৰ জনম যদি সঁচাকৈয়ে হয়, বিজ্ঞানী হৈ জন্ম নোহোৱাই ভাল। জন্ম হ'ব লাগে কমাৰ বা কুমাৰ হৈ ; যাতে কথা আৰু কামৰ কিছু স্বাধীনতা থাকে ।''

জীৱনৰ শেষৰফালে আইনষ্টাইনে উপলব্ধি কৰিলে যে তেওঁৰ কোৱেণ্টাম সূত্ৰ আৰু আপেক্ষিকতাবাদ সূত্ৰৰ মাজত কিছু অমিল আছে। এই দুয়োটা সূত্ৰৰ মাজত সমন্বয় স্থাপন কৰাৰ উদ্দেশ্যে তেওঁ গৱেষণা কৰিবলৈ ল'লে । গৱেষণা শেষ নহ'ল । কিন্তু তাৰ আগতেই শেষ হ'ল তেওঁৰ জীৱন । মতবাদটো সম্পূৰ্ণকৈ উলিওৱাৰ আগতেই ১৯৫৫ চনত ৭৫ বছৰ বয়সত আইনষ্টাইনৰ জীৱনবন্তি গছি হঠাতে নুমাই থাকিল । আইনষ্টাইনৰ নশ্বৰ দেহ কোনোবা কাহানিবাই শেষ হৈ গ'ল, কিন্তু থাকি গ'ল তেওঁৰ যাউতী যুগীয়া আৱিস্কাৰ সমূহ ।

*থিয়'ডৰ ৰুজভেল্ট আছিল ৰিপ্লাবিকান পাৰ্টিৰ প্ৰাৰ্থী । এবাৰ এখন নিৰ্বাচনী সভাত তেওঁ বক্তৃতা দি থাকোতে এজন শ্ৰোতাই থিয় হৈ ক'লে — ''মই এজন ডেম'ক্ৰেট।'' ৰুজভেল্ট সুধিলে — ''ভদ্ৰলোকজননো কিয় ডেম'ক্ৰেট, সেই কথা মই জানিব পাৰোনে? শ্ৰোতাজনে তেতিয়া উত্তৰ দি ক'লে — '' মোৰ ককাদেউতা আছিল ডেম'ক্ৰেট । মোৰ দেউতা আছিল ডেম'ক্ৰেট । গতিকে ময়ো ডেম'ক্ৰেট ।'' উত্তৰ শুনি জোকৰ মুখত চুণ দিয়াৰ উদ্দেশ্যৰে ৰুজভেল্টে কৈছিল — '' ধৰি লওক আপোনাৰ ককাদেউতা আছিল শিয়াল; আপোনাৰ দেউতাও আছিল এটা শিয়াল । তেতিয়া আপুনি কি হ'লহেতেঁন ? '' শ্ৰোতাজনে তপৰাই উত্তৰ দিছিল — '' নিঃসন্দেহে এজন ৰিপ্লাবিকান।।*

প্ৰবন্ধ

# উচ্চ জীৱন নিৰ্বাহ, ব্যয় আৰু সৰ্বসাধাৰণৰ স্বাৰ্থ

*ড০ অতিকুদ্দিন আহমেদ*

সৰ্বসাধাৰণ বুলি কওঁতে আমি ইয়াত নিম্ন আয়বৰ্গৰ সীমিত উপাৰ্জনৰ লোককে বুজিছো। মুদ্ৰাস্ফীতিৰ বাবে দ্ৰুতগতিত হোৱা মূল্য বৃদ্ধিয়ে এই সকল লোকৰ জীয়াই থকাটো দুৰূহ কৰি তুলিছে। জীৱন নিৰ্বাহ ব্যয় (Cost of living) যি দৰে বাঢ়ি আহিছে সেই অনুপাতে উপাৰ্জন বা সম্পদ বৃদ্ধি নোহোৱাত তেনেই সাধাৰণভাৱে খাই বৈ জীয়াই থকা টোৱেই সমস্যা হৈ পৰিছে। আমাৰ দেশত বয়-বস্তুৰ মূল্যমানৰ ওপৰত কোনো নিয়ন্ত্ৰণ নথকাৰ দৰেই হৈছে ব্যৱসায়িক ইচ্ছা-অনিচ্ছাৰ ওপৰতে মূল্যস্তৰ এৰি দিয়া হৈছে। বহুক্ষেত্ৰত ব্যৱসায়ী শ্ৰেণীটোৱে উৎপাদন বিতৰণ আদিৰ চতুৰ পৰিচালনাৰে সৰ্বসাধাৰণক এক প্ৰকাৰ শোষণ কৰি ব্যক্তিগত মুনাফা আদায় কৰি আছে। প্ৰকৃততে ভোগ্য সামগ্ৰী (Consumer goods) খিনিৰ দৰ বৃদ্ধি মানেই জীৱন ধাৰণৰ ব্যয় বাঢ়ি যোৱা বুজায়। অন্যহাতে মুল্যবৃদ্ধিয়ে সৰ্বসাধাৰণৰ পৰা দেশৰ অৱস্থাবান উৎপাদনকাৰী ব্যৱসায়ী শ্ৰেণীৰ হাতলৈ সম্পদ হস্তান্তৰিত কৰে। এই প্ৰক্ৰিয়াটো অবাধে চলি থকাটোৱেই সমাজত ধনী-দুখীয়াৰ প্ৰভেদ বাঢ়ি যোৱাৰো অন্যতম কাৰণ।

সংবিধানত থকা সমতা আৰু ন্যায়ৰ আদৰ্শবোৰ প্ৰায়োগিক মুল্য নথকা ধাৰণা একোটাহে হৈ ৰৈছেগৈ। কাৰণ বাস্তৱত দেশৰ উন্নয়ণ প্ৰক্ৰিয়াটোৱে অসমতা বৈষম্য আৰু অন্যান্য অনীতিৰ ছবিবোৰহে প্ৰকট কৰিছে। গতিকে আমাৰ অৰ্থব্যৱস্থা যে লক্ষ্যৰ ফালে অগ্ৰসৰ হোৱা নাই এই কথা বোধকৰো সকলোৱে স্বীকাৰ কৰিব।

ওপৰুৱাকৈ কৃত্ৰিম সমৃদ্ধিৰ অৱস্থা এটা সৃষ্টি কৰি ৰাখিবলৈকে চৰকাৰী ব্যায় নিৰন্তৰভাৱে বঢ়াই অহা হৈছে। সেয়েহে ভাৰতত মূল্যমানৰ উৰ্দ্ধমূখী গতি অব্যাহত আছে। সঠিক পৰিকল্পনা আৰু বিশুদ্ধ ৰূপায়ন নীতি গ্ৰহণ কৰিব নোৱাৰাৰ বাবে বৰ্তমান উন্নয়নৰ নামত কৰা ব্যয়খিনি ৰাষ্ট্ৰীয় সম্পদৰ অপচয়ৰ বাদে আন একো হোৱা নাই। প্ৰশাসনীয় ব্যায়ো ভাবিব নোৱাৰা ধৰণে বাঢ়ি যোৱাটোৱে জীৱন নিৰ্বাহ ব্যয়ো বঢ়াই নিছে।

উন্নয়নৰ নামত যিমানেই টকা পইচাৰ লেনদেন হৈছে সিমানেই দুৰ্নীতিও বাঢ়িছে। সেয়েহে যি কোনো উন্নয়ন আঁচনিয়েই সামান্যভাৱেহে লক্ষ্য চুবগৈ পৰিছে। বিৰাট পৰিমানৰ পুজিৰ ব্যৱস্থা কৰিও চৰকাৰে প্ৰতিখন উন্নয়ন আঁচনিকে উৎপাদনৰ লগত সম্বন্ধ নথকা কেবল একোখন সাহায্য প্ৰদান আঁচনিলৈহে অবনমিত কৰিছে। ফল স্বৰূপে মাজতে এচাম মানুহে চৰকাৰী টকা পইচা, সা-সুবিধাখনিলৈ অবাধ দুৰ্নীতিত লিপ্ত হৈছে। গতিকে ক'লা টকা, ভূৱা সামাজি, মানদণ্ড আদিয়েও কৃত্ৰিম পৰিবেশ এটা সৃষ্টি কৰি সমাজত মানুহক বস্তুবাদী ধ্যান-ধাৰণাৰ বশৱৰ্ত্তী কৰিছে। একেখন সমাজত ইফালে সৰ্বসাধাৰণ শ্ৰেণীটো চ'ৰাদামৰ কবলেও পৰিছে।

পৰিকল্পনা বহিৰ্ভূত ব্যয়ো দিনক দিনে বাঢ়ি আহিছে। কিন্তু দেশৰ প্ৰকৃত প্ৰয়োজন বা উন্নয়নৰ স্বাৰ্থতকৈ ৰাজনীতিৰ চতুৰালিহে বেছিকৈ প্ৰভাৱ বিস্তাৰ কৰাৰ বাবেও অৰ্থনীতিত মুদ্ৰাৰ যোগান বাঢ়িছে। আমাৰ উন্নয়ন ব্যৱস্থাই যিখিনি সা-সুবিধা সৃষ্টি কৰিছে সিও নগৰ অঞ্চল সমূহতহে থুপ খাইছে। অৰ্থাৎ উন্নয়ন প্ৰক্ৰিয়াটো নগৰভিত্তিক হৈছে। নগৰ চহৰ সমূহৰ বাবে অধিক সা-সুবিধা সৃষ্টি কৰি নগৰবাসীৰ বাবে গ্ৰামীন লোকৰ তুলনাত অধিক সুযোগ সুবিধা দিয়া হৈছে। দেশৰ সৰহ সংখ্যক লোক বাস কৰা গাঁওসমূহত এতিয়াও খোৱাপানী সাধাৰণ স্বাস্থ্যসেৱা, আৰু সুলভমূল্যাত নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ অভাৱ বিদ্যমান। আমি আগেয়ে উল্লেখ কৰি আহিছোঁ যে এই অভাৱ সমূহ দূৰ কৰিবৰ বাবে লোৱা চৰকাৰী প্ৰচেষ্টা সমূহে লক্ষ্যৰ মানুহখিনিৰ বাবে সা-সুবিধা সৃষ্টিতকৈ দুৰ্নীতিহে বৃদ্ধি কৰিছে। এনে পৰিস্থিতিত সৰ্বসাধাৰণ লোকৰ জীয়াই থকাৰ সমস্যাখিনি সহজেই অনুমেয়।

বিতৰণ ব্যৱস্থাৰ খেলিমেলিয়েও মূল্যবৃদ্ধিত ইন্ধন যোগাইছে। যদিও ৰাজহুৱা বিতৰণ ব্যৱস্থা এটা আছে তাৰ দক্ষতা তেনেই সীমিত বুলি ক'লেও ভুল কোৱা নহয়। বিশেষকৈ গ্ৰামাঞ্চলৰ সাধাৰণ শ্ৰেণীক

সহায় কৰিব পৰাকৈ ইয়াক গঢ়ি তুলিব পৰা হোৱা নাই। গ্ৰাম্য জনসাধাৰণৰ নিৰক্ষৰতা আৰু অজ্ঞতাৰ সুযোগ লৈ এই ব্যৱসায়ৰ লগত জড়িত লোক সকলে তেওঁলোকক সদায় প্ৰবঞ্চনা কৰি আহিছে। গ্ৰামাঞ্চলত সুলভ মূল্যত আবশ্যকীয় সামগ্ৰীৰ বিতৰণ সদায় অনিয়মীয়া। এই কাৰ্য্যৰ সুদক্ষ নিৰীক্ষক নাই । মুঠতে সামাজিক দায়বদ্ধতাৰ ভাব দায়িত্বশীল স্থানত থকা বিষয়া কৰ্মচাৰীৰ লগতে ব্যৱসায়ী সকলৰো নথকাৰ বাবেই এনেধৰণৰ খেলিমেলি । দুৰ্নীতি, নাটনি আৰু মূল্যবৃদ্ধিৰো তাতেই উৎপত্তি।

জীৱন-নিৰ্বাহ ব্যয় বাঢ়ি অহাৰ লগে লগে অধিকাংশ সীমিত আয়বৰ্গৰ লোকৰ জীৱন নিৰ্বাহৰ মান নিম্নগামী হৈ আহিছে । ইফালে সভ্যতাৰ অগ্ৰগতিৰ লগে লগে মানুহৰ অভাববোৰ বাঢ়ি গৈছে । প্ৰয়োজন বাঢ়ি গৈছে। কিন্তু অভাব পূৰণৰ উপায়খিনি সীমিত হোৱাৰ বাবেই সমস্যাৰ উদ্ভৱ হৈছে । সেয়েহে অন্ততঃ সুলভ মূল্যত চৰকাৰে প্ৰতিজন ব্যক্তিৰ বাবে জীৱন ধাৰণৰ মৌলিক উপাদানখিনি যোগান ধৰিব পাৰিব লাগে । কিন্তু আমাৰ দেশত সকলোৰে বাবে স্বাস্থ্য, শিক্ষা, বাসগৃহ আদি সুবিধাবোৰ সুনিশ্চিত হ'বলৈ এতিয়াও বাকী । আনহাতে আয় আৰু সম্পদ বিতৰণৰ অসমতাৰ হেতু সৰহখিনি ব্যয়ৰ বোজা কম আয় শ্ৰেণীৰ ওপৰতহে পৰিছে । সেয়েহে সৰ্বসাধাৰণৰ আৰ্থিক বোজা লাঘব কৰিবলৈ অসমানতা বা বৈষম্য দুৰ কৰিব লাগিব, যিটো প্ৰকৃততে সহজ কাম নহয় । প্ৰকৃততে সম্পদ বিতৰণৰ অসমতা, আঞ্চলিক বৈষম্য, বিলাসী সামগ্ৰীৰ প্ৰাচুৰ্য্য, অৰ্থনৈতিক শোষণ, দৰিদ্ৰতা ব্যক্তিগত সম্পদ বৃদ্ধি আদি পোৱা চাৰিটা দশকৰ পৰিকল্পনাত বহুহেজাৰ কোটি টকা ব্যয় কৰি সৃষ্টি কৰা অন্যকথাত কবলৈ গ'লে আমাৰ দেশত উন্নয়নৰ অৰ্থে লোৱা কোনোখন আঁচনিয়েই সুফল দিয়া নাই । ইয়াৰ বিপৰীতে সমস্যা সৃষ্টিহে কৰিছে । যেনে দৰিদ্ৰতা নিবাৰণী আঁচনিবোৰে দৰিদ্ৰতা, দূৰীকৰণৰ ঠাইত দুৰ্নীতিহে সৃষ্টি কৰিছে । নিয়োগ বা স্বনিয়োগ আঁচনিৰ লগতো অবাধ দুৰ্নীতি জড়িত হৈ পৰিছে। দেশৰ উৎপাদন, বিতৰণ, নিয়োগ, বানিজ্য আৰু মূল্য নীতিকে ধৰি আটাইবোৰ নীতিয়েই আসোঁৱাপূৰ্ণ । গতিকে চলিত প্ৰায়বোৰ উন্নয়ন আচনিয়েই লক্ষ্যৰ পৰা আঁতৰি গৈছে ।

শেহতীয়াকৈ আমাৰ দেশত অৰ্থনৈতিক সংস্কাৰ আঁচনি ৰূপায়ন কৰা হৈছে । এতিয়া ব্যক্তিগত খণ্ডৰ প্ৰসাৰ আৰু মুক্ত প্ৰতিযোগিতাৰ পৰিবেশত উৎপাদনৰ উপাদান সমূহে উচ্চ পৰ্য্যায়ৰ দক্ষতা আহৰণ কৰিব লাগিব । জনশক্তিৰ গুণগত মান উন্নয়নেহে বৰ্তমান পৰিস্থিতিত নতুন নিয়োগ সৃষ্টিৰ ক্ষেত্ৰ আৰু অধিক উপাৰ্জনৰ বাট মুকলি কৰিব। সৰ্বসাধাৰণৰ বাবেও অধিক সুযোগ সুবিধা ওলাব যদিহে কৃষিখণ্ডৰ বাবেও উদ্যোগৰ দৰেই নতুন আৰ্থিক নীতিৰ অন্তৰ্গত এলানি সংস্কাৰ আচনি ৰূপায়ন কৰিবলৈ লোৱা হয় । কৃষি উৎপাদনশীলতা বৃদ্ধি, কৃষিৰ আধুনিকীকৰণ আৰু কৃষি বাণিজ্যকৰণৰ বাবে কাৰ্য্যকাৰী আঁচনি হাতত ললেহে প্ৰকৃততে কৃষিৰ লগত জড়িত দেশৰ বুজন সংখ্যক লোকৰ আৰ্থিক কল্যান সাধন হ'ব । তদুপৰি বজাৰ অৰ্থনীতিয়ে জনপ্ৰিয় কৰি তোলা সেবাখণ্ডত নিয়োগৰ যিবোৰ সম্ভাৱনা ওলাইছে তাক গ্ৰহণ কৰিবলৈ আমাৰ যুবক যুৱতী সকল আগবাঢ়ি আহিব লাগিব। ইয়াৰ বাবে তৎক্ষনিকভাবে প্ৰয়োজন হ'ব চাকৰীমুখী মানসিকতা পৰিহাৰ কৰাটো। এতিয়া বিশ্বজুৰি আহিবধৰা পৰিবৰ্তনৰ পটভূমিত চলিত নীতি-নিয়ম, কৰ্মসংস্কৃতি, পাৰদৰ্শিতা আদি মূল্যায়ন কৰি চাবৰ সময় সমাগত । মুঠতে সৰ্বসাধাৰণৰ স্বাৰ্থ সুৰক্ষিত কৰাটো আমাৰ উন্নয়ননীতিৰ মূল লক্ষ্য হোৱা উচিত ।

*" ভূল বা অতিৰঞ্জন একো দোষৰ কথা নহয় । আটাইতকৈ প্ৰয়োজনীয় কথা হ'ল সাহসেৰে চিন্তা কৰিব পৰাটো আৰু নিজৰ চিন্তা প্ৰকাশ কৰিবৰ সময়ত শক্তিশালী উদাত্ত কণ্ঠেৰে তাক ব্যক্ত কৰাটো । পৰিণাম কি হয় সেই কথা চিন্তা নকৰাকৈ নিজৰ মনোভাৱ ব্যক্ত কৰিব পৰাটো এটা ডাঙৰ গুণ । সম্পূৰ্ণ সত্য জানিবলৈ যি মানুহে অপেক্ষা কৰি থাকি নিজৰ মনোভাৱ প্ৰকাশ নকৰে, তেওঁ হয় কাপুৰুষ অথবা বোবা । সৃষ্টিৰ আবেগ যি মানুহে ৰুদ্ধ কৰি ৰাখে, তেনে মানুহে মানুহৰ প্ৰগতিকে ৰুদ্ধ কৰি দিয়ে ।"*

*— জোছেফ ক্লিমেন্‌টে অৰ'জকো*

# অসমীয়া ভাষাৰ বৈশিষ্ট্য

*মৃণাল কুমাৰ গগৈ*
প্ৰাক্তন ছাত্ৰ, কানৈ কলেজ

অসমীয়া ভাষাটো মূলতঃ সংস্কৃতমূলীয় ভাষা। সেই কাৰণে এই দুই ভাষাৰ মাজত সাদৃশ্য যথেষ্ট আছে। সংস্কৃত আৰু অসমীয়াৰ মাজত সাদৃশ্য থাকিলেও এই দুই ভাষাৰ মাজত এনে কিছুমান পাৰ্থক্য আছে যিবোৰ পাৰ্থক্যই অসমীয়া ভাষাটোক সমগ্ৰ ভাৰতীয় আৰ্যভাষাৰ ভিতৰতে সুকীয়া বৈশিষ্ট্যযুক্ত ভাষা ৰূপে পৰিগণিত কৰিছে। কেৱল ধ্বনিতত্ব বা ৰূপতত্ত্বৰ ক্ষেত্ৰতে নহয় শব্দসম্ভাৰৰ ক্ষেত্ৰতো অসমীয়া ভাষাৰ স্বকীয় বৈশিষ্ট্য জিলিকি উঠে। একে মূলৰ হৈও সংস্কৃতৰ লগত অসমীয়াৰ এনে পাৰ্থ্যক্যৰ মূল কাৰণ হৈছে – প্ৰথম, আন আন ভাৰতীয় আৰ্য্য ভাষাৰ দৰে অসমীয়া ভাষাটো কেইবা শতিকা অতিক্ৰমি পালি প্ৰকৃতি-অপভ্ৰংশ-অপভ্ৰষ্টৰ মাজেৰে ঐতিহাসিক বিবৰ্তন লাভ কৰিছে ; দ্বিতীয় আৰু প্ৰধান কাৰণ, ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলত বাস কৰা অনাআৰ্য জাতি আৰু ভাষাসমূহৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ।

আধুনিক ভাৰতীয় আৰ্যভাষা সমূহৰ মাতৃ সংস্কৃত ভাষাক মূলতে ইণ্ডো-ইউৰোপীয় নামৰ এক পুৰ্ণগঠিত ভাষাৰে অস্তিত্ব স্বীকাৰ কৰি লোৱা হৈছে। মূল ইণ্ডো-ইউৰোপীয়ৰ ৩১টা স্বৰধ্বনিৰ পৰাই সংস্কৃতত ১৪টা স্বৰধ্বনিৰ উৎপত্তি হয় সেইবোৰ ক্ৰমে অ, আ, ই, ঈ, উ, ঊ, ঋ, ৠ ঌ, ৡ, এ, ঐ, ও, ঔ। পালি-প্ৰকৃত-অপভ্ৰংশৰ মাজেদি বিকাশ হৈ আহোঁতে সংস্কৃতৰ এই ১৪টা স্বৰধ্বনিৰ ভিতৰত অসমীয়াত কেৱল ছটাহে ৰক্ষিত হ'ল – অ, আ, উ এ আৰু ও। অসমীয়াত এ' আৰু অ' নতুনকৈ উদ্ভৱ হোৱা স্বৰ। এই নতুন দুটা স্বৰকে ধৰি অসমীয়া স্বৰধ্বনি মুঠতে আঠোটা। সংস্কৃত অনুৰূপে ই, ঈ, উ, ঊ ৰ লিখিতত ৰূপ থাকিলেও অসমীয়াত এইবোৰ সংস্কৃতৰ দৰে হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য নিৰূপণ কৰিব নোৱাৰে। বানানৰ ক্ষেত্ৰতো দীন, দিন, মুখ্য, মূঢ় আদি একেদৰে উচ্চাৰিত হয়। অসমীয়াত এ'ৰ উচ্চাৰণ তেল, বেল আদি শব্দৰ এ'ৰ নিচিনা আৰু অ'ৰ উচ্চাৰণ ইংৰাজী Role শব্দৰ অ'ৰ নিচিনা। এইকেইটা ক্ৰমে সন্মুখ উচ্চাভাষ বিবৃত আৰু পাশ্চ নিম্নভাস সংস্কৃত স্বৰধ্বনি।

ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰত প্ৰধানকৈ তিনিটা বৈশিষ্ট্য চকুত পৰে। সংস্কৃতৰ দন্তন্য আৰু মূৰ্ধন্য ধ্বনি অসমীয়াত নাই ; এই দুই ধ্বনি মিলি অসমীয়াত এক নতুন ধ্বনিৰ সৃষ্টি হৈছে ; দন্তমূলীয় উচ্চাৰণ স্থানৰে নিৰ্দেশিত এনে ধ্বনি অসমীয়াত নটা। সেইকেইটা ত, থ,ধ, ন, চ, জ, আৰু। দ্বিতীয়তে সংস্কৃতৰ তালব্য স্বৰ্শৰ উচ্চাৰণ লুপ্ত হৈ অসমীয়াত দন্তমূলীয় উষ্ম (Alneolar Fricatines) চ আৰু জ হিচাপে উচ্চাৰিত হৈছে। গ্ৰীয়াৰ্ৰ্ছন, সুনীতি কুমাৰ চট্টোপাধ্যায়, ডঃ কাকতি আদিয়ে অসমীয়া ভাষাত দন্তমূলীয় ধ্বনি উচ্চাৰণৰ মূলতে ভোটকৰ্মী ভাষাৰ প্ৰভাৱ বুলি মন্তব্য কৰিছে। তৃতীয়তে, সংস্কৃতৰ শিশ, উষ্ম, শ, ষ, ম ধ্বনি-কেইটাৰ উচ্চাৰণ পাৰ্থক্য সম্পূৰ্ণ বিলোপ হৈ অসমীয়াত নতুন এক পশ্চ তালব্য উষ্ম (Velar Fricative) ধ্বনিৰ আবিৰ্ভাৱ হৈছে। উচ্চাৰিত ব্যঞ্জনৰ এনে বৈচিত্ৰ্যই অসমীয়া ভাষাক সমস্ত আধুনিক ভাৰতীয় আৰ্য ভাষাৰ ভিতৰতে স্বতন্ত্ৰতা বা স্বকীয় বৈশিষ্ট্য প্ৰদান কৰিছে।

ৰূপতত্ত্বৰ দিশত অসমীয়া ভাষাটো স্বতন্ত্ৰ বৈশিষ্ট্যৰে উজ্জ্বল। সম্বন্ধবাচক শব্দত পুৰুষ অনুযায়ী বিভিন্ন প্ৰত্যয় যোগ হোৱা নিয়ম অসমীয়া ভাষাত অভিনৱ। যেনে – মোৰ দেউতা, তোমাৰ দেউতাৰা, তোৰ দেউতাৰ, তাক দেউতাক। এই বৈশিষ্ট্যৰ মূল কাৰণ তিব্বতকৰ্মী ভাষাত প্ৰভাব। বৰো ভাষাত আ, নম-বি-প্ৰত্যয়ত যোগত বিভিন্ন সম্বন্ধে নিৰ্দেশ কৰাৰ দৰে ডিমাছাতো এনে লক্ষণ আছে। কিন্তু বৰো আৰু ডিমাছাত সম্বন্ধবাচক প্ৰত্যয় সমূহ বিশেষ্যৰ আগত বহে।

লিংগ গঠনত বিভিন্ন শব্দ যোগ কৰি পুংলিংগ-স্ত্ৰীলিংগ নিৰ্দেশ কৰা প্ৰথাও অসমীয়া ভাষাত বৈশিষ্ট্যপূৰ্ণ। বৰো, ডিমাছা, গাৰো আদি ভাষাতো বৈয়াকৰণিক লিংগ গঠনৰ সলনি বিভিন্ন পুৰুষ আৰু স্ত্ৰীবাচক শব্দৰ প্ৰয়োগেৰে লিংগ গঠন কৰা হয়। যেনে – বৰো ভাষাত-বুৰমা ফাঠা, বুৰমা ফাঠী ; অৰ্থাৎ মতা ছাগলি, মাইকী ছাগলী। চুতীয়া আদি ভাষাতো এনে বৈশিষ্ট্য থকালৈ লক্ষ্য কৰি এই বৈশিষ্ট্যৰ কাৰণ তিব্বতকৰ্মী বুলি ভৱাৰ থল আছে।

অসমীয়া ভাষাৰ ৰূপগত এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে নাম শব্দৰ আকৃতি, প্ৰকৃতি, গুণ অনুসৰি বেলেগে বেলেগ প্ৰত্যয়ৰ বহল



প্ৰয়োগ। প্ৰয়োগৰ স্বতন্ত্ৰতাৰ ওপৰত ভিত্তি কৰি এই প্ৰত্যয়বোৰক নিৰ্দিষ্টতাবাচক বা নিৰ্দেশাত্মক প্ৰত্যয় বোলা হয় । ড০ কাকতিয়ে enclitic deffinitines আৰু কালিৰাম মেধিয়ে partical নামেৰে এই প্ৰত্যয়বোৰৰ আলোচনা কৰিছে । কণ, কণি, কুৰা, কোছা, খন, খনি, জন, জনী, টো, টি আদিকে ধৰি অসমীয়া ভাষাত এনে প্ৰত্যয় চাৰিকুৰিৰো অধিক পোৱা যায় । এই প্ৰত্যয়বোৰে উপযুক্ত স্থানত ব্যৱহৃত হৈ বচন, লিঙ্গ, নিৰ্জীৱ পদাৰ্থৰ আকাৰ-প্ৰকাৰ, সামাজিক মৰ্যাদা, মৰম, আদৰ আদি ভাৱ নিৰ্দেশ কৰিব পাৰে। বৰো আৰু গাৰো ভাষাত এনে প্ৰত্যয়ৰ প্ৰচুৰ ব্যৱহাৰৰ বাবে লক্ষ্য কৰি এনে বৈশিষ্ট্য তিব্বতবৰ্মী হ'ব পাৰে বুলি ভাৱিব পাৰি।

ক্ৰিয়াৰ আগত 'ন' যোগ কৰি আৰু মূল ক্ৰিয়াৰ প্ৰথম স্বৰটোৰ লগত 'ন' সমীভৱনপ্ৰাপ্ত হৈ নিষেধাৰ্থক অৰ্থ প্ৰকাশ কৰা নিয়ম অসমীয়া ভাষাৰ অন্য এক ৰূপতাত্ত্বিক বৈশিষ্ট্য । যেনে – যাওঁ নাযাওঁ, পিন্ধি-নিপিন্ধি, কৰ-নকৰ ইত্যাদি । আও আৰু আহোম ভাষাত এনে বৈশিষ্ট্য লক্ষ্য কৰা যায় । আহোম ভাষাত মা-প্ৰত্যয়েৰে নিষেধ বুজুৱা হয় ; যেনে – মা-কিন মিকিন ; যাৰ অৰ্থ নোখোৱা ।

ওপৰত আলোচনা কৰা কেইটিমান ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক আলোচনাৰ দ্বাৰা অসমীয়া ভাষাৰ বৈশিষ্ট্য ধৰা পৰে । তন্ন-তন্নকৈ ফঁহিয়াই চালে হয়তো আৰু অনেক বৈশিষ্ট্য চকুত পৰিব । এই ক্ষেত্ৰত আলোচনাৰ যথেষ্ট থল আছে ।

শব্দসমূহৰ ক্ষেত্ৰতো দেখা যায় তৎসম আৰু তদ্ভৱ শব্দসমূহৰ বাহিৰেও অসমীয়া ভাষাত আৰু অনেক শব্দ আছে যিবোৰৰ মূল সংস্কৃত ভাষাত পোৱা নাযায়। ড০ কাকতিয়ে "Assamese ; Its formation and development" নামৰ গৱেষণা গ্ৰন্থৰ "The Non-Aryan Lexical Correspondences in Assamese Vocabulary." অধ্যায়ত এই বিষয়ে বিতংকৈ আলোচনা আগবঢ়াইছে ।

টুলুং-ভুটুং, আটোমটোকাৰী, টপচপীয়া, উচাৎ-বিচাৎ আদি বিস্তৃত অৰ্থ প্ৰকাশক শব্দই অসমীয়া ভাষাটোক মহিমা দান কৰিছে। তৎসম আৰু তদ্ভৱ শব্দসমূহৰ বাহিৰে অসমীয়া ভাষাত ব্যৱহৃত আনবোৰ শব্দ অসমৰ ভৌগোলিক, প্ৰাকৃতিক আৰু সাংস্কৃতিক পৰিৱেশৰ অৱলম্বনত গঢ় লৈ উঠিছে । সেয়ে অসমৰ থলুৱা শব্দসম্ভাৰত অসমৰ কেঁচা মাটিৰ গোন্ধ বিচাৰি পোৱা যায় ।

অসমীয়া ভাষাৰ বৈশিষ্ট্যৰ কথা কওঁতে পৰিশেষত আৰু এটা কথা উল্লেখ কৰা প্ৰয়োজন – সেয়া হৈছে অসমীয়া ভাষাৰ উপভাষা। অসমত প্ৰচলিত অসমীয়া ভাষাক উজনি আৰু নামনি নামেৰে দুটা আঞ্চলিক ভাগত ভাগ কৰিব পাৰি । প্ৰধানকৈ বিভিন্ন ৰাজনৈতিক শাসনৰ অধীনত বাস কৰা কাৰণে একে ভাষাৰে দুটা প্ৰধান ক্ষেত্ৰীয় ৰূপ চকুত পৰে । নামনি অঞ্চলৰ অসমীয়া ভাষাত শ্বাসাঘাত শব্দৰ আদি অক্ষৰত পৰে আৰু উজনি অঞ্চলৰ অসমীয়া ভাষাত শ্বাসাঘাত শব্দৰ মধ্য অঞ্চলত পৰে । মিছনাৰী সকলে শিৱসাগৰত ছপাশাল স্থাপন কৰাৰ লগে লগে শিৱসাগৰীয়া উপভাষাই মান্য ৰূপ পালে যদিও পূৰণি অসমীয়া সাহিত্যৰ অধিকাংশ ৰচনাই নামনি অঞ্চলৰ উপভাষাৰে ৰচিত হৈছিল । গতিকে কোনো অঞ্চলৰ উপভাষাকে হেয় বুলি প্ৰতিপন্ন কৰা নিতান্তই অনুচিত আৰু গৰ্হিত কাম । অসমীয়া ভাষাৰ মূল সুৰ একে । ওপৰত উল্লেখ কৰা বৈশিষ্টসমূহৰ গাত আউঁজিয়ে অসমৰ সকলো অঞ্চলৰ উপভাষাসমূহ গঢ় লৈ উঠিছে। অনৈক্যৰ মাজত ঐক্য স্থাপনেই যিদৰে অসমীয়া জাতিৰ বৈশিষ্ট্য, সেইদৰে বৈচিত্ৰ্যৰ মাজত ঐক্য স্থাপনেই অসমীয়া ভাষাৰো সাতামপুৰুষীয়া বৈশিষ্ট্য । ✤

*আমাৰ সমাজ আৰু আমাৰ সাহিত্য বিপৰীত দিশে চলিছে । আমাৰ সাহিত্যত আমাৰ সমাজৰ অভাৱ, আকাঙ্খা আৰু লক্ষ্য প্ৰকাশ কৰিবলৈ পাহৰিছো । তেনেস্থলত সাধাৰণৰ সহানুভূতি ক'ৰপৰা হ'ব পাৰে ।।*

*— কালিৰাম মেধি*

ARTICLE

# 'Computer the Electronic Enigma'

Bhugil Neog
B.A. Final Year
Dept. of Economics

We're at the dawn of a new era. The emphasis has shifted from the physical and mechanical labor required by the Industrial Revolution to the mental labor needed to sustain the new information Revolution. Just as gears, gas engines and electric motors extend over physical power, so today's computers give us the information we need to extend our thinking power. For the first time our society is keyed to resource-information that's renewable and self generating. Information is now doubling every 5½ years, but in the years ahead, working with increasingly powerful information systems, we probably will double the available knowledge every 2 years. Thus in addition to mass producing goods, we're now producing information, and this knowledge is a driving force in our economy.

Computer is an electronic (Science of movement of electros in vacuum) machine which is capable of doing some complex problem by accepting data in terms of some programme and finally gives the results. In 3600 B.C. the first calculator of the world namely ABACUS was developed by the CHINESE and JAPANESE which performs only addition and substraction.

In 1642 the first mechanical calculator was developed by BLAISE PASCAL. The name of the calculator was PASCALE. Here complex calculation of addition and substraction can be performed.

In 1672 the first calculator for multiplication and division was developed by LEIBNIZ.


In 1823 an engine was developed by CHARLES BABBAGE namely DIFFERENT ENGINE where apart from arithmatical calculation some complex mathematical problems were also performed. After the successful completion of DIFFERENT ENGINE CHARLES BABBAGE wanted to store information and instructions inside the machine for future use. For this purpose he develop some formula and drawing and started to developed a machine. But due to the under developed technology of that time he could not complete the machine. Though he was the first person to give the idea to store the informations and instructions inside the machine . So he is called the 'FATHER OF THE MODERN COMPUTER SCIENCE.' Or the basis of his formula and drawing the first computer of the world have been developed by "HAWARD AIKEN & JOHN H'NIPE in" Harvard University." The name of the first computer of the world is HARVARD MARK I. The size of this computer is 55ft long & 8ft high.

In 1946 the first ELECTRONIC computer ENIAC (Electronic Numerical Integration And Calculator) was developed by ECKERT.

A computer car be divided into five units. They are.

(1) Input Unit,
(2) Output Unit.
(3) Control Unit.
(4) Arithmatical and logical unit.
(5) Memory Unit.

**(1) Input Unit :** This unit supplies the DATA and INSTRUCTION into the computer with the help of



Many of the public concerns of modern nations have become so intertwined with computer technology that the two areas are virtually Inseparable. Government agencies such as the Internal Revenue Service and the Social Security Administration have such large volumes of data to process that they must use computers. And law enforcement agencies need the quick-responding and accurate information systems made possible by computers. This Brooklyn, New York, fire department computer enables its members to provide the community with more efficient service. (Ellis Herwig/Stock, Boston)



*Computers, such as this UNISYS MT 1540 medical terminal, help improve the quality of a physician's diagnoses and can help improve the control of important medical processes. (Courtesy UNISYS)*

which the computer performs it's various functions. The KEYBOARD, FLOPPY DISK, MAGNETIC DISK, MAGNETIC CASSETTE, MAGNETIC TAPE etc. are the parts of the INPUT UNIT.

**2. OUTPUT UNIT =** This unit gives the intermediate and final result through the output devices. They are ...

A. MONITOR

B. PRINTER

**3. CONTROL UNIT =** This unit controls all the other units of a computer. It gives the instructions to the other units and according to the order or instruction of the control unit that other units performs the different tasks. As it manage all the other with of a computer so it is called the MANAGER of the whole computer system.

**4. ARITHMATICAL & LOGICAL UNIT =** This unit performs all the arithmatical calculations. It can also take any logical decision also. According to the order of the control unit it performs it's different functions.

**5. MEMORY UNIT =** This unit stores the raw datas supplies by the input unit. It stores the intermediate and final results also. This unit is divided into two parts.

A. ROM (Read Only Memory)

B. RAM (Random Access Memory)

**CHARACTERISTIC OF COMPUTERS**

(1) SPEED

(2) ACCURACY

(3) STORAGE

(4) AUTOMATION'

(5) VERSATILITY

(6) DELIGENCE

**COMPUTER LANGUAGE OR**

## PROGRAMMING LANGUAGE

(1) Level of language.
a) Machine language.
b) Assembly language.
c) High level language or procedure oriented language.

**PROGRAMME LANGUAGE** = The language that is used in the communication of the user is called the programming language.

**MACHINE LANGUAGE** = These language are numeric codes consisting the digits that is 1 and 0. Generally it is known as low level language or machine language.

**ASSEMBLY LANGUAGE** = These language are symbolic codes rather than numeric. For example all use the symbol "ADD' to find out the summation of any numbers.

**HIGH LEVEL LANGUAGE** = These language are consist of a set of words and symbols. Using these in conjunction with certain rules like English language programmer or user can write a programme more easily and quickly.

## NAME OF SOME HIGH LEVEL LANGUAGE

(1) BASIC (Beginners All Purpose Symbolic Instruction Code)
(2) COBL (Common Business oriented language)
(3) FORTRAN (Formula Translation)
(4) PL1 (Programming Language 1)
(5) C Language
(6) PASCAL
(7) TURBOC
(8) TURBO PASCAL etc.

## INTRODUCTION OF HIGH LEVEL LANGUAGES

A number of high level languages have been synthesized each for a broad application area but having its own characteristics and limitations. The high level languages can be put into five general categories.

(1) Scientific languages.
(2) Commercial languages.
(3) Special Purpose languages.
(4) Multipurpose languages
(5) Command languages for operating systems.

A brief introduction on various languages in given. Out of these languages, following four have gained world-wide popularity and have wide spread applications.

(1) BASIC
(2) FORTRAN
(3) PASCAL
(4) COBOL

**(1) BASIC** = This is the short name for Beginners All-Purpose Symbolic Instruction Code. It is the most simple language and taught to the beginners in computer programming. It is a comparatively easy language for beginners in the sense that it uses phraseology akin to conventional ENGLISH. It is mostly used for scientific or mathematical ENGLISH. It is mostly used for scientific or mathematical operation. But because of its simplicity, it is nowadays being used in many business applications. Most microcomputers have a BASIC interpreter which translates each line of BASIC programme into equivalent machine code instructions as the programme runs.

BASIC is popular not only because of its simplicity but also due to the fact that it has go desbugging facilities during compilation and execution of programme. It was developed and introduced by IBM in 1957 with the main purpose to satisfy the needs of scientific and engineering mathematical expressions.

With BASIC there is not just one language, but a company called Microsoft. But each manufacturer introduces new key words into the language to take advantage of special features of its computer. Sirclair BASIC, which is also very common, has some advantages as well as disadvantages over Microsoft BASIC. With Sirclair BASIC, most key words can be entered into the computer with a single keystroke and the syntax is automatically checked line by line. So you are less likely to make a syntax error. BASIC has three main advantages over the other computer languages.
(1) It is easy to learn and use pharaseology similar to English.
(2) It offers powerful additional facilities for the most

advanced user.

(3) It is designed for interactive use rather than batch processing mode which helps the user to correct his errors as and when they arise. And thus most of the microcomputers use BASIC language.

(2) **FORTRAN** = Fortran is the short name for Formula Translation. It was the first available high level language developed by IBM in 1957. It has been revised since then many times and these versions were given the name like Fortran II, Fortran iv, The last one is the most popular version which was developed in 1966. It was perhaps the most widely used language prior to 1970 and has been implemented on almost all computers. While using this language one has to use every symbol like comma, fullstop, parentheses etc. Very carefully. It is the most suitable language for complicated engineering calculations.

**(3) PASCAL** = It belongs to ALGOL (ALGO rithm) family of computer languages for scientific and numeric work. PASCAL was designed and developed by **Nicholas Wirth** for teaching computer science. A Pascal program consists of nested block's for structured programming.

**(4) COBOL** = It stands for common Business Oriented Language and is the most popular business language today used for data processing. It was designed around 1959-60 with a purpose to provide a common language for business applications. COBOL is taught nowadays as approved by American National Standard Institute (ANSI) and accepted as most versatile language for data processing. To a great extent, COBOL is independence of any specific computer system, and thus a COBOL programme can be transferred to another computer with only marginal changes. Since COBOL business oriented. It has got statements for merging of flies, searching of tables and facilities for organising and generating reports. About 10% of all computer usage is prevailing on COBOL.

## COMPUTER APPLICATION

(a) Science and technology
(b) Commerce and Industry.
(c) Education and Research.
(d) Transport and Communication.
(e) Medicine.
(f) Law and order.
(g) Home and entertainment.

## CHARACTERISTIC OF COMPUTERS :

(1) Speed
(2) Storage
(3) Accuracy
(4) Automation.
(5) Deligence.
(6) Scientific Approach
(7) Versatality.

## COMPUTER VIRUS :

A computer virus is nothing but a computer programme. This type of programmes are executed automatically when or start the computer by putting the switch. A virus has the power to spread take control of the computer. It languages the datas, files etc. of the computer. Till now there are no viruses which can cause physical harm i.e. hardware damage. All the viruses acts on the software of a computer.

**The first virus** = The first virus of the world is c-Brain. It was created in LAHORE by brain computers. They found that most of their software were pirated and used. To prevent this they made this virus. But today there are thousands of viruses which make harm to the datas in various ways.

## COMPUTER CRIMINALS :

Ordinary citizens are not the only ones who also benefit from computer use. Criminals are also taking advantage of what the computer has to offer. Since the late 1960s, organised crime has increasingly been using computers to streamline and improve its criminal activities. More recently, criminals have come to appreciate the monetary value of information, and have begun to use computers to illegally access the computer systems of large companies.

When most people think of computer crime, they immediately envision hackers or dissatisfied employees. But most computer crime is actually committed by hardened crimaled that corporate America loses $1 billion annually. Some experts feel that this amount may be too low. Most computer theft is not reported.



Since companies often feel the report will cause their clients to lose faith in them. Also they fear the report of a break in may lead people to feel their system has inadequate security measures, and so may lead to additional break in attempts. Whatever the true amount, the total is expected to increase dramatically as criminals become more computer literate.

Criminals use computers in a variety of ways throughout their operations. The large financial empires are tracked and analyzed with sophisticated spread sheet and accounting software. Data bases are used to make appliance and auto theft rings more profitable by monitoring the supply and demand for goods. The computer systems of large warehouses are infiltrated by criminal organizations to ship merchandise to their own locations. And data communications software is used to access the computer systems of financial organizations to illegally transfer funds and stocks.

Law enforcement agencies are finding it extremely difficult to detect illegal computer activities. Members of a criminal organization have been known to infiltrate a corporation by obtaining high level positions and thus gaining access to the company's computer system; Another difficulty facing law enforcement agencies is the need to acquire the technical expertise required to deal with computer crimes. This knowledge can best be obtained by working closely with MIS professionals.

Computer crime is a new phenomenon, and law are needed to help prevent the illegal use of computers. Traditionally, more attention has been paid to crimes against life and property than to loss due to financial crimes or electronic caves dropping. But as long as computer systems are not 100 percent secure, criminals allied in variably attempt to use the systems to their own ends. So business and law enforcement agencies will have to be vigilant in guarding against computer crime.

# নীলমণি ফুকনৰ কবিতা আৰু গোলাপী জামুৰ লগ্ন

উষাৰাণী বৰুৱা

আধুনিক অসমীয়া কাব্যজগতৰ অগ্ৰজ কবি সকলৰ ভিতৰত নীলমণি ফুকনৰ নাম উল্লেখযোগ্য । ১৯৬৩ চনত তেখেতৰ প্ৰথম কাব্য সংকলন 'সূৰ্য্য হেনো নামি আহে, এই নদীয়েদি' প্ৰকাশ পায়। ইয়াৰ পিছত একাদিক্ৰমে 'নিৰ্জনতাৰ শব্দ (১৯৬৫), 'আৰু কি নৈশব্দ' (১৯৬৮), 'ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে' (১৯৭১), 'গোলাপ আৰু কাঁইট' (১৯৭৫), 'গোলাপী জামুৰ লগ্ন' (১৯৭৭), 'কবিতা' (১৯৮০), আৰু 'নৃত্যৰতা পৃথিবী' (১৯৮৫), আদি কেইবাখনো কবিতা সংকলন প্ৰকাশ কৰি অসমীয়া কাব্য সাহিত্যৰ ইতিহাসত এগৰাকী সুপ্ৰতিষ্ঠিত কবি হিচাপে ফুকনদেৱে নিজৰ আসন গজগজীয়া কৰি ললে । [১] উল্লিখিত মৌলিক কাব্যগ্ৰন্থ কেইখনৰ বাদেও অনুবাদক কবি হিচাপে নীলমনি ফুকনৰ এটি বেলেগ পৰিচয় আছে। তেখেতৰ দ্বাৰা অনুদিত কবিতা পুথি কেইখন হ'ল গাৰ্থিয়া লৰকাৰ কবিতা, জাপানী কবিতা আৰু অৰণ্যৰ গান । কেৱল কাব্য শিল্পই নহয় লোক কলা, চিত্ৰ, স্থাপত্য আৰু ভাস্কৰ্য্য আদিৰ প্ৰতিও কবি ফুকন সমানেই আগ্ৰহী। তেখেতৰ 'লোক-কল্প দৃষ্টি' আৰু 'ৰূপ বৰ্ণবাক' এই দুখন গ্ৰন্থই কবিজনাৰ শৈল্পিক মনৰ পৰিচয় বহন কৰি আছে। কবি গৰাকীৰ কেইবাখনো কাব্যগ্ৰন্থই সাহিত্য একাডেমীৰ বঁটাকে ধৰি কটিয়াই অনা বিভিন্ন বটা সমুহেও নীলমণি ফুকনৰ খ্যাতি তথা যশস্যা বঢ়াই তুলিছে । তেখেতৰ ভালেমান কবিতা ইংৰাজী আৰু অন্যান্য ভাৰতীয় ভাষালৈ অনুদিত হোৱাৰ বাবে অসমৰ বাহিৰতো কাব্যমোদীৰ বাবে নীলমণি ফুকনৰ নাম সুপৰিচিত ।

নীলমণি ফুকন অন্তৰ্মুখিন কবি । তেখেতে কবি আৰু কবিতাৰ সম্পৰ্কে নিজস্ব অভিমত দাঙি ধৰি 'মোৰ কবিতা ঃ নেপথ্যৰ কথাত' এনেদৰে কৈছে —

"অন্তৰৰো অন্তৰত জগত আৰু জীৱনৰ অন্তৰ্গূঢ় শাশ্বত গুঞ্জনময় ৰূপক উপলব্ধি কৰিব পৰা জনেই কবি । মোৰ ক'ত সেই জীৱন আৰু জগতৰ গূঢ় ৰূপৰ উপলব্ধি । তথাপিও কবিতা লিখোঁ ! কিয় লিখোঁ ? নহলে সিবোৰৰ পৰা মোৰ পৰিত্ৰাণ ক'ত? মোৰ তেজৰ লগত দ্ৰুত গতিৰে অহাযোৱা কৰা শব্দবোৰৰ পৰা। হায় মোক উদ্ধাৰ কৰিব পৰা ক্ষমতা যে এই শব্দবোৰৰ হাততে।

হৃদয় আছে — সেইবাবেই যেন কবিতা আছে মানুহৰ পৃথিৱীত । জীৱনৰ জগতৰ প্ৰতি হৃদয়ৰ প্ৰতিক্ৰিয়াই কবিতা।"[২]

কবিজনাৰ হৃদয়ৰ গভীৰতাত নিহিত হৈ আছে এক গভীৰ দুখবোধ । ট্ৰেজিক ৰূপটোৰ প্ৰতি কবিয়ে অনুভৱ কৰে এক বিশেষ আকৰ্ষণ । এই আকৰ্ষণৰ গুৰিতে আছে তেখেতৰ আইতাক, কবি ভাষাত -

*"আইতায়েই যেন মোৰ হৃদয় তন্ত্ৰীত*
*বান্ধি দিছিল সেই এক দুখৰ সুৰ"* [৩]

সেয়ে ফুকনৰ কবিতাৰ অন্তৰালত এক গভীৰ বিষাদবোধ অনুভৱ কৰা হয় । শৈশৱতে কবিয়ে আইতাকৰ মুখত তেজীমলা, কমলা, কুঁৱৰী আদি লোককথা শুনি শুনি অনুভৱ কৰিছিল এক গভীৰ বিষাদ । এই বিষাদবোধেই কবিক জীৱনৰ শৈল্পিক উপলব্ধিত যেন অহৰহ ইন্ধন যোগাইছিল । এই দুখবোধৰ মাজতেই কবিয়ে জীৱনৰ সৌন্দৰ্য্যৰ সন্ধান কৰিছিল ।

জীৱনৰ বেদনা বিধুৰতাই নহয়, নৈসৰ্গপ্ৰীতিয়েও কবিৰ দৃষ্টিভংগীৰ গভীৰতা গূঢ়তৰ কৰি তুলিছিল। নৈসৰ্গ এইজনা কাব্য চেতনাৰ আন এক অৱলম্বন । শৈশৱৰে পৰাই প্ৰকৃতিৰ বিচিত্ৰ শোভাই কবিক বিস্ময় বিমুগ্ধ কৰি তুলিছিল । তাৰ মাজতো কবিয়ে উপলব্ধি কৰিছিল এক কৰুণ মধুৰ বিষাদ । ইয়াৰ পৰাও কবিয়ে লাভ কৰিছিল এক বিশেষ দৃষ্টিভংগী। [৪] প্ৰকৃতি আৰু প্ৰেম এই দুয়োটাই যেন কবিক জীৱন ৰহস্যৰ সন্ধান দিব বিচাৰে এই প্ৰসঙ্গতে ড০ হীৰেণ গোহাঁইৰ এষাৰ মন্তব্য উল্লেখযোগ্য —

"আজি বহুকাল জটিল, ক্লেশকৰ গ্লানিময় মানৰ

---

১) *নীলমণি ফুকনৰ আন এখন গ্ৰন্থ 'সাগৰ তলিৰ শঙ্খ' (১৯৯৪) ড০ হীৰেণ গোহাঁইৰ সম্পাদনাত প্ৰকাশ হৈছে । এইখন গ্ৰন্থত তেখেতৰ কেইখন কাব্যগ্ৰন্থৰ নিৰ্বাচিত কবিতাসমূহ আৰু কবিজনাৰ কবিতা সম্পৰ্কীয় প্ৰৱন্ধ আৰু এটি দীঘলীয়া সাক্ষাৎকাৰ সন্নিবিষ্ট কৰা হৈছে ।*

২) *ফুকন, নীলমনি ঃ মোৰ কবিতা ঃ নেপথ্যৰ কথা, সংলাপ এপ্ৰিল ১৯৭৩, পৃঃ ১১৭*

৩) *উল্লিখিত প্ৰৱন্ধ । পৃঃ ১১৭*

সংসাৰৰ পৰা আঁতৰি তেখেতে প্ৰেম আৰু প্ৰকৃতিৰ বৰ্ণালিৰ মাজত সন্তেদ বিচাৰিছে জীৱনৰ — অন্তহীন আৰু মধুময় ৰহস্যৰ।"

তদুপৰি সামাজিক লোকাচাৰ, পৰম্পৰা, ইতিহাস আৰু ঐতিহ্যৰ বিভিন্ন সমল কবিৰ কাব্য চেতনাৰ গভীৰতাত বিলীন হৈ থকা দেখা যায়। এফালে কবিমনৰ শৈল্পিক চেতনা আৰু আনহাতে নিৰলস সাধনা দুয়োটা নীলমণি ফুকনৰ কবিতাক সুকীয়া গাম্ভীৰ্য্য প্ৰদান কৰিছে। লোকজীৱনৰ পৰা আৰম্ভ কৰি জীৱনৰ বিভিন্ন অভিজ্ঞতা আৰু প্ৰাচ্য-পাশ্চাত্যৰ শিল্প সাহিত্য দৰ্শনৰ অধ্যয়নে কবি হিৰন্ময়ী দ্যুতিৰে আলোকিত কৰি তুলিছে। বিসৃত অধ্যয়ন স্পৃহাই কবিৰ দৃষ্টিভংগীক সূক্ষ্ম, ক্ষিপ্ৰ আৰু তিৰ্য্যক ৰূপ দিছে। কলেজীয়া ছাত্ৰাৱস্থাত জীৱনানন্দৰ অধ্যয়নে কবিৰ নিসৰ্গ চেতনাক অধিক তীক্ষ্ম, সতেজ আৰু সংবেদনশীল কৰি তোলাৰ কথা তেখেতে নেপথ্য কথাত উল্লেখ কৰিছে।[৬] সেইদৰে 'জাপানী কবিতা'ৰ অধ্যয়নে কবিৰ কল্পনাক সংযমী ৰূপত প্ৰকাশ কৰাত অৰিহণা যোগাইছে। কবিয়ে 'জাপানী কবিতা'ৰ অনুবাদৰ পাতনি উল্লেখ কৰিছে "জাপানী কবিতা পঢ়িয়েই বুজিছিলো কবিতা কি?"[৭] কোনো ক্ষুদ্ৰ ঘটনাত বিশ্ব ৰহস্যৰ প্ৰতিবিম্ব দেখা পোৱা কম কথাৰে অনুভূতিৰ এখন জগত সাজিব পৰা স্পৰ্শকাতৰ বৈৰাগ্যবিধুৰ, সৌন্দৰ্য্যপিপাসু জাপানী সকলৰ মন। তেওঁলোকৰ দেখাতকৈ নেদেখা, কোৱাতকৈ নোকোৱা, ফুটাতকৈ নুফুটা কথাৰ প্ৰতি ধাউতি অধিক। অনুভূতিৰ তীব্ৰতাৰে একোখন চিত্ৰ ফুটাই তোলে জাপানী ৰসতাত্ত্বিকে। নীলমণি ফুকনৰ কবিতাত ইয়াৰ প্ৰভাৱ দেখা যায়।

আঙ্গিকৰ অভিনৱত্ব নীলমণি ফুকনৰ কবিতাৰ এক বিশেষ বৈশিষ্ট্য। ফৰাচী, জাৰ্মান, ইটালী, আৰু স্পেইনৰ কবিতা পঢ়ি কবিৰ কল্পনা আৰু বোধ অনুভূতি যেন অধিক সতেজ আৰু শাণিত হৈ পৰিছিল। অধ্যয়নপুষ্ট ফুকনৰ কবিতাত পাশ্চাত্য সাহিত্যৰ প্ৰতীকবাদী আৰু চিত্ৰকল্পবাদী দুয়োটা ধাৰাৰ সমন্বয় দেখা পোৱা যায়। সমালোচক ইমদাদ উল্লাহে তেখেতৰ প্ৰথম কবিতাসমূহ চিত্ৰকল্পবাদী বুলি উল্লেখ কৰিছে।[৮] কবিয়ে নিজেও এই কথা স্বীকাৰ কৰিছে।[৯] ফুকনৰ কবিতাত একোটা অনুভূতি ধাৰণাক বিভিন্ন চিত্ৰকল্পৰ মাজেৰে প্ৰকাশ কৰিবলৈ বিচাৰে। আপাদ দৃষ্টিত এই চিত্ৰকল্পবোৰ সামঞ্জস্যবিহীন যেন ধাৰণা হয়। কল্পনা আৰু ধীশক্তিৰ আলোকেৰে ইয়াৰ যোগসূত্ৰ স্থাপন কৰিব পাৰিলেহে প্ৰকৃত ৰসবস্তুৰে আহি ধৰা দিয়েহি। ইন্দ্ৰিয়ানুভূতিৰ দ্যুতিৰেহে শিল্পকলা উপভোগ কৰিব পাৰি। চকুৰে দেখা ৰূপ, কাণেৰে শুনা শব্দক অৰ্ন্তলোকৰ আলোকেৰে উদ্ভাসিত কৰিব পাৰিলেহে প্ৰকৃত সৌন্দৰ্য্যই আহি ধৰা দিয়ে। নীলমণি ফুকনৰ কবিতাৰ ক্ষেত্ৰতো এইবাৰ কথা প্ৰযোজ্য। শেহতীয়াকৈ নীলমণি ফুকন কবিতাত চিত্ৰকলাৰ অভিব্যক্তিবাদ (expressionism) আৰু মনঃ ছায়াবাদ (impressionism) প্ৰভাৱ পৰিলক্ষিত হৈছে। চিত্ৰকলাৰ প্ৰতি থকা অনুৰাগৰ বাবে কবিৰ কবিতা (colour epithet) ৰ[১০] ব্যৱহাৰ দেখা যায়।

জীৱনৰ বহুবৰ্ণময় বিচিত্ৰ ৰূপ উপলব্ধি কৰা নীলমণি ফুকনৰ কবিতাত নিৰ্জনতা, বিষাদ, প্ৰকৃতি, প্ৰেম, নাৰী, মৃত্যু আদিয়ে বিভিন্ন বৰ্ণাঢ্য ৰূপত ধৰা দিছেহি। প্ৰকাশ ভঙ্গীও বৈচিত্ৰময়। কেতিয়াবা ব্যঞ্জনধৰ্মী সংযত ভাষা কেতিয়াবা লোকসাহিত্যৰ সুৰীয়া ভাষা আকৌ কেতিয়াবা বুৰঞ্জীৰ গদ্যময়ী ভাষায়ো কাব্যিক অভিব্যঞ্জনা লৈ আধুনিক ৰূপত নীলমণি ফুকনৰ কবিতাত আত্মপ্ৰকাশ কৰিছে। চিত্ৰকল্প, প্ৰতীক গদ্যছন্দৰ প্ৰয়োগ আদি আঙ্গিকৰ শৈল্পিক প্ৰয়োগ যেন ইয়াৰ জেউতি অধিক চৰাইছে।

মুঠতে আধুনিক অসমীয়া কবিতাৰ ইতিহাসত মননশীল কবি হিচাপে নীলমণি ফুকনৰ নাম জাকতজিলিকা। কবিজনাৰ দ্বাৰা সম্পাদিত "কুৰি শতিকাৰ অসমীয়া কবিতা"ৰ পাতনিত কবি গৰাকীয়ে কবিতাক ৰসবস্তু বুলি স্বীকৃতি দি উল্লেখ কৰিছে যে সাধাৰণতে কেইটামানবিশেষ গুণৰ অভাৱে কবিতাক নিস্প্ৰভ কৰি তোলে,– "সত্য বা অভিজ্ঞতাৰ নিৰ্মোহ সন্ধান আৰু সঞ্চনৰ অভাৱ সীমিত মানসিক অভিজ্ঞতা, বহুক্ষেত্ৰত ব্যাপক, তীব্ৰ কল্পনা শক্তি, শিল্প চেতনা আৰু ভাষাজ্ঞানৰ অভাৱত অসংহত আৰু দ্যুতিহীন।"

ফুকনৰ কবিতাত কিন্তু এইকেইটা গুণেই পৰিলক্ষিত হয়। 'ওলমি থকা গোলাপী জামুৰ লগ্ন' কবিতাটিৰ ৰস বিচাৰ কৰিবলৈ লোৱা হৈছে, এগৰাকী সাধাৰণ পাঠকৰ দৃষ্টিৰে। কোৱা বাহুল্য যে এই বিচাৰ নিতান্তই এক ব্যক্তিগত দৃষ্টিভংগীৰহে।

৪) *ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত অসমীয়া বিভাগৰ একাদশ পৰিশীলন পাঠ্যক্ৰমৰ ২৮.২.৯৪ তাৰিখৰ কবিতাৰ আলোচনা প্ৰসঙ্গত বিষয় বিশেষজ্ঞ হিচাপে দিয়া বক্তৃতা প্ৰসঙ্গত কবি নীলমণি ফুকনে গৈছিল – 'ল'ৰালিতে গাঁৱৰ কাষৰ হাবিডৰালৈ প্ৰায়েই যাওঁ - অৰণ্যৰ গভীৰতাই মোক আকৰ্ষণ কৰে। তাৰ পৰা ওলাই আহোঁতে গভীৰ বিষণ্নতাই মোক আচ্ছন্ন কৰি ৰাখে।*

৫) *গোহাঁই, হীৰেণ ঃ পাতনি, জাপানী কবিতা পৃঃ (১৩)*

৬) *ফুকন নীলমণি ঃ পূৰ্ব্বোক্ত প্ৰবন্ধ, সংলাপ। পৃঃ ১১৯*

৭) *ফুকন, নীলমণি ঃ পাতনি, জাপানী কবিতা।*

৮) *উল্লাহ, ইমদাদ ঃ নীলমণি ফুকনৰ কবিতাৰ শেহতীয়া ধাৰা - সৃজন আৰু মনন, পৃঃ ১৭*

৯) *ফুকন, নীলমনি ঃ পূৰ্ব্বোক্ত প্ৰবন্ধ। সংলাপ। পৃঃ ১২৫*

১০) *ৰঙৰ দ্যোতনা।*

ইতিপূৰ্বে কেবাজনো সুধী সমালোচকে "ওলমি থকা গোলাপী জামুৰ লগ্ন'ৰ ওপৰত আলোকপাত কৰি আলোচনা আগ বঢ়াইছে।" [১২]

কবিতাটি দুটাকৈ শাৰীৰ মুঠ নটা স্তৱকৰ সমষ্টি। গোটেই কবিতাটিত কেইবাটিও কল্পচিত্ৰ সন্নিবিষ্ট কৰা হৈছে। তাৰ ভিতৰত "হৃদয়ৰ ভগা ডালত ওলমি থকা", "গোলাপী জামুৰ লগ্ন" ই কবিৰ কেন্দ্ৰীয়ভাৱহিচাপে ধৰা দিছে।" গোলাপীজামুৰ লগ্ন'ৰ ইপাঠকৰ মনলৈ একেলগে কঢ়িয়াই আনে সৌন্দৰ্য্য আৰু শুভক্ষণৰ ছয়া-ময়া সুকুমাৰ অনুভূতিক দ্যোতনা। 'লগ্ন'ৰ বান্ধ খাই থকা বা লাগি থকা ব্যাচাৰ্থক চেৰাই পাঠকৰ মন গহত দোলাদি যায় তাৰ ব্যঞ্জনাৰ্থইহে। গোলাপী জামুৰ লগ্নও আকৌ ওলমি আছে হৃদয়ৰভগা ডালতহে। কবিৰ দুখবোধ বা বিষাদগ্ৰস্ততাৰ লগত সাঙুৰ খাই আছে সৌন্দৰ্য্যৰ ক্ষণস্থায়ী বান্ধোন। যি কোনো মুহূৰ্ত্ততে ভগা ডালৰ পৰা ই সৰি পৰিব পাৰে। এই সৌন্দৰ্য্য ও আকৌ ৰূপ নোলোৱা এক হাতৰ মুদ্ৰাতহে ৰূপ পাই উঠে। যেন কোনো এক নৃত্যপটীয়সী গাভৰুৰ হাতৰ মুদ্ৰাত ফুটি উঠিছে অৰ্থৰ সুষমা। ই যেন কবিহৃদয়ৰ এক বিমূৰ্ত ধাৰণা যাক শব্দৰে প্ৰকাশ কৰিব নোৱাৰি। প্ৰথম দুটা স্তৱকত এনে এটা ধাৰণাই পাঠকে কৰি ল'ব পাৰে। তৃতীয় স্তৱকৰ চিত্ৰকল্পত দেখা যায় জুইজ্বলি থকা নগৰৰ ওপৰত উৰি ফুৰা-সামুদ্ৰিক চৰাই। জুই জ্বলি থকা নগৰখন যদি জীৱন যন্ত্ৰণা বুলি ধাৰণা কৰি ল'ব পাৰি তেনেহ'লে সামুদ্ৰিক চৰাইটো হ'ল জীপাল আশা। সামুদ্ৰিক চৰাইটোৰ সমুদ্ৰৰ বিশালতা, গভীৰতা আৰু আদ্ৰতাৰ সৈতে আছে নিবিড় সম্পৰ্ক। কিন্তু সি উৰি আছে হি প্ৰজ্বলিত অগ্নিৰ ওপৰত। ধ্বংস আৰু শান্তিৰ এক বৈপৰীতজনক স্থিতিৰ ইঙ্গিত যেন দিব খোজে এই চিত্ৰকল্পটোৱে। সেইদৰে চতুৰ্থ স্তৱকৰ ক্ৰমশঃ মৰি অহা এটা আঙুলি। বৰষা হৈ অহা জুৰিয়ে প্ৰাণচঞ্চলতা আৰু গতিশীলতাক ক্ষয়িষ্ণু তথা ধীৰে ধীৰে স্থবিৰ কৰি তোলাৰ ইঙ্গিত বহন কৰে। ইয়াৰ মাজত সুক্ষ্মৰূপত মৃত্যুচেতনাই যেন অৰ্ন্তনিহিত হৈ আছে। কিন্তু পঞ্চম স্তৱকৰ অন্তৰৰো অন্তৰ খহাই বৈ যোৱা তপত লাভাৰ আন্ধাৰ পাগলদিয়াই তাৰ বিপৰীতে ধ্বংসাত্মক সৃষ্টিকাৰ্য্য প্ৰবলভাৱে উদ্বেলিত কৰি তুলিব খোজে। সেইদৰে ষষ্ঠ স্তৱকৰ ডিঙিলৈকে সাগৰত ডুব গৈ থকা দীঘল এটা গানে যেন জীৱনৰ থাউনি নোপোৱা অৱস্থাৰ মাজতো প্ৰশান্তিৰ স্থিতিৰ কথাকে সূচাব খোজে। সংসাৰ মৰুভূমিত গান সৰোবৰ, গানত প্ৰশান্তি আছে, মাধুৰ্য্য আছে, কিন্তু ইয়াত গানে অৰ্থ্যাই সাগৰত ডিঙ্গিলৈকে ডুবি কথমপিহে নিজৰ অস্তিত্ব বজাই ৰাখিছে। কবিতাটিৰ সপ্তম স্তৱকত দ্বিতীয় স্তৱকৰ পুনৰাবৃত্তি দেখা যায়। ক্ষণভঙ্গুৰ সৌন্দৰ্য্যৰ প্ৰতি কবিৰ অদম্য হেপাহৰ কথা হে হৃদয়ৰ ভগা ডালত ওলমি থকা গোলাপী জামুৰ লগ্নই যেন সূচিত কৰিছে। অষ্টম স্তৱকৰ বতাহৰ শূন্যতাৰ গভীৰত নিশাৰ উন্মুক্ত বাঁহীয়ে আন্ধাৰৰ বুকুফালি ভাঁহি অহা বাঁহীৰ মাদকতাৰ দৰে হৃদয়ৰ গভীৰতাত নিমজ্জিত এক আবেশভৰা উপলব্ধিৰ কথাকেই যেন সূচিত কৰিব খোজে। একেবাৰে শেহৰ অৰ্থাৎ নৱম স্তৱকৰ কাহানিও নিনাদিত হৈ নুঠা কিছুমান শব্দৰ হাতৰ হে প্ৰাচীন শীতলতাত অনুভত হয় কবি হৃদয়ৰ অব্যক্ত উপলব্ধিক প্ৰকাশ কৰিব নোৱাৰাৰ বোবা বেদনা। পাঠকৰ মন গহনতো এই বেদনাই জান নাজান শিহৰণ তুলি যাব খোজে কবিতাটিত উল্লিখিত ভগা ডালত পুৰঠ গুলপীয়া জামু, জলন্ত নগৰৰ ওপৰত উৰন্ত সাগৰীয় চৰাই, বৰফ হৈ গোট মৰা জুৰি, অন্তৰ খহাই বৈ অহা আন্ধাৰ পাগল দিয়া ডিঙিলৈকে ডুব কৈ থকা গান, নিশাৰ বতাহত ভাহি অহা বাঁহীৰ উন্মুক্ত সুৰ এই আটাইবোৰ চিত্ৰই একেলগে পাঠকক বুজা নুবুজাৰ মাজতে দিব খোজে কবিৰ অৰ্ন্তজগতক এক বিমূৰ্ত্ত ধাৰণাৰ শৈল্পিক আভাস। কবিতাৰ সৌন্দৰ্য্যও তাতেই। কবিয়ে প্ৰসঙ্গান্তৰত কৈছে

*"...... এটি কবিতাই বা এটি স্তৱকে কোনো পাঠকৰ হৃদয়ত মুহূৰ্ত্তলৈ হলেও অকণমান নুশুনা সুৰৰ ৰেশ তুলি যায় সেয়ে আমাৰ সাৰ্থকতা।"* [১৩]

এইখিনিতে এষাৰ কথা কবই লাগিব যে কবিতা প্ৰকৃততে ব্যখ্যাৰ অতীত। কিয়নো ব্যঞ্জনাই যেহেতু ইয়াৰ ব্যাচাৰ্থক চেৰাই যায় সেয়ে ভিন্ন ধৰণে ইয়াক উপলব্ধি কৰিব পাৰে। কবিৰ কথাতে সামৰণিত ক'ব পাৰি।

"কবিতা ৰস বস্তু। পোনতেই অৰ্থ অৰ্থ কৰিলে নিৰুপায় হওঁ। জোনলৈ আঙুলিয়াই দিবহে পাৰি। আধা পোহৰ আৰু আধা আন্ধাৰৰ মাজেৰে

উদ্যোগী ৰসিকজনে আপোন অভিজ্ঞতাত বুৰ গৈ সন্ধান কৰে সেই কবিতাৰ ভাৱ সুষমাৰ মৰ্ম, তাৰ অৰ্ন্তনিহিত অনাবিল সঙ্গীতৰ লহৰ।" [১৪]

কিম্ অধিকম্। বাকীখিনি দায়িত্ব কবিতাৰ ৰসপিপাসু কাব্যামোদীৰ।

---

*১১) ফুকন, নীলমণি ঃ পাতনি, কুৰি শতিকাৰ অসমীয়া কবিতা। পৃঃ (৩৫)*

*১২) (ক) ডেকা, হৰেকৃষ্ণ ঃ ওলমি থকা গোলাপী জামুৰ লগ্ন ঃ এটি আলোচনা ঃ শ্ৰীময়ী, অক্টোবৰ ১৯৯৩*

*(খ) ফুকন, কবীন ঃ গোলাপী জামুৰ লগ্নৰ ৰহস্য। গৰীয়সী। জুন ১৯৯৪*

*১৩) ফুকন, নীলমণি ঃ সূৰ্য্য হেনো নামি আহে এই নদীয়েদি*

*১৪) ফুকন নীলমণি ঃ পূৰ্বোক্ত প্ৰৱন্ধ। সংলাপ পৃঃ ১১৯-২০*

# আন্তৰ্ভাষিক তুলনামূলক সাহিত্য গৱেষণা – প্ৰসঙ্গ ও প্ৰয়োজনীয়তা

**কল্পনা বৰুৱা সেনগুপ্তা**

অধ্যাপিকা, (হিন্দী বিভাগ)

'তুলনামূলক সাহিত্য' শব্দ এটা ইংৰাজী 'Comperative literature' শব্দৰ পৰ্য্যায়বাচী হিচাবে সৰ্বজনবিদিত তথা সৰ্বমান্য বুলি কব পাৰি। অসমীয়া সাহিত্যকাননত এই বিষয়টি সদ্য প্ৰস্ফুটিত পুষ্পসম। অৱশ্যে পশ্চিমৰ দেশসমূহত ইয়াৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা বাবে সেই ধৰণৰ চিন্তাচৰ্চা আৰু গৱেষণাই প্ৰাধান্য লাভ কৰিছে। প্ৰত্যেক জাতি, উপজাতি, গোষ্ঠী, সম্প্ৰদায়ৰ নিজস্ব ভাষা, উপভাষা, কথিত ভাষা থাকে। ভাষা কথিত ভাষা আদিবোৰ হৈছেগৈ প্ৰকাশ মাধ্যম। এতিয়া বিচাৰ্য্য বিষয় হ'ল – 'ভাষা' শব্দটি সংস্কৃতি 'ভাষ' ধাতুৰ পৰা সৃষ্টি হৈছে যাৰ অৰ্থ হৈছে 'কোৱা।' অৰ্থাৎ ভাষা সেইটো যাক কোৱা হয়। এনসাইকোপীডিয়া ব্ৰিটেনিকাত ভাষাৰ সংজ্ঞা এইদৰে দিয়া আছে।

Language may be defined as an arbitrary system of vocal symbols by means of which, human beings, as members of a social group and participants in culture interact and communicate.

কথিত ভাষা – ইংৰাজী শব্দৰ প্ৰতিশব্দ হিচাবে 'বোলী' বা 'কথিত ভাষা' শব্দটো গ্ৰহণ কৰা হৈছে। গ্ৰিয়ৰ্চনে কোৱাৰ দৰে 'The two words 'language' and 'dialect' are in this respect like ' mountain' and 'hill.' One has no hesitation in saying that say Everest is a mountain and Holborn hill, a hill but between these two the dividing line can not be accurately drawn. আকৌ সপীৰে কোৱাৰ দৰে To the linguist there is no real difference between dialect and a language – সৰল ভাষাত আমি এইদৰে কব পাৰোঁ যে কথিত ভাষা (dialect) হ'ল কোনো ভাষাৰ এটা সীমিত ক্ষেত্ৰীয় ৰূপ যিটো ধ্বনি, ৰূপ, বাক্যগঠন, অৰ্থ, শব্দসমূহ তথা বিশেষ ভাৱযুক্ত চলিত কথা আদিৰ দৃষ্টিৰ পৰা, সেই ভাষাৰ পৰিনিষ্ঠি তথা ক্ষেত্ৰীয় ৰূপৰ পৰা ভিন্ন হয়, কিন্তু ইমান ভিন্নও নহয় যে অন্য ৰূপ কোৱা সকলে তাক বুজিব নোৱাৰিব।

ভাষা আৰু কথিত ভাষাৰ সংজ্ঞা সহজ কৰিবৰ বাবে আমি যদি অসম প্ৰান্তৰৰ মূল বা পৰিনিষ্ঠিত ভাষাৰ নাম ল'ব খোঁজো, তেনেহ'লে অসমীয়া ভাষাৰ নাম লব লাগিব। এই অসম প্ৰান্তৰৰে কামৰূপ তথা গোৱালপাৰা জিলাত কথিত ভাষাৰ দুটা ৰূপ আমাৰ দৃষ্টিগোচৰ তথা কৰ্ণগোচৰ হয়। ক্ৰমে ঃ (১) কামৰূপী কথিত ভাষা (Kamrupa dialect) আৰু (২) গোৱালপৰীয়া কথিত ভাষা (Goalparia dialect)। অসম প্ৰান্তৰৰ দৰে হিন্দীভাষী প্ৰান্তৰতো একে কথাই পৰিলক্ষণীয়। উদাহৰণস্বৰূপে কব পাৰি যে মূল বা আদৰ্শ ভাষা হ'ল হিন্দী। আকৌ তাৰে কথিত ভাষাবোৰ হ'ল ক্ৰমে-মগধী, ব্ৰজী, ভোজপুৰী।

গতিকে উপৰোক্ত সংজ্ঞা তথা বৰ্ণনাৰ পৰা এই কথা স্পষ্টভাৱে জানিব পৰা গ'ল যে ভাষা তথা কথিত ভাষা হ'লগৈ ব্যক্তিৰ প্ৰকাশৰ মাধ্যমস্বৰূপ। এই ভাষা আৰু কথিত ভাষাই ব্যক্তিবিশেষৰ ব্যক্তিসমূহ, জনগোষ্ঠী তথা সম্প্ৰদায়ৰ সাহিত্যৰ লাইখুটা স্বৰূপ।

আদৰ্শ বা মূল ভাষাত যিদৰে সাহিত্য সৃষ্টি হয় কথিত ভাষাতো সিদৰে সাহিত্য সৃষ্টি হয়। আদৰ্শ বা মূল ভাষাত ৰচিত হোৱা বা কোৱা সাহিত্যৰ বিধাক পৰিনিষ্ঠিত সাহিত্য আৰু কথিত ভাষা বা dialect ত সৃষ্টি হোৱা বা কোৱা সাহিত্য বিধাক লোকসাহিত্য বুলি কোৱা হয়।

আদৰ্শ বা সাহিত্যিক ভাষাত যিদৰে কথা, নাট, নৃত্য, গীত, কাব্য আদিৰ সৃষ্টি হয় ঠিক সিদৰে কথিত ভাষাতো কথা, নাট, নৃত্য, গীত, কাব্য আদিৰ সৃষ্টি হয়। উদাহৰণস্বৰূপে নাটকৰ কথাকে কওঁ

- হিন্দী সাহিত্যত যিদৰে মূল ভাষাৰ নাটসমূহ আছে যেনে জয়শঙ্কৰ প্ৰসাদৰ 'চন্দ্ৰগুপ্ত', 'স্কন্দগুপ্ত', 'ধ্ৰুৱস্বামিনী', লক্ষ্মীনাৰায়ণ মিশ্ৰৰ 'সিন্দুৰ কী হোলী' আদি । ঠিক তেনেকৈ কথিত ভাষাত লোকনাট্যও আছে যেনে বিহাৰ জনপদৰ 'বিদেসিয়া' নামৰ লোকনাট্য ।

নাটকৰ নিচিনাকৈ সাহিত্যৰ আন এটা জনপ্ৰিয় ৰিধা হৈছে গীত। পৰিনিষ্ঠিত সাহিত্যৰ বাবে পৰিনিষ্ঠিত ভাষাত গীত ৰচিত হয় । পৰিনিষ্ঠিত ভাষাত ৰচিত গীত ৰচকৰ নাম উল্লেখ কৰিব পৰা যায়। কথিত ভাষাতো গীত ৰচিত হয় । উদাহৰণস্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা দেৱৰ গীতত, বিষ্ণুপ্ৰসাদ ৰাভা দেৱৰ গীত, পাৰ্বতীপ্ৰসাদ বৰুৱা দেৱৰ গীত, ভূপেন হাজৰিকা দেৱৰ গীত পৰিনিষ্ঠিত বা সাহিত্যিক ভাষাত ৰচিত সেই ভাষা হ'ল অসমীয়া ভাষা । আনহাতে কামৰূপী আৰু গোৱালপৰীয়া লোকগীত সমূহ কথিত ভাষাৰ – যি প্ৰাচীন কালৰে পৰা মুখপ্ৰচলিত হৈ চলি আহিছে ।

আন্তৰ্জাতিক তুলনামূলক সাহিত্য গৱেষণাৰ প্ৰসঙ্গ ও প্ৰয়োজনীয়তাৰ সন্দৰ্ভত আলোচনা আগবঢ়োৱাৰ পূৰ্বেই তুলনামূলক সাহিত্য, ভাষা, কথিত ভাষা তথা উভয় আদৰ্শ বা মূল ভাষা আৰু কথিত ভাষাৰ সাহিত্যৰ ওপৰত বিহঙ্গম দৃষ্টি নিক্ষেপ কৰি বিষয়টিৰ সৰলীকৰণ কৰা হ'ল। এতিয়া ভাৰতীয় তুলনামূলক সাহিত্য গৱেষণাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰিবলৈ যথাসম্ভৱ চেষ্টা কৰা হ'ব ।

ভাৰতবৰ্ষ এখনি বিশাল দেশ। বহু জাতি, বহু ভাষা, বহু সম্প্ৰদায়, পাহাৰ, ভৈয়ামৰ নানা উপজাতি, জনগোষ্ঠীৰ সমন্বয় তথা মিলনৰ থলী ভাৰতবৰ্ষৰ বিভিন্ন ভাষাসমূহ আৰু সেই ভাষাসমূহৰ সাহিত্যৰাজিৰ তুলনামূলক অধ্যয়ন তথা গৱেষণাৰ আৱশ্যকতা আজিৰ এই যুগ, পৰিবেশ, পৰিস্থিতিত যিমান বেছিকৈ অনুভৱ কৰা হৈছে সিমান সম্ভৱ পূৰ্বতে কেতিয়াও কৰা হোৱা নাছিল । এনেকুৱা অধ্যয়ন আৰু গৱেষণাৰ উপযোগিতা ভৱাতকৈও বহুত বেছি বুলি কব পাৰি । ভাৰতীয় জনমানসত ভাবাত্মক একতাৰ ক্ষেত্ৰত প্ৰতিকূল দিশটোহে পৰিলক্ষিত হয় । আমি সকলো ভাৰতীয় বুলি ভাবাত্মক একতাৰ হ'কে দলবদ্ধ হোৱা ব্যক্তিসকলৰ অন্তৰতো যে ভাষাৰ ভিন্নতা, জাতপাতৰ ভিন্নতা, সম্প্ৰদায় ভিন্নতা আদিৰ ভাৱ অৱশেষ নাই সেই কথা একে আষাৰতে মানি লব নোৱাৰি বুলি ক'লেও বঢ়াই কোৱা নহব নিশ্চয়। উদাহৰণস্বৰূপে বৰ্তমান ভাৰতবৰ্ষত দেখা দিয়া জাতি ধৰ্ম সম্পৰ্কীয় ঘটনা সমূহকে ল'ব পাৰি । ভাষাৰ ভিন্নতাৰ বিষয়টোলৈকে চকু দিওঁ। ভাৰতবৰ্ষৰ ৰাষ্ট্ৰভাষা হিন্দী আদৰ্শ তথা পৰিনিষ্ঠিত ভাষা । কিন্তু পৰিলক্ষণীয় বিষয় এয়ে যে আদৰ্শ তথা ৰাষ্ট্ৰভাষা হোৱা স্বত্বেও তথা বহুল সংখ্যক ভাৰতীয়ৰ লিখিত তথা দৈনন্দিন ব্যৱহাৰৰ ভাষা হোৱা স্বত্বেও এই ভাষা ভাৰতৰ সকলো জাতি, উপজাতি, পাহাৰ, ভৈয়াম, জনজাতি তথা সম্প্ৰদায়ৰ বাবে সমানেই গ্ৰহণযোগ্য নে? ভাৰতৰ উত্তৰ, দক্ষিণ, পূব, পশ্চিম সকলো খণ্ডতে সমানেই লোকপ্ৰিয় ভাষা নে? ভাষা ভেদ, জাতিভেদ ইত্যাদিবোৰ কাৰণত দেশত সৃষ্টি হোৱা নিত্যনতুন আন্দোলন আদিয়ে দেশলৈ, মানুহৰ মনলৈ, খণ্ডনৰ ভাৱ আনে । বিভাজনৰ ভাৱ আনে । এইবোৰৰ পৰিণাম এয়ে হয় যে দেশ ধ্বংসৰ বিবিধতাপূৰ্ণ দেশ । এই বিবিধতাৰ মাজতো অনুপম সৌন্দৰ্য্য লুকাই আছে । ধ্বংসমুখী দেশ এখনক ধ্বংসৰ পৰা ৰক্ষা কৰিবলৈ হ'লে সৰ্বপ্ৰথমেই সমূহ বিবিধতাৰ মাজত একতাৰ সুত্ৰ বিচাৰিব লাগিব । এই কথাষাৰ ন-দি ক'ব পাৰি যে বিবিধতাৰ মাজত যি একতা আছে, সেই একতাৰ সূত্ৰত নিৰ্ভৰ কৰি ভাৰতবৰ্ষক ধ্বংসৰ মুখৰপৰা ৰক্ষা কৰিব পাৰি । আজি ৰাষ্ট্ৰ যি বিকট পৰিস্থিতিৰ সন্মুখীন হৈছে সেই পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰা সূত্ৰ সমূহৰ ভিতৰত প্ৰথম আৰু প্ৰধান সূত্ৰই হ'ল আন্তৰ্জাতিক তুলনামূলক সাহিত্যৰ অধ্যয়ণ আৰু গৱেষণা । তাৎপৰ্য্য এয়ে যে ৰাষ্ট্ৰৰ বিভিন্ন ভাষাসমূহৰ সাহিত্যৰাজিৰ ব্যক্ত বিচাৰ আৰু ভাৱসাম্যক জানিবলৈ বুজিবলৈ তথা তাৰ মাধ্যমেৰে সম্পূৰ্ণ ৰাষ্ট্ৰত সাংস্কৃতিক, সাহিত্যিক সমন্বয়ৰ দৃষ্টিৰে তুলনামূলক অধ্যয়ণ আৰু গৱেষণাৰ আৱশ্যকতা আজি বহুত বাঢ়ি গৈছে । পুনৰ এষাৰ কথা উনুকিওৱা প্ৰয়োজন যে – ই জ্ঞান আৰু ভাৱৰ বিস্তাৰতো সহায় স্বৰূপ।

> *জাতীয় সাহিত্য জাতীয় জীৱনৰ প্ৰতিধ্বনি মাথোন । জাতীয় জীৱন যদি সংকীৰ্ণ হয়, জাতীয় সাহিত্যইও সেই সংকীৰ্ণতাৰ হাত সাৰিব নোৱাৰে ॥*
>
> *লক্ষ্মীনাথ বেজবৰুৱা*

ARTICLE

# Pesticidal Properties of Neem and Neem Products

Dr. N. Bhuyan, M.Sc. Ph.D.
Dept of Botany

Plants have influenced the human civilisation to a greater extent. Human civilization has progressed during ages under the impact of planis. Rigveda and Atharvaveda described medicinal plants. *The three traditional classes of medicine Ayurveda, Siddha and Unani incorporate several well organised* system of diagnosis and cure. Neem is one such versatile trees which is an natural harmless pesticide and has multiple uses.

**Introduction :** Neem is called margosa tree, India, Liliac or Azadirachta from the Persian word Azaddarakth. It belongs to the family meliaceac and is botanically called *Azadirachta indica*. Its original home is now impossible to determine.

**Description :** The plants are mostly trees or shrubs. Wood of the plant emits characteristics smell. Root is top root & branched. Stem create, solid woody, leaves alternate, petiotate, pinnatey compound rarely simple and exstipulate. Inflorescence hermaphrodite more type. Flowers are actionomarphic, hermaphrodite, sepals flick, poller ganiosepalous, small in size, when united they are connate at base. The head of anthers of stamen are situated inside and hear its top which is ten teethed. Carpel five, poly or gamosepalous, small in size, when united they are connate at base. Stamen are peculiar, their stalks are united into a tube. The head of anther of stamen are situated inside and near its top which is ten teethed. Carpel five, syncarpous, over superior, style simple with lobed stigma. Fruit oral shaped, 1'4-2'4 cm. long, greenish yellow when ripe. Seeds has brown kernel embodied in hard white shell.

They grows wild in dry forest and all over dry zone of India, Myanmar, but thrives best in drier climate (rainfall 400-800mm) and temperatures as high us $120^0$ F. It grows all kind of soil but does with in black cotton soil. It is very sensitive to frost. For this region, it is not a common tree is Punjab and Himalayan Tarai Belt.

Linoraids a biologically active chemicals is *isolated from the seeds, bark and leaves of Neem.* Each of these limonites has a different mode of *action. It can resists more than 200 species of insects, mites and nematodes. Its products* are medium to broad spectrum insecticide for a variety of plant eating or phytophagous insect such as flies, beetles, moth grasshopper, butterflies, cockroach etc. Insects find it difficult to develop resistance to teem products. Its chemicals are harmless to most insect eaters, humans and other manual except certain marine life like herbs', lobster fishes and tadpoles.


The Neem inhibits some toxic effects. About one fourth water extract of neem leaves causes some instability in Lucerhe weevil. Mosquito larvae are killed by neem oil but its effectiveness varying with its concentration. The alcohol extract of neem kernel can be used as a good contact insecticide against mustard aphids.

In the year 1969 it was found that the chloroform extract of neem effectively disrupted the growth of maize stem barer Heliothes $2_{ca}$ and Spondoptera frugiperda. Its methanol extract affect the shield bug.gypsy bug and also to the egg laying and post embryonic development of spider mite. Its product bring about morphogenetic changes and disturbance in the endocrine system and protein metabolism of insect body.

Soil application of neem and seeds soaking with neem products have been found to protect some crops from loosest for a week or a month.

In U.S. Aqueous neem leaf extract have shown inhibition of DNA polymerase of hepalitis-B-Virus, while in Germany on ethanolic neem kernal extract had proved effective against herpes virus.

The pests which are known to be affected by neem includes desert locusts, schistocerca,




FLOWERING TWIG

gregaria, heliothes arimigera etc. No other plant or synthetic material is known to have diverse effects on insect as neem. Its derivatives have proved useful in control of insects.

The most extensively studied properties of the neem products are antifeedant activity, growth disruption ovred toxicr effects. As many as 70 insects of different orders have been found to be affected by antifeedant property of neem. The most active part, kernel can be used for this property in power form or an extract in a solvent, which may be either of alcohol chloroform, acetone and water. Oil extract in alcohol has been found to be effective against brown plant hopper and rice leaf folder. It controls the pests of stored products. Treatment of jute sacks by neem oil prevents the penetration of pests like Tribolium sp. A treatment of cowpea seeds with neem oil offers protection against Callasobruchus maculatus. It attracts some insect for this it can be utilised in attracting and killing the white grubs.

Neem Oil Its seeds contain 45% of oil. It has the fatly acids are chiefly obeic acid 53%, stearic 18%, palmitic 14% and together with small amount of linoleic and arachidi acid. Its odorous constituents due to the presence of sulphur compound. As many as seven distinct chemicals of insecticidal properties have been isolated from the kernel of seed. In India, oil is prepared in ghanis for local use, either as medicine or as an illuminant. While burring it smokes badly. It is used in soap industry. Medicated soap margo with the odour of neem are available in the market.

## Chemistry of neem oil :

It contain nonlipid associates loosely termed as bitter and organic sulphur compounds imparting a pungent, disagreeable odour. Analysis of crude oil & refined oil shows following information

| | Crude | Refined oil |
|---|---|---|
| Palmitic Acid | 19'4 | 19'4 |
| Steari acid | 21'2 | 18'3 |
| Oleic acid | 42'1 | 45'7 |
| Arachidiceacid | 1'4 | 1'4 |
| Linolic Acid | 14'9 | 14';4 |

Phospholipid present in the oil mainly of phosphophatidyl choline 13'9%, phosphophatidyl ethanolamine 39'4%, Cardiolipin 10'3% and phosphophatidyl inositol 36'4%.

Alcohol Extract of neem oil: Indian scientists carried out extensive work and established in a pilot scale the process conditions for extraction and subsequent steps of purification. The critical step is to extract of crude oil with 95% alcohol. Extract was 10% on weight of oil. In small scale experiment the composition of extract was found to be 25% triterpenes, 30% crude compound mainly free fatly acid. Its oil miscella (oil : hexane 1:3 W/v) was shaken with two volumes of 90% methanol. Gummy matter and nonlipids were extracted with alcohol while glycerides and fatly acids were preferentially retained in hexane. A second alcohol extraction was done. Refined oil was recovered from hexane. Alcohol extract contained 5'4% non lipids.

Odiferours principles of Neem oil.

The odiferous sulphur containing organic compound have not been isolated in a pure form, the failure was ascribed to labile nature of the compound, leading to varying degrees of degradation during isolation.

The better principles present in various tree parts were believed to be responsible for the beneficial effect. The main feature is that they belong to a class triterpenes with 26 carbons, biogenetically derived from triterpenes. This is called limonite bitter principles and occur in other botanical species as well. The isolation of meliomtriob, 30 triterpene was closely followed by that of another compound izadirachtir, Nimbin was the first compound isolated in a pure form from alcohol extract of neem oil and its structure and stereochemistry was established.

Neem Products : Neem Cake is the residue of kernel after extraction of oil, rich in nutrients and contain N5% $p^2$ $O_5$ 2% and potash 10%.

Neem gum obtamed from the bark. It contains water 13-15%, ash, 3% galactaus, 12% pentosones, 26% some albuonins and oxidose.

Neem toddy is a sweet liquid, obtained as an exudation from upper part of some trees. It has unpleasant odour contains sugar, albuminous and gummy matter about 6'5%.

Neem wood is moderately heavy, medium textured. It has both heart wood and sap wood of chonacteritic colour. Its anatomy shows growth rings, vessels, deposits of gums and fine rays. Neem timber seasons well, is durable even in exposed situation. It is not attack by white ant perhaps due to its bitter character. Timber is used in house building, for making boards, panels, toys and plough.

Neem cake is used in agriculture, poultry, animal husbandry. It is applied to the soil against nematodes infecting citius, guava, banana, rice etc. Multinational companies from Japan, Germany & UK are trying to extract an enzyme from neem, inhibit division of AIDS infected cells.

Indian Work on Neem

In India, research on neem has been both sporadic and scattered. Institution involved in this work are Indian Institute of Science, Bangalore ' Indian Agricultural Research Institute, Andhra Pradesh; National Institute of Immunology, Indian School of Mines etc. NIL have found a potent cantaceptine in neem oil called Praneem. In India several companies have entered into trade of neem based pesticides. Some US companies are manufacturing pesticides by the names of Bioneem, Aazatin Turplex, Margosam from margo oil.

***References :***


1. The wealth of India, Raw materials. Vol II
2. C.R. Mitra, 'Neem' published by Indian central oilseeds committee. Himayatnagar, Hyderabad 1963.
3. V.K. Thimkapura. Science Reporter, 48, 4-11, 1993
4. J.G. Kane and V.R. Rao. and V.V.R. Subramanayam. J. Oil. Technol -ogy Assam of India
5. N.S. Rawat. Everymanis science. No. 6. 1994.

অনুবাদ

# ৰহস্যজনক আৰু ঔষধ উহ্য বিষয়টিৰ প্ৰসঙ্গত

## *(ON THE CRYPTIC AND THE ELLIPTIC)*

মূল ঃ ***Gilbert Keith Chesterton.***
অনুবাদ – **শ্ৰী প্ৰমথেশ ডেকা**
স্নাতক দ্বিতীয় বৰ্ষ
ইংৰাজী বিভাগ

*<u>অৱতৰণিকা</u>*

*(ইংৰাজী সাহিত্যত প্ৰবন্ধ লিখাৰ প্ৰক্ৰিয়াটি পদ্যৰ পৰা বুৰঞ্জী আৰু কাল্পনিক গল্প (Romance) ৰ ৰূপত নিজকে সুপ্ৰতিষ্ঠিত কৰাৰ পাছতহে আৰম্ভ হৈছে । ইংৰাজী প্ৰৱন্ধৰ জনক মণ্টেইন (Montaigne) আৰু বেকন (Backon) ৰ সময়ত ই সাধাৰণতে ফকৰাৰ ৰূপলৈ উপদেশপ্ৰদ আৰু নীতিগত আছিল । পাছত, বিশেষভাৱে, এডিছন (Addison) আৰু ষ্টিল (steel) ৰ হাতত পৰি ই সাধাৰণ কথোপকথনৰ ৰূপ লৈ ব্যঙ্গ আৰু সংস্কাৰধৰ্মী হৈ পৰিল । বৰ্তমানৰ চেষ্টাৰটন (G.K. Chesterton) ৰ এই ৰচনাখন এইবিধৰে এটা উদাহৰণ ।*

*G.K. Chesterton ৰ বিষয়ে সংক্ষিপ্ততে কবলৈ গ'লে তেওঁক সাংবাদিকতা, প্ৰবন্ধ,উপন্যাস, সমালোচনা আৰু আনকি কবিতাত শ্ৰেষ্ঠতা লাভ কৰা এজন বহুমুখী প্ৰতিভাশালী লোক বুলিব লাগিব। এই সুৰসিক লিখকজন তেওঁৰ ধৰ্ম, সমাজ ব্যৱস্থা,ৰাজনীতি, সাহিত্য আৰু কলাৰ বিষয়ে দিয়া মত স্ববিৰোধী যেন লাগিলেও কঠোৰ সত্য (Paradoxical) মতামতৰ বাবে বিশেষভাৱে জনাজাত। তেওঁৰ এই যুগমীয়া প্ৰতিভাক সঠিক মাপকাঠিৰে জুখি অবিকল অনুবাদ কৰাটো, বিশেষকৈ মহাবিদ্যালয়ৰ ছাত্ৰ স্তৰত, সম্ভৱ হৈ নুঠে। এই অনুবাদটিত মূল ইংৰাজী প্ৰৱন্ধটিৰ গুণাগুণখিনিক কেৱল এজন ছাত্ৰৰ দৃষ্টিভংগীৰে চোৱা হৈছে যদিও মূলভাৱটি হুবহু অনুকৰণ কৰিবলৈ চেষ্টা কৰা হৈছে । এনে প্ৰসঙ্গত ই পাঠকৰ সহানুভূতি আৰু অনুপ্ৰেৰণা লাভ কৰিব বুলি আশা কৰিলোঁ । পাঠকৰ সুবিধাৰ বাবে কিছু সংক্ষিপ্ত বৰ্ণনা প্ৰৱন্ধটিৰ শেষত দিয়া হৈছে ।)*

সঁচাকৈয়ে, একোটা বক্তৃতাৰ বিবৃতি দিয়াৰ কলাটো বৰ্তমান এক অদ্ভুত অধঃপতনশীল পৰ্য্যায়ত । আমি চাগৈ সাংবাদিকজনে একোটা বক্তৃতা ইয়াৰ নিজস্ব দৈৰ্ঘ্যতকৈ চুটি কৰাৰ বাবে আপত্তি কৰা উচিত নহয় ; বৰঞ্চ ইয়াক ইয়াৰ নিজস্ব মাত্ৰাতকৈ অধিক কম মানদণ্ডৰ কৰাতহে আপত্তি কৰিব লাগে আৰু ইয়াৰ বাবে যিটো প্ৰণালী তেওঁ অৱলম্বন কৰে সেইটো হৈছে মাৰাত্মক অসমৰ্থনীয় । যেতিয়া এজন ৰাজনীতিজ্ঞ ব্যক্তিয়ে বা এজন দাৰ্শনিকে একোটা গুৰুত্বপূৰ্ণ বক্তৃতা প্ৰদান কৰে তেতিয়া এজন সাংবাদিকে অযুক্তিকৰ নোহোৱাকৈ বহুকেইটা উপায় অৱলম্বন কৰিব পাৰে । তাৰে ভিতৰত একেবাৰে বিবৃতি নিদিয়াটোৱেই চাগৈ সবাতোকৈ অধিক যুক্তিসঙ্গত হ'ব । গোটেই জগতখন সেই নিৰ্দিষ্ট সংবাদটো নোহোৱাকৈ খাই বৈ জীয়াই থাকক, বাতৰি কাকতৰ জন্মৰ আগেয়ে যেনেকৈ আছিল । ইয়াৰ দ্বিতীয় উপায়টো হব ইয়াৰ এটা থুলমূল কিন্তু শুদ্ধ বিৱৰণী দিয়া ; আৰু তৃতীয় আৰু অধিক ফলপ্ৰসু উপায়টো হৈছে, যদিহে সম্ভৱ হয়, গোটেই বক্তৃতাটোৰ আচল উদ্দেশ্য আৰু বিষয়টি বুজি নিজৰ ভাষাত নিয়াৰিকৈ আৰ যুক্তি সহকাৰে উত্থাপন কৰা । চমুকৈ কবলৈ গলে এই তিনিওটা সাম্ভাব্য উপায় হৈছে, প্ৰথমটি, বক্তাজনৰ বক্তৃতাটিক অকলশৰীয়াকৈ এৰি দিয়া; দ্বিতীয়টি, বক্তাজনে যি কৈছে তাৰ বা বক্তৃতাটিৰ কিছু অংশৰ বিবৃতি দিয়া ; আৰু তৃতীয়টি, তেওঁ যি ক'ব বিচাৰিছে তাক ব্যক্ত কৰা । কিন্তু বক্তৃতা বিৱৰণৰ বৰ্তমান পদ্ধতিটো (যিটো, মই ভাবো, Daily mail ৰ বিপাক প্ৰণালীৰে বিশেষকৈ সৃষ্টি কৰা) হৈছে এনে এটা কিবা পদ্ধতি যি এই দুয়োটা উপায়ৰ পৰা সম্পূৰ্ণ পৃথক আৰু প্ৰায় অদৰকাৰী আৰু বিমোৰত পেলোৱা বিধৰ ।

বৰ্তমানৰ পদ্ধতিটো ঠিক এনেধৰণৰ ঃ সাংবাদিকজনে এনে কিছুমান বিৰাট বিৰাট শব্দৰ চৌৰ আগত আলস সাক্ষী হৈ বহি থাকে, যিবিলাক তেওঁ কাহানিও বুজিবলৈ বা সাধাৰণ কথাত কবলৈ গলে, টুকিবলৈ চেষ্টা নকৰে আৰু তেওঁ এনেকৈয়ে বৈ থাকে যেতিয়ালৈকে বক্তৃতাটোত এনে এটা শব্দৰ উদ্ভৱ নহয়, যি কিবা কাৰণবশতঃ শুনিবলৈ কিবা কৌতুকীয়া বা স্মৰণীয়, বা খুব

অতিৰঞ্জিত, বা হয়তো,অলপ বাস্তৱধৰ্মী যেন অনুমান হয়, আৰু তেতিয়া তেওঁ সেইটো ঘপহকৰে টুকি লয় আৰু তাৰ পাছৰটোৰ বাবে আকৌ অপেক্ষা কৰে। যদি বক্তাজনে কয় যে কোনো এখন দেশৰ শাসকজন কিবা বিশেষ কাৰণবশতঃ এটা সাগৰৰ শিহুৰ দৰে, তেন্তে সাংবাদিকজনে ''শিহু'' টো টুকিবই যদিওবা ''শাসক''টো বাদ পৰি যায়। যদি বক্তাজনৰ মতে মিঃ চেম্বাৰলিনক (১) (Mr. Chamberllin) ক বৰ বেহেলা (Violoncello) ৰ লগতহে বেছি ৰিজাব পাৰি, তেওঁকনো কিয় তেনেকৈ তুলনা কৰা হ'ল সেই কথা শুনিবলৈ সাংবাদিকজনে কেতিয়াও ৰৈ নাথাকে। কিছু সাৰবস্তু তেওঁৰ হাতত লাগিছে, আৰু তাতেই তেওঁ সন্তুষ্ট। সকলোবোৰ জোৰদাৰ শব্দ টুকি লোৱা হ'ল আৰু ভাবৰ ধাৰাটো বাদ পৰিল; বা কৰবাত এৰি অহা হ'ল। বক্তাজনে ''গাধ'' বুলি উচ্চাৰণ কৰিলে ''গাধ'' বুলি টোকা হ'ল বক্তাজনে ''জঘন্য'' বুলি উচ্চাৰণ কৰিলে ''জঘন্য'' বুলি টোকা হ'ল। আৰু বিবৃতিটোত এই শব্দকেইটা এটাৰ পাছত এটাকৈ এনেধৰণে উদ্ভব হ'ব যে কাক জঘন্য বুলি কোৱা হৈছিল বা কাক গাধৰ সতে তুলনা কৰা হৈছিল তাক থিৰাং কৰাটো অত্যন্ত কঠিন হৈ পৰিব আৰু আলোচ্য বিষয়টিৰ যুক্তিৰ ধাৰাটোৰেই সম্পূৰ্ণ অন্তৰ্ধান হ'ব। বাৰ্ণাৰ্ড শ্ব' (Bernard Show) ৰ এটা বাতৰি কাকতৰ সংবাদ বৰ্তমান মোৰ ওচৰত মজুত আছে যাৰ এটা পৃথক আৰু সম্পূৰ্ণ দফা এনেধৰণৰ ঃ

''মূলধন বুলিলে এজন মানুহৰ দৰকাৰতকৈ অতিৰিক্ত ধনকে বুজায়। তেওঁলোকৰ দেশখন যে তেওঁলোকৰে আছিল সেইকথা তেওঁলোকৰ দেশভক্তিমূলক গীতবিলাকৰ বাহিৰে আন কতো ধৰা নপৰে।''

বাৰ্ণাৰ্ড শ্বৰ ভাৱধাৰা আৰু দৰ্শনৰ সৈতে মই সুপৰিচিত আৰু তাৰবাবেই এইবাক্য দুইটা যে হাজাৰটো ধৰনেৰে ইটো সিটোৰ লগত জড়িত সেই কথা বুজিব পাৰো। কিন্তু যদি কোনোবা এজন সাধাৰণ, শ্বৰ আদৰ্শৰ সৈতে একেবাৰে অপৰিচিত, ব্যক্তিয়ে ইয়াক পঢ়ে তেন্তে তেওঁ শ্বক এজন সাধাৰণ মাত্ৰাতকৈ অলপ বেছি পাগল আৰু অসংযোহিত মনৰ মানুহৰ বাদে আন কিবা মতামত দিব বুলি মই নাভাবো। আন দুটা পদ্ধতিৰে নিশ্চয় শ্বৰ প্ৰতি অধিক ন্যায় কৰা হ'লহেঁতেন; সাংবাদিকজনে হয় শ্বৰে দিয়া মূলধনৰ মন্তব্যটি অবিকল টুকি লব লাগিছিল অথবা কি ধৰনেৰে ই দেশভক্তিমূলক গীতৰ সতে জড়িত তাৰ এটা থুলমূল আভাস দিব লাগিছিল।

কিন্তু শ্বৰে এইবিষয়ে প্ৰকৃতিতে কিনো কৈছিল সেইকথা জনাৰ সৌভাগ্য আমাৰ নাই। গতিকে এই পদ্ধতিকেইটা আমাৰ পৰিচিত এটা বিষয়ৰে পৰীক্ষা কৰা ভাল হ'ব। আমি সকলোৱে হয়তো মাৰ্ক এন্টনি (Mark Antony) য়ে জুলিয়াচ চিজাৰত (Julius Caesar - Shakespeare) ত দিয়া Funeral speech টিৰ বিষয়ে জানো। এতিয়া যদিওবা কোনো এখন কাকতেও তেওঁৰ বক্তৃতাটিৰ বিবৃতি একেবাৰে নিদিলেহেঁতেন ; বা যদি Daily Pilun বা Morning Fasces এ, বা আন কিবাই হওক, কেৱল ''মাৰ্ক এন্টানিয়ে আৰু কৈছিল যে'' কিম্বা ''মাৰ্ক এন্টানিয়ে সমবেত ৰাইজক সম্বোধন কৰাৰ পাছত সভাখন কিছু খেলিমেলিৰে ওৰ পৰিল।'' বুলি কৈয়েই শেষ কৰিলেহেঁতেন তেতিয়াও তেওঁৰ আপত্তি কৰিবলগীয়া একো নাথাকিলেহেঁতেন। যিহেতু গোটেই বক্তৃতাটোৰ বিৱৰণী দিয়া প্ৰায় অসম্ভৱ, বক্তৃতাটোৰ কিছু সম্পূৰ্ণ অংশৰ বিবৃতি দিয়াই হ'লেহেঁতেন ইয়াৰ পৰৱৰ্ত্তী কাৰ্য্যকৰ প্ৰণালী আৰু এজন ৰোমান সাংবাদিকৰ বাবে ই বিশেষভাৱে যোগ্য। তেওঁ এইদৰেও কব পাৰিলেহেঁতেন - - ''মাৰ্ক এন্টনিয়ে তেওঁৰ বক্তৃতাটোত এবাৰ কৈছিল --

''দৰিদ্ৰসকলৰ দুখ কষ্টত চিজাৰে সদায় কান্দিছিল; উচ্চাভিলাশী হোৱা হলে তেওঁ কঠোৰ মানসিকতাসম্পন্ন হ'লেহেঁতেন।

"When that the poor have cried, Caesar hath wept :
Ambition should be made of sterner stuff."

এনে কৰা হলে মাৰ্ক এন্টনিৰ এটা যোগ্য, মৌলিক যুক্তিসঙ্গত আৰু শুদ্ধ বিবৃতি দিয়া হ'লহেঁতেন। তৃতীয়টো আৰু এজন ৰোমান সাংবাদিকৰ বাবে অধিক যোগ্য,আচৰণটো হ'বগৈ গোটেই বক্তৃতাটিৰ মূল ভাৱটি বুজি তাৰ ওপৰত এটা দাৰ্শনিক মন্তব্য দিয়া। তেনে ক্ষেত্ৰত ঃ- ''মাৰ্ক এন্টনিয়ে তেওঁৰ এটা দৃঢ় বক্তৃতাৰ যোগেদি ৰিপাব্লিকান (Republican) নেতাসকলৰ উচ্চাভিলাষৰ মাত্ৰাক স্বীকাৰ কৰিলে, আৰু তেওঁলোকৰ বিৰুদ্ধে জনগণক উচটাই দিয়াৰ সংকল্প সম্পূৰ্ণকৈ অস্বীকাৰ কৰিলে। তথাপিতো, তেওঁ মন্তব্য কৰিলে যে চিজাৰৰ উচ্চাভিলাষৰ বিৰুদ্ধে বহুতো উদাহৰণ দিব পৰা যায় আৰু অৱশেষত ৰাইজৰ অনুৰোধত তেওঁ চিজাৰৰ দানপত্ৰখনি পঢ়ি শুনালে, যিয়ে ৰোমান সকলৰ বাবে যে চিজাৰ আটাইতকৈ বেছি মৰমীয়াল আৰু দানশীল শাসক আছিল সেইকথা প্ৰমানিত কৰিবলৈ এয়াই যথেষ্ট''। মই মানি লওঁ যে ই শ্বেকচ্‌পীয়েৰ (Shakespeare) ৰ দৰে আড়ম্বৰপূৰ্ণ হোৱা নাই , কিন্তু এজন ব্যক্তিৰ ৰাজনৈতিক অৱস্থানৰ একোটা উক্তি হিচাপে ই যথেষ্ট। কিন্তু যদি Daily Mail ৰ এজন সাংবাদিকক এন্টনিৰ এই বক্তৃতাটো সংগ্ৰহ কৰিবলৈ পঠিওৱা হ'লহেঁতেন তেন্তে তেওঁ এটা আমোদজনক উক্তি নোপোৱালৈকে বহি থাকিলহেঁতেন আৰু

পোৱামাত্ৰকে সেইবোৰক কোনো ন্যায়সঙ্গত সম্বন্ধ নোহোৱাকৈয়ে এটাৰ পাছত এটাকৈ টুকি পেলালেহেঁতেন। তেনেক্ষেত্ৰত ই এনেধৰণৰ কিবা এটা হ'লেহেঁতেন ঃ- (২) "মাৰ্ক এন্টনিয়ে তেওঁৰ শ্ৰোতাসকলৰ কান বিলাক বিচাৰিলে। তেওঁ চিজাৰত তিনিবাৰ ৰাজমুকুট যাচিলে। চিজাৰ এটা হৰিণাৰ দৰে আছিল। তেওঁ যদি ব্ৰুটাছ (Brutus) হ'লহেঁতেন, তেওঁ সকলোবোৰ জিভাতেই আঘাত কৰিলেহেঁতেন। ৰোম (Rome) ৰ শিলাখণ্ডই বিদ্ৰোহ কৰিলেহেঁতেন। চোৰা খঙীয়াল কাস্কা (Casca) ই ই কিমান খাজনা (vent) ভৰিলে। ব্ৰুটাছ চিজাৰৰ দেৱদূত আছিল। অৱশেষত মাননীয় ভদ্ৰলোকজনে তেওঁ নিজে আৰু শ্ৰোতাজনে অভিশপ্ত হ'ল (Fallen down) বুলি কৈ তেওঁৰ বক্তব্য সামৰিলে।" এইটোৱেই হৈছে আধুনিক, উন্নতিশীল, বা মাৰ্কিন (American) পদ্ধতিৰ এটা ৰাজনৈতিক বক্তৃতাৰ বিবৃতি, আৰু ৰোমানসকল ইয়াৰ পৰা কিমান আঁতৰি আছিল মোৰ সন্দেহ আছে।

সাংসদভৱনত হোৱা তৰ্কবিলাকৰ বিৱৰণীবোৰ আমাৰ বাতৰিকাকত বিলাকত ক্ৰমানুয়ে চুটি হৈ হৈ গৈ আছে। বক্তৃতাবোৰ ক্ৰমানুয়ে নীৰস হৈ যোৱাটোৱেই হয়তো আংশিকভাৱে ইয়াৰ কাৰণ। মই ভাবো এই দুয়োটা উপাদানেই বহু মাত্ৰালৈ পৰস্পৰৰ ওপৰত কাৰ্য্য কৰে। বাতৰিকাকতৰ ভয়তেই ৰাজনীতিবিদসকল অস্পষ্ট আৰু নিৰ্বোধ হয়, আৰু অৱশেষত আনকি বাতৰিকাকতৰ বাবেও তেওঁলোক নীৰস হৈ পৰে। বৰ্তমান আমাৰ সময়ত বক্তৃতাবোৰ অধিক সংযত আৰু সুসম্পন কাৰণ এইবিলাক শুনিবৰ বাবে নহয় বৰঞ্চ পঢ়িবৰ বাবেহে প্ৰস্তুত কৰা হয়। আৰু এইবোৰ ঠিক অধিক সংযত আৰু সুসম্পন্ন হোৱাৰ বাবেই সংযত আৰু সুসম্পন্ন বিবৃতিৰ বাবে যোগ্য হ'বগৈ নোৱাৰে। এইবোৰ মুঠেই আমোদজনক নহয়। গতিকে মুঠৰ ওপৰত আধুনিক ৰাজনীতিবিদ সকলৰ মানবীয় কাপুৰুশালিৰ ওপৰত প্ৰাকৃতিকভাবেই কিছু দণ্ড নিৰ্ধাৰণ কৰি থোৱা আছে। যথাৰ্থভাৱে আমাৰ ৰাজনৈতিক বক্তৃতাবোৰ কেবল বিবৃতিৰ বাবে প্ৰস্তুত কৰাৰ কাৰণেই এইবোৰ বিবৃতিৰ যোগ্য নহয়গৈ। যথাৰ্থভাৱে এইবোৰ পঢ়িবৰ বাবে নিয়াৰিকৈ আকাৰ দিয়াৰ কাৰণেই এইবোৰক কোনেও নপঢ়ে। গতিকে আমি এইটো স্বীকাৰ কৰিব পাৰো যে সাংবাদিকতাৰ অধঃপতনৰ বাবে ৰাজনীতিবিদসকলে বহুখিনি বৰঙনী আগবঢ়াইছে। কেৱল আমাৰ সাংবাদিকসকলৰ, দ্বাৰাই গোটেইখিনি হৈ উঠা নাই; বৰঞ্চ ইয়াৰ সৰহভাগেই হৈছে আমাৰ প্ৰথম আৰু অতিকৈ প্ৰাকৃতিক পাপৰ ফল -- আমি নিজকে একোজন পুৰোহিততকৈ বেছি একোজন যাদুকৰ বুলি বিবেচনা কৰাৰ ফল। কাৰণ সংজ্ঞাটো এনেধৰণৰ যে এজন যাদুকৰ তেওঁৰ দৰ্শকৰ পৰা সদায় পৃথক, আনহাতে এজন পুঁৰোহিত তেওঁৰ দৰ্শকৰে এটা অংশ মাথোন। যাদুকৰজনে তেওঁৰ সন্মুখত থকা গোটেই মানুহৰ জুমটোক অৱজ্ঞা কৰে; যদি পুৰোহিতজনে কাৰোবাক অৱজ্ঞা কৰে, তেন্তে সেইজন তেওঁ নিজে হ'ব। সকলোধৰণৰ সাংবাদিকতাৰ, বিশেষকৈ Yellow Journalism (হালধীয়া সাংবাদিকতা) ৰ যি বৰ্তমান আমাৰ গোটেই জীৱিকাটোৰ নামত এটা লজ্জা হৈ পৰিছে, যন্ত্ৰনা মাত্ৰ এইয়ে যে আমি যিসকলৰ বাবে লিখো তেওঁলোকতকৈ নিজকে বেছি বুদ্ধিমান বুলি ভাবো, কিন্তু দৰাচলতে আমি তেওঁলোকতকৈ বেছি মুৰ্খহে। কিন্তু আমাৰ এই দম্ভালি সদায় ইয়াৰ প্ৰতিদণ্ডৰ সতে জড়িত আৰু ইয়াৰ যথাৰ্থ দণ্ড বিবৃতি দিয়াৰ এই ঘটনাটিত প্ৰকাশ পাইছে।

সাধাৰণতে এজন সাংবাদিকে ৰাইজক নীচ জ্ঞান কৰি কথা কোৱাত অভ্যস্ত হৈ পৰাৰ ফলস্বৰূপে এটা সময়ত এনে কিছুমান নীচ কথা কবলৈ আৰম্ভ কৰে যি বিলাক কেৱল অসংযত আৰু অস্পষ্টহে হয়। বেছি স্পষ্ট হোৱাৰ তেওঁৰ প্ৰচেষ্টাই তেওঁক বেছি দুৰ্বোধ্যহে কৰি তোলে। এই বিশেষ দণ্ডটি, মাৰ্কিন সাংবাদিকতাই আৰম্ভ কৰা আৰু কিছু ইংৰাজ সাংবাদিকে অনুকৰণ কৰা, টগবগ কৰে চকুত পৰা বাতৰি কাকতৰ শিৰোনামা (Headline) ৰ ক্ষেত্ৰত বিশেষভাৱে মন কৰিব পাৰি। এবাৰ মই লণ্ডনৰ কাকত এখনত ঠিক এনে এটা শিৰোনামা পাইছিলো -- "ডবিনৰ কণমানি মেৰী" (Dobbin's Little Mery) সুপৰিচিত, সৰল আৰু জনপ্ৰিয় হোৱাৰ মানসেৰেই এনে কৰা হৈছিল আৰু, সেইবাবে,অনুমেয়ভাবেই ই ফটফটীয়াকৈ(?) স্পষ্ট হৈ পৰিছিল। কিন্তু ইয়াৰ তলত থকা লিখনিটোৰ প্ৰায় আধামান অংশ পঢ়াৰ পাছতহে মই ঠাৱৰ কৰিব পাৰিছিলো যে ই ঘোঁৰাৰ উচিত খাদ্যৰ বিষয়েহে কিবা কব খুজিছে। আগলৈ কোনোবাই ইয়াক পঢ়িলে যেনেদৰে বুজিব ঠিক তেনেদৰে প্ৰথমবাৰ পঢ়োতে ময়ো ইয়াক Vanity Fair (৩) ৰ শেষৰ ফালে Majorৰ অতি মৰমৰ হৈ পৰা তেওঁৰ সৰু জীয়েক গৰাকীৰ বিষয়েই কিবা কৈছে বুলি ধৰি লৈছিলো আৰু মাৰ্কিন সাংবাদিকজনে বেছি উজ্বল কৰিবলৈ গৈ ইয়াক বেছি অন্ধকাৰতহে সোমোৱালৈগৈ। আপুনি কেতিয়াবা কোনো মাৰ্কিন কাকতত "কবি ব্ৰাউনে সুমথিৰা ফুলৰ বাদ" (Poet Brown off Orange Flowers) বা মন্ত্ৰী ৰবিনচন শ্বহৰ্ণচ এতিয়া টুপী (Senator Robinson Shoehorns Hats Now) আদিৰ দৰে শিৰোনামা পাব পাৰে আৰু এইবোৰৰ প্ৰকৃত অৰ্থ ধৰা পেলাবলৈ আপোনাৰ বহুসময় লাগিব পাৰে; মইতো আজিলৈকে ইয়াক ধৰিব পৰা নাই।

একেদৰেই বক্তৃতাৰ বিবৃতি দিয়াৰ বৰ্তমানৰ পদ্ধতিটো অবলম্বন কৰা বহুতকো অৱশ্যে এই বুদ্ধিদীপ্ত দণ্ডটিয়ে বহুখিনি পিচ লৈছে। তেওঁলোক অলপ ৰহস্যজনকো হৈ পৰিছে কেৱল অলপমান স্পষ্ট হবৰ চেষ্টা কৰিয়েই। তেওঁলোক আকৌ George R.Sims (৪) ৰ দৰে লিখিবলৈ চেষ্টা কৰি, নিজৰ কৃতিত্ব হেৰুৱাই অৱশেষত Maeterlirck(৫) ৰ দৰে লিখিবলহে সমৰ্থ হোৱাৰ বাবেও প্ৰায়েই নিন্দনীয় হয়। মই ইতিমধ্যে উল্লেখ কৰা শ্বৰ সেই বক্তৃতাটোৰ শব্দৰ সংযোজনাটি সাংবাদিকজনে অতিকৈ নিৰ্ভুল, সৰল আৰু গণতান্ত্ৰিক হৈছে বুলি ভাবিয়েই লিখিছিল। কিন্তু বাস্তৱত এই দুয়োটা বাক্যৰ মাজত যদি কিবা এটা সম্বন্ধ আছিল তেন্তে ই নিশ্চয় ব্ৰাউনিং (Browning)(৬) ৰ আটাইতকৈ গভীৰ ভাবটিৰ সতে জড়িত থকা উহ্য বা মেৰেদিথ (Meredith)(৭)ৰ আটাইতকৈ সূক্ষ্ম কল্পনাটিৰ দৰে অদৃশ্য কিবা এটাহে আছিল। সৰল হ'ব পৰা আৰু গণতান্ত্ৰিক হ'ব পৰাটো হৈছে দুটা অতি মান্য, যশস্যাপূৰ্ণ আৰু কঠোৰ সাধনা আৰু স্বাৰ্থপৰ আৰু ভুৱা বুদ্ধিমানসকলৰ বাবে ই মুঠেই কাম্য নহয়। আনকি মেটাৰলিংক (Maeterlink) আৰু মেৰেদিথৰ ওপৰতো হ'মাৰ (Homer) আৰু মিল্টন (Milton) ৰ দৰে মানুহ আছে যিসকলক অনুধাৱন কৰাত কাৰো অলপো খেলিমেলি নহয়। আৰু হ'মাৰ আৰু মিল্টন, ব্ৰাউনিংতকৈ (যদিও তেখেত মহান আছিল) কেবল মাত্ৰ ভাল কবিয়েই নাছিল, বৰঞ্চ Daily Mail ৰ সেই ডেকা লোককেইজনতকৈ বহুগুনে ভাল সাংবাদিকো হ'ব পাৰিলেহেঁতেন।

এনেদৰেই,তথাপিতো,বক্তৃতাৰ অপবৰ্ণনা কৰা এই পদ্ধতিটো জীৱনক অপচিত্ৰিত কৰা বিশাল সাংবাদিক পদ্ধতিটোৰ এটা ক্ষুদ্ৰ অংশহে মাথোন। সাংবাদিকতা জনপ্ৰিয়,কিন্তু ই কাল্পনিক গল্প (fiction) হিচাপেহে আৰু বেছিকৈ জনপ্ৰিয়। বাস্তৱ জীৱন হৈছে এখন জগত আৰু বাতৰি কাকতত দেখা জীৱন হৈছে আন এখন জগত; ৰাইজে দুয়োটাই উপভোগ কৰে, কিন্তু তেওঁলোক এই দুইটাৰ পাৰ্থক্যৰ বিষয়ে কম বেছি পৰিমানে হলেও সজাগ। উদাহৰণস্বৰূপে, সংসদত হোৱা তৰ্কবোৰ দৈনিক কাকতত দেখাৰ দৰে ইমান নাটকীয় হয় বুলি ৰাইজে কেতিয়াও বিশ্বাস নকৰে, যদি বিশ্বাস কৰিলেহেঁতেন তেন্তে তেওঁলোকে কাকত নপঢ়ি স্বয়ং সংসদলৈকে গ'লহেঁতেন। ফৰাচী বিদ্ৰোহৰ সময়ত হোৱাৰ দৰে সংসদৰ কোঠাবিলাক প্ৰতিটো সন্ধিয়াই মানুহৰে ঠাহ খালেহেঁতেন; কাৰণ কেই পেনি (Penny) মান ভৰি এটা ছপা কৰা গল্প পঢ়াতকৈ তেওঁলোকে বিনাপইচাৰে এখন ভাওনাকে চালেহেঁতেন। কিন্তু ৰাইজে সহৃদয়েৰেই এইকথা জানে যে আন যিকোনো কলাৰ নিচিনাকৈ সাংবাদিকতাও হৈছে এটা প্ৰচলিত (conventional) কলা (art), এই যে ই সকলোবস্তুকে বাচনি কৰে, আড়ম্বৰ কৰে আৰু অবিশ্বাস্য কৰি তোলে (it selects, hightens and falsifies)। ইয়াৰ কেৱল প্ৰতিদণ্ডটিহে আন কলাবিলাকৰ প্ৰতিদণ্ডিৰ দৰে একে; যদি ই সত্যৰ প্ৰতি থকা ইয়াৰ যত্ন হেৰুৱায়, তেন্তে একেটা প্ৰণালীৰে ই ইয়াৰ গঠনেই হেৰুৱায়। অতি চতুৰভাৱে আঁকাৰ খ্যাতি থকা এজন আধুনিক চিত্ৰশিল্পীয়ে এখন চিত্ৰত এটা গৰুৰ ৰূপ দিব পাৰে, যিটোৱে দৰাচলতে চানফাঞ্চিচক' (San Francisco) ত হোৱা কোনো এটা ভূমিকম্পহে বুজাব পাৰে; আৰু ঠিক তেনেকৈ অতি চতুৰভাৱে বক্তৃতাৰ বিবৃতি দিয়া সাংবাদিকজনে বক্তৃতাটিক সম্পূৰ্ণ অবোধগম্য কৰি তোলে।

<u>সংক্ষিপ্ত বিৱৰণী (Notes)</u>

(১) মিঃ চেম্বাৰলিন (Joseph Chamberlain) ইংলেণ্ডৰ 'The conservative's ৰাজনৈতিক দলৰ প্ৰধানমন্ত্ৰী আছিল। তেখেতে এই দলটিৰ বিভাজন কৰিছিল আৰু এই সন্দৰ্ভতেই Winston Churchill এ এই দল ত্যাগ কৰি 'The Liberlas'ত যোগ দিছিল।

(২)মাৰ্ক এন্টনিয়ে ৰাইজক তেওঁৰ কথাত কান দিবলৈ অনুৰোধ কৰিছিল। এন্টনিয়ে চিজাৰক তিনিবাৰ ৰাজমুকুট যাচিছিল। চিজাৰ উচ্চাভিলাষী হোৱাহলে নিশ্চয় ইয়াক গ্ৰহণ কৰিলেহেঁতেন।

এন্টনিয়ে ৰাইজক চিজাৰৰ শৰীৰত কাস্কাই জৰা ঘাঁ (Rert) টো দেখুৱাইছিল আৰু কৈছিল যে তেওঁ ব্ৰুটাছৰ দৰে কথা কৈ মানুহৰ মনক উচতাই দিব নাজানে। যদি তেওঁ ব্ৰুটাছ হ'লহেঁতেন আৰু ব্ৰুটাছ এন্টনি, তেন্তে চিজাৰৰ প্ৰত্যেকটো আঘাতকে এখন জিভাৰ দৰে কৰি এনেদৰে নিজৰ দুখ ব্যক্ত কৰিলেহেঁতেন যে ৰোমৰ কঠিন শিলাখণ্ডও বিদ্ৰোহৰ বাবে উঠি থিয় দিলেহেঁতেন — ব্ৰুটাছ চিজাৰৰ বৰ ভাল বন্ধু আছিল। তেওঁক চিজাৰৰ দেবদূত বুলি কোৱা হৈছে।

— ব্ৰুটাছক চক্ৰান্তকাৰী গোটত দেখি চিজাৰে হাৰ মানি ললে। চিজাৰ ঘপকৰে মাটিত বাগৰি পৰিল আৰু তাৰ লগতে গোটেই ৰোমানসকলো বহু ওপৰৰ পৰা সৰি পৰিল। (fall down)

(fall down) - সৰি পৰা

fallen down -অভিশপ্ত হোৱা (Paradise Lost Milton)-

৩. ভেনিটী ফেয়াৰ (Vanity Fair) থেকাৰে (Thackerey)ৰ উপন্যাস।

৪। জৰ্জ আৰ. ছিমচ্ এজন ১৯ শতিকাৰ শেষৰ ভাগৰ নিম্নমানৰ উপন্যাসিক ও সাংবাদিক।

৫। মেটাৰলিংক এজন ৰহস্যময় কবি আৰু নাট্যকাৰ।

৬। ব্ৰাউনিঙৰ কবিতা ইয়াৰ নিৰন্তৰ গভীৰতা আৰু গুপ্ততাৰ বাবে বিখ্যাত।

৭। মেৰেদিথ এজন মহান উপন্যাসিক, বিশেষভাৱে তেওঁৰ সূক্ষ্ম কল্পনাৰ বাবে বিখ্যাত।



# 'মেন'

*প্ৰদীপ শৰ্মা*
(প্ৰাক্তন ছাত্ৰ)

বৰ মৰমেৰে মাতিছিল মেন (MAN:) বুলি বৰদেউতাই সৰুতে মোক । কিমান যে দিন মাহ বছৰ বাগৰি গ'ল বৰদেউতাও নাই এতিয়া । মাথো ৰৈ গ'ল সেই 'মেন' শব্দটো মোৰ মনৰ মাজত । তাৰ অৰ্থতো মই আজিও স্পষ্টকৈ বুজিবই পৰা নাই। এয়া কুৰি শতিকা নহয়, একবিংশ শতাব্দীৰ প্ৰাৰম্ভণিত মই আকৌ প্ৰশ্ন কৰিছো MAN অৰ্থাৎ 'মানুহ শব্দটোৰ অৰ্থ কি ?

সভ্যতা - মানৱ সভ্যতাৰ জয়গানত মুখৰিত চৌদিশ। বিজ্ঞানৰ বোকোচাত উঠি সভ্যতাৰ উচ্চ শিখৰত আৰোহণ কৰিছে আজি মানৱ (মানুহ ?) জাতি । জল স্থল, আকাশমাৰ্গত দূৰন্ত গতিৰে বিচৰণ কৰাই নহয়, নিতে নৱ-সৃষ্টিৰ আনন্দৰ আকাংখ্যাত চলাথ কৰিছে । আৰু ক'ত কিয়ে কৰা নাই ! এই মানৱসভ্যতাৰ সীমা বা যৱনিকা জানো অনুভৱ কৰিছে কোনোবাই ?

মিছা কথা, মিছা কথা – মূৰ্ত্তমান আজিও পৃথিৱীত প্ৰকৃতিৰ প্ৰতিশোধ, পৰা নাই প্ৰলয়ঙ্কৰী বান-ভূমিকম্প বিজ্ঞানে কৰিব ৰোধ। ৰোগমুক্ত হৈছেনে ধৰিত্ৰী ? পাৰিছে জানো মৃত্যুক ৰোধিব ?

তাহানিৰ আদিম বৰ্বৰতা প্ৰবাহিত অবিৰাম মানুহৰ ৰক্তস্ৰোতত । প্ৰকাশিছে চোঁৰা সেয়া স্ব-আবিস্কৃত শক্তিৰ প্ৰতিযোগিতা 'যুদ্ধ'ৰ মাধ্যমেৰে ।

ভৌগোলিক চাৰিসীমা, গোষ্ঠী-জনগোষ্ঠী, ধন-সম্পত্তিৰ শ্ৰেষ্ঠতা আদি প্ৰতিপন্ন কৰিবলৈ অতি জঘন্য পন্থাৰে মানুহেই মানুহক হত্যা কৰি আহিছে । আদিম মানুহৰ অস্ত্ৰহে চালুকীয়া । কিন্তু প্ৰতিযোগীতা পোনপটীয়া আৰু বহুলাংশেই যুক্তিপূৰ্ণ আছিল । আজি মাথো সলনি হৈছে অস্ত্ৰ আৰু বিকৃত হৈছে প্ৰতিযোগীতাৰূপী মানৱ হত্যাৰ কৌশল । এহাতে সুকুমাৰ কলাৰ চৰ্চা হৈছে আনহাতে নৰবধ যজ্ঞৰ প্ৰস্তুতি চলিছে । এপিনে বিশ্বভাতৃত্বৰ জয়গান আনহাতে যুদ্ধ বিভিষিকাত ভীত-সন্ত্ৰস্ত্ৰ শৰণাৰ্থীৰ আৰ্ত কাতৰ। মানুহ বিহীন এই সুন্দৰ পৃথিৱীখন কাৰ বাবেনো? ময়েই গঢ় দিছো মোৰ দুই ভতিজাক এটাক সন্ত্ৰাসবাদী আনটোক সৈনিক ৰূপে । প্ৰতিযোগীতাত দুজনৰ যিকোনো এজনৰ মৃত্যু হ'লে যে মোৰেই এটা ভতিজা হেৰুৱাম সেই কথা ভালকৈ আজিলৈকে অনুভৱেই কৰিবই পৰা নাই যদি মই কিহৰ MAN ? আৰু সেইবোৰো মানুহনে যি মানুহৰ হিতৰ বাবে একো কৰিবলৈ (পাৰক নোৱাৰক) কাহানিও চেষ্টাও কৰা নাই । সমাজত প্ৰতিপত্তি থাকিলেই যদি 'মানুহ' বুলি তথাকথিত সংখ্যাগুৰু অংশই ক'ব খোজে তেনেকুৱা ''মানুহ''ৰ মাজত বৰদেউতাৰ MANৰ মৰমৰ সুৰটো দেখোন মই বিচাৰি নাপাওঁ ।

এতিয়া হয়তো বৰদেউতাক সুধিব পৰা হ'লে MAN ৰ অৰ্থটো বুজিব পাৰিলোহেঁতেন কিন্তু উপায়তো নাই। কোনোবাই জানে নেকি 'MAN' শব্দটোৰ অৰ্থ ? বুজাই দিবনে মোক? মই আজিও বুজা নাই ।

# বিভিন্ন সামগ্ৰীত ৰঙৰ ব্যৱহাৰ – কিমানদূৰ স্বাস্থ্যসন্মত ?

*ডঃ ভাৰতী দত্ত*
ভূগোল বিভাগ

১৯৭৮ চনৰ এটি সুন্দৰ, ফৰকাল পুৱা, ফাকুৱা – ৰঙৰ উৎসৱ ফাকুৱাৰ দিন। বোম্বাই মহানগৰীৰ এটি গলিৰ কণ কণ শিশুহঁতে ইজনৰ গাত সিজনে ৰঙ সানি আনন্দ-উল্লাস কৰি থকাৰ সময়তে ঘটনাটোৰ সূত্ৰপাত হ'ল। সৰু ল'ৰা এটিয়ে দৌৰ মাৰি ঘৰৰ পৰা ৰঙেৰে পূৰ্ণ বাল্টি এটা লৈ আহি আন ল'ৰাবোৰৰ গাত ৰং ঢালি দিয়াৰ খন্তেক পিছতে এটি এটিকৈ আটাইবোৰ ল'ৰা মাটিত বাগৰি পৰিল। ঘটনা দেখি চাৰিওফালে হুলস্থুল লাগিল। লৰালৰিকৈ মূৰ্চ্ছা যোৱা শিশুকেইটিক চিকিৎসালয়লৈ লৈ যোৱা হ'ল ; কিন্তু দুটি শিশুৱে চিকিৎসালয় পোৱাৰ আগতেই বাটতে শেষ নিশ্বাস ত্যাগ কৰিলে। বহুত চেষ্টাৰ মূৰত বাকী শিশু কেইটিৰ প্ৰাণ ৰক্ষা পৰিল। পাচত অনুসন্ধান কৰি গম পোৱা গ'ল যে সেই বাল্টিৰ ৰঙত এনে এবিধ বিষাক্ত ৰাসায়নিক পদাৰ্থ মিহলি কৰা হৈছিল যি ছালৰ বাবে অত্যন্ত হানিকাৰক।

ফাকুৱা উৎসৱত ব্যৱহৃত ৰঙ কিছুমানত মিহলি কৰা ৰাসায়নিক পদাৰ্থ আমাৰ স্বাস্থ্যৰ বাবে ক্ষতিকাৰক বুলি প্ৰমাণিত হৈছে। শুকান ফাকু গুড়ি, পনীয়া ৰঙতকৈ কম ক্ষতিকাৰক বুলি বহুতে ধাৰনা কৰে যদিও বিজ্ঞানীসকলে সদৰি কৰা তথ্য অনুসৰি গম পোৱা গৈছে যে ফাকুগুড়ি প্ৰকৃততে লেড অক্সাইড আৰু ই আমাৰ চকু আৰু ছালত কুঅভাৱ পেলায়।

পুৰণি কালত ফাকু পলাশ ফুলৰ ৰঙ উলিয়াই খেলা হৈছিল। পলাশ ফুলৰ ৰঙত এনে এবিধ পদাৰ্থ আছে যাৰ প্ৰয়োগে ছালৰ ক্ষতিসাধনতো নকৰেই বৰঞ্চ ছালৰ বাবে ই উপকাৰীহে। পলাশ ফুলৰ ৰঙেৰে স্নান কৰিলে শৰীৰত বসন্ত ৰোগ প্ৰতিৰোধ কৰাৰ শক্তি উৎপন্ন হয়। কিন্তু বৰ্ত্তমান এই ফুল সহজলভ্য নহয় আৰু ইয়াৰ ৰঙেৰে ফাকু খেলাটোও সেয়ে সম্ভৱ নহয়।

আমি আমাৰ দৈনন্দিন জীৱনত বিভিন্ন ক্ষেত্ৰত এনে কিছুমান ৰঙৰ ব্যৱহাৰ কৰি আছোঁ যিবোৰ আমাৰ শৰীৰৰ কাৰনে মুঠেই উপকাৰী নহয়। খাদ্য সামগ্ৰী, বিভিন্ন প্ৰসাধন সামগ্ৰী আৰু ঔষধ আদিও ব্যৱহাৰ কৰা বিষাক্ত ৰঙ সমগ্ৰ বিশ্বৰ বাবে এক সমস্যা ৰূপে থিয় দিছে।

মিঠাই, টফি, শীতল পানীয়, টিনৰ খাদ্য সামগ্ৰী আৰু মছলা আদিত ইমান বহল পৰিমানে বিষাক্ত ৰঙ ব্যৱহাৰ কৰা হয় যে আমাৰ অজানিতে এইবোৰে আমাৰ স্বাস্থ্যৰ ক্ষতিসাধন কৰে। এই বিষাক্ত পদাৰ্থসমূহৰ পৰা আটাইতকৈ বেছি অনিষ্ট হয় শিশুসকলৰ। ইয়াৰ কাৰণ হ'ল এই যে এনে পদাৰ্থ সমূহ হজম কৰিব পৰা শক্তি অথবা এই সমূহৰ বিৰুদ্ধে যুঁজ কৰিব পৰা শক্তি এওঁলোকৰ শৰীৰত কম, ৰঙ-বিৰঙৰ আইচক্ৰীম, টফি আদি খোৱাৰ ফলত শিশুসকলৰ শৰীৰৰ কিমান যে ক্ষতিসাধন হয় সেই কথা ভাবিবলৈও ভয় লাগে। কিছুমান খাদ্যসামগ্ৰীত আনকি কাপোৰ ৰঙোৱা ৰঙো ব্যৱহাৰ কৰা হয় আৰু এইবোৰ ৰঙ এনে কিছুমান ৰাসায়নিক পদাৰ্থৰে তৈয়াৰী যাৰ দ্বাৰা কৰ্কট ৰোগৰ দৰে মাৰাত্মক ব্যাধি হোৱাৰ সম্ভাৱনা থাকে। জেলেপী, পকোড়ী, দাইল আদিত শৰীৰৰ বাবে অপকাৰী কিছুমান ৰঙ ব্যৱহাৰ কৰা হয়। হোটেল আদিত তৰকাৰী ৰঙা কৰিবৰ কাৰনে ব্যৱহাৰ কৰা বিষাক্ত সামগ্ৰীয়েও স্বাস্থ্যৰ ক্ষতিসাধন কৰে।

সস্তীয়া চীনামাটিৰ বাচন, খেলনা আদি ৰঙ কৰিবৰ কাৰনে ব্যৱহাৰ কৰা ৰঙ লেড, পটেছিয়াম ছালফেট, জিংক অক্সাইড আদিৰ পৰা তৈয়াৰ কৰা হয়। এই আটাইবোৰেই স্বাস্থ্যৰ কাৰনে হানিকাৰক বুলি বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা প্ৰমানিত হৈছে। কণ কণ শিশুহঁতে খেলা-ধূলাৰ মাজতে কেতিয়াবা খেলনা মুখতো ভৰায় আৰু তেনে কৰোঁতে সেলাউটিৰ লগত বিষাক্ত ৰঙ মিহলি হৈ শৰীৰৰ ভিতৰলৈ সোমায়।

কিছুদিনৰ আগেয়ে জাপানৰ স্কুলীয়া ল'ৰা-ছোৱালীৰ স্বাস্থ্য পৰীক্ষা কৰিবৰ সময়ত এটা কথা ধৰা পৰিছিল আৰু সেইটো হ'ল চিত্ৰকলা বিষয় লোৱা ল'ৰা-ছোৱালীৰ তেজত কাঁচ

তথা অন্যান্য হানিকাৰক পদাৰ্থৰ উপস্থিতি পোৱা গৈছিল । চিকিৎসকসকলে কৈছিল যে তেওঁলোকৰ তেজত পোৱা লেড বা অন্যান্য ৰাসায়নিক পদাৰ্থ ৰঙৰ দ্বাৰা শৰীৰত প্ৰবেশ কৰিছিল। ছবি অঁকাৰ সময়ত সাধাৰণতে ল'ৰা-ছোৱালীয়ে ৰঙৰ ব্ৰাছ মুখত সুমুৱায় অথবা ৰঙৰ টিউব মুখেৰে হেঁচা মাৰি ৰঙ উলিওৱা আদি কৰে আৰু তেনেক্ষেত্ৰত ৰঙত থকা বিষাক্ত ৰাসায়নিক পদাৰ্থই দেহৰ ভিতৰত প্ৰবেশ কৰিবলৈ সুবিধা পায় ।

সস্তীয়া চীনামাটিৰ বাচন বা কাঁচৰ বাচন আদিত অকাঁ ফুল, দৃশ্য আদিত আৰু এইসমূহ প'লিছ কৰোঁতে এনে কিছুমান ৰং ব্যৱহাৰ কৰা হয়, যিবোৰ, খাদ্য সামগ্ৰী এনে বাচনত থওঁতে খাদ্যসামগ্ৰীত মিহলি হয় আৰু অনায়েসে আমাৰ শৰীৰৰ ভিতৰলৈ সুমাবলৈ সুবিধা পায়। ধীৰে ধীৰে এইবোৰৰ বিষক্ৰিয়া শৰীৰৰ ভিতৰত আৰম্ভ হয় আৰু স্বাস্থ্যৰ অপকাৰ কৰে ।

হিন্দু বিবাহিতা নাৰীৰ প্ৰতীক চিহ্ন স্বৰূপ সেন্দুৰক ৰেড লেড অক্সাইড বুলিও কোৱা হয় । বৈজ্ঞানিক তথ্য অনুসৰি দীৰ্ঘদিন ধৰি সেন্দুৰৰ ব্যৱহাৰে ছালৰ অপকাৰ সাধন কৰে ।

মাখন আৰু বিভিন্ন তেল জাতীয় খাদ্যত butter yellow (4-=p-dimethyl amino azobenzeme) মিহলোৱা হয় বুলি প্ৰমাণিত হৈছে )।

ভাৰত চৰকাৰৰ দ্বাৰা কেইটামান চিনৃথেটিক ৰং খাদ্য পদাৰ্থ আৰু অন্যান্য পদাৰ্থ যেনে শীতল পানীয়, মিঠাই, আইচক্ৰীম, বন্ধটিনৰ খাদ্য সামগ্ৰী, ঔষধ, প্ৰসাধন সামগ্ৰী আদিও ব্যৱহাৰ কৰিবলৈ অনুমতি প্ৰদান কৰা হৈছে । এই ৰং সমূহ হ'ল -- ফাষ্ট ৰেড ই, পোঁস্যু ফ'ৰ আৰ, এৰিথ্ৰ'সীন (গুলপীয়া), এমৰেন্থ (বেগুনী) চানচেট্ য়েল্লো (এফ. চি. এফ), টাৰট্ৰেজীন হালধীয়া ), কাৰমোইসীন, ইণ্ডিকো কাৰমীন (নীলা) । এই সমূহ ৰঙৰ মূল্য অধিক লাভৰ অনশনত হানিকাৰক, আপেক্ষিকভাৱে কম মূল্যৰ অ'ৰামাইন, লেড ক্ৰ'মেট, মেলাচাইট গ্ৰীণ, মেটানীল য়েল্লো ৰোডেমাইন বি, আৰু চুডান-থ্ৰি আদি ৰাসায়নিক পদাৰ্থৰ ব্যাপক ব্যৱহাৰ কৰে। ইয়াক অখাদ্য ৰং হিচাপে তালিকাভুক্ত কৰিছিল ।

অ'ৰামাইন, ব্লু VRS, মেলাচাইট গ্ৰীন, মেটানীল য়েল্লো, ৰোডেমাইন - B, আৰু চুডান - ঋঋঋ আদিয়ে বৃক্ক, যকৃৎ আদিৰ ক্ষতিসাধন কৰে । লেড ক্ৰ'মেট নামৰ অজৈৱ ৰঙীন পদাৰ্থ গুড়ি হালধিৰ লগত মিহলোৱাৰ ফলত ৰক্তহীনতা, গৰ্ভপাত, আৰু পেৰেলাইচিচ আদি হ'ব পাৰে।

অখাদ্য ৰঙৰ ব্যৱহাৰে শাৰীৰিক ক্ষতি সাধন কৰাৰ লগতে মানসিক বিকৃতিও ঘটায় ।

ব্যৱসায় প্ৰতিষ্ঠান সমূহে সামান্য লাভৰ বিনিময়ত অনুমতি প্ৰদান নকৰা ৰং বিভিন্ন খাদ্যসামগ্ৰী অথবা অন্যান্য ব্যৱসায় সামগ্ৰীত ব্যৱহাৰ কৰাৰ পৰা বিৰ থকা উচিত। সমাজৰ প্ৰতিজন ব্যক্তিৰো এনেবোৰ ক্ষেত্ৰত সচেতনতাৰ একান্ত প্ৰয়োজন । বিজ্ঞান শিক্ষাৰ লগত জড়িত ব্যক্তি অথবা অনুষ্ঠান প্ৰতিষ্ঠান আদিয়েও ৰঙীন পদাৰ্থ ব্যৱহাৰৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিবলৈ ৰাইজৰ মাজত প্ৰচাৰ কাৰ্য চলাব লাগে ।

> " আমি আমাৰ চিন্তাৰ বৈপ্লৱীকৰণ কৰিব লাগিব, আমাৰ কৰ্মৰ বৈপ্লৱীকৰণ কৰিব লাগিব আৰু পৃথিৱীৰ দেশসমূহৰ মাজত থকা সম্পৰ্কৰ বৈপ্লৱীকৰণ কৰিবলৈ আমাৰ সাহস থাকিব লাগিব । কালিৰ কথা আজি নাখাটে আৰু কালিলৈ সি নিৰাশজনক ভাৱে পুৰণি হৈ পৰিব । পৃথিৱীৰ সমস্ত জনগণক এই কথা বুজাই দিয়াটো বুদ্ধিজীৱিসকলৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু ভাগ্য বিধায়ক সামাজিক কাম ।"
>
> *এ'লবাৰ্ট আইনষ্টাইন*

# মহাকাশ বিজয়ৰ যুগৰ এক নতুন কিংবদন্তী (?)

*শৈলেন দাস*
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান শাখা)

১৯৪৭ চনৰ ২৫ জুন মঙ্গলবাৰ। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাসিন্দা কেনেথ আৰ্নল্ড ব্যৱসায়ৰ সংক্ৰান্তত ব্যক্তিগত বিমানেৰে গৈ আছিল। ৱাশিংটন প্ৰদেশৰ ৰাইনিয়াৰ পৰ্ব্বতমালাৰ ওচৰত হঠাৎ দেখিলে যে উত্তৰা-দক্ষিনাকৈ থাল সদৃশ নটামান শাৰীবদ্ধ উজ্জ্বল বস্তু নিঃশব্দে তীব্ৰ বেগে পাৰ হৈ গৈছে। বিস্ময়বিভূত আৰ্নল্ড এয়াৰপৰ্টত নামিয়ে সাংবাদিক সকলৰ আগত তেওঁৰ অভিজ্ঞতা বৰ্ণনা কৰিলে। আৰ্নল্ডৰ এই অভিজ্ঞতা বৰ বৰ হৰফেৰে সংবাদ পত্ৰ সমূহত প্ৰকাশ পালে। কথা বুলিলেই বতাহ, এক দুই সপ্তাহৰ ভিতৰতে বনজুইৰ দৰে সমগ্ৰবিশ্বতে এই খবৰ বিয়পি পৰিল। লগে লগে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা এনে ধৰণৰ খবৰ আহিব ধৰিলে সংবাদ অনুষ্ঠান সমূহে আৰু তেওঁলোকে কোনো বাছ-বিচাৰ নকৰাকৈয়ে সংবাদ সমূহ পৰিবেশন কৰাত লাগিল। মানুহৰ দৃষ্টি আকৰ্ষণৰ ক্ষেত্ৰত অস্বাভাৱিকতাৰ এক বিশেষ অবদান আছে। সেইবাবেই প্ৰকাশক সকলে উদ্ভাৱন কৰিলে 'উৰন্ত চাকি' নামৰ শব্দটোৰ। এইদৰেই সূত্ৰপাত হ'ল মহাকাশ বিজয়ৰ যুগৰ নতুন কিংবদন্তী - "উৰন্ত চাকি" বা UFO' ৰ (Unidentified Flying Object)। ইয়াৰ আলমতে গঢ়ি উঠিল মানুহৰ ৰাজনৈতিক ধৰ্মীয় তথা অৰ্থনৈতিক মুনাফা আদায়ৰ প্ৰচেষ্টা।

নজনাটো জনাৰ বা নেদেখাটো চোৱাৰ আদম্য হেপাহ যেনেদৰে মানুহৰ এটা বিশেষ গুণ, তেনেদৰে যি কোনো কথাই অন্ধভাৱে মানি লোৱাটোও এটা গুণ বুলি কলে, সাধাৰণ মানুহৰ ক্ষেত্ৰত হয়তো বৰবেছি বঢ়াই কোৱা নহব। প্ৰচাৰ মাধ্যম সমূহৰ প্ৰত্যক্ষ আৰু ব্যাপক সাহায্যত এক বিৰাট ৰহস্য হৈ পৰা 'উৰন্তচাকি'ৰ ক্ষেত্ৰতো প্ৰায় এনে ঘটনাই ঘটিল। বহুতো কিতাপ-পত্ৰ আৰু বিভিন্ন আলোচনীত এই বিষয়ে নানান বিচিত্ৰ তথ্য প্ৰকাশ হ'বলৈ ধৰিলে আৰু সাধাৰণ মানুহে অন্ধভাৱেই এইবোৰ মানি ললে। 'দি নিউজ' নামৰ আলোচনী এখনত 'ডেভিদ লাৰেন্স' নামৰ লিখক এজনে নিজৰ মতামত এইদৰে দাঙি ধৰিলে যে এইবোৰ হেলিকাপটাৰ আৰু জেট বিমানৰ সংমিশ্ৰণেৰে তৈয়াৰি আমেৰিকাৰ কেতবোৰ গুপ্তচৰ বিমান। উল্লেখযোগ্য যে, সেই সময়ত মহাকাশযানৰ কল্পনাই প্ৰায় বাস্তৱত পৰিণত হোৱাৰ পথত ভৰি দিছিল। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই 'উইন্টাৰ উইচেন' নামৰ লোক এজনে ঘোষনা কৰিলে যে এইবোৰ ৰাচিয়াই উৎক্ষেপন কৰা কেতবোৰ সৰু সৰু মহাকাশযানৰ বাদে আন একো নহয়। সময়ত আচল তথ্যবোৰ পোহৰলৈ অহাৰ লগে লগে এই মতামতবোৰৰ প্ৰভাৱ মানুহৰ মনৰ পৰা লোপ পায়। কিন্তু ৰহস্যৰ জালখন আগতকৈ বেচিহে ঘন হৈ পৰে।

সকলো কাৰ্য্যৰ পিছতে এটা কাৰণ নিহিত হৈ থাকে। যেতিয়াই কাৰণতো পাৰ্থিব জগতত বিচাৰি পোৱা নাযায় তেতিয়াই কাৰ্য্যতো মানুহৰ মনত এটা ৰহস্য হৈ পৰে আৰু এই ৰহস্য ভেদৰ অদমনীয় তাড়নাৰ বসবৰ্তী হৈ মানুহে অলৌকিকতাৰ আশ্ৰয় লয়। তেতিয়াই আহে ঈশ্বৰৰ প্ৰসঙ্গ; যিতোনেকি ৰহস্য বিশ্লেষনৰ এক সহজ আৰু লাভদায়ক পদ্ধতি। এই পদ্ধতিৰ আলম লৈ কোনো কোনোৱে প্ৰচাৰ কৰিলে যে এইবোৰ ঈশ্বৰৰ আত্মপ্ৰকাশ। লগে লগে সৃষ্টি হ'ল নতুন নতুন কাহিনীৰ, ধনসম্পত্তি পোৱা, আৰোগ্য লভা ইত্যাদি-ইত্যাদি। অৱশ্যে এই ৰহস্যৰ লগত বেছিভাগ যুক্তিবাদী মানুহ জড়িত থকাৰ ফলস্বৰূপে এনে প্ৰচাৰে বেছি প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰিলে।

হঠাৎ এদিন উৰন্ত চাকিৰ ৰহস্যই নতুন মূৰ ললে। 'দি ফেট' নামৰ আমেৰিকাৰ আলোচনীখনত উৰন্ত চাকি সম্পৰ্কীয় প্ৰবন্ধ এটাত প্ৰকাশ পালে "উৰন্ত চাকিৰ উৎস পৃথিৱী নহয় বৰং বিশ্বব্ৰহ্মাণ্ডৰ অন্য কোনো গ্ৰহহে।" এই প্ৰবন্ধটিৰ লেখক আছিল উল্লেখিত আলোচনীখনৰ সম্পাদক 'ৰেমণ্ড পামাৰ'। উৰন্ত চাকিৰ লগত গ্ৰহান্তৰৰ জীৱৰ সম্পৰ্কৰ এয়ে আৰম্ভনি আৰু ইয়ে বিশ্বৰ গাজাঁখুৰী গল্পকাৰ সকলৰ বাবে মুকলি কৰিলে এক নতুন দিগন্ত,আৰম্ভ হ'ল কল্প-কাহিনীৰ অবাধ প্ৰতিযোগিতা। এখনৰ পিছত এখন কিতাপে বজাৰত হুলস্থুল লগাব ধৰিলে। পৃথিৱীৰ সকলো মানুহেই কম বেছি পৰিমাণে সুবিধাবাদী। অৰ্থ

আৰু যশস্যা লাভৰ লগতে বিৰাট ব্যৱসায়িক সাফল্যৰ সদ্য উন্মোচিত দিশটোৰ প্ৰতি লেখক তথা প্ৰকাশক সকল আকৰ্ষিত হোৱাতোৱেই স্বাভাৱিক আছিল । সকলো বস্তুতে নতুনত্ব অনাৰ প্ৰয়াস যিদৰে মানুহৰ এক চিৰন্তন বৈশিষ্ট্য সেইদৰে একেটা বস্তুকে অলপ নতুন ভাৱে উপলব্ধি কৰাৰ আগ্ৰহো মানুহৰ এটা বৈশিষ্ট্য । গল্প কাহিনীৰ অবাধ প্ৰতিযোগিতাৰ হুলস্থুলৰ মাজতে প্ৰচাৰিত হ'ল ''এই উৰন্ত চাকি চালকবিহীন নহয়, ভিতৰত জীৱ থাকে ; ধ্বংস প্ৰাপ্ত চাকি এটাৰ পৰা জীৱ কেইটামান উদ্ধাৰ কৰা হৈছে আৰু এইবোৰৰ ওপৰত গৱেষনাও আৰম্ভ হৈছে । কিন্তু গোপনীয়তা ৰক্ষাৰ অৰ্থে গৱেষণাৰ স্থান আৰু গৱেষকসকলৰ নাম প্ৰকাশ কৰিব নোৱাৰি।'' মানুহৰ উৎকণ্ঠাৰ লগত এনে সুন্দৰ ব্যৱসায়িক সম্পৰ্কৰ উদাহৰণৰ অৱশ্যে অভাৱ নাই । 'দি ট্ৰু' নামৰ আলোচনীখনত এদিন গৱেষণাৰ ফলাফল প্ৰকাশ পালে। মেক-লাফলিন নামে গৱেষক এজনে আবিস্কাৰ কৰিলে - - 'উৰন্ত চাকিৰ চালক আমাৰ প্ৰতিবেশী শুক্ৰগ্ৰহৰ জীৱ' । এইদৰে সোঁত বৈছিল বিচিত্ৰ তথ্যৰ ; প্ৰতিটো তথ্যই আছিল আগৰটোৰ তুলনাত বহুগুনে লোমহৰ্ষক। এনেবোৰ তথ্যই সাধাৰণ মানুহৰ মনত এনে প্ৰভাৱ পেলাইছিল যে মানুহে যেতিয়াই তেতিয়াই, য'তে-ত'তে অজান উৰন্ত বস্তু দেখিবলৈ ধৰিলে । অৱশ্যে অলপ দকৈ ভাবি চালে এইটো বুজিবলৈ অসুবিধা নহয় যে ই এক ধৰণৰ হালুচিনেচন ; অৰ্থাৎ উৰন্ত চাকি দেখাৰ যিমানবোৰ ঘটনা প্ৰকাশ পাইছে, প্ৰকৃতপক্ষে তেনে খুব সামান্য ঘটনাহে ঘটিছে । এনেদৰে আকাশত অজান উৰন্ত বস্তু দেখাৰ সংখ্যা দিনে দিনে ইমান বৃদ্ধি পালে যে অৱশেষত 'উৰন্ত চাকি' শব্দটো তল পৰি 'অজান উৰন্ত বস্তু' (Unidentified Flying Object, UFO) নামতোহে বেছিকৈ প্ৰচলিত হ'ব ধৰিলে।

## দেশে দেশে UFO :

উৰন্ত চাকি দেখাৰ এনে লোমহক ঘটনা অকল যে আমেৰিকাৰ সংবাদপত্ৰ সমূহতে প্ৰকাশ হৈছিল এনে নহয় । বিশ্বৰ অন্যান্য দেশৰ সংবাদ পত্ৰ সমূহো এই ক্ষেত্ৰত পিছপৰি থকা নাছিল । ১৯৬৫ চনৰ ১ জুলাইৰ দিনা ফ্ৰান্সৰ সংবাদ পত্ৰসমূহত এক আচৰিত সংবাদ প্ৰকাশ পাইছিল । ''মসিয়ে ম্যাসি নামৰ খেতিয়ক এজনৰ লাভেণ্ডাৰত থকা খেতি-মাটি দৰাত যান এখন নামিছিল । সেই দিন ধৰি তেওঁৰ খেতিমাটি ভৰা সম্পূৰ্ণৰূপে অনুৰ্বৰ হৈ পৰিছিল ' এই সংবাদে UFO ৰ এই বিষয়ে জনসাধাৰণৰ মাজত অশুভ ধাৰণাৰ সৃষ্টি কৰিছিল। অচিৰেই এক বিপৰীত কাহিনী প্ৰকাশ পাইছিল ১৯৬৪ চনৰ ৩ নভেম্বৰৰ সংবাদ পত্ৰ সমূহত । ঘটনাতো ঘটিছিল ফ্ৰান্সৰ মাটিতেই । আমে মাইকেল নামৰ ডাক্তৰ এজন ভৰিৰ আঘাটজনিত কাৰণত প্ৰায় পঙ্গু হৈ পৰিছিল । ২ নভেম্বৰ দিনা ৰাতি বাৰান্দাত বহি থকা অৱস্থাত হঠাৎ আকাশৰ এটা উজ্জ্বল বস্তুৰ পৰা এচাতি পোহৰ আহি তেওঁৰ গাত পৰে আৰু আশ্চৰ্যজনক ভাৱে তেওঁৰ পঙ্গুত্ব দূৰহৈ যায় । ১৯৭০ চনৰ ২৬ জুলাইৰ ইথিওপিয়াৰ বাতৰি কাকত সমূহে এক গা সিঞৰি যোৱা সংবাদ পৰিবেশন কৰিছিল ! ''ৰঙা ৰঙৰ প্ৰকাণ্ড বল সদৃশ উৰন্ত বস্তু এটাই চেলাডেয়াৰ অঞ্চলত ঘৰ-দুৱাৰ গছ-গছনি আদি ভাঙি এক বিৰাট ধ্বংস লীলা চলাইছিল ।'' উৰন্ত বস্তুৰ পিচ লোৱাৰ এক দুঃসাহসিক ঘটনা প্ৰকাশ পাইছিল ১৯৮১ চনৰ ১২ জানুৱাৰিৰ স্পেইনৰ কেইখনমান সংবাদ পত্ৰত । সেইদিনা মধ্য স্পেইনৰ ক্যাচেৰেচ অঞ্চলৰ ওপৰেদি ৰূপালী ৰঙৰ এটা অত্যুজ্বল উৰন্ত বস্তু উত্তৰ দিশলৈ গৈ থকা দেখা পাই স্পেইনিছ বিমান বাহিনীৰ এখন বোমাৰু বিমানে তাৰ পিছ লয় । কিন্তু শেষ পৰ্যন্ত ব্যৰ্থ হৈ ঘূৰি আহে ।

## আলোক চিত্ৰত UFO :

১৯৭৭ চনৰ ২০ চেপ্তেম্বৰৰ দিনা ৰাচিয়াৰ সংবাদ প্ৰতিষ্ঠান 'তাছ'ৰ সাংবাদিক 'নিকোলাই মিলভৰ' ''পেট্ৰ'যাভস্কৰ ঘটনা'' শীৰ্ষক সংবাদতোৱে সেই সময়ৰ সমগ্ৰ বিশ্বতে হুলস্থুল লগাইছিল । সংবাদটোৰ মূল উৎস আছিল, উত্তৰ পশ্চিম ৰাচিয়াৰ পেট্ৰ'যাভস্ক চহৰৰ ওপৰত দেখা পোৱা এটা বৃহৎ জেলিফিচ সদৃশ উৰন্ত চাকি । এই উৰন্ত চাকিতোৱে প্ৰায় ১০ মিনিটমান সময় চহৰখনৰ ওপৰত স্থিৰ হৈ থাকি বৰষুণৰ দৰে অসংখ্য সূক্ষ্ম পোহৰৰ ৰশ্মি বিকিৰণ কৰি এটা সময়ত ওনেগা হ্ৰদৰ দিশত গুচি গৈছিল । আলোক চিত্ৰৰে সৈতে এই খবৰ প্ৰকাশ হোৱাৰ লগে লগে পশ্চিমীয়া দেশ সমূহৰ লগতে ৰাচিয়াৰ সংবাদপত্ৰ সমূহেও গা সিঞৰি যোৱা সংবাদ পৰিবেশন কৰি ৰুচ চৰকাৰক বেছ বিপাঙত পেলাইছিল । কাৰণ চৰকাৰী ভাৱে ৰুচ চৰকাৰে কোনো কালেই উৰন্ত চাকিৰ অস্তিত্ব স্বীকাৰ কৰা নাছিল । প্ৰাকৃতিক ঘটনা বুলি প্ৰসঙ্গটো এৰাই চলিবলৈ ব্যৰ্থ চেষ্টা চলালে । দৰাচলতে এইটো কোনো প্ৰকৃতিগত ঘটনা নাছিল । সেইদিনা পেট্ৰ'যাভস্ক চহৰৰ কাষৰ 'প্লেছেটক'ৰ গোপন চোভিয়েট ৰকেট উৎক্ষেপন কেন্দ্ৰ 'নৰ্দান কছম'ড্ৰম'ৰ পৰা 'কছমছ-৯৫৫' নামৰ এটা গুপ্তচৰ, কৃত্ৰিম উপগ্ৰহ এৰা হৈছিল। এই কথা প্ৰথম ধৰা পৰিছিল আমেৰিকাৰ 'মেৰিলেণ্ড চেটেলাইট ট্ৰেকিং চেন্তাৰ'ৰ কম্পিউটাৰত । তাৰ পিছত ১৯৭৪ৰ মাৰ্চত

ফিললেণ্ডৰ জ্যোৰ্তিবিদ্যা বিষয়ক 'টানদেট-যা-আভাৰাচ' নামৰ আলোচনীখনত এই বিষয়ে আলোকচিত্ৰ সহ এক বিস্তৃত ৰিপৰ্ট প্ৰকাশ পায়। উক্ত আলোক চিত্ৰ সমূহৰ মাজত সেই দিনা দেখা পোৱা তথাকথিত জেলিফিল উৰন্ত চাকিটোৰো আলোকচিত্ৰ আছিল।

১৯৭৪ চনৰ মাৰ্চ আৰু এপ্ৰিল মাহৰ কেইবাখনো সংবাদপত্ৰত ভাৰতৰ পশ্চিম আকাশত কেইবাটাও উজ্জ্বল অজান উৰন্ত বস্তু (UFO) দেখাৰ সংবাদ প্ৰকাশ পাইছিল। তাৰে ৩ এপ্ৰিলৰ ৰাতি প্ৰায় ৯।৪০ বজাত দেখা পোৱা (UFO) এটাক সফলতাৰে কেমেৰাত আবদ্ধ কৰিছিল আহমেদাবাদৰ শ্ৰী ধনু কাৰকাৰিয়াই। এই বিষয়ে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা 'ইচৰোৰ' (ISRO) মুখপত্ৰ 'স্পেইছত' এটা মূল্যবান প্ৰবন্ধ প্ৰকাশিত হৈছিল ১৯৭৮ৰ চেপ্তেম্বৰত। আহমেদাবাদৰ' ফিজিকেল ৰিচাৰ্ছ লেবৰেটৰীৰ ডি. লাল, এ. লাল, জে. এ. গোস্বামী আৰু জে. এল, দেশাই এই চাৰিজন বিজ্ঞানীয়ে তন্ন তন্নকৈ অনুসন্ধান চলাই লিখিছিল এই প্ৰবন্ধ। প্ৰত্যক্ষদৰ্শীৰ বিৱৰণ আৰু কাৰকাৰিয়াই ১০৮ ছেকেণ্ড ধৰি তোলা আলোকচিত্ৰৰ ওপৰত ভিত্তি কৰিয়েই তেওঁলোকে অনুসন্ধান আৰম্ভ কৰিছিল। অৱশেষত তেওঁলোক এই সিদ্ধান্তত উপনিত হয় যে উক্ত বস্তুতো এটুকুৰা উল্কা পিণ্ডহে আছিল, যি টুকুৰা সেই সময় ভূপৃষ্ঠৰ পৰা প্ৰায় ১০০-১৫০ কিলোমিটাৰ উচ্চতাইদি পাৰহৈ গৈছিল। আলোক চিত্ৰৰ সাক্ষ্য অনুযায়ী বস্তুটোৰে প্ৰায় ২.৫x১০$^{১৮}$ আৰ্গ আলোক শক্তি বিকিৰণ কৰিছিল, যিখিনি ৫০ টন TNF (ট্ৰাইনাইট্ৰ লুইন) বিস্ফোৰণৰ সমান। সৌৰমণ্ডলৰ বাসিন্দা কিন্তু 'অপাৰ্থিব' এই উল্কা বোৰৰ মাজত ডাঙৰ উল্কা খুব কমেই দেখা যায়। এই উল্কাবোৰে যেতিয়া বায়ুমণ্ডল ভেদ কৰি গতি কৰে তেতিয়া বতাহৰ অনুবোৰৰ লগত হোৱা ঘৰ্ষণৰ ফলত এইবোৰ জ্বলি উঠে, ফলত ইহঁতক উজ্জ্বল দেখা যায়। উল্কাপিণ্ড ডাঙৰ আৰু বেছি ঘনত্বৰ হ'লে ইহঁত বায়ুমণ্ডলত সম্পূৰ্ণৰূপে দগ্ধ নহয়, ফলস্বৰূপে কেতিয়াবা এনে উল্কাৰ অংশবিশেষ পৃথিৱীৰ বুকুত পৰেহি। কিন্তু উল্কাবোৰ ডাঙৰ হলেও ঘনত্ব কম হলে ইহঁত বায়ু মণ্ডলতে সম্পূৰ্ণৰূপে দগ্ধহৈ যায়। ৩ এপ্ৰিলৰ ঘটনাৰ বহুতো পূৰ্বসুৰী আছে। বহু আলোক চিত্ৰও আছে এনে উল্কাপাতৰ।

সেই একে বছৰৰে ৬,১১,১৭,১৮ আৰু ১৯ এপ্ৰিলৰ কেতবোৰ সংবাদ পত্ৰতো এনে UFO দেখাৰ সংবাদ প্ৰকাশ পাইছিল। এইবোৰৰ ওপৰতো অনুসন্ধান কৰি বিজ্ঞানী কেইজনে মন্তব্য দিয়েযে এইবোৰ হয় এৰোপ্লেন, নহয় 'চানডগ' বা 'পাৰহেলিয়ান' নামে অভিহিতত 'Meteorological optical phenomenon' – সূৰ্য্যৰ ছটা মণ্ডলীৰ মাজৰ এটা অত্যন্ত উজ্জ্বল অংশ যি সূৰ্য্যৰে প্ৰতিবিম্ব (ৰিচেণ্ট UFO চাইটিং ইন ডনফিয়া ঃ স্পেচ, চেপ্তেম্বৰ) ১৯৭৮ ৫ম খণ্ড, ১ম সংখ্যা)।

## UFO বনাম বিজ্ঞান ঃ

অলৌকিতাৰ বিৰুদ্ধে যাৱজীৱন সংগ্ৰামী আমেৰিকাৰ পল কুৰৎজে লিখিছিল – "আমাৰ দেশৰ পঞ্চাশ শতাংশ লোকে (UFO) বিশ্বাস কৰে। আমাৰ ৰাষ্ট্ৰপতিৰো মনত পৰে, তেঁৱো হেনো এনে কিবা এটা দেখিছে। মানুহে তেওঁলোকৰ চিন্তা কৰাৰ শক্তি হেৰুৱাই পেলাইছে। যি অঞ্চলত সাপৰ উপদ্ৰব বেছি সেই অঞ্চলৰ মানুহে ৰঁচিকে বহু সময়ত সাপ বুলি ভয় খোৱাৰ অন্তৰালত এক মনস্তাত্তিক কাৰণ নিহিত হৈ থাকে উৰন্ত চাকিৰ বহু আচৰিত খবৰ পঢ়াৰ পিছত এৰোপ্লেন, ৰকেট, কৃত্ৰিম উপগ্ৰহ, বতৰ অনুসন্ধানি বেলুন উল্কা কিংবা বাখ্যা কৰা তথা আপাতত সম্ভৱ নোহোৱা এনে বহু প্ৰকৃতিক ঘটনা দেখি মানুহে উৰন্ত চাকিকে দেখিছে বুলি ভাৱে। এক কথাত ই অতীব্ৰ মানসিক উৎকণ্ঠাৰ বহিঃপ্ৰকাশ মাত্ৰ। তাহানিৰ চোভিয়েত ৰাচিয়াৰ বিজ্ঞান একাডেমীৰ সদস্য তথা ভুচুম্বকত্ব আৰু তেজস্ক্ৰিয়তা প্ৰতিষ্ঠানৰ অধ্যক্ষ 'ভ্লাদিমিৰ মিগুলিনে' উক্ত মত পোষন কৰি লগতে কয় যে 'পৃথিৱীৰ বায়ুমণ্ডলৰ আয়নস্তৰত (Ionosphere) সৌৰ আৰু পাৰ্থিব তৎপৰতাত কেতবোৰ আপাতত বিভ্ৰান্তিকৰ ঘটনা প্ৰায় সংঘটিত হৈ থাকে। এইবোৰ কিন্তু স্বাভাৱিক প্ৰাকৃতিক ঘটনাহে, UFO -ৰ সংক্ৰান্তত এইবোৰক বাদ দি অন্য কোনো সিদ্ধান্তত উপনীত হ'ব নোৱাৰি। কাৰণ, এইটো প্ৰায় প্ৰমানিত হৈছে যে পৃথিৱীক বাদ দি সৌৰজগতৰ আন গ্ৰহ সমূহত কোনো প্ৰানী নাই। দ্বিতীয়তে, এই ঘটনাৰ লগত যদি অন্য কোনো সভ্যতাৰ যোগাযোগ আছে তেন্তে সেইবোৰ হব লাগিব অন্যকোনো নক্ষত্ৰ পৰিবাৰৰ বাসিন্দা। কিন্তু আমাৰ সাধাৰণ জ্ঞানৰ পৰাই এইটো বুজিবলৈ অসুবিধা নহয় যে, তেওঁলোকৰ পক্ষে ইমান সঘনাই পৃথিৱী অভিযান প্ৰায় অসম্ভৱ।

## UFO ৰ বিৰুদ্ধে বিজ্ঞানী সকলৰ অভিযান ঃ

সংবাদ পত্ৰ সমূহত প্ৰত্যক্ষীকৰণৰ যিমানবোৰ সংবাদ প্ৰকাশ পাইছিল এইসকলো বোৰৰ বিষয়ে অনুসন্ধান কৰা বিজ্ঞানীসকলৰ পক্ষে প্ৰায় অসম্ভৱ আছিল। কাৰণ, প্ৰত্যেকটি প্ৰচাৰিত ঘটনাৰ অনুসন্ধান কৰিব গ'লে হয়তো মহাকাশ

গৱেষণাৰ সমস্ত কাৰ্য্যসূচী স্থগিত কৰি বিজ্ঞানী সকল ইয়াৰ্কলৈ ব্যস্ত হৈ পৰিব লাগিব । কিন্তু উৰন্ত চাকিৰ প্ৰবক্তা সকলে যিবোৰ অদ্ভুত তথ্যাৰ অৱতাৰণা কৰিছিল, তেনেস্থলত বৈজ্ঞানিক অনুসন্ধান নকৰি আৰু উপায় নাছিল। উৰন্ত চাকিৰ প্ৰবক্তা সকলৰ বলিষ্ঠ দাবী সমূহ বৈজ্ঞানিক অনুসন্ধানৰ উত্তাপত কি দৰে পুড়ি শেষ হৈ গৈছিল তাৰ কিছু তথ্য দাঙি ধৰা হ'ল।

বৰ বৰ হৰফেৰে উৰন্ত চাকিৰ সংবাদে প্ৰথম পৃষ্ঠা অধিকাৰ কৰি থকাৰে পৰা আমেৰিকাৰ বিমান বাহিনী আৰু কৰ্তৃপক্ষই কেইবা বাৰো এই বিষয়ত অনুসন্ধান চলাই, ১৯৪৮ চনত 'প্ৰজেক্ট চাইন' নামে প্ৰথমটো অনুসন্ধান আৰম্ভ কৰে তাৰ পিছত ক্ৰমানুয়ে 'প্ৰজেক্ট গ্ৰাজ' (১৯৪৯) আৰু 'ব্লু-বুক' (১৯৫২) নামেৰে আৰু দুটা অনুসন্ধান চলায় । অৱশ্যে এই 'ব্লু-বুক' প্ৰকল্প ১৯৬৯ চনত পৰিত্যক্ত হয় । তাৰ পাছত 'ৰ্যাণ্ড কৰ্পোৰেচন' নামৰ এটা অসামৰিক সংগঠনৰ ওপৰত অনুসন্ধানৰ কাৰ্য্যভাৰ অৰ্পন কৰে । এই সকলোবোৰ অনুসন্ধানৰ অন্তত তেওঁলোক এই সিদ্ধান্তত উপনীত হয় যে ''উৰন্ত চাকিৰ বাস্তৱত কোনো অস্তিত্ব নাই ; এই সক্ৰান্ততত প্ৰকাশিত সকলোবোৰ সংবাদেই হয় ভুল ব্যাখ্যা নহয় উদ্দেশ্যপ্ৰণোদিতভাৱে বনোৱা গল্প।'' তাৰোপৰি তেওঁলোকে উৰন্ত চাকিৰ লগত বহিঃবিশ্বৰ সংযোগৰ সম্ভাবনীয়তাও দ্ব্যৰ্থহীনভাৱে নুই কৰে । এইবোৰ তথ্য প্ৰকাশ হোৱাৰ লগে লগে গুজৱ উঠিল সামৰিক বাহিনীয়ে প্ৰকৃত তথ্য গোপন কৰিবলৈ চেষ্টা কৰিছে । তেতিয়া আকৌ নিয়োজিত হ'ল 'ৰবাৰ্টচন পেনেল'' প্ৰকাশিত তথ্যাবোৰৰ অনুসন্ধানৰ অৰ্থে। ১৯৫৩ চনত প্ৰকাশ কৰা তেওঁলোকৰ অনুসন্ধানৰ ৰিপৰ্টোৱে আগৰ তথ্য খিনিৰে সত্যতাক প্ৰমাণ কৰিলে ।

আমেৰিকাৰ বিমান বাহিনীৰ অনুসন্ধান কাৰ্য্যৰ লগত সংগতি ৰাখি আমেৰিকাৰ নৌ গৱেষণা বিভাগেও সমসাময়িকভাৱে ''উৰন্ত চাকি'' বিষয়ক এলানি গৱেষণা চলাই ১৯৫১ চনত 'উৰন্ত চাকিৰ সাম্ভাব্য উৎস' সম্পৰ্কে এক সুদীৰ্ঘ ৰিপৰ্ট প্ৰকাশ কৰে । তেওঁলোকৰ মতে এইবোৰ বতৰ গৱেষণাৰ বাবে নিয়োজিত বিশাল আকৃতিৰ বেলুনৰ বাদে অন্য একো নহয় । আমেৰিকাৰ বতৰ বিজ্ঞান কেন্দ্ৰ সমূহৰ নথি-পত্ৰৰ সাক্ষ্য অনুযায়ী যি যি সময়ত আমেৰিকাৰ আকাশত এই চাকিৰ প্ৰাদুৰ্ভাৱ দেখা যায়, সেই সময়ত আকাশত এনে বহুতো পৰ্য্যবেক্ষক বেলুন উৰি ফুৰে । একশ ফুট ব্যাস বিশিষ্ট এক বিশাল আকৃতিৰ বেলুনৰ বাবে এক লক্ষ্য ফুট উচ্চতাৰ লৈকে উঠা একে বাৰে অসম্ভৱ নহয় আৰু ইমান উচ্চতাত ইইঁতৰ গতিবেগ ঘণ্টাত ২০০ মাইল পৰ্যন্ত হ'ব পাৰে । পৰ্য্যবেক্ষণত দেখা গৈছিল যে এই উচ্চতাত ইহঁতে স্বাভাৱিক গোলাকাৰ আকৃতি ত্যাগ কৰি চেপটা আকৃতি ধাৰণ কৰে আৰু বেলুনটোত ব্যৱহাৰ কৰা প্লাষ্টিক খনৰ দ্বাৰা সূৰ্য্যৰ পোহৰৰ প্ৰতিফল ঘটাৰ ফলত জিলিকি উঠে । এই অৱস্থাত দেখিলে এনে লাগে যেন উজ্জ্বল গোলাকৃতিৰ চেপেটা বস্তু এটা দূৰন্ত বেগত আকাশেদি পাৰহৈ গৈছে । আনকি এই বেলুনবোৰ সন্ধ্যা লগাৰ বহু পিছলৈকে আকাশত দৃশ্যমান হৈ থাকে । উৰন্ত চাকি সমূহৰ নিঃশব্দতাই এই মতৰ প্ৰতিষ্ঠা লাভত বিশেষ অৰিহনা যোগাইছিল । এনেধৰণৰ কেতবোৰ বলিষ্ঠ যুক্তিৰ সহায়ত তেওঁলোকে আমেৰিকাৰ আকাশত উৰন্ত চাকিৰ ৰহস্য ভেদ কৰিবলৈ প্ৰায় সক্ষ্যম হৈছিল ।

আমেৰিকাৰ 'অহিঅ' ষ্টেট বিশ্ববিদ্যালয়ৰ' জ্যোৰ্তিবিদ ড০ জে. এলেন হাইনেকে (১৯৬০ চনত) সকলোকে আচৰিত কৰি মন্তব্য দিলে UFO ৰ ওপৰত গভীৰ গৱেষণাৰ নিতান্তই প্ৰয়োজনীয় । সেই উদ্দেশ্যে তেওঁ ইলিনয়েছৰ ইভানষ্টৌনত ''চেণ্টাৰ ফৰ UFO ষ্টাডিজ'' নামৰ সংস্থা এটা প্ৰতিষ্ঠা কৰে আৰু নিজে তাৰ সভাপতি পদত অধিষ্ঠ হয় । এই বজৰুৱা সংস্থাতোৱে গৱেষণাৰ নামত প্ৰচাৰ কৰিছিল অজস্ৰ মিছা সংবাদ, যিবোৰে আমেৰিকাৰ লগতে বিশ্বৰ অন্যান্য দেশতো পুনৰ এক উতপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছিল । ১৯৭০ চনত এইজনা তথাকথিত জ্যোৰ্তিবিদে লিখা ''এজ অফ ৰিয়েলিটি'' নামৰ কিতাপ এখন প্ৰকাশ পায় । তাত তেওঁ নিজে উৰন্ত চাকি দেখা বহুতো মহাকাশচাৰীৰ নাম আৰু তেওঁলোকৰ বিবৃতি চপা কৰিছিল । এই কিতাপখনৰ আটাইতকৈ আচৰিত কথাতো হ'ল ইয়াৰ এটা তথ্যও সত্য নাছিল আৰু ছবি বোৰো আছিল জাল। কক্ষপথত পৰিক্ৰমাৰত কৃত্ৰিম উপগ্ৰহ আৰু মহাকাশ কেন্দ্ৰৰ গৱেষকসকলৰ মাজৰ কেতবোৰ কথাকে বিকৃত কৰি ৰহন হানি উক্ত গল্পবোৰ ৰচনা কৰিছিল । এনেবোৰ কাৰ্য্যত বিতুষ্ট হৈ আমেৰিকাৰ মহাকাশ সংস্থা 'নাচাই (NASA) হাইনেকক তেওঁলোকৰ 'হিউষ্টন' মহাকাশ কেন্দ্ৰলৈ লৈ গৈছিল । তাত তেওঁক মহাকাশ অভিযানবোৰ ফিল্ম, টেপ, আদিত সংৰক্ষিত তথ্য সমূহ অৱগত কৰাই অৱশেষত NASA –ৰ বিশেষজ্ঞ সকলৰ প্ৰশ্নবানে থকাসৰকা কৰা হাইনেকৰ মুখৰ পৰা প্ৰকৃত সত্য নিজে নিজে নিগৰিবলৈ বাধ্য হয়, (play boy - ১৯৭৮)

বিজ্ঞানী সকলৰ আক্ৰমক প্ৰত্যাহ্বানৰ সন্মুখত তিষ্টি থাকিবৰ বাবে UFO ৰ প্ৰবক্তা সকলে এক নতুন তথ্য উদ্ভাৱন কৰিলে । তেওঁলোকে প্ৰচাৰ কৰিলে যে উৰন্ত চাকি ভিন্ন নক্ষত্ৰৰ মহাকাশযান নহয়, আচলতে তাত বিশ্বব্ৰহ্মাণ্ডৰ ভিন্ন মাত্ৰাত (Dimension) থকা অতিথি সকল আহে হয়তো তেওঁলোক 'টাইম ট্ৰেভেলাৰ্চ'। কিন্তু তথ্যৰ পৰিৱৰ্ত্তনেইটো প্ৰমানৰ অভাৱ

দূৰ কৰিব নোৱাৰে ; বৰঞ্চ কোনো কোনো ক্ষেত্ৰত বিপদ বঢ়াইহে। গৈ থৈ অৱশেষত সেয়ে হ'ল । বিশ্বব্ৰহ্মাণ্ডৰ কোনো ঠাইত উন্নত সভ্যতা থাকিলেও তেওঁলোকৰ পক্ষ্যে ইমান সঘনাই পৃথিৱী ভ্ৰমন কৰা কিমান দূৰ সম্ভৱ সেই বিষয়ে বৃটেইনৰ 'নিউ চায়েনটিষ্ট' নামৰ আলোচনীখনত এটা যুক্তিপূৰ্ণ গাণিতিক বিশ্লেষণ প্ৰকাশ পায় । অন্যান্য উন্নত সভ্যতা সমূহৈলে দূত (?) প্ৰেৰনৰ বাবে সক্ষম এনে ধৰণৰ প্ৰায় দহ লক্ষ্য উন্নত সভ্যতা আমাৰ বিশ্বব্ৰহ্মাণ্ডত আছে বুলি ধৰি লৈ তেওঁলোকে এই গাণিতিক বিশ্লেষণ আগ বঢ়াইছিল । তেওঁলোকে আকৌ ধৰিলৈছিল যে সেই দহলক্ষ্য সভ্যতাৰ প্ৰত্যেকেই মহাকাশযান প্ৰেৰণ কৰিছে আৰু এই তাৰকাৰাজ্যৰ (হাতীপতি তাৰকা ৰাজ্যৰ) দহ ভাগৰ এক ভাগ নক্ষত্ৰ অৰ্থাৎ এক হাজাৰ কোটি নক্ষত্ৰ তেওঁলোকে ভ্ৰমন কৰিছে । এনেক্ষেত্ৰত আমাৰ পৃথিৱীলৈ বছৰত অন্ততঃ এখনকৈ মহাকাশযান প্ৰেৰণ কৰিবলৈ হলে সেই দহ লক্ষ্য সভ্যতাৰ প্ৰত্যেকেই বছৰত অন্ততঃ দহ হাজাৰ খনকৈ মহাকাশযান প্ৰেৰণ কৰিব লাগিব ; যিটো প্ৰায় অসম্ভৱ । এই হিচাপটো যদি এইদৰে ধৰা হয় সেই সভ্যতা সমূহৰ প্ৰত্যেকেই বছৰত এখনকৈ মহাকাশযান প্ৰেৰণ কৰিছে - তেনেক্ষেত্ৰত সেই যান সমূহ পৃথিৱীৰ ওচৰলৈ অহাৰ সম্ভাৱনা প্ৰতি দহ বছৰৰ মূৰত মাত্ৰ এখন হে । ইমান খিনি জনাৰ পাছতো আমাৰ পৃথিৱীৰ প্ৰত্যক্ষদৰ্শীসকলৰ লগত এনে মহাকাশযানৰ সঘনাই ঘটি থকা সাক্ষাতৰ সংবাদ সমূহৰ ওপৰত সন্দেহ পোষণ নকৰি আৰু উপায় নাই ।

উৰন্ত চাকি দেখাৰ ঘটনা কতো পুনৰাবৃত্তি ঘটা নাছিল। এই বিষয়ে কোনো বিশ্বাসযোগ্য তথ্যও বিজ্ঞানী সকলে পোৱা নাছিল । এইবোৰৰ পৰা ই যেনেদৰে মহাকাশৰ অন্যান্য বহুতো বিস্ময়কৰ ঘটনাৰ দৰে এটা ঘটনা হোৱাৰ সম্ভাৱনা বৃদ্ধি পাইছিল তেনেদৰে ই একধৰণৰ 'হালুচিনেচন' (Hallucination) বুলি প্ৰায় প্ৰমানিত হৈছিল । তথাপিও UFO ক লৈ UFO তদু - - নামেৰে এটা বিজ্ঞানৰ শাখাৰ জন্ম হয় ১৯৭৭ চনৰ এপ্ৰিল মাহত Acapulco -ত আন্তৰ্জাকি UFO-logy কংগ্ৰেচৰ অধিবেশন বহিছিল । এই অধিবেশনত উৰন্ত চাকি তথা UFOৰ সম্পৰ্কে গৱেষণা কৰি থকা 'চালভাদোৰ ফ্ৰাইস্কেডোৱে' ভাষণ প্ৰসংগত কৈছিল ''ধৰ্ম আৰু UFO ৰ কাৰবাৰ সমূহৰ মাজত বহু ক্ষেত্ৰত মিল দেখা যায় । সাধাৰণ মানুহৰ বাবে এইটো যিমান বৈজ্ঞানিক অনুসন্ধানৰ কথা তাতোতকৈ বেছি বিশ্বাস কৰাৰ দৰে ঘটনা ।'

## সামৰণিৰ পৰিৱৰ্ত্তে দুআষাৰ ঃ

প্ৰায় পঞ্চাশ দশকৰ পৰা আশী দশকৰ লৈকে UFOৰ ৰহস্যাই সমগ্ৰ বিশ্বতে এক আলোড়নৰ সৃষ্টি কৰিছিল। আৰু এই বিষয়ে মানুহৰ উৎকণ্ঠাৰ সুযোগ লৈছিল সুবিধাবাদী এটা শ্ৰেণীয়ে। তেওঁলোকে এইটো ভালদৰে জানিছিল যে যি কোনো উপায়েৰে বিজ্ঞানৰ নামত মানুহৰ বিশ্বাসৰ ওপৰত প্ৰভাৱ-বিস্তাৰ কৰিব পৰাতোৱেই হ'ল চিৰ আকাংখিত অৰ্থ আৰু যশস্যা লাভৰ এক সহজ উপায় । আমাৰ সমাজৰ সাধাৰণ মানুহৰ বেছি অংশৰে চিন্তা-ভাবনাৰ কাঠামো অবৈজ্ঞানিক আধাৰৰ ওপৰত প্ৰতিষ্ঠিত । এই কথা আমাৰ ভাৰতৰ দৰে তৃতীয় বিশ্বৰ দেশৰ ক্ষেত্ৰতো বাদেই, তথাকথিত উন্নত পশ্চিমীয়া দেশসমূহৰ ক্ষেত্ৰতো সত্য। কাৰণ তাতো বিজ্ঞানৰ সামাজিক প্ৰয়োগ বুলিলে যি বুজা যায় প্ৰকৃতাৰ্থত সেয়া হৈ উঠা নাই - হৈছে সমাজবিচ্ছিন্ন প্ৰগতিহে। য'ত নব নব আবিস্কাৰৰ শংখনিনাদ শুনা যায়, তাত কিন্তু সৰ্বসাধাৰণৰ মাজত ব্যাপক বৈজ্ঞানিক মনোভাব আজিও গঢ়ি উঠা নাই । তাহানিৰ ৰামো নাই, অযোধ্যাও নাই ; মৃত্যুৰ পিছত তথাকথিত পুৰস্কাৰৰ লোভ বা শাস্তিৰ ভয়লৈ কৰ্ণপাত কৰিবলৈ চকাৰ আবিস্কাৰৰ জৰিয়তে প্ৰগতিৰ জখলা বগাবলৈ শিকা মানুহৰ ওচৰত আজি সময়ো নাই । 'Religion of fear - ৰ জানো আজিৰ সমাজত কিবা প্ৰাসঙ্গিকতা আছে ? আজি আমাৰ মাজত প্ৰয়োজন 'যুক্তি আৰু তথ্যৰ প্ৰতি সন্মান ।' ইয়াৰ অন্যথাই মানুহ প্ৰকৃতাৰ্থতত মানুহ হোৱাৰ বিকল্প পথ বৰ্ত্তমান অৱস্থাত প্ৰায় ৰুদ্ধ । আৰু মানুহ প্ৰকৃতাৰ্থত মানুহ হ'ব নোৱাৰা পৰ্যন্ত আমাৰ মাজৰ পৰা ঠগ-প্ৰবঞ্চনা, শোষণ, হত্যা, লুণ্ঠন আদি শব্দবোৰ কেতিয়াও বিলুপ্ত নহয় ।''

# Impact of Western Education System on The Present Day Indian Youth.

*Rabhijeet Saikia*
T.D.C. II Yr
Deptt. of Engllsh

Once an Indian statesman on begin asked by a British Viceroy as to what the secret of his success in the handling of the English language was answered that it was possible because of the five thousand year old cultural heritage of India. The word culture is an elastic term. It has been defined differently by different writers. According to the Antropologist Dr. Malinowsky Culture may be defined as a system of derived needs and an organized system of purposeful activities." Again According to Prof. Krober "Culture is the special and exclusive product of man and is their distinctive quality in cosmos." Culture, as defined by Linton is the sum total of the knowledge, attitudes and habitual behaviour patterns shared and transmitted by the members of a particular society. The relation between the society and culture can be compared with the relation of flesh and blood. From time immemorial the Indian culture a tremendous force of power and beauty has been made richer and deeper a a result of absorbing what is best in outside influences and ingating them to grace and in the process enriching it's own identity. Before the advent of the British in India, the west Asiatic culture of Islam and the Eastern Culture, which had once spread to far east, were in the process of assimilation and synthesis. The till then non-existent British culture gradually began to take prominence in the process of assimilation.

When the human mind is subjected to and enslaved by tyranny of any kind we have a dark age. Contact with the western philosophy has roused in us the sense of pride and self respect and contributed largely to the "Indian Renaissance.' The two currents, the Eastern and the western, the Asiatic and the European, emphasizing as they do, though not exclusively inward security and outward efficiency have met face to face in India. Nowhere else in the world do we find such close contact and interchange between the two systems. As a result of this assimillation, which is still in progress, we may be able to reach principles more comprehensive in their scope and will be able to meet the complex needs of modern life. The British impact can be said to be like the application of hoe and shears to prune the rotten roots and the dead branches.

The word "Culture" is one of the character that has suffered the most ups and downs in all languages. Language is the vehicle of culture. The largesse of the English language enriched Indian culture. It is to be noted that language not only a vehicle of thought, but also on engine of cultural proliferation, perceptible or otherwise. It is the cement which bound, and continues to bind, our country together, and it enabled us to deal with the rest of the world from a vantage point.

This culture which was initially afforded by a few elite Indians, gradually spread it's wings and embraced within it's folds the most suspectible and vulnerable class of our society, the youth. It is said that if any new or revolutionary idea is to be infused in the society one should spread it among the youths. The young elite Indians, their minds brimming with newly acquired knowleldge and progressive ideas, took to western culture as readily as a fish takes to water. During the long struggle for independence the youth of the nation, inspired by the western education system, launced an offensive against the caste system branding it as undemocratic, inhuman and anti-national. The pioneer of the Indian Renaissance was Raja Ram mohan Roy, the founder of Brahma Samaj. Under his leadership the Indian youth successfully carried on their crusade against "Sati" and child marriage. They stood for the freedom of the widow to remarry and for equal rights of men woman. They were men of mobility and ceaseless adventure. They devoted themselves to the cause of the nation with staunch fidelity to their principles governed by reason and judgment. To be precise they renovated the edifice of Indian culture by combining the best of the Eastern and Western culture.

But unfortunately the post Independence India saw the negative effects of western culture on the youths of our country. It is no longer limited to the

ideals of social welfare. Affected by an intense passion for the deceptive glamour of western culture, they are wholly immersed therin. Right from his waking hours, an Indian youth starts immitating his counterpart in the west, having little to do with his own cultural roots. Westernism has become the fashion of the day. His admiration for everything that is western, and the misbelief that anything western is superior has led him blindly towards the western culture making him indifferent to his own culture.

The present Indian youth likes to be attired in the latest fashion Jeans, Bermudas, flashy jackets and sneakers. The will not settle for anything less then, lotto, woodland etc. This westernized Indian youth prefers night clubs and discotheques to temples and tries to immitate gestures and manners and styles of dresses from the English movies. They want to project themselves more like kevin Costner, , Arnold, Clint Eastood and Tom Cruise etc. white the fairer sex likes to immitate the likes of Cyndi Crawford, Demi Moore etc in their adresses. They apt for short skirts and body hugging dresses. The westernized Indians has replaced the various folk songs, dances and the like by some non-conformist rebellous forms of expression like Heary Metal, Rock music etc. They are no longer interested in learning Indian classical music and are more attracted towards the Western dance forms like Lambadda. The impact of western culture can be best seen in the family. It is to be noted that the child is taught to say 'Mummy' or 'Mom" instead of "Ma" and "Baba" is begin replaced by "Daddy" or Dad," etc. because the parents thinks that merely by saying "Mummy" or "daddy" their children are considered cultured in the society. The body of the child is nurshed in the east, his heart and mind are in the west. He is influenced by the aien western culture more than by his own native culture. The cross currents of materialism and consumerism are gradually taking their toll on the established traditions and practice of the society. Sooner or later the dhoti and the mekhala Sador will be hung in the museum. This is not a suprising assertation considering the diminishing space these find in the average wardrobe. Nowdays our local attire Mekhala Sadors or pat and muga are only worn on special occasions like marriage and Dhotis are in for use in Namghars on in other religious occasions. We have consciously embraced other dresses, and these are here to stay, maybe for their easy wash and wear usefullness or the freedom of movement which many argue is the reason for these other clothes staying on. One thing people cannot deny : traditional clothes have assumed less importance in everyday usages.

The rapid development of fast communication and the powerful electronic media have controlled much towards turning the world into a global village. The present cy- berspace is minature representation of the ordinary world with all the mingled poltentials of good and bad. All of us at sometime or other are exposed to the western society and there is no doubt that this exposure enablles us to know what changes are going around the globe. The invasion from the skies through the various T.V. networks with liberal overdose of sex and violence dished out to the unsuspecting viewers has left a dent on the moral fabric of our youth. Television is the device that has usurped the imagination of vulnerable minds : that of the children and the young people together with the older but to a lesser extent. Children knows more about their favourite programes then their lessons taught in class. The viewers are slowly turning into couch potatoes. With the Television has come consumerism. Televison runs on revenue from sponsors, who have consciously or sub-consiously gripped the imagination of the people from housepaint to washing soap. The catchin an advertisement the more the buyers thus the people are engulfed in a manufacturers competition. A natural fall out of the post Miss universe and Miss world titles won by India is the spate in local beauty contest, where bevies of girls plunge for what they suppose is the crowning glory. The sponsors are the multicare manufacturers of consumer goods, who are the real winners in a covert sense, because it is their brand which receives the widest publicity, in a way securing their longer life in the market. Sexual abberation, drug addition, juvinele delinquency and disregard for the traditional norms of social behaviour are now common among the present Indian youth. They find happy haven in the yankee culture and try to be "carefully-careless." However we cannot blame the western culture or the T.V. for this deplorable state of things. Every rose has its thorns so also every culture has its positive and negative aspects. The modern youth is fascinated by the luxuries of western culture, the free lease it gives in their lives. He has been completely swept away by the glint and glamour of the western cuture which has become on utopia for the escapist.

The present age is the age of liberalisation. The immediate consequence of liberalization is the rapid development of industries which will bring in rampant westernization and unbriddled materialism. The present tendencies of the masses to compare everything in terms of techno-economic fields has reduced the human begins to the status of disposable economic units. The need of the hour is to redefine development and integrate endogenous cultural dimensions into it, to facilate a harmonious relationship

between men and nature.

The consumer culture of the west has made rapid inroads into the minds of the Indian youths. The consumer culture of the west has consumed humanity and its values ; obligations duties and noble thoughts have been pushed in the background as the entire centrestage is occupied by the rat race for materialistic trifles. Faith, hope and security are replaced by a new distrust, a new anxiery and a new uncertainity. As a fall out of this the Indian youths are not only bankrupt in the outer world around him but in the inner world allso. At present there is a crisis of morality and faith among the Indian youths. They find pleasure in interfering with the problems of other rather then in undestanding and solving their own problems. Todays youth are srunk in depravity ; they are becoming transitional creatures burdened with uncertainities, with chaos and disorder is their minds.

The Indian youths in their enthusiasm of initiating the west no longer rationally decides what is good or what is bad for his material, moral and cultural enrichment. The present spirit of the youth to imitate the western culture can at best be called a passing phase because culture is not culture if it is not able to produce the type of mind which will resist intellectual or social tyanny. The westernization of our youth has made them their individuality. According to the great Indian thinker Sri Aurobindo Bose, "India of the ages is not death, not has she spoken her last creative word ; she lives and has still something to do for herself and the human race." If India is to lose her cultural identity can anyone be able to hold on to this belief of the great Indian thinker what will happen to the dreams of idealist, the noble patriots who fought for thefreedom of India. It is not that man shouldnot change or should be resistant to change, but at to analyze the direction of change and to choose the better from the two cultural streams.

Bapuji the father of the nation remarked "I want the cultures of all the leads to blow as freely as possible in India.But I refuse to be swept off my feet by any one of them." This was the pious wish of the Mahatma. But today the dream of Bapuji lies scattered on the ground due to indiscriminate westernization. Considering the latest development it seems as if Indians are all poised to be "swept of their feet" by the strom unleashed by the western culture.

The reasons for such indifferent attitude towards the Indians culture is not too difficult to seek. Indian culture is primarily concerned with the spiritual development. The essence of all fundamental principles is that a spirit supreme and unchanging pervades the entire universe and the material world is a mere manifestation of it. The ancient Indians were aware of this philosophy and understood its implication even more deeply and clearly then the most highly civiised nations do today. Todays youth are quite in dark about this very truth. The main cause of the ailment of the society is embedded in ignorance. Moral strength enhances the power of resistance to evil forces and holds the mind under constant supervision. True knowledge of the spirit is the very essence for a balanced development of the human mind as it guides the mind to choose between what is good and what is bad of other philosophers and cultures. The irony of the situation is that which the Indian youths are trying their best to be westernized, the westerners are coming to India in search of spiritual peace and llight of the mind. The westerness are very much impressed by the Indian arts and culture and are trying to imbibe the good points of the Indian culture in theirs. This is an encouraging sign of modification and improvement of western culture.

Whether the influence of the western culture is a boon or a bane is alwlays open to controversy. After all, culture is an educative refinement, a product of an era. It is the understanding of a culture and the methods of pussing it which can make it good or bad in the eyes of the people. I personally feel that the western culture has got many plus points which we can adopt and mould it to suit our own culture. It is not that all that is western is bad or one should'nt wear jeans, sneakers etc. or should'nt watch English movies or listen to western songs of cause we should bear on see western songs but we should be careful to see that it doesn't have any negative efects on our minds. The need of the hour is to develop a scientific temper, avoid imitating the west blindly, relearn the values which are the life blood of our impenishable heritage and group the very essence of western culture for enriching our own. Only then can true development take place and Rabindra Nath's Tagores prediction that :-

*"India is destined to be a preaches of all lands will come true."*

Everyday a vast new vocabulary is entering common usage via different media. Now it is left to the linguist to analyse what this phenomena actually signifies. We can only listen to the cacophony of vocal excersises in the process of finding a voice of our own.

In an age when time comes at a premium, even lazing on an easy chair is a luxury. The time has come to snatch at that quantum of luxury and thinks at least for a moment in what direction are we moving?

******

# The Convocation

**Address of the Universities in the Vedic Age**

*Speak the truth.*
*Do your duty.*
*Be virtuous.*
*Do not give up the study of scriptures.*
*Deviate not from the path of truth.*
*Deviate not from the path of religion and duty.*
*Deviate not from the path of good.*
*Forget not to offer oblations to the manes and Gods.*
*Respect your teacher.*
*Respect your mother.*
*Respect your father.*
*Revere your guests.*
*Do such deeds which have the sanction of the scriptures and learned.*
*Thun evil deeds.*
*Your manners must be polished and priaseworthy.*
*Lead a chest married life and keep up the continuity of the line.*
*Whenever you give anything give it with reverence and grace.*
*Don't be a miser or self-seeking man.*
*By all means must you keep to the path of duty and piety.*
*This is the commandment of the Lord.*
*This is the injunction.*
*This is the teaching of the Vedas.*
*This is also my instruction and this should be the guiding motto of your life.*

[ ***Taittriya Upanisad*** ]

# পোহৰ ছবি


## সম্পাদনা মঞ্চ




**ডঃ ভাৰতী দত্ত**
*ভাৰপ্ৰাপ্ত অধ্যাপিকা*




**উষাৰাণী বৰুৱা**
*উপদেষ্টা*




**জ্যোৰ্তিময় হাজৰিকা**
*সদস্য*




**মানস প্ৰতীম শৰ্মা**
*সম্পাদক*



**বেদান্ত প্ৰসাদ বৰুৱা**
*সদস্য*




**মৃদুপৱন লাহন**
*সদস্য*



**জ্যোৎস্না নেঁওগ**
*সদস্যা*

**ফটোত অনুপস্থিত**
**শ্ৰী মাদৱ বৰুৱা**


# ছাত্ৰ একতা সভা, ১৯৯৫-৯৬




আদিত্য শইকীয়া
*সহকাৰী সাধাৰণ সম্পাদক*




ভূপেন কুমাৰ গগৈ
*সম্পাদক, সমাজ সেৱা*



ৰাহিদুদ জামান
*সম্পাদক, সাধাৰণ ক্ৰিয়া*




ঋতুৰাজ বৰা
*মুখ্য ক্ৰিয়া সম্পাদক*



বাবুল দেউৰী
উপ-সভাপতি




ডিম্বেশ্বৰ চলিহা
*সভাপতি, (অধ্যক্ষ) ছাত্ৰ একতা সভা*




উৎপল কুমাৰ বৰগোঁহাই
*সাধাৰণ সম্পাদক*




ধ্ৰুৱজ্যোতি বৰগোঁহাই
*গৌণ ক্ৰিয়া সম্পাদক*



মানস প্ৰতীম নাথ
*তৰ্ক আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক*



মৃদুল গগৈ
*সম্পাদক, ছাত্ৰ জিৰণী কোঠা*



জয়ন্ত গগৈ
*সংগীত বিভাগৰ সম্পাদক*

# উদিত প্ৰতিভাৰ জিলিঙনি




মণ্টু গগৈ
শ্ৰেষ্ঠ ড'বা খেলুৱৈ
(একেৰাহে ৯১,৯২,৯৩,৯৪ আৰু ৯৫)



কল্যাণ গগৈ
শ্ৰেষ্ঠ সমাজসেৱক



হিমেন গগৈ
শ্ৰেষ্ঠ বেডমিণ্টন খেলুৱৈ
(একেৰাহে ৯৪,৯৫ আৰু ৯৬)



জাৰ্জিন চেতিয়া
( Mr. কানে )



নিলাক্ষী গগৈ
শ্ৰেষ্ঠা খেলুৱৈ




বিজয় গগৈ
শ্ৰেষ্ঠ খেলুৱৈ



নয়নজ্যোতি ভূঞা
শ্ৰেষ্ঠ কেৰম খেলুৱৈ

# উদিত প্ৰতিভাৰ জিলিঙনি



**যোগানন্দ গগৈ**
*শ্ৰেষ্ঠ দৌৰবিদ*



**সেৱক সোনোৱাল**
*শ্ৰেষ্ঠ ফুটবল খেলুৱৈ*



**ভূগিল নেওঁগ**
*একেৰাহে ৯৩,৯৪,৯৫ মাৰাথনত ৰাণাৰ্চ আপ*



**কল্যানী দত্ত**
*শ্ৰেষ্ঠা গায়িকা*




**বিদিশা বৰুৱা**
*ইণ্টাৰ কলেজ বেডমিণ্টনত ৰাণাৰ্চ আপ*



**মঞ্জিল দাস**
*N.C.C. চিনিয়ৰ আন্দাৰ অফিছাৰ*



**ভাস্কৰ হাজৰিকা**
*N.C.C. চিনিয়ৰ আন্দাৰ অফিছাৰ*
(১৯৯৬ চনত দিল্লীত অনুষ্ঠিত গণৰাজ্য দিৱসত
উত্তৰ-পূৰ্ব্বাঞ্চলৰ হৈ অংশ গহণ কাৰী)



**প্ৰশান্ত হাজৰিকা**
*N.C.C. চিনিয়ৰ আন্দাৰ অফিছাৰ*

# BIG BANG THEORY IN TROUBLE

*Depankar Kakoty*
B.Sc Ist year

Astronomers recently after observations suggested that the universe may be only 8 billion years old (which is astronomical terms is not a very long time). But some other astronomers stuck to their idea that some of the stars in our galaxy, the Milky Way are atleast 16 billion years old. But surely the universe must be older than the stars it contain. It must indeed, and the story is more intriguing than these simple interpretations suggest.

Atronomers measured the distance to another galaxy with the Hubble Space Telescope. The galaxy called M100 is far beyond the Milky Way and belongs to the Virgo cluster, a large group of galaxies.

The technique depends on measuring the regular variations in brightness of stars known as EPHELD variables. The time period of a EPHELD is related to its absolute brightness and if both the absolute brightness and apparent brightness are known, the distance of the star can be calculated.

New measuring variation in brightness of individual stars millions of light years away is far from easy. The hubble Telelscope has done this for 20 cepheid in M100 and the distance comes to about 65 billion light years. But how does this tell us the age of the universe?

More than 60 years ago, Edwin Hubble (after whom the space telescope is named) found that the distances of galaxies are proportional to the red shift in their spectia. This red shift is a displacement of features in the spectrum towards the red end and is interpreted as a measure of the speed with which galaxies are moving away from us in the expanding universe. So a galaxy that is twice as far away has twice as big a red shift.

Because red shift is proportional to distance, if the observed expansion was winded backward , there was a time when all the galaxies were piled up in one place - the Big Bang. The question now arises is how long it has been since the Big Bang. After this has been worked out, the constant of proportionality that links red shift and distance can be found out. This is done by measuring both red shift and distance to a chosen galaxy and dividing one by another. Measuring red shift is much more easier than measuring distances to galaxies.

Two groups of astronomers have tried to find the value of H. One favours a relatively high value of about 80, while the other favours a low value of about 50. Supporters of the law value, allowing far uncertainties in their methods might accept anything from 40 to 60 while supporters of the high value accept anything between 70 to 90, but neither would be really happy with a value in the 60's A value of 40 means that the universe is 16 billion years old while a value of 80 corresponds to an age of 8 billion years. One thing is certain, the universe is more than 5 billion years old and less than 50 billion years old.

Comparing the new distance measurement to M100 with to red shift gives a value of H of 80 with enough uncertainty to allow any value between 63 and 97. So we should accept that the universe is young. Not necessarilly. As always in astronomy, there are complications.

One thing is sure about the M100 galaxy that it is not in the middle of the Virgo cluster. It is a spiral galaxy (like our Milky Way) and spirals do not exist in the middle of the galaxies which are dominated by large elliptical galaxies. The Virgo cluster is huge and has a strong gravitational pull . So M100 must be falling into it

which will either be adding or substracting from the cosmological red shift by an unknown amount. The Virgo cluster is so big that its influence extends to our galaxy whose motion as part of the expanding universe is being held back by an unknown amount by the pull of Virgo.

Another possibility is that the cepheids in M100 may not obey the same rules as cepheids in the Milky Way. Fifty years ago, astronomers had to drastically revise their distance scales when they found that they had confused two different types of variable stars in galaxies beyond the Milky Way. The same sort of mistake could happen again.

Perhaps the universe isn't as simple as we would like. All of these age estimates assume the 'standard model.' But if the universe contains a lot less mass than astronomers believe, than it expands easily and the age corresponding to a particular value of H is bigger.

Maybe the conflict between the two groups points to some flaw in our understanding of the universe. That would be the most exciting possibility since finding out where we went wrong would open up new ovenues for research.

**References :**


1. *Earth and planetary sciences*
2. *Science Journal*


# গনিতবিজ্ঞান আৰু ইয়াৰ অগ্ৰগতি


*ৰশ্মিৰেখা শইকীয়া*
(স্নাতক তৃতীয় বৰ্ষ, বিজ্ঞান)


মানৱ সভ্যতাৰ জন্মলগ্নতে বিজ্ঞানৰ লগতে গনিতৰো জন্ম হয় । বনৰ জন্তুক ধৰি আনি পোহ মনাবলৈ শিকাৰ দিনৰে পৰা সেইবোৰৰ হিচাপ ৰাখিবলৈ কৰা বিভিন্ন পন্থা অৱলম্বন কৰিবলৈ যাওঁতে গননাৰ জন্ম হয় । গণিতৰ বিভিন্ন শাখাৰ অগ্ৰগতিয়ে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা ক্ৰমবিকাশলৈ মুখ্য অৰিহনা আগবঢ়াইছে । গণিতৰ আশাতীত প্ৰগতিয়ে আজি কম্পিউটাৰৰ জন্ম দি বিজ্ঞান ইতিহাসলৈ সূচনা কৰিছে নতুন দিগন্ত ।

গণিতক সাধাৰণতে চাৰিটা ভাগত ভগাব পাৰি । যেনে (ক) প্ৰাগ্‌ঐতিহাসিক যুগ, (খ) প্ৰাচীন যুগ, (গ) মধ্যযুগ আৰু (ঘ) আধুনিক যুগ ।

(ক) গণিতৰ প্ৰাগ্‌ঐতিহাসিক যুগ ঃ খ্ৰীষ্টপূৰ্ব প্ৰায় এহেজাৰ বছৰৰ আগলৈকে হোৱা গণিতৰ চিন্তা-চৰ্চ্চাক প্ৰাগ্‌ঐতিহাসিক যুগ বোলা হয় । সেইকালত গণিতৰ গননা মানুহৰ দৈনন্দিন জীৱনযাত্ৰাৰ প্ৰয়োজনীয় হিচাপ-নিকাচৰ মাজতে সীমাবদ্ধ হৈ আছিল । মাটিবাৰী ভগাই ল'বলৈ হোৱা প্ৰয়োজনৰ তাগিদাতে জ্যামিতি আৰু পৰিমিতিৰ জন্ম হৈছিল । শেষলৈ ভগ্নাংশ আৰু দশমিকৰো প্ৰচলন হ'ল । অৱশ্যে তেতিয়া মানুহৰ মানসিক বিকাশ মন্থৰ আছিল বাবে গণিতৰ চিন্তা-চৰ্চ্চাও একেবাৰে চালুকীয়া অৱস্থাত আছিল ।

(খ) গণিতৰ প্ৰাচীন যুগ ঃ- গণিতৰ এই যুগটোৱে খৃষ্টীয় অষ্টম শতিকালৈকে বিৰাজ কৰিছিল । এই যুগত পাটিগণিত আৰু জ্যামিতিৰ বিকাশ ঘটিছিল । জ্যামিতি অংকণত ব্যুৎপত্তি লাভ কৰিছিল মিচৰীয় আৰু বেবিলনীয় স্থাপত্য কাৰুকাৰ্য্য বৈদিক যুগৰ কাত্যায়ন আৰু বৌধ্যায়ন আদি গণিতজ্ঞই প্ৰাচীন

ভাৰতীয় ঐতিহাসিক জ্যামিতি চৰ্চাৰ পৰিচয় দি থৈ গৈছে । গ্ৰীক জাতিৰ ইউক্লিয়দ, থেলচ্ আৰু পিঠাগোৰাচ আদি গণিতজ্ঞই জ্যামিতি চৰ্চাৰে সেই সভ্যতাক মহীয়ান কৰি থৈ গ'ল । এই যুগত বৃত্ত, ব্যাস, পৰিধি, সমকোণী ত্ৰিভুজ আদিৰ লগত জড়িত জ্যামিতিৰ বিকাশ ঘটিছিল ।

এই যুগত বীজগণিতেও পূৰ্ণতা লাভ কৰিছিল । বীজগণিতৰ দ্বিঘাত সমীকৰণেৰে জ্যামিতিৰ সমস্যাবোৰ সমাধান কৰিব পৰা কৌশল ওলাল । নটা অংক আৰু শূন্যৰ দ্বাৰাই গণিতলৈ নতুন দিগন্তৰ সূচনা কৰিছিল ভাৰতীয় গণিতজ্ঞই। তাৰ আগলৈকে ডাঙৰ ডাঙৰ সংখ্যাবোৰক কিছুমান ৰোমানচিহ্নৰে প্ৰকাশ কৰাৰ ব্যৱস্থাহে চলি আছিল ।

সুদকচা, ত্ৰৈৰাশিক গুনান্তৰ আৰু বিন্যাস, ত্ৰিকোণমিতি আদি জন্ম হয় এই যুগত । গ্ৰীক্-গণিতজ্ঞ এপোলেনিয়াছ স্থানাংক জ্যামিতি, উপবৃত্ত আৰু অধিবৃত্তৰ জন্ম দিলে । এইদৰে এই যুগৰ জ্যামিতি আৰু বীজগণিতৰ অগ্ৰগতিয়ে জ্যোতিবিজ্ঞানলৈ আগবঢ়ালে অনবদ্য অৰিহনা ।

(গ) গনিতৰ মধ্যযুগ ঃ - গণিতৰ মধ্যযুগৰ ইতিহাস ৰচনা হ'ল খৃষ্টীয় অষ্টম শতিকাৰ পৰা পঞ্চদশ শতিকালৈ । মধ্যযুগীয় ভাৰতীয় গণিতজ্ঞ মহাবীৰাচাৰ্য্য, ভাস্কৰাচাৰ্য্যই কলন গণিত অৰ্থাৎ কেলকুলাচৰ জন্ম দিলে। আৰৰত প্ৰণালীবদ্ধভাৱে বীজগণিতৰ চৰ্চা এই কালছোৱাত হৈ আছিল । অৱশ্যে বিশ্বৰ চৌপাশে অন্ধকাৰ যুগে গ্ৰাস কৰাৰ কাৰণে মধ্যযুগৰ সাতশ বছৰীয়া ইতিহাসত গণিত বিজ্ঞানৰো বিকাশ হোৱা নাছিল ।

(ঘ) গণিতৰ আধুনিক যুগ ঃ - গণিতৰ আধুনিক যুগটো সূচনা হয় ষোড়শ শতিকাৰ পৰাহে । দাৰ্শনিক আৰু গণিতজ্ঞ ৰেনীভেকাৰ্টে আৰু ফাৰ্মাটে সৃজনশীল প্ৰতিভাৰে এই যুগক উজ্জ্বলাই তুলিলে । বীজগণিত আৰু জ্যামিতিৰ সমন্বয় ঘটাই উদ্ভাৱন কৰা হ'ল । 'বৈশ্লেষিক জ্যামিতি'' । লিউনাৰ্ডো ডাভিন্সিয়ে গণিতৰ বিবিধ সূত্ৰক খটুৱাই নানা যন্ত্ৰপাতি নিৰ্মাণ কৰি প্ৰযুক্তিবিদ্যালৈ আনিলে নতুন জেউতি । ব্লেইছ, পেছকানে সাধাৰণ বিজ্ঞানৰ উপৰিও গণিতলৈ আগবঢ়ালে ''নৱজাগৰণ'' জুৱাখেলত কোন জিকিব এই প্ৰশ্নৰ আঁত বিচাৰি তেওঁ আৰু ফাৰ্মাটৰ মাজত হোৱা বাক্‌যুদ্ধৰ ফলশ্ৰুতি ৰূপে জন্ম পালে গণিতৰ আন এটা শাখা-সাম্ভাৱ্যবাদ অৰ্থাৎ প্ৰবেবিলিটি । সোতৰ শতিকাত চাৰ আইজক নিউটনে তেওঁৰ সৃষ্টিশীল পৰশ কলনবিদ্যাই কেৱল গণিতৰ ক্ষেত্ৰতে নহয় পদাৰ্থবিজ্ঞান জগতলৈও সূচনা কৰিলে নতুন দিগন্ত । জাৰ্মান গণিতজ্ঞ লেইবনিজৰ অবদানো এই ক্ষেত্ৰত কম নাছিল ।

মনকৰিবলগীয়া কথা হ'ল যে অষ্টাদশ শতিকাৰ শেষলৈকে গণিতৰ বিভিন্ন শাখাৰ মাজত কোনো স্পষ্ট সীমাৰেখা নাছিল । উনবিংশ শতিকাৰ পৰা বিমূৰ্ত বীজগণিত, টপ'লজি, বিশ্লেষণ তত্ত্ব, নিত্যবাদ, ছেট তত্ত্ব, ভেদ কলনবিদ্যা আৰু অ-ইউক্লীয়ড জ্যামিতি আদি বিভিন্ন শাখা-প্ৰশাখাবোৰে ঠন ধৰি উঠে ।

বিংশ শতাব্দীত বিমূৰ্ত গণিতৰ অনেক উন্নতি হ'ল। আপেক্ষিকতাবাদ আৰু কোৱান্টাম, সূত্ৰ এই শতিকাৰ গণিতৰ মজিয়াত প্ৰবেশ কৰিলে । নিউটনৰ গণিতবিজ্ঞানৰ নতুন ব্যাখ্যাৰে আইনষ্টাইনে আধুনিক গণিতবিজ্ঞান ইতিহাসলৈ উল্লেখনীয় অৱদান আগবঢ়ালে । এই শতিকাৰ মাজভাগৰ পৰা গণিতক বিশুদ্ধ আৰু ফলিত — এই দুটা ভাগত ভগোৱা হ'ল । সংখ্যাতত্ত্ব, বিমূৰ্ত বীজগণিত, জ্যামিতি, বিশ্লেষণবিদ্যা আৰু এইবোৰৰ বিবিধ শাখা-প্ৰশাখাক বিশুদ্ধ জাতত ধৰা হৈছে । আনহাতে বলবিদ্যা, পৰিসংখ্যা আৰু জলবিজ্ঞান আদি গণিতৰ শাখাবোৰক ব্যৱহাৰিক অৰ্থাৎ ফলিত গণিতৰূপে অভিহিত কৰা হৈছে ।

গণিত হৈছে সভ্যতাৰ মাপকাঠি । আমাৰ জীৱনৰ প্ৰতিটো ঘটনা আৰু বিশ্বৰ সকলো পৰিঘটনা গণিতৰ হিচাপ নিকাচেৰে ঘেৰি আছে । ইয়াৰ বিকাশে বিশ্বৰ বুকুত সূচনা কৰিছে নতুন নতুন বিজ্ঞানতত্ত্ব, প্ৰযুক্তিবিদ্যাৰ ন-ন- কৌশল আৰু ন-ন- আৱিষ্কাৰ । ই আমাৰ পাকঘৰৰ পৰা কৃত্ৰিম উপগ্ৰহ উৎক্ষেপনলৈকে বিবিধ দিশত নানা ৰূপত বিৰাজমান। কৃত্ৰিম উপগ্ৰহ উৎক্ষেপনৰ তাত্ত্বিক দিশত গণিতৰ জটিল সংখ্যা অৰ্থাৎ কমপ্লেক্স নাম্বাৰ ব্যৱহাৰ হয় । হাইচেনবাৰ্গক বলবিজ্ঞান কোৱান্টাম তত্ত্বৰ সন্ধানত সমস্যা সমাধানৰ ইংগিত দিলে মেট্ৰিক্স বীজগণিতৰ যুগান্তকাৰী আৱিস্কাৰে । যেতিয়া কম্পিউটাৰ আৰু ৰবটৰ কথা মনলৈ আহে তেতিয়া গণিতৰ প্ৰয়োগৰ কথা ভাবি বিস্ময়ত হতবাক হ'ব লাগে । গণিতৰ বহল প্ৰয়োগেৰে সমাগত ভৱিষ্যতক নতুন আশা আৰু প্ৰতিশ্ৰুতিৰে আদৰি অনাৰ প্ৰচুৰ সম্ভাৱনাই ভুমুকি মাৰিছে ।

# Stephen Spender : The poet and the thinker'

— **Sagar Dhungel**

*Born on the sun, they travelled*
*A short while towards the sun*
*And left the vivid, air signed*
*With their honour.*

— Stephen Spender

Among the poets those who emerged in the horizon of the twentieth century literature, Stephen Spender is one who shines through the hazy light of the war trodden period. Born in 1909 Spender began his poetic career in a rather unfashioned way : One of the poets of present time has said —

*I am not the whole sea*
*But only a ripple*
*Spontaneous is not my birth*
*But an impact of the twentieth century.*

Spender also did not took pen spontaneously. The feelings of disillusionment and frustration brought by the word wars and Bolsevic revolution obliged him to write something. Like his compatriot Auden, Spender also is interested in the upliftment of the masses, and has constantly advocated social reform on communism line. In his poems we get the vision of a future world from which death, despair and decay have been completely wiped out. The old world "where shapes of death haunt human life" must go and the young comrades must, "advance to rebuild....... advance to rebel," giving up "dreams of heaven after our world." Man must be governed and dominated by the obvious and palpable love of men for men. They must work for a world in which none would die of hunger and "Man shall be man."

The World War I ended in 1918 but its deep impact remained perennially. It left the whole human race under utter disillusionment, a morbid state of frustration and despair. The period that followed saw a host of disillusioned poets headed by T.S. Eliot, a period of antiromantic movement of wit, satire intranspection and hopelessness. But even in this period there was always a search for standard of values both in life and in art and so in the next decade we find poets either taking to left-wing politics or to religion as the saviour of humanity. Then came the surprising economic crises and the consequent rise of fascism, whose naked barbarity was exposed in Spain, Abyssinia and China. The freedom movement of these countries found strong supporters in three forceful, strong poets — Anden, Day Lewes and Stephen Spender. Thus Spender was a forceful left-winger of the thirties. He was a realist poet — a poet of fine lyrical qualities.

Spender entered the literary field with a gospel, attacked the ideas of — frustration and despair and wrote 'behaviour lags behind the immediate process of life, which are concerned with the people who really believe and which are the subjects of poetry. He appealed above all for the creation of a society in which the real and the living contact of man and man may again become possible.

Among the poets who flourished during the 'thirties' of present countries Spender has a special place among them. He came of a distinguished liberal family and he has to work his way out from the background to the definite 'left-wing position' which he was to hold. He has a discerning mind with a delicate awareness which in another age would have flourished in romantic

sensibilities. In the thirties he cannot allow his richly sensuous awareness, the luxury of such pleasures. Instead, he seeks out for the new world for social justice which to him must be based on communism or socialism. As he writes 'The Destructive Element:' 'Communism or Socialism in its completed form offers a just world — a world in which wealth is more equally distributed, and the grotesque accumulations of wealth by individuals is dispersed, in which nations have no interest in destroying each other in the manner of modern war, because the system of competitive trade controlled by internecine and opposed capitalist interest is abolished." As a political thinking this may seem a little naive, but it is the result of a genuine and difficult personal struggle and readjustment.

Spender's 'Spiritual Explorations' lead to the discovery that the human will is completely submerged by destiny, and the human spirit dependent on the material energies of nature. But this truth has not made him a stoic — rather he looks for different avenues through which man can approach a place of their thinking. Spender is more preoccupied with social and political problems, with which he deals at length in his prose works, and the philosophy contained in 'Spiritual Exhortations' (A collection of sonnets) is a shifting of interest from mere actualities to vaster, cosmic considerations.

**"Satyagraha, first evolved in South Africa, was a sort of nonviolent warfare, a way of defeating the enemy without burning him and without feeling or arousing hatred. It entailed such things as civil disobedience, strikes, lying down in front of railway trains, enduring police charges without running away and without hitting back, and the like. Gandhi objected to 'passive resistance' as a translations of Satyagraha: in Gujarati, it seems the word means 'firmness in truth'."**

**— George Orwell**

প্ৰবন্ধ

# ছাত্ৰ-ছাত্ৰী বৰ্ত্তমান ও ভৱিষ্যত

*শ্ৰী অসীম কুমাৰ বৰকটকী*
প্ৰবক্তা, পৰিসংখ্যা বিজ্ঞান

বৰ ডাঙৰ শব্দ এটা ব্যৱহাৰ কৰি কিবা এটা লিখিবলৈ বহিছো নাজানো কি হয় ফলাফল । হয়তো লিখনিৰ যোগ-বিয়োগৰ বিৰাট এটা শূণ্য সৃষ্টিৰ চেষ্টা । মনতে পৰিছে, কোনোবাই কৈছিল সৰু সৰু কামবোৰ কৰি কৃতকাৰ্য্য লভাতকৈ ডাঙৰ কিবা এটা কৰি অকৃতকাৰ্য্য হোৱাতোৱেই শ্ৰেষ্ঠ । তাকে বুজাব ও বুজিবলৈ কৰা এটা প্ৰয়াস মাত্ৰ । তথাপিও ভয় হৈছে আলোচনা এটা আগবঢ়োৱাৰ । নিজেই এজন শিক্ষক, যাৰ স্থিতি এই ইংৰাজীত কোৱা "Student" শব্দটোৰ ওপৰতেই । — অৰ্ন্তদাহ নহয়তো ? হওক, চিন্তা কিহৰ ইংৰাজী ভাষাৰ আৰু এটা মনোৰম শব্দ "Sorry" ব্যৱহাৰ কৰি দিলেই হ'ল — !

মনত পৰিছে "Student " শব্দটোৰ প্ৰতিটো বৰ্ণৰেই কোনো বৰ ডাঙৰ ডাঙৰ অৰ্থ আছে । ক'তা অৰ্থবোৰ যে কলমৰ আগলৈ নহাই হ'ল । "Sorry" , এইয়া মোৰ বা মোৰ কলমৰ দোষ নহয়, অৰ্থবোৰ যে হেৰাই গৈছে শব্দটোৰ নিজৰ মাজতেই হয়তো ব্যৱহাৰৰ অভাৱত মামৰে ধৰিছে । পুৰণি বস্তু মামৰে ধৰিবই – বৰ্ত্তমান বিংশ শতাব্দীৰ যুগ , বিজ্ঞানৰ যুগ, ন-ন- বস্তুৰ আবিস্কাৰ হোৱাৰ লগে লগে শব্দৰ অৰ্থ সলনি হোৱাতো স্বাভাৱিক । মনত পৰিছে – কিবা বোলেনে আন্দোলন, বিশৃংখলতা আড্ডা, দম, হিংসা কিবাবোৰ । দৰকাৰ নাই, সেই পুৰণি বিশেষণবোৰ ব্যৱহাৰ কৰাৰ ''ছাত্ৰ-ছাত্ৰী'' শব্দটোৰ পাছত। কিযে অশুৱনি সেই সমাজৰ ধ্বনি, দেশ গঢ়োঁতা, পথ প্ৰদৰ্শক, ভৱিষ্যতৰ সুনাগৰিক, জাতিৰ গৌৰৱ শব্দবোৰ ...... ।

কিয় বাৰু এই পৰিবৰ্ত্তন ? এই পৰিবৰ্ত্তন স্বাভাৱিক নে? কিমান পৰিমানে এই পৰিবৰ্তনৰ ধাৰা বা গতি গ্ৰহণযোগ্য। যদি গ্ৰহণযোগ্য নহয়, তেন্তে কাৰ বাবে, কিহৰ বাবে এইয়া? ইয়াৰ যদি লাভৰ ঘৰত বিৰাট এটা শূণ্যই তেন্তে কোন দায়ী ইয়াৰ বাবে ? মই, মোৰ দৰে আন শিক্ষকসকল, অভিভাৱকসকল নে সমাজ ব্যৱস্থা. তথা ছাত্ৰ-ছাত্ৰীসকল নিজেই ইয়াৰ বাবে দায়ী? আজি এই প্ৰশ্নৰ উত্তৰ বিচাৰি চোৱাৰ সময় আহি পৰিছে । নহলে যে আমি পিছুৱাই যাম বহু যুগৰ আগলৈ, হেৰাই যাব সকলোৰে মিঠা মিঠা ক্ষণবোৰ । হয় পৰিম আমি সকলোবোৰ পঙ্গু ।

ছাত্ৰ-ছাত্ৰীসকল, আহাঁচোন তোমালোকৰ সৰ্বনামৰ তোৰ লগত বৰ্ত্তমান লাগি থকা বিশেষণবোৰক অন্য এক দৃষ্টিৰে চোৱাৰ চেষ্টা কৰা । আন্দোলন কৰো আহা, ন্যায় প্ৰাপ্তিৰ বাবে সত্যক ভেটি কৰি, যুক্তিক সাবতি । বিশৃঙ্খলতাৰ সৃষ্টি কৰো শৃংখলভাৱে সুন্দৰ কিবা এক জন্ম দিয়াৰ বাবে, ও নিজৰ জীৱনবোৰ শৃংখলতাৰ ছাঁয়াত জিৰনি লব দিওঁ । আড্ডা দিও জ্ঞান সফুৰা বঢ়োৱাৰ বাবে , ইয়াক ব্যৱহাৰ কৰো সমাজৰ সুস্থ গঠন আৰু উন্নতিৰ প্ৰধান অংশীদাৰ হিচাবে । উশৃংখল চিন্তাধাৰা অদ্ভুত ধৰণ কৰণৰ চৰ্চাৰ বাবে উপযুক্ত মঞ্চ হৈ পৰা আড্ডাবোৰ কৰি পেলাও সুস্থমনৰ মিলনক্ষেত্ৰ । দমৰ সৃষ্টি কৰো নিজৰ ভিতৰতেই বাৰে বাৰে চেষ্টা কৰাৰ মানসিকতাক সজীৱ কৰাৰ বাবে। হিংসাক অলপ বেলেগ ৰূপ দি ইয়াক ব্যৱহাৰ কৰো, আমাৰ দৰেই সমান সুবিধা পাই আমাতকৈ বহুত আগবাঢ়ি যোৱা সকলৰ বাৰু কাৰ্য্যক নিজৰ প্ৰেৰণাৰ সৃষ্টিৰ বাবে – আহা আমি এবাৰ চেষ্টা কৰোঁ –

চেষ্টা কৰা নিজক আত্মসমালোচনাৰে জৰ্জৰিত কৰিবলৈ, আত্মবিশ্লেষণ কৰা নিজা, তোমালোকৰ চৰিত্ৰ, ব্যৱহাৰ, কৰ্ত্তব্য দায়িত্ব ও সময়জ্ঞানৰ নিজৰ সুন্দৰ চেহেৰা আইনাত প্ৰতিফলিত হ'বলৈ দি আত্মসন্তুষ্টি লভাতকৈ নিজৰ মাজত এজন সু-ছাত্ৰ বা ছাত্ৰীক জন্ম দি সেইয়া প্ৰতিফলিত হ'বলৈ দিবা তোমালোকৰ অনুজসকলৰ চৰিত্ৰত, মনত ও চিন্তাৰ । নিজৰ সময়ৰ লগত সমানে আগুৱাই নিবলৈ নিজৰ চেহেৰাত কৃত্ৰিম প্ৰলেপ সনাৰ বিপৰীতে নিজক স্বাভাৱিকভাৱে সজাই লৈ যোৱা সৃষ্টিৰ সুন্দৰতাৰ ফলে, ধন্য কৰা নিজক গৌৰৱ কৰা নিজ জন্মকলৈ।


পাহৰি নাযাবা সময়ক ধৰি ৰাখিব পৰা ক্ষমতা তোমালোকৰ নাই । মাত্ৰ সময়ক তাৰ উচিত মূল্য দিবলৈহে বাধ্য কৰাব পাৰা নিজ কৰ্ত্তব্যৰ দ্বাৰা । সঁচা কথা, আজি তোমালোকক পথ প্ৰদৰ্শন কৰিবলৈ যথোপযুক্ত সকলোৰে অভাৱ । কিন্তু পাহৰি নাযাবা ফুল এপাহক ফুলিবৰ বাবে কেতিয়াও কোৱা নাযায়, ঋতুৰ পৰশ ও বসন্তৰ আগমনেই এপাহ ফুল ফুলিবৰ বাবে যথেষ্ট । এইটো ঠিক যে যদি নৈৰ সোতেঁই নাওঁৰ দিশ সলনি কৰে নাৱৰীয়াৰ কি দোষ? কিন্তু সেইবুলি জানো নাৱৰীয়াই তেনেদৰে আত্মসন্তুষ্টি লভিলে হ'ব ? নাৱৰীয়াৰ জানো সোঁতৰ দিশৰ লগত যুঁজাৰ মানসিকতা থাকিব নালাগিব ? মনত ৰাখিবা নিজক শুদ্ধ কৰিব পাৰিলেই, তোমালোকৰ মাজৰ পৰা এজন বেয়া ছাত্ৰ-ছাত্ৰী নাইকিয়া হৈ পৰিব, কাৰোবাক তোমালোকৰ এনে পৰিবৰ্ত্তনৰ বাবে দোষ দিবলৈ যোৱাৰ আগতে নিজক সংশোধন কৰা খুবেই প্ৰয়োজন আৰু এনে কৰাৰ শক্তি তোমালোকৰ নিশ্চয়েই আছে। মাত্ৰ তোমালোকে নিজক এবাৰ ফঁহিয়াই চোৱা, চাবলৈ শিকা, নিজা মনন শক্তিক জাগ্ৰত কৰাৰ চেষ্টা কৰা — ।

এই সুযোগত মই, মোৰ দৰে আন শিক্ষকসকলও অভিভাৱক সকলৰো ওচৰ চাপিব খুজিছো বৰ্ত্তমান ছাত্ৰ ছাত্ৰী সকলৰ এনে বিকৃত মানসিকতাৰ সমস্যাটোলৈ । বৰ্ত্তমান খুবেই জটিল হৈ পৰা এই অৱস্থাৰ বাবে আমিবোৰো জানো কিছু পৰিমানে দায়ী নহয় ? ধৰি লোৱা যাওক আমি দায়ী নহয়, তথাপিও জানো সমাজৰ এজন সুস্থ নাগৰিক হিচাবে চিনাকী দিয়া আমাৰ এইক্ষেত্ৰত কৰিবলগীয়া একো নাই ? এইটো সকলোৱে স্বীকাৰ কৰিবই লাগিব যে এজন ছাত্ৰ-ছাত্ৰীৰ জন্ম হয় প্ৰথমে তেওঁলোকৰ নিজা ঘৰত । প্ৰথম শিক্ষা লাভ কৰে তেওঁলোকৰ মাক-দেউতাকৰ পৰা ও ঘৰৰ পৰিৱেশৰ পৰা । আৰু এই পৰিবেশেই শিক্ষা জীৱন তথা সামাজিক জীৱনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ মহামন্ত্ৰ হৈ পৰে । ইয়াৰ পিছত তেওঁলোক জড়িত হৈ পৰে বিভিন্ন সময়ত বিভিন্নজন শিক্ষা গুৰুৰ লগত। এই শিক্ষা গুৰুসকলেই কালক্ৰমত হৈ পৰে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে একেধাৰে পথ নিৰ্দেশক ও একান্ত বন্ধু। শিক্ষা গুৰুসকলৰ প্ৰতিফলন ঘটিবলৈ ধৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত । এতিয়া প্ৰশ্ন হ'ল অভিভাৱক হিচাবে হওক বা শিক্ষাগুৰু হিচাবে হওক আমি আমাৰ কৰ্তব্য সঠিকভাৱে পালন কৰিছোঁনে ? পাৰিছোনে আমি তেওঁলোকক প্ৰয়োজনীয় সেই প্ৰাথমিক শিল্প ও পৰিবেশ দিব ? পাৰিছোনে আমি তেওঁলোকৰ সঠিক বন্ধু হ'ব ? যদি পাৰিছো, তেন্তে কিয় আজি আমি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৰ্ত্তমান বিৰাজমান সমস্যাবিলাকৰ বাবে বাবে মুখামুখি হ'ব লগা হৈছে ? এই সমস্যাবিলাক কিহৰ পৰিচায়ক ? মই ভাবো আমি পৰা নাই আমাৰ দায়িত্ব সঠিকভাবে পালন কৰিব । চেষ্টা কৰা নাই তেওঁলোকৰ সমস্যা বিলাক বুজিবলৈ। যদি বুজিছো সমাধানৰ চেষ্টা কৰিছো, তেনে প্ৰচেষ্টাই কিন্তু আন এক সমস্যাৰহে সৃষ্টি কৰিছে । (উদাহৰণৰ প্ৰাসংগিকতা অনুভৱ কৰা নাই )। আচলতে তেওঁলোকৰ সমস্যাবিলাকৰ সঠিক মুল্যাংকন হোৱা নাই । পৰা নাই আমি ইয়াৰ কাৰণবোৰ সুক্ষ্মভাৱে বিশ্লেষণ কৰিব । যি সুক্ষ্মবিশ্লেষণ হৈ পৰিছে একমাত্ৰ সমাধান । তেওঁলোকৰ মাজত সুস্থ মানসিকতাৰ জন্ম হ'ব লাগিব । আমিয়েই চেষ্টা কৰিব লাগিব বাবে বাবে সকলো ঘটনা পৰিঘটনাৰ কাৰণবোৰ ফহিয়াই চাই সেইবোৰৰ জটিলতা আঁতৰ কৰিবলৈ । সমস্যাবিলাকৰ পৰা আঁতৰি আহি পলায়নবাদী মনোভাব লোৱা বা আনৰ ওপৰত দোষবোৰ জাপি দিয়াৰ পৰিৱৰ্ত্তে সেই দোষ নিজে লৈ আঁতৰ কৰাৰ প্ৰচেষ্টা চলাব লাগিব । হয়তো প্ৰয়োজন আহি পৰিব আমাৰো আত্মসমালোচনা বা আত্মবলিদানৰ ।

এনে কাৰ্য্যবোৰৰ গতি যিয়েই নহওক ছাত্ৰ-ছাত্ৰীসকল, এইটো স্বীকাৰ কৰিবই লাগিব যে বৰ্ত্তমান তোমালোকৰ নৈতিক অধঃপতন এনেভাৱে হ'ব ধৰিছে হয়তো তোমালোকে অলপদিনৰ পাছৰ নিজা অস্তিত্ব নিজা চিনাকী সকলো হেৰুৱাই পেলাবা । ইয়াৰ বাবে সম্পূৰ্ণভাৱে জগৰীয়া তোমালোক নিজেই । গতিকে ইয়াৰ পৰিত্ৰাণৰ পথো তোমালোকে নিজেই বিচাৰি লব লাগিব। পাহৰি নাযাবা তোমালোকৰ ওপৰতেই এটা শিক্ষানুষ্ঠানৰ মান মৰ্য্যদা সকলো নিৰ্ভৰ কৰে । তোমালোকৰ বাবে সৃষ্ট এনে একোটা মন্দিৰ অপবিত্ৰ কৰাৰ অধিকাৰ তোমালোকৰ নাই । এনে অনুষ্ঠানৰ লগত জড়িত হৈ কৰা সকলো কামেই তোমালোকৰ জ্ঞান, বিবেকৰ দ্বাৰা পৰিচালিত হ'ব লাগিব । মনত ৰাখিবা জীৱশ্ৰেষ্ঠ আত্মসন্তুষ্টি আমালৈ আহিব এক সুস্থ সবল সমাজ গঠনৰ চেষ্টাত ও এক সুন্দৰ ভৱিষ্যতৰ ধৰণীৰ সৃষ্টিতহে।

*(মোৰ এই লিখনিৰ দ্বাৰা কাকো ব্যক্তিগতভাৱে আঘাত দিয়াৰ চেষ্টা কৰা নাই যদি তেনেভাব মোৰ লিখনিত প্ৰকাশ পাইছে তাৰ বাবে মই দুখিত ঃ লিখক )*

# ব্যৰ্থ প্ৰয়াস



ড০ পৰমানন্দ ৰাজবংশী

বছিৰুদ্দিনে অৱশিষ্ট বান্দৰ বিড়িৰ টুকুৰাটো বাহিৰলৈ দলিয়াই দিলে । বাছখনৰ চিটটোত বহি বেছ ভাল লাগিছে তাৰ । অকণমান পিছফালে হাউলি চিটটোত বহিলে বৰ আৰাম লাগে । টোপনিয়েই আহিব খোজে !

আগতেও সি বাছত উঠিছিল। কিন্তু খাৰুপেটীয়ালৈ নিজ ঘৰৰ পৰা খোজকাঢ়ি মঙ্গলদৈ চহৰলৈ বুলি অহা-যোৱা কৰা লাইন বাছবোৰৰ অৱস্থা চেৰণিত পৰি মৰিবলৈ ওলোৱা বুঢ়া হালোৱাৰ দৰে । সুদূৰ গুৱাহাটীলৈ বুলি বছিৰুদ্দিনে এই প্ৰথম বাছত উঠিছে । কোনো দিনে নেদেখা অথচ সদায় শুনি থকা গুৱাহাটী নগৰ আজি সি প্ৰথম দেখিব। ঘৰলৈ উভতি আহোতে হাফিজে দেৰকুৰি টকা দিব । দুপৰীয়া ভাতো খুৱাব। চাহ খাব পাৰিব । মাথো লাইন পাতি নগৰৰ আলিত ঘূৰিব লাগে । এঘণ্টা মান সভা শুনিব লাগে । বচ !

গছ-বিৰিখ, পাহাৰ-ঘৰবোৰ কৰিম মোল্লাৰ ঘোঁৰাটোৰ দৰে পিছলৈ তীব্ৰবেগে দৌৰিছে । বছিৰুদ্দিনৰ ওচৰত বহি থকা তমিজুৰে টোপনিয়াইছে । নোটোপনিয়াব! যিহে প্ৰকাণ্ড, সুন্দৰ নতুন বাছ ! বহা চিটবোৰ যেন খাৰুপেটীয়া চহৰৰ মাৰোৱাৰী বহি থকা গাদী ? ফাতেমাকো লগত আনিব লাগিছিল । তাইৰো গুৱাহাটী চাবৰ বৰ মন । পিছে পেটৰ বেমাৰটোৰ বাবে য'ত গণ্ডগোল। তাই আহিলে তিনিকুৰি টকা পালেহেঁতেন। হাফিজে জোৰ কৰিছিল । কিন্তু দুদিনমানৰ পৰা পেটৰ বিষটোৱে বৰকৈ কষ্ট দি আছে বাবে আনিব পৰা নগ'ল ।

আগতে মকবুলক কলেজত পঢ়ুৱাৰ ব্যৱস্থা কৰা হওঁক। খোদা আল্লাই দোৱা কৰিলে তাই গুৱাহাটী কি দিল্লী, বোম্বাইয়ো চাব পাৰিব । তাক যদি ডাঙৰ মানুহ কৰিব পাৰো কি ঠিক এদিন হয়তো মক্কালৈকো —

তমিজুৰৰ মূৰটোৱে হঠাৎ তাৰ কান্ধত খুন্দা মাৰিলে। বছিৰুদ্দিন টোপনীয়ে হেঁচা মাৰি ধৰা তমিজুৰৰ মূৰটো পোন কৰি দিলে ।

এহেজাৰ টকা হ'বলৈ আৰু মাত্ৰ দুশ ত্ৰিশ টকা বাকী। আজি যদি ডেৰকুৰি টকা পায়

তেনেহ'লে আৰু দুশ লাগিব। হাফিজে বাৰে বাৰে কৈছে গুৱাহাটীত কোনোবাই টকাৰ কথা সুধিলে আঢ়ৈ কুৰি টকা পোৱা বুলি ক'বলৈ ! আঢ়ৈ কুৰি পালে কথাই নাছিল । তেতিয়াহ'লে এশ চাৰিকুৰি টকাৰ চিন্তা মাথো থাকিলহেঁতেন ? বছিৰুদ্দিনে বাহিৰলৈ চাই মন কৰিলে আজি আকাশ পৰিস্কাৰ । কেৱল নীলা আৰু নীলা । সেই বাবেই ৰ'দটো টিকা ফটা ৰ'দৰ দৰে ।

যিদিনাই মকবুলে মেট্ৰিক পৰীক্ষাত পাছ কৰা খবৰটে ওলাল সেইদিন ধৰি বছিৰুদ্দিনৰ দুচকুত যেন টোপনি নাই । খাৰুপেটীয়া চহৰৰ পৰা পাছ কৰা খবৰটো দিবলৈ অহা মকবুলৰ মাষ্টৰজনক বছিৰুদ্দিনৰ কিবা পয়গম্বৰ যেন লাগিছিল। খবৰটো বনজুইৰ দৰে বিয়পি পৰিল । দুই-তিনিদিন ধৰি বছিৰুদ্দিনৰ ঘৰত মানুহে মানুহ । চৰ অঞ্চলৰ গাঁৱৰ ল'ৰাই, তাকো বছিৰুদ্দিনৰ দৰে পেটে ভাতে খোৱা ল'ৰাই মেট্ৰিক পাছ কৰিছে । সুদুৰ খাৰুপেটীয়ালৈ নাওত উঠি, প্ৰায়ে খোজকাঢ়ি পঢ়িবলৈ যোৱা মকবুল গোটেই অকলটোৰ ভিতৰতেই প্ৰথম মেট্ৰিক পাছ কৰা ল'ৰা । তাকো দ্বিতীয় বিভাগত । ঘৰলৈ অহা মানুহবোৰে মকবুলক আশীৰ্বাদ কৰিছিল । বছিৰুদ্দিন আৰু ফাতেমাক ভাগ্যবান বুলি মন্তব্য দিছিল ।

বছিৰুদ্দিন আৰু ফাতেমাৰ দুচকুৰে সবসবকৈ পানী নিগৰিছিল । আনন্দত । ফটা পটাৰ বচি লগোৱা হাফপেণ্ট পিন্ধি, টাপলি মাৰিবলৈ উপায় নোহোৱা একোটা চাৰ্টকে পিন্ধি, কেতিয়াবা আধাপেটী, কেতিয়াবা নোখোৱাকৈ স্কুললৈ অহা-যোৱা কৰা ল'ৰাটোৱে ইমান ডাঙৰ, ভাল কাম কৰিব বুলি বছিৰুদ্দিন, ফাতেমাই ভাবিছিলনে? বৰঞ্চ মজাল ধৰা বুলি বছিৰুদ্দিন, ফাতেমাই ভাবিছিলনে? বৰঞ্চ মজাল ধৰা আহু, শালি, বাঁধান অথবা মৰাপাট আধা চিকুনোৱাকে স্কুললৈ ধাপলি মেলা -মকবুলক বছিৰুদ্দিন গালি পাৰিছিল । ধমকি দিছিল । দুই-এদিন হাতো উঠাইছিল । মিঞাৰ বাদশ্বাহ হাকিম হ'বনালাগে । নিজহাতে কামাই কৰ আৰু খা । বছিৰুদ্দিনৰ গালি-গালাজ শাৰীৰিক আতিশয্যাত মকবুলে নীৰৱে চকুপানী টুকিছিল । সি নজনাকৈ মাক ফাতেমাই লুকাই চুৰকৈ খাৰুপেটীয়াৰ স্কুললৈ পঠাইছিল । বছিৰুদ্দিন গম নোপোৱা নহয়, পাইছিল । পিছে হ'ল বুলিনো নিজৰ গা-পোৱালীক কিমান আৰু গালি-গালাজ কৰি থাকিব !

আকাশখনত পাতল বগা মেঘৰ টুকুৰাবোৰ যেন ঘৰখেদা কৈ পিছলৈ দৌৰিছে । কোনোবা দুষ্ট লৰাইহে যেন নীলা আকাশখনত গাখীৰ দলিয়াই দিছে । মাজে মাজে জুই হেন বস্তুবোৰ বছিৰুদ্দিনৰ গাত পৰে । পিছে খিৰিকিৰ কাষত বহা বাবে ৰ'দৰ উত্তাপ সি অনুভৱ কৰা নাই । হুৰহুৰাই বতাহে তাৰ গালমুখত কোবাই আছে । মাজে মাজে সি তাৰ অসংলগ্ন দীঘল দাড়ি গোঁফ ঠিক কৰি লয় । এই তমিজটোৱেই বাতি কাৰোবাৰ দুৱাৰ ঠেলিবলৈ গৈছিল নেকি ! সি দেখো টোপনিত লালকাল ! সি গমেই পোৱা নাই যে গাড়ীয়ে মঙ্গলদৈ, ছিপাঝাৰ পাৰ হৈ এতিয়া গুৱাহাটী চাবিআলি পাব। আজি তিনি চাৰিদিন নেবানেপেৰাকৈ বৰষুণ দি থকাৰ বাবে কাষৰ পথাৰবোৰত পানী চপচপীয়া হৈ আছে । আজি পুৱাহে বৰষুণজাক এৰিছে । পুনৰ বৰষুণ আৰম্ভ হ'লে বান পানী হ'ব । কিন্তু বাৰিষাৰ মাহকেইটাত চৰ অঞ্চলত বান পানী বুলি বেলেগ পৰ্ব নাই । নাও, কলৰ ভুৰৰ ওপৰতেই তেওঁলোকৰ জীৱন । মাথো বানপানী বেচি হ'ল মথাউৰিৰ ওপৰত অথবা খাৰুপেটীয়াৰ কোনোবা শিবিৰত আশ্ৰয় লয়হি । ইমানবোৰ বাধা-বিঘিণিৰ মাজতো মোৰল'ৰাই মেট্ৰিক পাছ কৰিছে । তাক মঙ্গলদৈ চহৰত ৰাখি পঢ়ুৱাব লাগিব । অকণমান পঢ়াব সুবিধা কৰি দিলেই সি ভৱিষ্যতৰ পৰীক্ষাবোৰক ভাল ফল দেখুৱাব। এদিন হয়তো সি নভৰাকৈয়ে হাকিম মুঞ্চিপ হৈ যাব ।

বছিৰুদ্দিনে ইফালে-সিফালে চালে । নাই । তাৰ পিনে কোনেও লক্ষ্য কৰা নাই । সি সন্মুখৰ পিনে কিঞ্চিত হাউলি লুঙীৰ এটা লোচেৰে কাৰ্শলা সাপৰ দৰে গাললৈ নামি অহা আনন্দৰ চকুলোখিনি মচি ল'লে ।

মকবুলৰ স্কুল হেডমাষ্টৰে বছিৰুদ্দিনক মাতি পঠিওৱাত সি গৈছিল । ভয়-সংকোচ-গৌৰৱেৰে বছিৰুদ্দিন তেখেতৰ কাৰ্য্যালয়ত সোমাও-নোসোমাওঁকৈ সোমাইছিল । হেডমাষ্টৰ হলধৰ কলিতাই বছিৰুদ্দিনক হাতত টকা দুশ গুঁজি দি কৈছিল তাক মঙ্গলদৈত ভাৰাঘৰত ৰাখি হলেও পঢ়ুৱা । পঢ়িবলৈ তাৰ বৰ ইচ্ছা । এদিন সি ডাঙৰ মানুহ হ'বই। মোৰফালৰ পৰা এই দুশ টকা দিলোঁ । কলেজত নাম লগোৱা, তাৰ বিছনা-পত্ৰ, পেণ্ট-চাৰ্ট আদি কিনা মেলাত কমেও এহেজাৰ টকা লাগিব । বাকীখিনি তুমি কিবা প্ৰকাৰে যোগাৰ কৰা ।

সিদিনা টকা দুশ ফাতেমাৰ হাতত দি বছিৰুদ্দিনে তাইৰ লগত আলোচনা কৰিছিল । বাকী আঠশ টকা কেনেকৈ যোগাৰ কৰা যায় । এনেতে মকবুলে সিহঁতৰ আলোচনাৰ মাজত ভাগ লৈ ক'লে যে সি নিজাববীয়াকৈ দুশ টকা গোটাব। কলেজত নামভৰ্ত্তি কৰিবলৈ আৰু বিশ দিনমান আছে । এইকেইদিন সি দিন-হাজিৰা কৰিব। ফাতেমা বছিৰুদ্দিন বাক্‌ৰুদ্ধ হৈ পৰিছিল তাৰ দৃঢ়তা দেখি । ফাতেমায়ো দিন হাজিৰা কৰিবলৈ মন মেলাত বছিৰুদ্দিন ধমক দিলে । মই মতাটো থাকোতে তোৰ দৰে পেটবেমাৰী এজনীয়ে দিন হাজিৰা কৰি মোৰ চিন্তা বঢ়াব নেলাগে ।

বাকী ছয়শ টকাৰ চিন্তাত বছিৰুদ্দিনে অধিক পৰিশ্ৰম কৰিবলৈ ধৰিলে । বাপ-পুতেকৰ অৱস্থা দেখি ফাতেমা শংকিত হ'ল । পুতেকক পঢ়ুৱাবৰ বাবেই যদি এনেদৰে কষ্ট কৰিবলগা হয় —তেন্তে ভৱিষ্যত কি হ'ব ?

মকবুলে কলেজত পঢ়িবলৈ চহৰলৈ গ'লে মানুহটোৱে অকলে কামাই কৰিব লাগিব। এনেদৰে কষ্ট কৰিবলাগিলে দেখো মানুহটো অকালতে পৰি যাব । এদিন কথাটো বছিৰুদ্দিনক ক'বলৈহে পালে - সি গোজ গোজাই উঠিল । আৰে, এই বছিৰৰ কৰ্মঠ হাত দুখন থকালৈকে তই অযথা চিন্তা নকৰিবি! মই মোৰ ল'ৰাক পঢ়ুৱাই ডাঙৰ মানুহ কৰিমেই ! বছিৰুদ্দিনৰ কথাত ফাতেমা, সিদিনা মনে মনে থাকিল । ইতিমধ্যে ছয়কুৰি টকা গোটা খাইছে বাপেকে পুতেকৰ দিন হাজিৰাৰ

ফলত । দিদাৰুদ্দিন মহাজনে ডেৰশ টকা দিম বুলি কৈছে । মাথো বছিৰুদ্দিন পাঁচ কঠা মাটিৰ দুকঠা মাটিৰ মৰাপাটখিনি তাক দিলেই হ'ব ! সি মান্তি হৈছে । দুদিন পিছতেই হাফিজ তাৰ ওচৰলৈ আহিল । সিয়েই গুৱাহাটীলৈ যাবলৈ বহিৰুদ্দিনক ‍নগ ধৰিলে । ঘোৰা-লোৱাৰ উপৰিও ডেৰকুৰি টকা দিব।বিনা পইচাত গুৱাহাটী দেখাৰ উপৰিও খাব পাৰিব । আৰু পাব ডেৰকুৰি ৰূপ । বছিৰুদ্দিন তৎক্ষণাত মান্তি হ'ল । তাহাঁতৰ গাঁৱৰ প্ৰায় দুকুৰি মান মানুহ যাব। হাফিজ চহৰত থাকে । মাজে সময়ে মেল-মিটিঙৰ মানুহ নিবলৈ অথবা ইলেকচনত চাব মাৰিবলৈ ক'বলৈ সি সিহঁতৰ ওচৰলৈ নাহে ।

হাপিজৰ পৰা ডেৰকুৰি টকা পালে এহেজাৰ টকা হ'বলৈ আৰু মাথো দুশ ত্ৰিশ টকা লাগিব ।

ঃ ঐটা কি ব্ৰহ্মপুত্ৰেৰ দলং?

তমিজৰ মাতত বছিৰুদ্দিন উচপ কোৱাৰ দৰে হ'ল। অ'তো, নদী এখনৰ ওপৰেৰে বাছখন ধীৰগতিত আগবাঢ়িছে। লোহাৰ ৰেলিংবোৰ পিছলৈ গুচি গৈছে । হয়, এইখনেই ইমানদিনে শুনি থকা শৰাইঘাটৰ দলং ।

বছিৰুদ্দিন তমিজুৰৰ প্ৰশ্নোত্তৰ মূৰ দুপিয়াই দিলে ।

গাড়ীৰ ভিতৰত ড্ৰাইভাৰৰ ওচৰত থিয় হৈ হাফিজে আটাইকে সাজু হ'বলৈ ক'লে । অলপ পিছতে আটাইবোৰ নামিব লাগিব । এজন এজনকৈ যাতে নামে । বাছৰ মানুহখিনি একেলগে থাকে । হাফিজৰ অনুমতি নোলোৱাকৈ যাতে কোনো নেযায় । প্ৰথমতে গুৱাহাটীৰ ৰাজপথত শোভাযাত্ৰা হ'ব। শান্তি-সম্প্ৰীতিৰ শোভাযাত্ৰা । উপাযুক্তক স্মাৰক পত্ৰ দিয়াৰ পিছতেই এখন সভা হ'ব । তাত নেতাসকলে ভাষণ দিব । তাৰ পিছত খোৱা-বোৱা কৰি গাড়ীত উঠিব লাগিব ।

গাড়ীখন মহানগৰীৰ মাজৰ জজ ফিল্ডত ৰ'ল । হাফিজৰ কথা মতে গাড়ীৰ পৰা মানুহবোৰ নামিল । বছিৰুদ্দিনে নামি দেখিলে ফিল্ডখনত বহুত মানুহ বৈ আছে । যেন মানুহৰ বানপানী । মাইকৰ ঘোষণা অনুসৰি মানুহবোৰ এজনৰ পিছত এজনকৈ শাৰী পাতি সমুখলৈ খোজ ল'লে । বছিৰুদ্দিনেও তমিজুৰৰ পিছত থিয় হ'ল । হাফিজে ডাঠ কাগজত কিবা-কিবি এখন ফেষ্টুণ বছিৰুদ্দিনৰ হাতত দিলে । সি হাফিজে শিকাই দিয়া অনুসৰি সেইখন দাঙি আগবাঢ়ি গৈ থাকিল । কোনোবা দুগৰাকীমানে চিঞৰিছে । সিহঁতৰ চিঞৰ শুনি বাকীবোৰেও চিঞৰিছে একেলগে । বছিৰুদ্দিনে বৰ আমোদ পালে। নিশা তাহাঁতৰ গাঁৱৰ ওচৰত থকা হাবিখনতো শিয়াল-ফেউৰাবোৰে এনেদৰে চিঞৰে । চিঞৰাই চিঞৰি থাকক । খাব পালে —নাপালেও সি ডেৰকুৰি টকা পালেই হ'ল ।

হঠাৎ সমুখত গণ্ডগোল শুনি বছিৰুদ্দিন বৈ গ'ল । মূৰ দাঙি জুমি চাই দেখে সমুখৰ নাতি দূৰৈত অফিচঘৰ এটাৰ সমুখত পুলিচে দলটোক বাধা দিছে । হাফিজহঁত উত্তেজিত হৈছে । ইতিমধ্যে পিছৰ মানুহবোৰ গোট খোৱাত শাৰীবোৰ অসংলগ্ন হৈছিল । গাড়ী মটৰকে আদি কৰি যান-বাহনবোৰ বন্ধ হৈ গৈছিল ।

তাৰ পিছত কি হ'ল জানো । মানুহবোৰৰ চকুৱে মুখে চেপা উত্তেজনা । এটা সময়ত মানুহবোৰ ঠাইতে ইফালে-সিফালে দৌৰিবলৈ আৰম্ভকৰিলে । কোনোবা এজনে বছিৰুদ্দিনক খুন্দা মাৰি দিলে । বছিৰুদ্দিন ঠাইতে কৰ্ফাল খাই পৰিল । পৰি থকা ঠাইৰ পৰা কষ্টেৰে উঠিবলৈ চেষ্টা কৰোতে সি মন কৰিলে পুলিচে সমুখত যাকে পায় তাকে যধে-মধে কোবাবলৈ ধৰিছে । গাৰ ওপৰেৰে বহুতো লোক তাক গচকি পাৰ হ'ল। এনেতে এজন বন্দুকধাৰী পুলিচে সি যিখন হাতত ফেষ্টুন লৈ আছিল সেইখন হাতত বন্দুকৰ কুন্দাৰে খুন্দিয়াই খুন্দিয়াই ক'বলৈ ধৰিলে — "এই মিঞা, ভাগ যাওঁ, ভাগ যাওঁ !"

অসহ্য কষ্টত বছিৰুদ্দিনে চিৎকাৰ কৰি উঠিল —

ঃ ও মল্লো গো, মকবুলেৰ মা !

সম্বিৎ ফিৰাই পাই বছিৰুদ্দিনে লাহে লাহে চকু মেলিলে । দেখিলে সি এখন বিছনাৰ ওপৰত শুই আছে । সমুখত ফাতেমাই চকু চলচলীয়া কৰি বহি আছে । মকবুল ওচৰতে থিয় হৈ তালৈকে একেথৰে চাই আছে ।

বছিৰুদ্দিনৰ সকলো মনত পৰিল । সি মূৰ্চ্ছা যোৱাত তাক হাস্পতালত থোৱা হৈছে । তাৰ মূৰ শিতানৰ কাষত ঔষধ-পাতি, গিলাছ, কাহী ।

ফাতেমাৰ চকুলৈ বছিৰুদ্দিনে প্ৰশ্নবোধক দৃষ্টিৰে চালে। অৰ্থাৎ তইঁত কিদৰে আহিলি, এই ঔষধ-পাতি কেনেদৰে আনিলি?

মকবুল ওচৰ চাপি আহিল । সি পিতাকক সান্ত্বনা দিলে তই ভাল হৈ ল বাবা । মই এই বছৰ কলেজত নাম নলগাও । পিছৰ বছৰত লগাম । তই কোনো চিন্তা নকৰিবি।

ফাতেমা ফেকুৰি উঠিল ।

বছিৰুদ্দিনে বুজি পালে — মকবুলক কলেজত পঢ়াবলৈ যিখিনি টকা ফাতেমাৰ হাতত জমা আছিল সেইখিনি টকাৰে সিহঁত গুৱাহাটীলৈ আহিছে । ঔষধ-পাতি কিনিছে ।

ঃ চিন্তা কৰবি না মকবুলেৰ মা ! যখন আমাৰ এই দুহাত থাক্‌বে —

বছিৰুদ্দিনৰ কথাত হুকহুকাই কান্দি উঠিল ফাতেমা। বছিৰুদ্দিন আচৰিত হ'ল । কিন্তু সি মন কৰিলে যি দুখন হাতৰ কথা ফাতেমাক গৌৰৱেৰে কৈছে তাৰে সোঁহাতখন যেন কিবা অলৰ-অচৰ । এইখন হাতেৰে সি হাফিজে দিয়া কিবা এখন হাতত লৈ আছিল । আজি যেন হাতখন আধাতে নাই।

খৰখেদাকৈ বাওঁ হাতখনেৰে সোঁহাতৰ দাঁতিৰ কম্বলখন আঁতৰাই দি বছিৰুদ্দিন আচৰিত হ'ল । নিজৰ চকুক যেন সি বিশ্বাস নকৰিব । সোঁহাতখন সঁচাকৈয়ে আধাতে নাই ।

ঃ হায়, আল্লা !

এটি সৰু ল'বাৰ দৰে বছিৰুদ্দিনে হুক্‌হুকাই কান্দিবলৈ ধৰিলে ।

## অতিথি কবিৰ কবিতা

*নীলিম কুমাৰ*

# অন্তঃসত্ত্বা



তাই শোৱে চিৎ হৈ
শুকুলা মেঘৰ বিছনাত
গছ গছনি পৰ্বত পাহাৰ ভাঙি ছিঙি
জোনাক ফালি ছিৰি
এঙামুৰি দিয়ে তাই
আৰু আকাশখন
ভৰিৰে গুছায়

কেঁচা কেঁচা তাই গোন্ধ পায়
অচিন তেজৰ
আৰু ওকলিয়ায়
নেজাল তৰা

তাইৰ চকুৰ ভুৰৰ জোপোহাত
ভিৰ্ কৰে সপোনবোৰ
আৰু তাই ছিঙি পেলায়
তেজৰ সিবাৰ পৰা এটা দুঃস্বপ্ন

তাইৰ উদৰৰ টিলাৰে
জুপিয়ায় তঁৰাবোৰ

টিলাটোৰ তলিত ফেকুৰে
আন এটা তৰাৰ হৃৎপিণ্ডই

তাইৰ স্তনৰ সিৰাই সিৰাই
দহোটা নিজৰা আহি লুকায়
দহোটা জোনে আহি
বুৰ যায় তাতে

এশখন পথাৰৰ বাহু উঠি আছে
তাইৰ হ'বলৈ উশাহ
দুখনি হৃদয় পিন্ধি
তাই হয়অধীৰ আউলি বাউলি

সাত সাগৰ শোহে চাৰিটা ওঁঠেৰে
তিৰবিৰাই চাৰিটা চকুৰে হয়
ফুট-গধূলিৰ জোনাকী

লুকাই চুৰকৈ তাই মাটি খায়
কেঁচা মাটি পোৰা মাটি

মৌ-বিচনি তাইৰ উদৰৰ তলিৰপৰা
কোনোবাই গুণগুণায় আৰু
তেজৰ এটা জবাফুলৰ নলিচাৰে
পান কৰে তাইক

সাত বৰণীয়া এখন ৰামধেনুৰে
তাই চিলায় এটা থুনথুননি
আৰু এদিন হঠাৎ
তাইৰ নাভিত সেউজীয়া এজাক বিষ
তাইৰ কঁকালত হাতে ভৰিয়ে সৰ্বাংগত
সেই বিষৰ কেচেমা কেচেম গোন্ধ

এটা বুৰবুৰণিৰ
ভৱিষ্যত

সেইদিনা তাই পাহৰি যায়
মোক
যিজনে তাইক এই শৰ মাৰিছিলো।

# হৃদয়ৰ পৃথিৱী আৰু মই

(প্ৰসঙ্গ চিন্তাৰ পাণ্ডুলিপি)

*কিশোৰ মোহন ভট্টাচাৰ্য্য*

**প্ৰস্তাৱনা ঃ**

হৃদয়ৰ পৃথিৱীত তেওঁক প্ৰথমবাৰ লগ পাওঁতে
তেওঁৰ বয়স আছিল দহ কি বাৰ !
তেওঁৰ ওঠত লাগি আছিল
হাঁহি
আৰু সেই সময়ত মই আছিলো
সপোনৰ ঢৌ

**প্ৰথম পাঠ ঃ**

মোক পৰা কোমল মন কাঢ়ি নি
তেওঁ হাঁহিছিল
আৰু মই উৎকৰ্ণ হৈ ৰৈ আছিলো
এটা কবিতাৰ প্ৰতিক্ষাত .................
তেওঁ বাৰে বাৰে টেলিফোনত মোক কৈছিল
পোহৰে গান গাব জানে ।

**দ্বিতীয় পাঠ ঃ**

তেওঁৰ চকুত লাগি আছিল
চিন্তাৰ উৎস
আৰু মই কিবা এটা কোৱাৰ আগতেই
তেওঁ মোৰ হাতত গুজি দিছিল
হৃদয়ৰ অভিজ্ঞতা ।



**তৃতীয় পাঠ ঃ**

আজি
মোৰ যৌৱন প্ৰাংগণত টেলিফোন নাই
তেওঁ চিন্তাৰ পাণ্ডুলিপি পঢ়ি
মোৰ আৱেগ কাঢ়ি নিলে
আৰু মোক যুক্তিৰে প্ৰথম পাঠ শিকালে ।

**চতুৰ্থ পাঠ ঃ**

তেওঁৰ সন্মুখত দুটা বাট –
এটা মসৃন আৰু
আনটো এন্ধাৰে আৱৰা ওখোৰা-যোখোৰা
অৱশ্যে দুয়োটা বাটেই সুগম ।

**পঞ্চম পাঠ ঃ**

তেওঁ মোক যৌৱনক অ আ ক খ শিকালে
অৱশ্যে আ-কাৰ ই-কাৰ বা
যুক্তাক্ষৰ শিকিবলৈ বাকী –

**ষষ্ঠ পাঠ ঃ**

তেওঁৰ চিন্তাৰে মুখৰিত হয়
এটা আৱেগিক সন্ধিয়া
আৰু ব্ৰহ্মপুত্ৰৰ পাৰত
আন্ধাৰৰ মৌন প্ৰাৰ্থনা ।

**সপ্তম পাঠ ঃ**

তেওঁৰ পৰিচয় মই হৃদয়ত লিখি থলোঁ ।
নাম — দৃষ্টি
বয়স – গাণিতিক পৰিসংখ্যাৰে উল্লেখ কৰিব
নোৱাৰি,
বৰ্তমানৰ ঠিকনা – মোৰ হৃদয়,
মাৰফৎ – মোৰ কবিতা
স্থায়ী ঠিকনা – উজনি অসম ।

**পৰিশিষ্ট ঃ**

হৃদয়ৰ পৃথিৱীত তেওঁ মোৰ বাবে
চিন্তাৰ পাণ্ডুলিপি
তেওঁৰ হাতৰ স্পৰ্শই মোৰ দৃষ্টি ।
এৰা, তেওঁ যে এটা আধুনিক কবিতা ।


চমু পৰিচয়
নাম–*কিশোৰ মোহন ভট্টাচাৰ্য্য*
জন্ম – উত্তৰ গুৱাহাটী, ১৯৬৭ চন।

*পাঁচ বছৰ বয়সত দৃষ্টিহীন ব্ৰেইল পদ্ধতিৰে পঢ়াশুনা কৰি গুৱাহাটী অন্ধ বিদ্যালয়ৰপৰা ১৯৮৫ চনত ৭৮.২৩% নম্বৰ পাই প্ৰৱেশিকা পৰীক্ষা উত্তীৰ্ণ । বুৰঞ্জী আৰু সমাজ অধ্যয়ণত লেটাৰ সহ বুৰঞ্জীত সৰ্বোচ্চ নম্বৰ । কলেজীয়া শিক্ষা গুৱাহাটীৰ ডঃ বৰুৱা মহাবিদ্যালয়ত । ১৯৯৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিভাগত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ। বৰ্তমান ডঃ দেৱব্ৰত শৰ্মাৰ তত্ত্বৱধানত গুৱাহাটী বিশ্ববিদ্যালয়ত বুৰঞ্জী বিভাগত গৱেষণা । প্ৰকাশিত গ্ৰন্থ – কবিতা পুথি তিনিখন দৃষ্টিত তৃষ্টি স্বপ্ন । মোৰ অশ্ৰুশিক্ত ভাষাৰে , দীপাঞ্জলী, বিকল্প জীৱন । একমাত্ৰ প্ৰবন্ধ সংকলন – 'চিন্তাপুঞ্জ' । বিভিন্ন আলোচনীৰ লগতে বাংগালোৰৰ পৰা প্ৰকাশিত 'The Ability নামৰ আলোচনী এখনৰো নিয়মীয়া লেখক।*

## Neel Pawan Baruah

Born on 1st June in 1936 at Teok, Assam. Graduated in Fine Arts from KALA BHAWAN, SANTINIKETAN IN 1996.

Completed a 2-years Certificate Course in Glazed Pottery at SREE NIKETAN.

Had been associated with the Govt. School of Arts & Crafts, Guwahati for 2 years as Art Teacher.

Founder Secretary of the Assam Fine Arts and Crafts Society, Guwahati which was established in 1971.

Organised the First Ever Workshop on the Traditional Mask Making in 1982.

**Solo Exhibition**

From 1970 to 1978, several Solo Exhibitions in different parts of Assam.

At Lucknow Lalit Kala Akademy in 1972.

At Birla Academy of Art and Culture, Calcutta in 1986.

At Bhubaneswar in 1986.

**Group Exhibition**

At New Delhi, Calcutta, Guwahati, Jorhat, Nowgong, Shillong, Tezpur, Bongaigaon, Biswanath Chariali etc. organised by Lalit Kala Akademy, North East Zone Cutural Centre, Assam Fine Arts and Crafts Society, Guwahati Artist Guild, Jorhat Fine Arts Society etc.

**Workshop**

Participated workshops organised by :


1. All India Sculptors Forum at Garhi Studio, New Delhi in 1978.
2. The Society for Contemporary Artists, Assam at Guwahati in 1984.
3. North East Zone Cultural Centre at Shillong in 1993.

**At Present**

Engaged in reviving the art of Brindavani Bastra, the famous textile painting associated with Vaishnava Saint, Srimanta Sankardev.

Teachers art in his studio-cum-school "BASUNDHARA KALA NIKETAN" at Sourav Nagar, Beltola.

**ADDRESS : Basundhara Kala Niketan**
**Souravnagar, Beltola,**
**Guwahati-781028.**



*Neel Pawan Barua*



*Oil on Canvas*

### নীলপৱন বৰুৱা সমীপেষু

*আপুনিয়ে আপোনাৰ দৃশ্য ।*
*মন আছে, ৰং আছে, সন্ধ্যা আছে, স্পৰ্শ আছে,*
*জোনাক আছে, স্নেহ চাৱনিও আছে ।*
*আৰুনো কি কি আছে ? যি যি আছে*
*সেইয়াইতো আপোনাৰ আপুনি ।*
*নীলা, সেউজীয়া, মটীয়া, ৰঙা আৰু বেগুনীয়া ।*
*আটাইবোৰেইতো ছাঁ-পোহৰৰ খেলা ।*
*ঘৰ আছে, নদী আছে, গছ আছে, ফুল আছে,*
*নিৰ্জনতাও আছে ।*
*আনন্দ আছে, বিষাদো আছে । কাৰনো কি নাই*
*এই নগ্নতাত নগ্ন আমি ।*
*শুদ্ধ-অশুদ্ধ, হাঁহি কান্দোনৰ মেলা । আছে তেওঁ*
*আছে, মই আছোঁ, আপুনিও আছে ।*
*আৰু কোনে নহকৈ থাকিব পাৰে ? কি যে এক দৃশ্যাৱলী।*
*হয় আপুনিয়ে অন্তহীন বাক্‌হীনতাৰ বাক্ ........... ।*

— সমীৰ তাঁতী

# নীলপৱন বৰুৱাৰ লগত কনৈয়ানৰ পাতত এটি অন্তৰংগ আলাপ

## শিল্প সম্বন্ধে ঃ

Q. 1. আপোনাৰ মতে কলাৰ সংজ্ঞানো কি ?

Ans : চিত্ৰ-ভাস্কৰ্য্যত ব্যস্ত হৈ হৈ - চিত্ৰ আৰু মই হয়তো একাকাৰ হৈ পৰিছো - বেলেগে ইয়াৰ সংজ্ঞা দিয়াটো সেয়ে মোৰ বাবে কষ্টকৰ। তথাপিও প্ৰবাহিত জীৱন আৰু প্ৰবাহিত নদী যেন একেই — দুকূল ঢকা পানী আৰু সোঁত মানেই নদী । সোঁত নোহোৱা নদী, খাল-বিল বা জলাশয় হৈ পৰে —*'জীৱনো সেয়ে-কলাও সেয়ে - প্ৰবাহিত এক গতি, সৃষ্টিৰ অহৰহ সোঁত ।*

Q. 2. জীৱন আৰু কলাৰ সম্পৰ্ক সম্বন্ধে আপোনাৰ ধাৰণাটো কি ?

Ans : জীৱনক সুন্দৰ কৰাই কলাৰ উদ্দেশ্য — দশো দিশে সুন্দৰ বিৰাজমান, তাৰ মাজৰ পৰা দৰকাৰী অংশটো বুটলি আনি কামত লগোৱাটোৱেই শিল্পীৰ কাম । (Art is long and time is fleating). সুন্দৰ মুহূৰ্তবিলাক সহজে মানুহৰ দৃষ্টি, শ্ৰৱণ, মানসত জগাই তুলি শিল্পী আমাৰ আপোনৰো আপোন হৈ পৰে।

Q. 3. আপুনি বাৰু অসমৰ দৰে পিছপৰা ঠাইত চিত্ৰশিল্পৰ বৰ্তমান আৰু ভৱিষ্যত কেনেধৰণৰ বুলি ভাৱে ?

Ans : পৃথিৱীত এতিয়া কোনো ঠায়েই দ্বীপ হৈ নাই । ইলেক্ট্ৰনিক মিডিয়াই চুকে কোণে প্ৰভাৱ পেলাইছে । অসমত বহি আজিৰ শিল্পীয়ে লণ্ডন, নিউইয়ৰ্ক, পেৰিচৰ দৰে ছবি মূৰ্ত্তি সৃষ্টি কৰিছে — লেঠা মাত্ৰ — পাৰৈহে যোৱা সময়খিনিক কি দৰে পুৰোৱা যায়; আমি ক'ত থিয় হৈ বৰ্তমানৰ লগত বুজাপৰা কৰিম ?

Q. 4. আধুনিক চিত্ৰশিল্পৰ যি দুৰ্ব্বোধ্যতা, সি সৰ্ব্বসাধাৰণ মানুহৰ বাবে সহজ হোৱাৰ স্থল আছেনে?

Ans : আধুনিক চিত্ৰকল্প বা ভাস্কৰ্য্যত ব্যক্তিগত ধাৰণাই বিশেষ স্থান লবলৈ ধৰিছে — শিল্পীজন বা শিল্পকাৰ্য্যত ৰত ব্যক্তিজনক নেজানিলে তেওঁৰ সৃষ্টি সৰ্ব্বসাধাৰণৰ বোধগম্য হোৱাটো কঠিন। আনহাতে আধুনিক প'প (Pop Culture) ষ্টাইলে ইয়াক লোক শিল্পৰ দৰে সহজ কৰি তুলিবলৈ চেষ্টা কৰিছে। কিন্তু ইয়াৰ পিছৰ ধাপত Instalation (যেই কোনো বস্তু আনি চিত্ৰৰ তল বা Space ত লগ লগাই কৰা চিত্ৰ-ভাস্কৰ্য্য) এ আকৌ নতুন খেলিমেলিৰ হয়তো সৃষ্টি কৰিছে। মানুহক বুজিলে মানুহৰ সৃষ্টিক বুজিব পাৰি । আজিৰ সময়ত শিল্পীক বুজা বৰ দৰকাৰ ।

Q. 5. চিত্ৰশিল্পত ৰঙৰ যি প্ৰতীক — তাৰ বিষয়ে কিছু কথা কওক

Ans: মোৰ কাৰণে চিত্ৰত expression টো প্ৰধান কথা । সেইটো ৰঙেও আনে, ফৰ্মেও (Form) আনে, ৰেখাইও হয়টো আনিব পাৰে। এই বিষয়ত মই বিশেষ দিশ এটাত লাগি নেথাকো — যেতিয়া যিটো সহজলভ্য তাৰেই সৃষ্টি কাৰ্য্য সমাপন কৰো।



Q. 6. জীৱনৰ বিচিত্ৰতাক ৰং আৰু তুলিকাৰে কেনেকৈ মূৰ্ত্তমান কৰি তোলে?

Ans : মনত সৃষ্টি হোৱা ভাৱনাবিলাক কেন্‌ভাচৰ স্পেচত (Space) সুখ, দুখ, আনন্দ, বিৰহৰ প্ৰলেপ সানি ।

## কিছু ব্যক্তিগত ঃ

Q. 1. সৃষ্টিৰত হ'বলৈ আপোনাক দিয়া প্ৰেৰণাৰ উৎস কি ?


Ans : দুখ কিম্বা অন্যকামৰ যোগেদি পোৱা অকৃতকাৰ্য্যতা আৰু অৱহেলা ।

Q. 2. আপোনাৰ শিল্পীজীৱনৰ শুভাৰম্ভ কেতিয়া হৈছিল ? আপুনি সৰুকালত কেতিয়াবা ভাবিছিলনে নিজকে এইদৰে চিত্ৰকৰৰূপে প্ৰতিষ্ঠা কৰিব?

Ans : প্ৰথম আনুষ্ঠানিকভাবে তুলিকা ধৰো যাঠি চনত, চৌৰিশ বছৰ বয়সত । এষষ্ঠি চনত পঁচিছ বছৰ বয়সত একাডেমিক শিক্ষাৰ কাৰণে শান্তিনিকেতনৰ কলাভৱনত ভৰ্ত্তি হওঁ । তাৰ পৰা পয়ত্ৰিশ বছৰ হ'ল চিত্ৰ-শিল্পৰ লগত জড়িত হৈ আছোঁ । সৰুতে চিত্ৰশিল্পী হ'ম বুলি ভৰা নাছিলোঁ । প্ৰথাগত বিদ্যাই বিশেষ গঢ় দিব নোৱাৰাৰ কাৰণে নিজাববীয়াকৈ চিত্ৰশিল্পৰ যোগেদি নিজকে গঢ় দিবলৈ চেষ্টা আৰম্ভ কৰো । পথ বৰ দুৰ্গম আৰু দীঘলীয়া - - চেমনীয়া বয়সৰ পৰাই আৰম্ভ কৰা হলে সৰু-সুৰা কথাবিলাক আৰু ভালকৈ শিকিব পাৰিলোহেঁতেন ।

Q. 3. আপোনাৰ প্ৰিয় চিত্ৰকৰ কোন?

Ans : বহু আছে । ভেনগগ-পিকাচো আদি .....



Q. 4. কেনেকুৱা পৰিবেশত আপুনি আঁকি ভাল পায় ?

Ans : শিল্পচৰ্চা মোৰ জন্মগত নহয় । অৰ্জ্জন কৰা বিদ্যা । বহুলোকৰ মাজত থাকিও অকলশৰীয়া হ'ব পাৰো । আকৌ একান্ত নিৰ্জন স্থলতো মনেৰে 'মেলা'ৰ পৰিবেশ গঢ়িব পাৰো । ইচ্ছা হ'লে হাটখোলাৰ হুলস্থূলীয়া পৰিবেশতো মানুহে নিজক দ্বীপ হিচাবে গঢ়ি ল'ব পাৰে । মোৰ বাবে পৰিৱেশতকৈ মুডটোহে ডাঙৰ কথা ।

Q. 5. কোনটো সপোন আপুনি দীৰ্ঘদিন ধৰি দেখি আহিছে ?

Ans: এখন বৃহৎ উদ্যানত বৃন্দাবনী প্ৰাচীৰ চিত্ৰ আৰু বহুতো চিত্ৰমূৰ্ত্তি স্থাপন কৰি ৰাইজৰ মনোৰঞ্জনৰ কাৰণে মুকলি কৰি দিয়াটো আৰু আমাৰ নিজা ঘৰত (টীয়কত) এটি সৎ অনুষ্ঠান গঢ়ি আমাৰ অঞ্চলত শিল্প-ভাৰ্স্কয্য আৰু লগতে নানান জ্ঞান-বিজ্ঞান আৰু কলাৰ চৰ্চাৰ সুবিধা কৰি দি পৃথিৱীৰ কলা-সংস্কৃতিৰ চৰ্চ্চাৰ কেন্দ্ৰ হিচাবে গঢ়ি তোলাটোও এটা পূৰণি সপোন । সৰুতে গৰ্বেৰে কৈছিলোঁ – মোৰ গাওঁখনক পৃথিৱীৰ এটা beautispot কৰি গঢ়ি তুলিম, দুখৰ বিষয় আমাৰ সেই ঘৰবোৰ আজি শ্মশানৰ নিৰ্জ্জনতাত নিমজ্জিত ।

Q. 6. আপুনি অৱসৰৰ সময় কণ কেনেদৰে কটায়?

Ans: ঘাঁহ কাটি, বাৰী চিকুনাই, পঢ়ি আৰু গল্প কৰি । পিছে গল্প কৰিবলৈ লগ নাই ।

Q. 7. চিত্ৰকৰ নোহোৱা হলে আপুনি কি হ'লহেঁতেন?

Ans: (অলপ হাঁহি) বোধ হয় ৰাজনীতি চৰ্চ্চা কৰিলোহেঁতেন।

Q. 8. আপোনাৰ জীৱনৰ স্মৰণীয় মুহূৰ্ত্তটো কি ?

Ans : মনত পেলাব পৰা নাই ।

Q. 9. আপোনাক যদি কোনো অলৌকিক ক্ষমতা দিয়া হয় তেন্তে প্ৰথমেই আপুনি কি কৰিবলৈ বিচাৰিব?

Ans : পৃথিৱীখন মানুহে জ্ঞান আৰু সৌন্দৰ্য্যৰ ধাৰণাৰে শ্ৰমৰ যোগেদিহে সুন্দৰ কৰি আনিছে (দুই এক ক্ষেত্ৰত ভুল প্ৰয়োগ অশান্তিও বঢ়াইছে) অলৌকিক ক্ৰিয়াৰে নহয় । পৃথিৱী পশুত্বৰ পৰা দেৱত্বৰ ক্ষেত্ৰলৈ ৰূপান্তৰ হৈছে শ্ৰমেৰে - সাধনাৰে - অলৌকিকতাৰে নহয়। গতিকে অলৌকিক ক্ষমতাৰওচৰতো মোৰ এটাই অনুৰোধ হ'ব–আজীৱন যেন শিল্পৰ বাবে শ্ৰম কৰি যাব পাৰো ।

Q. 10. উঠি অহা প্ৰজন্মৰ বিষয়ে আপোনাৰ কিবা ক'বলগীয়া?

Ans : প্ৰতিজন মানুহৰ ভিতৰতে এজন শক্তিশালী পুৰুষ লুকাই থাকে – সেই পুৰুষজনক জগাই তোলা - তেওঁ পৃথিৱী জয় কৰিব পাৰে । "উতিষ্ঠিত জাগ্ৰত প্ৰাপ্যবৰণিবোধতা।" (উঠা, জাগা আৰু নিজৰ প্ৰাপ্য গ্ৰহণ কৰা)

*(এই সাক্ষাৎকাৰটি লোৱাত বিশেষ ভাৱে সহায় আগবঢ়ালে প্ৰাক্তন কানৈয়ান তথা গুৱাহাটীৰ এজন বিশিষ্ট কলাৰসিক শ্ৰীপ্ৰদীপ শৰ্মাই।।*

গল্প




# অনুসন্ধান

**মৌচুম বৰুৱা**
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)*

দুৱাৰখনৰ হুকটো লগাই মই মোৰ ক্লান্ত শৰীৰ বিচনাত এৰি দি চকু দুটা মুদি দিবলৈ যত্ন কৰিলো । এই কেইদিন মোৰ মনটো একেবাৰেই ভাল লাগি থকা নাই । প্ৰকৃততে এই চহৰীয়া জীৱনটোৰ প্ৰতি বিতৰাগ হৈ পৰিছো । এটা মাথো যান্ত্ৰিক, নতুনত্বহীন, একঘেয়ী জীৱন জীয়াই আছোঁ । মই নিজকেই ইয়াত বৰ অকলশৰীয়া অনুভৱ কৰিছো । গাঁৱৰ পৰা আহি এই চহৰত চাকৰি কৰা মোৰ আজি প্ৰায় দহবছৰ মানেই হ'ল । গাঁৱৰ পৰা অহা বাবেই হয়তো ইয়াৰ পৰিবেশৰ লগত খাব খাব পৰা নাই । কিন্তু বাকীবোৰ মানুহেতো জীৱনৰ এই বাহ্যিক ৰূপটোৰ লগতেই সন্দৰকৈ সহৱস্থান কৰি আছে। কিছুদিনৰ পৰা মই নিজেই অনুভৱ কৰিছো যে প্ৰকৃততে মই চহৰত বাস কৰা মানুহেই নহয় । ঘৰৰ অৱস্থা ভাল হোৱাহেতেঁন হয়তো মই চাকৰি এৰি গাৱঁলৈকে গুচি গ'লোহেঁতেন । গাঁৱৰ জীৱনত সঁচাই এটা প্ৰানস্পন্দন থাকে, গাঁৱৰ পৰিবেশত থাকে এটা বিশুদ্ধতা আৰু গাঁৱৰ মানুহবোৰৰ হৃদয়ৰ নিভৃতকোনত বিচাৰি পোৱা যায় একো একোটা সঁচা মানুহক। মই বৰ আবেগিত হৈ ক'ব নোৱাৰাকৈয়ে বিছনাৰ পৰা উঠি ৰেকটোৰ পৰা এটা পুৰণি ফাইল টান মাৰি আনিলো । এই ফাইলটোতেই বান্ধি থোৱা আছে মোৰ গাঁৱতে থাকোতে লিখা কিছুমান কবিতা আৰু গল্প, ফাইলটোৰ মাজৰ ধূলিময় লেখনিবোৰ লিৰিকি বিদাৰি থাকোতেই মনত পৰিল অতীতৰ বহুতো মধুৰ স্মৃতি, মই আৰু ৰাজেন, ৰমেশ, নীৰেন আদি সমবয়সীয়া ডেকাল'ৰা কেইটাই লগ লাগি এটা লাইব্ৰেৰী স্থাপন কৰিছিলো। তাৰ আলমতে গাওঁখনত এটা বৌদ্ধিক পৰিবেশো গঢ়ি উঠিছিল। তদুপৰি আমি এটা সংঘ খুলি গাঁৱৰ ৰাস্তা-পদুলি, স্কুলঘৰ আদি চৰকাৰী সাহাৰ্য্যলৈ বাট নাচাই বাইজৰ সহযোগতে মেৰামতি কৰিছিলো । আৰু সেই সময়তে মই বহুতো, গল্প-কবিতাও লিখিছিলো । এইবোৰ

কাকত-আলোচনীতো প্ৰকাশ পাইছিল। সঁচাই কি মধুৰ আছিল এই দিনবোৰ । তাৰ পাছত আমি সকলোৱে নিজ্ৰ নিজৰ উচ্চ শিক্ষা তথা চাকৰিৰ বাবে বিভিন্ন ঠাইলৈ ওলাই আহিলো । অৱশ্যে ৰমেশে গাঁৱৰেই হাইস্কুলত শিক্ষকতা কৰি গাঁৱতেই আছে । আমি অহাৰ পাছত গাঁৱৰ বৌদ্ধিক চিন্তা চৰ্চা বহুখিনি কমি গ'ল হেনো । তথাপি আজি ডেৰ বছৰ মানৰ আগতে গাঁৱলৈ গৈছিলো । তেতিয়াও মই গাঁওখনৰপৰা জীয়াই থকাৰ প্ৰবল প্ৰেৰণা লাভ কৰিছিলো । আজি অৱশ্যে বহুদিন গাঁৱলৈ যোৱা নাই অফিচৰ কৰ্ম ব্যস্ততাৰ বাবেই । তথাপি বিশ্বাস, গাঁৱত হয়তো এতিয়াও সেই প্ৰানস্পন্দন পাম । কিন্তু এই চহৰবোৰত? সঁচাই এই চহৰবোৰত একো নাথাকে । একোখন চহৰবোৰত? সঁচাই এই চহৰবোৰত একো নাথাকে । একোখন যেন জীৱন্ত মৰুভূমি । নাই কোনো বৌদ্ধিক চিন্তা, নাই কোনো সৃষ্টিশীল কৰ্ম । আছে মাথো মানুহে মানুহক প্ৰবঞ্চনা কৰা, মানুহে মানুহক হত্যা – লুণ্ঠন কৰাৰ কিছুমান জলন্ত দলিল। ওহঃ, মোৰ বৰ অসহ্য লাগি গৈছে । নাই নাই এই পৰিবেশত আৰু থাকিব নোৱাৰি । এনেকুৱা পৰিবেশত থাকিব লাগিলে মোৰ মানসিক ভাৰসাম্য হেৰুৱাই পেলাব লাগিব । সেয়ে মই সিদ্ধান্ত কৰি পেলালো যে কালিলৈ অফিচত দহদিনমানৰ ছুটী লৈ গাঁৱলৈ গৈ কিছু সজীৱ হৈ অহা যাওক।

পাছদিনা দহ বজাতেই অফিচলৈ গৈ দহ দিনৰ চুটীৰ দৰ্খাস্ত দি গাঁৱলৈ বুলি উঠিলো । আজি বহুদিনৰ মূৰত গাঁৱলৈ গৈছো বাবেই মনটো এনেয়ে ভাল লাগি আছে । বাছত যাওতে ৰাস্তাৰ কাষৰ সোনালী ধাননিবোৰ দেখি আনন্দত মোৰ মনত ক'ব নোৱাৰাকৈয়ে গুঞ্জৰী উঠিল পৃথিৱীৰ কবি ৰাম গগৈৰ কালজয়ী "পথাৰ" কবিতাৰ দুটা মান শাৰী ঃ-

*'সেউজীয়া প্ৰানৰ পথাৰ*
*সোনালী ৰূপালী হয়*
*বাকৰিত সোন গুটি লাগে*
*নতুন আৰু নতুন*
*হে পথাৰ*
*হে সৃষ্টি সম্ভৱা বিপুল পথাৰ*
*তোমাক নমস্কাৰ।"*

মই পথাৰৰ সোনালী ধাননিৰ মাজত স্বপ্নাতুৰভাৱে বিচাৰি ফুৰিছো মোৰ জীৱনৰ অতীতৰ স্বপ্নিল ঘটনাবোৰ । হঠাৎ বাছখন ৰৈ যোৱাতহে মই বাস্তৱ জগতখনলৈ ঘূৰি আহিলো । বাছৰ পৰা নামিয়েই মই মোৰ চেনেহী গাওঁখনলৈ এবাৰ চকু ফুৰালো । বহুত পৰিবৰ্তন হ'ল । এই তিনি আলিটোও ব্যস্ত হৈ পৰিছে । আগৰ তিনিখন দোকানৰ ঠাইত এতিয়া প্ৰায় দহ পোন্ধৰখনমান সকলো ধৰণৰ দোকান হ'ল। বাহ বহুত উন্নত হৈ গ'ল ঠাইখন ! গাওঁখনৰ সৰহ সংখ্যক ঘৰেই পকা হ'ল । নতুন নতুন মানুহ বহুত আহিলে। আনকি দুই এঘৰৰ চোতালত একোখন গাড়ীও ৰৈ থকা দেখিলো । আমাৰ গাওঁখন সঁচাই বহুত উন্নত হ'ল । মনটো এনেয়ে ভাল লাগি গ'ল । নিজৰ গাওঁখনৰ উন্নতিত স্বাভাৱিকতেই সকলোৰে ভাল লাগে । তথাপি যেন কিবা এটাৰ অভাৱ মই অনুভৱ কৰিছোঁ। আগতেই আমাৰ সংঘটোৱে ৰাইজক একগোট কৰি বন্ধা ৰাস্তাটোও জৰাজীৰ্ণ ৰূপ লৈছে । দুই এঠাইত এতিয়াও বাৰিষাপানী বাগৰাৰ চিন আছে । দুই এঠাইত এতিয়াও বোকাময় হৈ আছে৷ হয়তো আজিকালি এইবোৰ মেৰামতি কৰিবলৈ কাৰোৰেই সময় নাই । এনেবোৰ বিক্ষিপ্ত চিন্তাৰ হেন্দোলনিৰ মাজেৰে মই মোৰ ভাইটোৰ ঘৰ পালোগৈ । মোৰ এনে অপ্ৰত্যাশিক আগমনে সকলোকে আচম্বিত কৰি তুলিলে । ঘৰখনৰ সকলো মানুহ যেন অধিক ব্যস্ত হৈ পৰিল। ভতিজা ল'ৰাটো ওলাই গ'ল দৈনিক বজাৰত মাছ-মাংস কিবা পাই নেকি বিচাৰি চাবলৈ । ভাই বোৱাৰী আৰু ভতিজা ছোৱালীজনীয়ে মোক চাহ একাপ দি ভাত ৰন্ধাত ব্যস্ত হ'ল। মই আৰু ভাইটোৱে আগচোতালতে বহি কথা পাতি থাকিলো।

সেইদিনা দুপৰীয়া ভাত খাই উঠোতে প্ৰায় তিনি বাজিবৰে হ'ল। তামোল এখন খাই মোৰ বাবে সুন্দৰকৈ সজাই থোৱা বিছনাখনত দীঘল দি পৰিলো । বহুদিনৰ মূৰত আজি এনেকৈ নিৰ্জন মুহূৰ্ত্তত মই নিজকে লগ পাইছোঁ । মই অনুভৱ কৰিলো খিৰিকিৰে জিলিকি থকা সোণালী ধাননিবোৰৰ মাজৰ পৰা যেন কোনোবাই হাত বাউল দি মাতি আছে । হঠাৎ যেন মোৰ নাকত স্পৰ্শ কৰি গ'ল পকা ধানৰ সেই চিনাকি চিনাকি গোন্ধে । মই আৰু ৰৈ থাকিব নোৱাৰিলো। হাতৰ ঘড়ীটোলৈ লক্ষ্য কৰি দেখিলো চাৰে চাৰিটা বাজিছে। ভতিজা ল'ৰাটোৰ নতুন চাইকেলখন লৈ অতীত ৰোমন্থনৰ বাবে গাঁৱৰ মাজেৰে মোৰ বাল্য বন্ধু ৰমেশৰ ঘৰলৈ চাইকেল চলাই দিলো । মোক দেখি স্বভাৱসুলভ মুক্ত হাঁহি মাৰি ৰমেশে আচৰিত হৈ ক'লে – "আৰে জীৱন দেখোন । বহুদিনৰ মূৰত খবৰ-খাতি নোহোৱাকৈ আহিলি যে ? বহ চোন বহ ।'

মই বৰ নিৰ্লিপ্তভাৱে ক'লো – "এনেয়ে মনবোৰ ভাল লাগি থকা নাছিল সেয়ে গুচি আহিলো আজি।"

ৰমেশে বৰ আগ্ৰহেৰে সুধিলে – "অকলে আহিছ নে ফেমিলি আনিছ ?"

মই ক'লো – "নাই-নাই একেবাৰেই অকলে আহিছো। এইবাৰ গাওঁলৈ আহিছো আমাৰ অতীতৰ দিনবোৰৰ স্মৃতি ৰোমন্থনৰ বাবে । শৈশৱ আৰু যৌৱনৰ দিনবোৰ পুনৰ এবাৰ চাবলৈ আহিছো । চহৰীয়া জীৱনটোৰ প্ৰতি মোৰ একেবাৰে মোহ নাইকিয়া হৈ গৈছে বুজিছ । পৰা হেঁতেনটো ইয়ালৈকে ঘূৰি আহিলো হেঁতেন । আৰু তাত থাকি মই প্ৰত্যেকদিনাই অনুভৱ কৰিছো মোক যেন বাৰ্দ্ধক্যই হেঁচা মাৰি আনিছে । এই চুলিবোৰটো দেখিছই মৰাপাটৰ দৰে হ'ল । তদুপৰি মোৰ লেখকজীৱন বৰুৱাকটো চহৰত কাহানিবাই হত্যা কৰা হ'ল। সেয়ে মনটো অলপ সজীৱ কৰি যাও বুলি কালি ইয়ালৈ অহাৰ সিদ্ধান্ত ল'লো আৰু গুচি আহিলো ।"

"বাৰু সেইবোৰ বাদ দে", অলপ বৈ মই পুনৰ আৰম্ভ কৰিলো, "এতিয়া কচোন গাঁৱৰ পৰিবেশ কেনেকুৱা হৈ আছে ? এনেয়ে কিছুমান লক্ষন দেখি অনুমান কৰিছো যে গাওঁখনত আগৰ সজীৱতা ম্লান পৰিছে । তথাপি নিশ্চয় শূন্য হৈ যোৱা নাই ।"

ৰমেশে দীঘল হুমুনিয়াই এটা কাঢ়িলে আৰু অৰ্থবহ মৃদু হাঁহি এটা মাৰি ক'লে – "জীৱন, শুন, আগৰ সেই গাওঁ আৰু নাই । ময়ো তোৰ নিচিনাকৈ ইয়াতে বৰ ছাফকেছন, ফিল কৰিছো । কিন্তু মই ভাবিছিলো তই চহৰত বৰ শান্তিৰে আছ । এখন বিশ্ববিদ্যালয়, তদুপৰি বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান থকা এখন চহৰত মই ভাবিছিলো তই নিশ্চয় এখন সাৰুৱা কৰ্ষণ থলী গঢ়ি লৈছ । কিন্তু আজিহে তোৰো ভুল ভাগিল, মোৰো ভুল ভাগিল। প্ৰকৃততে তোৰ মোৰ নিচিনা মানুহ ক'তোৱেই শান্তিৰে থাকিব নোৱাৰ বুজিছ। আজিকালি এই গাওঁবোৰতো একো নাইকিয়া হ'ল । চহৰৰ আধুনিকতাৰ বতাহে ইয়াতো স্পৰ্শ কৰিলেহি । ইজন সিজনৰ মাজৰ আগৰ সেই সম্পৰ্ক, সেই বান্ধোন আজি আৰু নাই । এতিয়া গাঁওৰ প্ৰত্যেকটো মানুহেই আত্মকেন্দ্ৰীক হৈ গৈছে । আৰু এটা কথা হয়তো নাজানই জীৱন । আমি যে স্থাপন কৰিছিলো লাইব্ৰেৰীটো; সেইটো নাই নহয় । গাঁৱৰ ডেকাবোৰে আগৰ সেই লাইব্ৰেৰীটো ভাঙি তাত এটা পকা ক্লাব কৰিলে ।"

"কি?" – মই আৰ্তনাদ কৰি উঠিলো । মোৰ বুকুত যেন কিবা এটাই খুন্দা মাৰি ধৰিলে ।

ৰমেশে অতি সহজভাৱে হাঁহি মোক দুটা আলমাৰীৰ ফালে আঙুলিয়াই ক'লে - " সেইবোৰ চা, লাইব্ৰেৰীৰ কিতাপ। অলপ মই আনিলো আৰু অলপ আমাৰ স্কুলৰ প্ৰিন্সিপাল চাৰে নিলে।"

মই আৰু মুখেৰে একো মাতিব নোৱাৰিলো । ৰমেশেও হয়তো মোৰ বেদনাৰ কথা অনুভৱ কৰিছে । এনেকৈয়ে বহু সময়ৰ নিস্তব্ধতাৰ পাছত মই ক'লো - "ৰমেশ ব'লচোন সিহঁতেনো লাইব্ৰেৰী ভাঙি নতুন পকী ক্লাব সাজি কি সমাজ সেৱা কৰে চাই আহোঁগৈ ।

ৰমেশে প্ৰতিবাদৰ সুৰতেই ক'লে – "নাই নাই জীৱন, তাঁলৈ নোযোৱাই ভাল নেকি । তোৰ মনটো আৰু বেছিহে বেয়া লাগিব । আৰু যদি তোৰ যাবলৈ একান্তই ইচ্ছা তেনেহ'লে তই যা। কিন্তু মই হ'লে সেইফালে যাব নোৱাৰোঁ। সিহঁতৰ কাণ্ডকাৰখানা দেখিলেই মোৰ অসহ্য লাগি যায় ।"


"ঠিক আছে, তেনেহ'লে ময়েই চাই আহোঁগৈ সিহঁতেনো কি কৰে চাই আহোঁগৈ চোন।' - মই বহাৰ পৰা উঠি ক'লো ।

মই ৰমেশৰ ঘৰৰ পৰা ওলাই আহি আমাৰ পুৰণি লাইব্ৰেৰীৰ ফালে জোৰেৰে চাইকেল চলাই দিলো । মই আমাৰ পুৰণি লাইব্ৰেৰীটোৰ ঠাইত দূৰৰ পৰাই বিজুলী চাকিৰে উজ্জ্বল হৈ থিয়হৈ থকা পকা ক্লাব ঘৰটো দেখিলো । ক্লাবটোৰ ওচৰ পাই লাইটৰ পোহৰত জিলিকি থকা চাইনবৰ্ডখনত দেখিলো "বকুলপুৰ কল্যাণ সংঘ"। মই দুৱাৰ মুখলৈ গৈ ভিতৰলৈ ভুমুকি মাৰি চালো । চিগাৰেটৰ ধোঁৱাৰে ধূসৰিত কোঠাটোত থকা অধিকাংশ ডেকাই মোৰ অচিনাকি । সিহঁতে ভাগে ভাগে কেৰম, শ্বেছ আৰু কেইটামান ল'ৰাইটো জুৱা খেলি থকাও প্ৰত্যক্ষ কৰিলো । মোৰ চিনাকি ডেকা কেইটাও মোক দেখি নেদেখাৰ ভাও জুৰি সিহঁতৰ কামত ব্যস্ত হৈ দেখুৱাইছে । এটা চুকত আকৌ ডাঙৰ মিউজিক চিষ্টেম এটাত উচ্চস্তৰত বাজি আছে এটা বজাৰুৱা হিন্দী গান । হয়তো কোনো হিন্দী চিনেমাৰ গান । দুটামান ল'ৰাই আৰু' গানৰ তালে তালে শৰীৰৰ বিভিন্ন অংগী ভংগীৰে নাচি আছে । ওহ কি যে বিকৃত দৃশ্য ! এয়াই আমাৰ নতুন পুৰুষ নে ? মই আৰু তাত এক মুহূৰ্তও বৈ থাকিব নোৱাৰিলো । ৰমেশে থিকেই কৈছিল ইয়ালৈ নহা হ'লেই ভাল আছিল । মোৰ নিজকে নিজেই চিঞৰি চিঞৰি প্ৰশ্ন কৰিবৰ মন গ'ল এইখনেই সেই বকুলপুৰ গাওঁনে ? যাৰ শীতল ছাঁতেই মোৰ নতুন জীৱনৰ পাতনি মেলিছিলো । মই সজোৰেৰে ঘৰলৈ চাইকেল চলাই দিলো । সেইদিনা আৰু কাৰো লগতেই মোৰ কথা পাতিবৰ মন নগ'ল। মই সিদ্ধান্ত কৰি পেলালো যে এই গাঁৱত আৰু থাকিব নোৱাৰি। সেয়ে কালিলৈকে চহৰলৈ ঘূৰি যোৱাৰ সিদ্ধান্ত কৰিলো। তাত অন্ততঃ দিনটোৰ ব্যস্ততাত এইবোৰ পাহৰি থাকিব পাৰিম। কিন্তু ইয়াত মই যদি আৰু দুদিনমান থাকো নিশ্চিতভাৱেই মোৰ ভাৰসাম্য হেৰুৱাই পেলাম ।

পিছদিনা ৰাতিপুৱাতেই ঘৰৰ সকলোকে আচৰিত কৰি মই ঘূৰি যাবলৈ ওলালো । ঘৰৰ সকলোবোৰেই জোৰকৈ ৰখাইছিল যদিও মই নাথাকিলো । যিমান পাৰো সোনকালে গাওঁখন এৰি যাবলৈ মোৰ মন গৈছে । মই কোবাকোবিকৈ তিনিআলিলৈ উলাই আহি বাছ এখনত বহি পৰিলো । শেষবাৰৰ বাবে মোৰ গাওঁৱখনলৈ ঘূৰি চালো । মনে মনে ক'লো বিদায়, মোৰ বকুলপুৰ। তোমাক ইহঁতে উলঙ্গ কৰি পেলালে । তোমাৰ এই ৰূপ চাবলৈ মই আৰু কোনোদিন ইয়ালৈ ঘূৰি নাহো । মোৰ হৃদয়ত হঠাৎ এক অচিন বেদনাই প্ৰচণ্ডভাৱে খুন্দা মাৰি ধৰিলে । মই নিজকে পুনৰ বৰ অকলশৰীয়া অনুভৱ কৰিলো। লক্ষ্য কৰিলো ৰাস্তাৰ কাষৰ পকাধানবোৰত কৰবাৰ পৰা উৰি অহা এজাক টুনী চৰাই পৰিছেহি। সিহঁতে কুট কুটকৈ পকাধানবোৰ খাবলৈ লৈছে । মোৰ আৰু সহ্য নহ'ল । বাছৰ ওখ ছিটটোত মূৰটো পেলাই চকু দুটা মুদি দিবলৈ যত্ন কৰিলো । মই মোৰ চৌদিশে এক গভীৰ অন্তহীন গভীৰ অন্ধকাৰ অনুভৱ কৰিলো । কাৰণ মই আজি দিশহাৰা ।

* * * * *

# THE CONFESSION



**_Kabita Duarah_**
*B. A. 3rd Year*

It has been often said that money will by this which are for sole, and happiness is not one of them. Then how can we describe happiness? Thought Sujata, as she long on the bed. It was the month of April, and the time more 3 p.m. As the day more a Sunday, she had the day to herself. Once on bed, she was trying to relax. But could she ? Her mind seems always to be busy. It never stop thinking. And what does the mind think? Any sweet and exciting plane for the future? No, it doesn't. It can only think about her past. Just now also her disobedient mind was thinking. And it was thinking about happiness. Whenever Sujata thinks of happiness, she always hears Rosy madam's voice uttering those words -

Happiness is a skillful art
Can be developed without strain
When its missed by the heart
It goes down the drain.

Has she experienced supreme happiness in her life? Sujata asked herself. No, not for the last ten years. But before that? Ah! Surely, there were certain moments in her life, which can be termed as the supreme moments of happiness.

When she was a H.S. IInd year student, she had gone with Amritam and Julie to the school where they had once studied. When they reached school, they did not see a single girl or any sisters around. There was pin drop silence, occasionally disturbed by the sound of falling

turige and chirping bride. They walked by the swings and merry-go-round and then went to the assembly ground. They stood there hand in hand enjoying the peaceful bliss. Here is my school, so calm, so beautiful, so sacred. A temple of education. Sujata had thought, and was surged by emotions. Those days when she went to school with bag and water bottle, when she and her friends pretended ill to avoid drill, when they fought, when they cried, when they gave headache to their teachers and Headmistress, all those days came back to her mind. She could see that Smritam and Julie were also thinking. She read in their faces those sweet memories of school life. And it was at this moment, when the three stood in silence, recalling their school days, that she experienced supreme happiness.

One of Sujata's friends, had told her that she experiences supreme happiness when she observes the vast fields that changes colour all through the years. Being an urban dweller, she had no such luck to enjoy the greenery and fresh fragrance of paddy fields. But in her own urban area, when there was a load-shedding, and she sat with her parents, sister and brother in the verandah, discussing their problems, telling each other their experiences, watching the stars, the moon, she felt immensely happy despite of the mosquitoes.

Even her college life was not devoted of happiness. In fact her college life was sweeter than her school life. Sujata couldn't help smiling. Memories of her college life always brought a smile to her face. Its like an oasis in her life. She thought about those days when everything in college was new to her. At first she hated the girls common room, the furnitures in the class-rooms, and even her seniors. But then, how things changed so quickly. The ugly class-rooms, the common room, become a part of her life. Her seniors like Mrinmoy became her friend, philosopher and guide. She can never forget the smiles and tears of her friends. And oh! She can never forget him. That lecturer whom she admitted, whose glimpse made her day all bright and sunshine. She knew her college, and college knew her. The majestic devadaru trees in the campus knew her, for she sat under them with Meenakshi, Madhavi, Raju, Pranjal and many others. Even the stairs knew her for she very often sat there and gossipped.

After leaving the college, Sujata could secure a high class government job, she has a spacious quarter, a govt. car, and everybody around talked about her luck, her success. Even her parents thought that she is one of the happiest creatures on earth. But was she really happy ?

Ding .......... dong .......... the calling bell rang. Sujata got out of bed. When she opened the door, the postman handed her a letter. A look at the envelope told her that the letter was from her mother. She took out a chair to the verandah and sat down. At the moment, the sunrays were like a warm blanket. She saw the tagar plant in full bloom. She saw the green, tender leaves of the Nahar tree. Except her, everything around was so fresh, so green, so sweet scented, masked Sujata. What is her state? She is scorched. Yes, scorched deep down to the soul, as a fruit of her revenge on Sandhya. And for the last ten years. She is suffering; suffering very privately.

Without opening the envelope, Sujata knew the contents of the letter. It was the same old pressure from her mother to get married. When her mother had stayed for a few days with her some months ago, she said to her everyday —

"Sujata, for God's sake, tell me when you intend to get married. Or are you thinking of marrying after our death?"

Sujata can understand her mother's concern. She was getting on to 34, and still was unmarried. But she can never think of marriage. After taking revenge on her best friend, she has realised the meaning of that proverb — "Revenge is sweet, but its frits are bitter." For years, she has been bearing the fruit for her deed, by burning, suffering and crying.

Sandhya was her best friend. People called her a living goddess. She was gentle, benign, humble and always ready to extend a helping hand. Sujata anvild her. But Sandhya never knew about it. She had saved Sujta's life by her blood, when Sujata was seriously injured in an accident. But Sujata was not grateful. In fact she became more

envious. Her every reached such a proportion that she was soon on the lookout for an opportunity to take revenge on Sandhya. And Sujata's long awaited opportunity came.

Sujata, Sandhya and Aditya worked in the same department. They were all young, and soon became very intimate. Sujata knew Aditya was in love with her. She too was in love with him. When he looked at her, she found the sky more blue, the grass more green, and the air more crazy. She felt like on belonging to another world. In her dreams she saw her little beautiful house where she would plant pink roses along with Aditya. But her dreams were short lived. She came to know that Sandhya also loved Aditya. Aditya too was aware that two girls, who are also best friends, were in love with him. Sujata was perplexed. Sandhya had once saved her life. What is she to do now? But Sujata's envy got the better of her. She realised her time had come. So when Aditya proposed to her, she rejected him at once, because she wanted revenge on Sandhya.

Sujata heaved a sigh, and got up. Already darkness had descended. For a few minutes she watched the darkness. Now there was no trace of the tagar plant or the Nahar tree. But the darkness had such a bewitching charm. She fall in love again with the dark night. She went in, and kept the envelope aside. "O! God, please keep Sandhya, Aditya and their 6 year old Anubhav in sound health." Sujata prayed to the Almighty.

**A boorish fellow questioned Alexander Dumas rather too closely about his genealogical tree. "You are a Qadroon, Mr Dumas?" he began.**

**"I am Sir," quaintly replied Dumas.**

**"And your father?"**

**"Was a Mulatto."**


**"And your grandfather."**

**"A Negro," hastily answered the dramatist, whose patience was warning.**

**"And may I inquire what your great - grandfather was ?"**

**"An ape, Sir!" thundered Dumas," My pedigree commences where you... terminates."**

# মৰুত মৃগয়া



Love, the sudden thought of it trouth, how you gave me
a fight How quiet it is, this design
We are determined to, defeat
I'd like to believe now
I have nothing to do with you,.

**(*Jayanta Mahapatra*)**


*মানস প্ৰতীম শৰ্মা*

*(স্নাতক তৃতীয় বৰ্ষ, বিজ্ঞান)*


(১)

ঘৰটোৰ নাম 'নিলয় নিবাস,' সন্মুখত ডাঙৰ গেট, সমগ্ৰ কম্পাউণ্ডটোৰেই ওখ দেৱালেৰে আৱৰা । ইয়াতে তুমি থাকা। তোমালোকৰ শুধ বগা এই ঘৰটোৰ গম্বুজটো বহুত দূৰৰ পৰাই চকুত পৰে । নিৰ্জ্জন তোমালোকৰ বাৰাণ্ডা । ডাঙৰ-ডাঙৰ খিৰিকীবোৰত গধুৰ পৰ্দা ওলমিছে । বেৰত লাগি আছে এয়াৰকুলাৰ। মিহি সেউজীয়া ল'নত এটা স্পানিয়েল কুকুৰ শুই আছে ।

দেখিলেই বুজা যায় তোমালোকৰ এই ঐশ্বৰ্য্য এক পুৰুষীয়া নহয় । এইবোৰ তোমালোকৰ ক'কাদেউতাৰ দিনৰ। শুনিছো তেওঁ বোলে বৃটিছৰ দিনৰ ৰায়বাহাদুৰ আছিল । উজনি অসমৰ অগ্ৰনী চাহ খেতিয়কৰ ভিতৰতো এজন আছিল তোমালোকৰ ক'কা । এইবোৰ কাৰণতে তুমি জন্মৰে পৰাই আভিজাত্যৰ মাজত পালিত হৈছা ।

কেতিয়াবা আবেলি চকুত পৰে, তুমি চাদৰ ওপৰত

লক্ষ্যহীনভাৱে পাইচাৰী কৰিছা । বৰ সুন্দৰ অভিজাত নিস্তব্ধতা তোমালোকৰ । সেয়ে মোৰ ঘৰৰ ৰাস্তা সেইফালে নহ'লেও মই মাজে-মাজে তোমালোকৰ আগৰ ঘৰৰ এই নিৰ্জ্জন ৰাস্তাটোৱেদি পাক এটা মাৰি যাওঁ । ক'ব নোৱাৰো কিহৰ আকৰ্ষণত, কিহৰ তাড়নাত মই এই বাটেদি যাওঁ । কিবা এটা কুহকমন্ত্ৰই যেন আচ্ছন্ন কৰি মোক তোমালোকৰ ঘৰৰ ফালে লৈ যায় । মাথো মই ইয়াকে জানো, এইফালেদি পাৰহৈ গলেই মই সুখ পাওঁ। এক অনামী আনন্দই পুলকিত কৰে হৃদয় ।

আজি হঠাৎ দেখিলো, তুমি অকলে খোজকাঢ়ি গৈছা। যেতিয়া তুমি কদা-কাচিৎ খোজ কাঢ়ি যোৱা, তেতিয়াহে মোৰ তোমাৰ লগত একে সমতলত দেখা হয় । আজি যেনেকৈ হৈছে। নহ'লে তুমি বাহিৰলৈ আহিলে তোমালোকৰ সেই গাড়ীখনতহে আহা। তোমালোকৰ গাড়ীখনৰ কিবা গণ্ডগোল হ'ল নেকি আজি; নহ'লে বাইফ'কেল লেন্স পিন্ধা সেই বুঢ়া ড্ৰাইভাৰজনৰ ।

বহুতদিন তোমাৰ লগত দেখা হোৱা নাছিল । এতিয়া শীতকাল সোমাইছে । তোমালোকৰ ঘৰৰ সন্মুখৰ চেগুন কেইজোপাৰ ডাঙৰ-ডাঙৰ পাতবোৰ অবিৰামভাৱে মাটিত পৰিছে। এনেতে তুমি গেটখন খুলি ওলাই আহিলা । তোমাৰ পিন্ধনত গাখীৰৰ দৰে শুধ-বগা এখন শাড়ী । বগা শাড়ীৰে তোমাক আত্মানুসন্ধানত ওলোৱা কোনো সন্যাসিনীৰ দৰে লাগিছিল । সুন্দৰ অভ্যাস তোমাৰ, শাড়ীৰ আচলেৰে সমগ্ৰ দেহাটোক সুন্দৰভাৱে আবৰি, সোঁ হাতেৰে সেই আচলৰ মূৰটো ধৰি থাকা। মুৰটো তললৈ কৰি খোজ কাঢ়া, যেন মাটিত কিবা পৰি গৈছে আৰু তুমি তাৰ সন্ধানৰতা । নে কাৰোবাৰ চকুত চকু পৰি যায় বুলি ভয়তেই এই সতৰ্কতা? সেইদৰে তললৈ মূৰ কৰি খোজ কঢ়াৰ বাবেই তুমি মোক আজিলৈকে দেখা নাই । মোৰ অৱশ্যে তোমাৰ এই আপোন-বিভোৰ হৈ খোজ কঢ়াৰ ভংগীটো বৰ ভাল লাগে ।

তুমি ৰাস্তাৰ ইমূৰত থকা ৰঙা পোষ্টবক্সটোৰ কাষলৈ গৈ তাত এখন চিঠি ভঁৰালা । মোৰ গাৰ ইমান কাষেদিয়েই পাৰ হৈ গৈছিলা যে তোমাৰ আচলৰ বাই মোৰ গা প্ৰায় চুই গৈছিল। তুমি যোৱাৰ বহুদেৰিলৈকে মোৰ নাকত তোমাৰ বিদেশী পৰিফিউমৰ গোন্ধ লাগি আছিল । মই কিছু সময়লৈ তন্ময় হৈ পৰিছিলো । উভতাৰ বাটত মোৰ চকু পোষ্টবক্সটোৰ ওপৰত পৰিল । চাপৰ, মোটা ক'লাটুপীপিন্ধা পোষ্টবক্সটোৱে যেন মোক মৌনভাৱেৰেই উপলুঙা কৰিলে । মই বেয়া নাপালো – তাৰ কাষলৈ গৈ তাৰ টুপীটোত হাতখন দি ক'লো, "দোষ্ট Your are lucky."

(২)

এতিয়া ফাগুণ মাহ । পচোৱাজনীয়ে বাট-পথ নিকা কৰি যোৱা ফাগুণ । অ'ত-ত'ত ৰঙাকৈ জ্বলিছে মদাৰ, পথাৰৰ মাজত ৰঙাকৈ ফুলিছে পলাশৰ আজি দিনটো ৰাতিপুৱাৰপৰাই পৰিস্কাৰ । আকাশত এফোঁটাও মেঘ নাই । যোৱা কেইদিনমান ধৰি বৰষুণ দিয়াৰ বাবে আকাশখন আচৰিত ধৰণে নীলা মুখ তোমালোকৰ ঘৰ পাওঁতে দুপৰীয়া হৈ গৈছে। বাহিৰত তোমাক নেদেখিলো । তোমালোকৰ বুঢ়া মালীটোৱে ঘাঁহ কটা ক'লটো ঠেলি ঠেলি ঘাঁহ কাটিছে । ল'নত দুখন ফল্ডিং চেয়াৰ পাৰি থোৱা আছে । তাৰ কাষতে গেৰেজটোৰ মুখত এখন নীলা স্কুটাৰ Stand কৰি থোৱা আছে ।

মই তোমালোকৰ ঘৰৰ পৰা চকুটো আঁতৰাই ৰাস্তাৰ ইটো মূৰে ছালো, পষ্টবক্সটো চকুত পৰিল । পষ্টবক্সটোৱে যেন মোক দেখি ফিক্‌ফিক্ কৈ হাঁহিছে । মোৰ মূৰটো গৰম হৈ গ'ল । মই খৰ খোজেৰে তাৰ পৰা আঁতৰি আহিলো ।

মই আহি বজাৰ পালোহি । হঠাৎ ফুট-পাথৰ কেইটামান ভিক্ষাৰী ল'ৰা-ছোৱালীয়ে মোক আগুৰি ধৰিলে । ৰুক্ষ চুলি, কৰুণ চকু, কৃশ চেহেৰা । সিহঁতে আহি মোৰ আগত হাত পাতিলেহি । মোৰ মনতো বেয়া লাগি গ'ল । তাহাঁতক কিবা এটা দিওঁ বুলি পকেটত হাত ভৰাওঁতেহে মনত পৰিল, পকেট তিনিদিন আগতেই খালী । যোৱা তিনিদিন মোৰেই উপবাস । সিহঁতে প্ৰথমতে লাহে লাহে, পিছত জোৰেৰে চিঞৰিবলৈ ধৰিলে "কিবা দিয়া, কিবা দিয়া।" ভাগ্য ভাল ওলোটা ফালেদি এজন কনিষ্টবল আহি আছিল । মোৰ কাষ চাপি তেওঁ নাজানো কি ভাবি লাঠিডাল জোকাৰি হুংকাৰ কৰিলে 'ভাগ' । লগে লগে ল'ৰা-ছোৱালী কেইটা পলাই ফাত মেলিলে । তাৰ পাছত কনিষ্টবলজনে এবাৰ লাঠিডাললৈ প্ৰসংশাৰ দৃষ্টি দি আকৌ মোৰ ফালে চাই এটা গৌৰবৰ হাঁহি মাৰিলে । প্ৰত্যুত্তৰত ময়ো এটা অপ্ৰস্তুত হাঁহি মাৰিলো । দূৰৰ পৰা সৰু ল'ৰা-ছোৱালী কেইটাই মোলৈ চায়েই চিঞৰি আছিল "ভাগ ! ভাগ ! "

(৩)

আজি তোমাক এক নতুন ৰূপত দেখিলো, ষ্টিয়াৰিং হুইলত তোমাৰ অসহায় দুখন হাত, অহংকাৰত অলপ ওখ তোমাৰ শিৰ, কপালৰ পৰা নামি আহিছে কেইডালমান অবিন্যস্ত চুলি । কপালত বিন্দু বিন্দু ঘামৰ টোপাল । তোমাৰ মুখখন চেৰিফলৰ দৰে ৰঙা হৈ পৰিছে । কাষত খাকী পোচাক পিন্ধা তোমালোকৰ সেই বুঢ়া ড্ৰাইভাৰ । অকমান সৌফালে হাওলি তেওঁ ঠিক কন্ট্ৰল ৰাখিছে ষ্টিয়েৰিংৰ ।

নিজৰ ভালপোৱাৰ মাজত সোমাৱাই তোমালোকৰ মেজেণ্টা ৰঙৰ গাড়ীখনে বৰ আলফুলে তোমাক আগুৱাই লৈ গ'ল । মোক দেখুৱাই সেই শকট পোষ্টবক্সটোৱে যেন নিশব্দে চিৎকাৰ কৰি উঠিল – 'হ্যাপি মোটাৰিং মাদমোয়াজেল, হ্যাপি মোটাৰিং ।'

যদিও অকণমান টান খাইছিল তোমাৰ গাড়ী, কিন্তু এইটোটো কবই লাগিব যে তুমি যথেষ্টই শিকি লৈছিলা ; আৰু কেইদিনমানৰ ভিতৰতে হয়তো অকলেই তুমি ৰাস্তাত চলাব পাৰিব । হঠাৎ ভাবিলো এদিন তোমাৰ গাড়ীৰ আগত পৰি দিলে কেনেকুৱা হয় । পিছে ধুনীয়া ছোৱালীবোৰৰ কোনো ঠিক নাই। হয়তো নাৰ্ভাছৰ কোৱত খুন্দা মাৰি একেবাৰেই সিপুৰীলৈহে পঠাব । গতিকে সেই আইডিয়া বাদ দিব লগীয়া হ'ল ।

(৪)

এতিয়া আবেলি । মোৰ এটা ইন্টাৰভিউ আছিল । বৰ বেয়া হোৱা নাছিল কিন্তু নাপাওঁ । কাৰণ যাৰ খাবলৈকে নাই সি আকৌ কুৰি পঁচিছ হেজাৰ টকাৰ উপঢৌকন দিব কেনেকৈ। মোৰ হাতত থকা বি.এৰ চাৰ্টিফিকেটখন বৰ গধুৰ গধুৰ যেন লাগিছিল । গ্ৰেজুৱেশ্বন লোবাৰ ছটা বছৰ হৈ যোৱাৰ পিছতো চাকৰি বিচাৰি এনেদৰেই ঘূৰমুতিয়াই ফুৰিছো । ঘৰ সোমালেই বেৰ বোৰে মোক খাওঁ খাওঁ যেন কৰে । কেতিয়াবা মন যায় যেন ইয়াৰ পৰা ক'ৰবাত যেন বহুত দূৰলৈ পলাই যাম । কিন্তু যোৱাটোহে নহয় । মোৰ দৰে মানুহে ৰাতি বহুত ডাঙৰ ডাঙৰ প্ৰতিজ্ঞা কৰে, কিন্তু ৰাতিপুৱাৰ লগে লগে সকলো পাহৰি যায়।

এইদৰে ৰাজ্যৰ অতি-গুৰি নোহোৱা কথা কিছুমান ভাবি আহি আছিলো । হঠাৎ দেখিলো তোমাক। মোৰ মনটো কিবা এটা অবুজ শিহৰণে জোকাৰি দিলেহি ।


তুমি কাৰোবাৰ লগত নীলা স্কুটাৰৰ পিছফালে বহি গৈছা । কিন্তু তোমাক আচলতে স্কুটাৰত ভাল নালাগে । তোমাৰ বাবে গুৰু-গম্ভীৰ মেজেণ্ট ৰঙৰ সেই গাড়ীখনহে উপযুক্ত । ইমান খোলা মেলাকৈ এই ভিৰৰ মাজত তুমি স্কুটাৰত যোৱাটো মই কোনো পধ্যেই সহজভাৱে ল'ব নোৱাৰিলো । তুমি যেন নিজৰ অবমাননা নিজেই কৰিছা ।

মোক অবহেলাত এৰি থৈ তোমালোকৰ স্কুটাৰ পাৰ হৈ গ'ল । মোৰ বাবে এৰি থৈ গ'ল অলপ ধোঁৱা ।

অপৰাহ্নৰ পোহৰত মই ফুট পাথেদি খোজ কাঢ়ি গ'লো । এতিয়া অফিচ চুটি হৈছে । মোৰ আগে পিছে অসংখ্য মানুহ, সকলো অচিনাকী । দীঘল হৈ পৰা আমাৰ ছাঁ বোৰো একেলগেই গৈ আছে । সন্মুখত ট্ৰেফিক পুলিচৰ উত্তোলিত হাত। বৈ থকা গাড়ীৰ মিছিল । মোৰ চকুত কিন্তু এইবোৰ একেবাৰেই নপৰিল । মই মাথো মনে মনে গুণগুণাই ক'লো "কিয় তুমি কোনো দিনেই মোৰ ফালে এবাৰো নাচালা – কিয়, মোৰ কোনো অস্তিত্বই নাইনেকি তোমাৰ ওচৰত ?"

আজিকালি ৰাতি কেতিয়াবা টোপনিৰ নাহিলে মোৰ ভাব হয় তুমি যেন তুমি আহি মোক সুধিবা "তুমি মোক ভাল পোৱা ?"

আত্মবিশ্বাসত ভৰপুৰ হৈ মই শান্তচকুৰে তোমালৈ চাই কম "নাপাওঁ"?



**গল্প**

# মৃত্যুৰ কাৰণ বিচাৰি

*দুৰ্গাচৰণ গগৈ*
স্নাতক তয় বাৰ্ষিক (কলা)

এজনে 'পাতনি'ৰ কথাখিনি পঢ়ি গল "আত্ম নিয়ন্ত্ৰণৰ অধিকাৰ হ'ল এটা গণতান্ত্ৰিক অধিকাৰ । আত্মনিয়ন্ত্ৰণ যাক ইংৰাজীত কোৱা হয় Self Determination – তাৰ অৰ্থৰ সাৰমৰ্ম হ'ল প্ৰতিটো জাতি সত্তাই নিজ সত্তাক সুস্থভাৱে বিকশিত কৰাৰ সম্পূৰ্ণ সুবিধা বাধাহীনভাৱে পোৱা উচিত । অৰ্থাৎ এটা সত্তাৰ সুস্থ বিকাশত আনে বাধা আৰোপ কৰাৰ কোনো —।" ইতিমধ্যে দেখা গল অলপ দূৰত (ৰাস্তাৰ ওপৰত) কেইখনমান মিলিটাৰিৰ গাড়ীসহ পুলিচ বাহিনীৰ লোক আহি এখন প্ৰাচীৰ সৃষ্টি কৰি অন্ত্যেষ্টিক্ৰিয়ালৈ মানুহ অহাত শাৰীৰিকভাৱে বাধা আৰোপ কৰা হৈছে । এজন ব্যক্তিৰ মৃত শৰীৰটোৰ অন্তিম সংস্কাৰত যোগ দিয়াতো যেতিয়া চৰকাৰীভাৱে বাধা আৰোপ কৰা হয় বা জনগণৰ মুক্ত চলাচলৰ অধিকাৰ বলপ্ৰয়োগ কৰি কাঢ়ি লোৱা হয়, তেতিয়া সেই দেশৰ নাগৰিকৰ অধিকাৰ বুলি কিবা থাকেনে ? বোধকৰো পৃথিৱীত এনে কোনো দেশ নাই যাৰ সংবিধানত এজন মৃতকৰ অন্তিম সংস্কাৰত ব্যক্তিজনৰ শুভাকাংক্ষীসকলৰ যোগদান কৰিব নোৱাৰাৰ কথা লিপিবদ্ধ হৈছে। পৃথিৱীৰ সেই দেশতেই জনসাধাৰণৰ পৰা এই অধিকাৰ অমানৱীয়ভাৱে কাঢ়ি লোৱা হৈছে, য'ত চলিছে সাম্ৰাজ্যবাদী স্বাৰ্থৰে স্বেচ্ছাচাৰী শাসকৰ ৰাজত্ব । য'ত আছে তাহানিৰ ৰাছিয়াৰ দৰে ক্ষমতালিপ্সু সামন্তপ্ৰভুহঁতে শাসনৰ চোলা পিন্ধোৱা শোষণৰ পৰিকল্পিত জাল ।

কিন্তু জনগণ তেওঁলোকৰ মৰমৰ লেখকজনৰ বিদেহী আত্মাৰ প্ৰতি শেষ শ্ৰদ্ধা জনাবলৈ বদ্ধপৰিকৰ । তেওঁলোকে সহস্ৰবাহিনীৰ সকলো প্ৰতিৰোধ ভেদ কৰি যথাসময়ত লক্ষ্যস্থানত উপস্থিত হ'ল। ঘৰখন লোকে লোকাৰণ্য । ভিৰ দি বাট নোপোৱা অৱস্থা । হয়তো স্বয়ং সাহিত্যিকজনেও কেতিয়াও ভবা নাছিল যে তেওঁক ভালপোৱা মানুহ ইমান আছে বুলি। মৃত্যুৰ পাছত তেওঁক এনেদৰে তেওঁৰ গুণমুগ্ধ পঢ়ুৱৈসকলে অন্তিম শ্ৰদ্ধা জনাব বুলি তেওঁ নিশ্চয় ভবা নাছিল । অৱশ্যে তেওঁ পঢ়ুৱৈসকলৰ পৰা মাজে সময়ে তেওঁৰ সাহিত্যকৰ্মবোৰক প্ৰশংসা কৰি লিখা চিঠি-পত্ৰ নোপোৱা নহয় । তেওঁৰ শেহতীয়াকৈ প্ৰকাশ পোৱা, অতি কম সময়তে জনপ্ৰিয়তা লাভ কৰা বিখ্যাত কিতাপখন হ'ল "জাতীয় আত্মনিয়ন্ত্ৰণ" – যিখন তেওঁৰ মৃত্যুৰ কাৰণ হ'ল । চৰকাৰে এমাহৰ ভিতৰতে কিতাপখন নিষিদ্ধ ঘোষনা কৰিলে আৰু সকলোবোৰ কিতাপ জব্দ কৰিলে । দেশদ্ৰোহীতাৰ অভিযোগত তেঁও গ্ৰেপ্তাৰ হ'ল । ফলাফল, চৰকাৰী বাহিনীৰ পাশবিক অত্যাচাৰত মানসিক ভাৰসাম্য হেৰুৱাই তেওঁৰ মৃত্যু ঘটে । আজীৱন শোষিত মানুহৰ (জাতিসত্বাৰ) আত্মনিয়ন্ত্ৰণ পত্ৰীষ্ঠাৰ হকে লিখি যোৱা এই গণ সাহিত্যিকজনৰ পৰিকল্পিত চৰকাৰী হত্যাকাণ্ডক কিন্তু চৰকাৰে স্বাভাৱিক মৃত্যু বুলিয়ে তেওঁলোকৰ প্ৰচাৰ মাধ্যমবোৰৰ যোগেদি প্ৰচাৰ কৰিলে । কিন্তু জনসাধাৰণে এনে প্ৰচাৰত আজি আৰু ভোল নাযায় । তেওঁলোকৰ বিশ্বাস এতিয়া অধিক দৃঢ় হ'ল যেতিয়া তেওঁলোকে প্ৰত্যক্ষ কৰিলে — লেখকৰ মৃতদেহত চিগাৰেটে পোৰাৰ দাগ, নখ এৰোৱাই পোলোৱা ভৰি আঙুলি । তাৰ উপৰিওঅথালি-পথালিকৈ দেহত থকা অসংখ্য ব্লেডৰ আচোঁৰ । অথচ যিবোৰে তেওঁলোকে ইমান দিনে বাতৰি কাকততহে পঢ়িছিল।

মৃতদেহটোৰ চাৰিওকাষে সমবেত হোৱা ৰাইজক উদ্দেশি লেখকৰ এজন গুণমুগ্ধ পঢ়ুৱৈয়ে লেখকৰ শেহতীয়াকৈ নিষিদ্ধ হোৱা কিতাপখনৰ 'পাতনি'ৰ কথাখিনি পাঠ কৰি গৈছিল । যাতে জনগণৰ প্ৰতি লেখকৰ শেষ আহ্বানক পুনৰবাৰ স্মৰণ কৰি জনগণক নিজ অধিকাৰৰ প্ৰতি সজাগ কৰিব পাৰে । কাৰণ ইতিমধ্যে শৱদেহক লৈ কৰিব লগা মৌনসমদলৰো সময় হৈছিল । কিন্তু সেই নিৰ্দ্দিষ্ট ব্যক্তিজনৰ আৰু বেছি পঢ়া নহ'ল, অধিক সশস্ত্ৰ বাহিনীলৈ পুলিচে ৰাইজৰ ওপৰত জপিয়াই পৰিল । লেখকৰ বিধবা পত্নী আৰু অন্ধপুত্ৰৰ বাহিৰে আনসকলোকে গ্ৰেপ্তাৰ কৰি বাচে ট্ৰাকে উঠাই মানুহবোৰক দূৰণিত এৰি অহাৰ উদ্দেশ্যে গাড়ীবোৰ চলিবলৈ ধৰিলে । আনহাতে মৃতদেহটোক সামৰিক বাহিনীৰ বেষ্টনৰ মাজত দাহ কৰিবলৈ লৈ যোৱা হ'ল আৰক্ষীচকীলৈ । লগত লৈ গ'ল লেখকৰ সৃষ্টি আন সাহিত্যকৰ্মবোৰো একেই উদ্দেশ্যে। তেনেতে ৰাস্তাত আৰ্বিভাৱ হ'ল মূল বাহিনীৰ পিছে পিছে আন এখন সামৰিক বাহিনীৰ সৰু গাড়ী । কঢ়িয়াই নিছে ৰাস্তাৰ অ'ৰ ত'ৰ পৰা বুটলা গাড়ী মটৰৰ ফটা টায়াৰ আৰু জ্বলাব পৰা আন কিছুমান শুকান আবৰ্জনা – নিশ্চয় শৱদেহ সংকাৰ কৰিবলৈ ॥

# "সুধাংশুৰ সতে মোৰ অন্তহীন আলাপ"

*গীতালী হাজৰিকা*
স্নাতক ৩য় বৰ্ষ

সুধাংশু হেনো
নামি আহে — তীৰ্থোদকলৈ;
ঠিক এনেকৈয়ে
অমৃতবৰ্ষী সিচি সিচি
গোস্পদ লেখন কৰি কৰি

সায়াহ্নৰ কোনো এক বেলাত
তীৰ্থোদকলৈ
পিপাসাৰ্ত্ত পথিকৰ দৰে
এটা কলীয়াজৰা মাছৰ পিঠিত আলসুৱাকৈ উঠি
সুধাংশু হেনো নামি আহে
এই পবিত্ৰ নদীয়েদি

যদিও,
সুধাংশুৰ সতে,
মোৰ অন্তৰংগ আলাপ নাই
দুৰ্দিনৰ প্ৰহৰ এটাত
তেওঁ
মোৰ ওচৰলৈ,
গাগৰি বিচাৰি আহিছিল।

মৃগাক্ষ চাৱনিৰে
পলকতে মোৰ হৃদয় নদীক
চঞ্চল কৰিছিল ;
তুলতুলীয়া কথাৰে — মোৰ হৃদয় দেৱতাক
গোপনয়ীতকৈও গোপনীয় কথাবোৰ কৈছিল।

দুৰ্বাদল বৰষুণতো
মোৰ
হৃদয় নদীত পানী নাথাকে,
দুৰ্বাদল দ্বন্দৰ মাজতো
মোৰ হৃদয় দেৱতাই তপস্যা কৰিয়ে থাকো !

ঠিকা এনেকৈয়ে
গোস্পদ লেখন কৰি কৰি
সুধাংশু হেনো নামি আহে
তীৰ্থোদকলৈ ............

# মাটি মেঘ মানুহ আনুষংগিক

ফাৰিদা শ্বৰিফুদ্দিন
অধ্যাপিকা (অসমীয়া বিভাগ)

মই আহি আছোঁ
কিম্বদন্তীৰ এটি সাধু হৈ

ৰংপুৰৰ পথাৰৰ বকিয়াইদি ৰিংমাৰি পঠিয়ালো
সুহুৰিটো কেনিবাদি গুছি গ'ল

এক ঐতিহাসিক স্মৃতি-কূট
হেঙুল হাইতাল বোলোৱা অন্ধকাৰ ৰাতি .........
এক কুহেলিকা পূৰ্ণ জীৱনৰ গতি
প্ৰচণ্ড বা-মৰলিত হুৰমূৰকৈ ভাগি পৰিল
এটি ধাতৱ বাঁহীৰ আঘাতত ।

মৃত্যুৰ চৰম পৰিণতি

ঈশ্বৰ আৰু মানুহ
মানুহ আৰু ঈশ্বৰ,
প্ৰতিটো খোজত নিঠৰতাৰ হাতছানি......
ৰজাবাৰী ! ৰজাবাৰী !
ৰজাৰ বাৰীছোৱা কলৈ গ'ল ?
খনিজ বেহাৰলৈ !

কৰেংলে পোতা পুখুৰীত
বাকে যখে বাহ ল'লে

কমলা কুঁৱৰী !
অ'মোৰ কমলা কুঁৱৰী
পানী বা কিমান ?


স্বৰ্গদেউ ঈশ্বৰ !
পানী জুখিবলৈ সময় যে নাই ।
সময়ৰ তেজী ঘোঁৰাত ৰজাৰ কোঁৱৰ
লোহাৰ পিঞ্জৰাত বন্দী শত সহস্ৰ জীৱন
সকলোৰে কণ্ঠ ৰুদ্ধ
সন্ত্ৰাসৰ বোবা নিষ্ফলতাত

ৰাজ আলিত কোনে ছটিয়ায়
শুকান তেজৰ ফাকু ?

কমলা কুঁৱৰী !
অ'মোৰ কমলা কুঁৱৰী !
পানী বা আছেনো কিমান ?

স্বৰ্গদেউ ঈশ্বৰ !
পানী জুখিবলৈ সময় যে নাই
মনুষ্যত্বৰ বিলুপ্তিত
এন্ধাৰে আৱৰিলে ৰজাবাৰীৰ পুখুৰী

ইয়াতেই
ইয়াতেই শিলা হৈ ৰ'ল
মৰণৰ নীৰৱ আকৃতি ......



# 'এটি স্কেচ'

লীলা উপাধ্যায়
স্নাতক দ্বিতীয় বৰ্ষ ( ইংৰাজী বিভাগ)

**বসন্ত**

কুলিৰ সংগীতত কম্পিত প্ৰকৃতি
হিলদ'ল ভাঙি আহে প্ৰেমৰ নাচনি,
প্ৰকৃতিৰো যৌৱন আছে প্ৰকাশিছে ডালে পাতে,
দুবৰীৰ সহবাস ........
পুৱাৰ সেমেকা নিয়ৰতে ।।

**বৰ্ষা**

ৰিম্ ঝিম্ ৰিম্ ঝিম্
কোন গাভৰুৰ পদশব্দ
জাগি উঠে বাঙ্ময় শব্দ !
তৃষ্ণাতুৰ কামাৰ্ত তাই
ডুব যায় প্ৰিয়াৰ প্ৰেমত !
"বৰষা" ধৰ্ষিত পৃথিৱী বৰষুণৰ হাতত ।।

**শৰৎ**

শুভ্ৰ কাগজত অঙ্কিত
জ্যোৎস্নাৰ স্নিগ্ধতা
শেৱালীৰ সুঘ্ৰাণত
ক্ষত-বিক্ষত তন্ময়তা
এচেৰেঙা জোনাকত, অঘোষিত শীতলতা
শৰৎ যে কবিতাৰ বাঙ্ময়তা ।।

# স্পৰ্শ

নৰজিৎ দেউৰী

হাতৰ তলুৱাত চিটিকি পৰিছে
তেওঁৰ স্পৰ্শ
পানীৰ দৰে
আন্ধাৰ খান্দি গলি অহা এটা শিল

বৰ্ষাতুৰ নৈশব্দত হাতৰ ৰেখাবোৰ কঁপিছে
বাঁহীৰ দৰে বাজি উঠিছে
শব্দস্পৰ্শ

আবেলি এটা বিৰিঙি উঠিছে
আঙুলিৰ টোঁত

কাঞ্চন ফুলৰ গধূলিত
তেওঁৰ তুমুতলি ছাঁ

অ, মোৰ বুকুৰ আন্ধাৰ
প্ৰেমৰ দৰে এক প্ৰাচীন বিষাদত
মই বৈ পৰিছোঁ তেওঁৰ স্পৰ্শত


শিলৰ দৰে ।।



# কবিতা

## পৰাগ হৃদয় আৰু অধিভৌতিক ৰহস্য

শ্ৰী বেদান্ত প্ৰসাদ বৰুৱা
স্নাতক তৃতীয় বৰ্ষ, বিজ্ঞান




তই চোন জানই
তথাপিও মোক তই কিয় আকৌ ক'বলৈ আহিছ?
তই মোক উদ্দেশ্য কৰি কোৱা কথাবোৰ
একেবাৰে চোন সপনেৰো অগোচৰ
১৩টা বুলেটে তোক নোঁৱাৰে মাৰিব ।
এনেকুৱা পৰিস্থিতিৰ বাৰু সৃষ্টি হ'ল কিয় ?
এই পৰিস্থিতিৰ সৃষ্টিকৰ্তা তই, নে আমাৰ পৰিচিত
কোনো তৃতীয় ব্যক্তি !
কৈশোৰ উত্তীৰ্ণ হৈ দ্ৰুতবেগে যৌৱনত প্ৰবেশ
কৰিব খোজা তোৰ শৰীৰটোক উত্তপ্ত যন্ত্ৰনাৰে
তই সোনকালে পৰিপক্ক কৰিব বিচাৰিলি
ধোৱা ধুলিয়াৰি ...........তেজেৰে বোলায়
তেজ, কিন্তু তেজ যে ওলায় বাহিৰৰ আঘাটত
হিংসাৰ আঘাতত, তেজ অশুচি আৰু অসত্য
নহয় জানো ? আৰু অসত্য আৰু অশুচিৰ ধৰ্মই
অধৰ্ম নহয় জানো ?
যৌবনত ভৰি দি আশাৰ সপোন ৰূপে তই
যিটো পাবলৈ হাবাথুৰি খাইছিল সেইয়া
পাবলৈ চকুপানিৰ নৈ বোৱাই মৰমৰ পালতৰি
চেনেহৰ নাঁৱত উঠি তই কিয় ধাপলি নেমেলিলি ?
তই কিয় নুবুজিলি
চকুপানীৰ উৎস হ'ল হৃদয়, ই মানবতাৰ পৰা
উৎকলিত, ই নিৰ্গত স্বতঃস্ফূৰ্তভাৱে
ই স্খলিত হয় হৃদয়ৰ প্ৰেৰণাত,
সেইবাবেই ই পবিত্ৰ আৰু পবিত্ৰৰ ধৰ্মই সত্য নহয়
জানো ??
তয়ে ছোন কৈছিলি
*Let lone be the weapon of our revolution.*
তই পাবলৈ হাবাথুৰি খোৱা বস্তুটোৰেই নহয় জানো
সেই তৃতীয় ব্যক্তি যি চিণ্ডি দিলে আমাৰ মাতৃভূমিৰ
সৈতে তোৰ মৰমৰ এনাজৰী।
মই মাথো তাকেই বুজিছোঁ ।
যেতিয়া মোৰ বাবে বৰ্তমানতকৈ অতীতহে
বেছি প্ৰাসংগিক হৈ পৰে, তেতিয়া
তেতিয়া, সুপ্ত অথচ সুপ্ত হব নোৱাৰা আগ্নেয়গিৰিৰ
ভিতৰত খলকনি তোলাগলিত লাভাৰ দৰে ,..............
মোৰ জীৱন্ত অথচ মৃত হৃদয়ৰ মৈদামৰ
পৰা ওলাই আহি তোক যেন
চিঞৰি চিঞৰি সুধিব !!

জ্বলন্ত লাভাৰ পৰা উৎকলিত হীৰাৰ টুকুৰাবোৰ
যদি মোৰ মাতৃভুমিৰ হৃদয়ৰ টুকুৰা হ'লেহেঁতেন ??
তেতিয়া তই কি কৰিলি হয় ?
কিয়নো মইযে জানো কিয়নো মইযে অনুভৱ কৰোঁ
......
এনে এডাল তাঁৰ নিশ্চয় আছে,
য'ত আঘাট কৰিলে একেলগে দুয়োখন হৃদয়তে
সমানে গুঞ্জন উঠে .....
আগতেও উঠিছিল আৰু শত পৰাগৰ জন্ম
হোৱাৰ পাছত ভৱিষ্যতেও উঠিব।
কিন্তু এতিয়া বাৰু ক'ত আছে
হৃদয়ৰ সেইডাল তাঁৰ ??
এতিয়ায়ে তোৰ হৃদয়ৰ মাজেদি সৰকি গ'ল ১৩টা বুলেট,
মই মাথো পালোগৈ ১৩ঘুটি তেজে ধোৱা মাটি,
চিফুঙৰ সুৰ আৰু মাদলৰ শব্দ
কেতিয়াও নুশুনু আমি ।
কমবেড পৰাক আৰু নাহিব উভতি ।
দুচকুত হিম ! বুকুজুৰি বৈ থাকক
তোৰ শিশু পুত্ৰৰ প্ৰশ্ন, 'মা বন্দুকবোৰ বাৰু
কোনো আবিস্কাৰ কৰিছিল?''

## ন-সূৰুযৰ আলোকত

*স্বপ্না কাকতি*
স্নাতক ৩য় বৰ্ষ (অসমীয়া বিভাগ)



বিদীৰ্ণ হিয়া মোৰ
বহুকথাৰ অৰ্থ
নুবুজিব পাৰো
কিন্তু উদিত সূৰুযৰ
সাত ৰঙৰ অৰ্থ
সচাঁই বুজি পাওঁ ।

অশ্ৰুসিক্ত নয়ন
বেদনাৰ তপত জ্বালাত
কলিজাত চিৰাল ফাটে
হাতত শিথিলতা আনিব পাৰো
কিন্তু দেশৰক্ষীৰ
হাতত লাঞ্চিতা, ধৰ্ষিতা
আই, বাই আৰু ভনী
দুৰ্দশাৰ মাজেৰে
ভুমুকি মৰা —
ৰক্তোজ্বল ন-সূৰুযৰ আলোকত
শিথিল হাতলৈ
বজ্ৰ কঠিনতা নামি আহে ॥



উপেক্ষিতা লাঞ্চিতা
হৈ ৰলো বুলি
আয়ে হুমুনিয়াহ কাঢ়ে
উপেক্ষিতা হৈ ৰব বুলি
মোৰো মনত দুৰাশা জাগে
সেয়ে —
ৰাইফলৰ ট্ৰিগাৰত
আঙুলি মোৰ ঘনে ঘনে লৰে
ঢোল, খোল, বাদকৰ
চানেকি লৈয়ে ॥

## স্বৰ্গদেউ

*ঋতুৰাজ বৰা*
স্নাতক প্ৰথম বৰ্ষ

কোনো এসময়ত — দেশ এখনত
এজন আছিল স্বৰ্গদেউ । পীতবৰ্ণ
তেওঁৰ চকুত আছিল লোভী চাৱনী,
ভাস্কৰ্য্যৰ অলেখ নমুনা আৰু
চাওদাং পৰিবেষ্টিত এটি কাৰেং
আছিল তেওঁৰ বাসস্থান।

অকলে, নিতান্ত অকলে, গভীৰ নিশা
হঠাৎ সাৰ পালে শুনা যায়
তেওঁৰ আৰ্তনাদ ।
তেওঁ আছিল অপ্ৰিয় প্ৰতিজনৰ
সকলোতকৈ তেওঁৰ প্ৰিয় আছিল চিকাৰ
আৰু সন্ত্ৰাসবাদ ।

তথাপি শিশু আৰু ফুলৰ পাপৰিৰ
মাজত বহুতবাৰ হৈছিল থিয়
আমাৰ স্বৰ্গদেউ।

যেতিয়া তেওঁৰ মৃত্যু হ'ল — কোনেও
সাহস নকৰিলে জঞ্জালৰ মাজলৈ
টানি আনিবলৈ তেওঁৰ প্ৰতিচ্ছবিক ।
ভালকৈ চালে হয়তো এতিয়াও দেখা যাব
ঘৰৰ দেৱালত ওলমি থকা
তেওঁৰ এখন মুখা।

*(মূল - জিগনিউ হাৰ্বাৰ্ট । পোলাণ্ডৰ কবি ।
এওঁৰ বিশেষত্ব হ'ল অলঙ্কাৰহীন কথা কবিতা)*

# ON THE SILENT BEACH AT SUNSET

*Vedanta Vikash Baruah*
B.A. 2nd Year

Once more do I visit the shores of this tranquil sea,
Let its calm serene unlock may heart with solitude's silent key,
Now, why should I bother where on earth could shadowy delights be ?
I sat motionless on the sandy shore relieved and reclined,
And viewed the crimson and golden streaks of clouds inclined,
In the blue firmaments, as the embers of the spherical heavenly hearth dimly burned,
The wayward sojourners of the sky are to be seen returning as ever
To their twiggy nests, they foreknow that black shades are about to cover
Their little heavens, but I know, tonight, high above
Cynthia will hover
And shower her silvery light, but now the sky is filled with their homeward cries,
While upon the yellow sands my shadow is cast momentarily, although, and there it lies
Becalmed and meditates upon this sublime mood
and its natural ties.
The blood besmeared sun almost sunk in the
Ocean depths, the flying gulls
above it and the incoming
touch of the feathery breeze
Fills up and occupies the vacant spaces of the
inward self and ease
The wide load of worries, the tumultuous clanging
of cares and the sordid,
satiating pangs of thorny
love, which, herein will
merge and forever cease.
I am thousands of mile after and removed therewith
from the humane sympathies
of your spacious heart.
On this lonesome pilgrimage, wayfaring, wandering
to this sedantic corner of the earth,
To grow here unhindered, unhamphered, to seek a
spiritual birth.
I plucked out the piercing arrow, pulled out and
tore apart all sweet serenades
infused with pleasure and painful
emotions, hopeful, fecund thoughts.
Take back the glittering spark of your starry eyes,
the whispering lisp of your lips,
and each and every feature on your artfully sculptured
countenance smoothly wrought.
I return to you all your living words, profound
promises, pleasing thoughts
and the rhythmic ebb and
flow of constancy, with which
my heart you dearly fraught.
I said I left Cupid sighing in his playful stage,
Led him to pick up and shoot hard, at me, another vain rage,
I know for sure his mischiefs and pranks are
his only craze.
Baby-faced, winged, innocent God don't summon
and bribe me with precious
dreams of her's, to coincide
and meet,
Rather have me detached, love eager I'll never greet.
Good-bye fair love, (forever),
You are valued Above, (however).
Tonight, I'll sleep upon the soft sands which smoothly stresses afar,
I'll view and wink at the black sky studded with
shattered twinkling stars,
I'll sleep and wake intermittently, and hear the
swishing, rushing sounds
and the crooning Oceans
murmur.
I'll get up with the sweet melodies of the waking
birds and view the new born
sun arising from the Ocean bed
Slowly, gradually, meanwhile, the eastward sky will be painted red.
With ambiguous patterns, the scattered gulls will adorn the farflung sky
In unison, deftly, as they will fly high,
My foot-prints neatly imprinted will be laid thereon or
The stretched, yellow, sandy surface, and will look
like a spotted gypsy ribbon.

## HOPE NEVER FADES

*Naawazish Alam*
Department of Eng.

It came to me naturally
almost aganist my wish though
the intention to abandon
chasing and yearning ....
The broken pieces
of the facade of your innocence
refelct you from different angles .....
But
nothing can be perceived
looking at you
in all your nakedness
and shorn of even the 'facade.'
(You are a genius !)
So
I fear to be smilled at,
talked to .......
lest I should re-enter
guided by an illusion
the arena
Where you are competed for.
Nevertheless
come out of your
self-designed bondage,
slough off you stained demeanour :
there's someone waiting for you.......
Hope never fades.



## A MESSAGE : with love.

*MOUSHUMI DUWARAH*
H.S. FIRST YEAR SCIENCE, DAY

As we look around us
there's nothing but strives
the cries of the poor, the
downtrodden's and millions
of sufferings :
That causes unhold miseries
How can we be still, while the
whole world is dying ?
We all need a helping hand
cause we are one and the same.
Many are those, that are
praying and waiting,
for someone, who would
answer their cries !
Tears of helpless children,
cries of suffering mothers,
and ... of poor people,
- needs our help
We must break the barriers around us,
to teach and to touch to those in seed.
With hearts full & love , lets work hand is hand
bonded together as one family,
looking up to god, our Heavenly Father
No give us strength, so we can be the lights of the world.
lets break down the walls and build bridges instead
bridges of love and compassion to all
let us stand united, to more this world
A better place.

## MY LONELINESS

*Apu Chetia*
B.A. 2nd Year

I walk on never ending roads
Seeking answers to life's eternal questions
All by myself
A stranger following me
A dark shadow
That melts into the white mist
Shrouding the ribboned road,
He is a part of me
He is my loneliness
I sit alone
'not a friend
No one I know
Staring vacantly into space
Gazing wonderfully at the stars
There is no time to waste
Life is too short
A few fleeting moments
of joy and sorrow
I have to walk again
to tread the roads,
to journey through life,
to solve its paradoxes
to seek my answers
Walking
walking
walking
Alone
I see the sun sink
behind a cluster of trees
and wonder
How lonely will I be
if my loneliness leaves me ?

# তেজীমলা

*পপী শান্তনা ভৰালী*
স্নাতক ৩য় বৰ্ষ, বিজ্ঞান

নিয়ৰৰ নুপুৰ পিন্ধি
সৰা শেৱালি বৌটলি
আপোন পাহৰা নহবি
আই অ' তেজীমলা !
এইয়া যে ৰক্তাক্ত সময়
দুৱৰিৰ দলিছাত
চটফটাই আছে
সঁজাল কলিজাবোৰ ।
******************

মাহী আইৰ চলাহী কথাত
ভুল নাযাবি
নালাগে পিন্ধিব পাটৰ সাজ
সখিৰ বিয়াত
যি সাজে আছ ; সেই সাজে ওলাবি ।
হওকচোন পুৰণি
তথাপি যে নিজা ।
*********

দিনকাল সলনি হ'ল
আই অ' তেজীমলা
ভৰ দুপৰীয়া নৈৰ নিজান ঘটিত
চুলি মেলি নবহিবি ॥
উদঙাই নিদিবি
তোৰ উকঙা মন
জলকোঁৱৰে কাঢ়ি নিব
সাঁচতীয়া সপোনৰ সোণালী কাৰেং
বণিজ বেহাৰলৈ যোৱা
পিতাৰো নিখোজ হ'ব পাৰে ।
******************

সময় এতিয়া দুঃসময়
মানুহৰ পৃথিৱীত
আগ-পিছ গুণি খোজ দিবি
আই অ' তেজীমলা
তেজৰ ডোঙাত গা নিতিয়াবি
পাহৰি নেযাবি—
বঞ্চনা নকৰা
এটি সত্যৰ বাবে
সমৰ্পিত তোৰ জীৱন
সত্য তোৰ শেষ আশ্ৰয়
তেজৰ মাজুলীত প্ৰেথিত ।
তোৰ জীৱনৰ ঘাই শিপা ॥


# পাপৰী জনীলৈ কপৌফুলীয়া চিঠি

*মৃদুপৱন লাহন*
স্নাতক ৩য় বৰ্ষ, কলা



উথপ-থপীয়া মনৰ বাটত তলসৰা স্মৃতিৰ পাপবি
তোমাৰ খোজৰ পলাশবুলীয়া বুণজুণ ধ্বনি
কুঠাৰে খৰি ফালে অৰণ্যক অন্তৰত মোৰ —
যনত পৰেনে পাপৰি, তুমি যেতিয়া মোৰ হৃদয় নঙলাৰে
সোমাই আহি এডৰা খেতি মাটি লৈছিলা
ময়ো কৃষক হৈ তোমাক ৰোইছিলো
তেতিয়া প্ৰথম বহাগৰ কেতেকী ফুলা,
কপৌফুলৰ বতৰ আছিল
এইদৰে আমি দুয়ো ৰ'দালি দিনৰ বাটে বাটে হৃদয় বুটলি
ফুলিছিলো
তুমি জীৱন বাৰান্দাত বহি ওঁঠত জেতুকী নদী বোৱাই
মেলৈ জুমি জুমি চাইছিলা
তুমি চাগে হাঁহ কণী কেইটামান উমনি দি আছিলা
মোৰ হাতৰ আন্ধাৰতে লুকাই থকাৰ কথা ভাবিছিলা
ময়ো এসোপা পানীকচু ঠুৰিকে টেঙা নিদিয়াকৈ জোল
খোৱাৰ কথা ভাবিছিলো ।
ভাবিছিলো, যৌৱনৰ মনচুন বতাহত জীৱন-উৰ্বৰা
কৰাৰ তোমাৰ কপালৰ সেন্দুৰ ফোঁটৰ জুই কৰাৰ কথা
পাহৰণিৰ নদীত উটুৱাই দি ।
এতিয়া সব কথাই ধুসৰ স্মৃতিৰে নামি আহি
মোৰ মনৰ নদীত জোৱাৰ সিঁচিছে
তুমি ভুঁৰখন অকলে চলাই নিওঁতে, চাক নৈয়াত পৰোতে
বিৰ্ দি মাতিছিলো,
পাহাৰ এটাই আগভেটি ধৰাৰ বাবে মোৰ পলম হৈ গ'ল ।
তুমি এতিয়া পৰীয়া তৰাৰ দৰে খাই পৰিবলৈ ওলাইছা
মোৰ এই চিঠিখন তোমাৰ অন্তিম দিনৰ আগমুহূৰ্ত্তত পিয়নে
দিয়ে নিদিয়ে
নাজানো, তথাপিও এই চিঠিখন তোমাৰ কবৰৰ এপিটাফ হ'ব
নাই, আৰু নোৱোৰো, ঠেটুৰৈত কঁপিছে হাত, ধুমুহাত ডাল
পাতবোৰ ভাগিছে, চকুপতাৰ নদীত তুমুল বৰষুণ ।
চকুৰ ঠেঁতুলিৰ পৰা অসংখ্য সাপ
নামি গৈছে বেজাৰত
আকৌ শিকলি চিঙি ইয়ালৈ আহিবা পাপৰি
তুমি অহা গম পালেই মই মোক আখল চাঙৰ পৰা নমাই
দিহিং হৈ বৈ তোমালৈ বৈ থাকিম
তোমাক হাত বাউলদি মাতিম সেই
তোমাক বগা নিচান জোকাৰি জোকাৰি মাতিম।

# উপ-সভাপতিৰ প্ৰতিবেদন



*বাবুল দেউৰী*
উপ-সভাপতি

মোৰ এই প্ৰতিবেদন আৰম্ভণিতে যিসকল বীৰ পুৰুষে অসমৰ জাতীয় স্বাৰ্থৰ হ'কে হাঁহি হাঁহি নিজৰ জীৱন দেশ- মাতৃৰ হ'কে উছৰ্গা কৰিলে সেইসকলক মই অতি শ্ৰদ্ধাৰে সোঁৱৰিছো ।

তাৰোপৰি মোক ১৯৯৫-৯৬ চনৰ বাবে ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদলৈ বিপুল ভোটত জয়যুক্ত কৰি নিৰ্বাচিত কৰাৰ বাবে যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবীয়ে সহায় সহযোগিতা আগবঢ়ালে সেই সকললৈও এই সুযোগতে মই আন্তৰিক ধন্যবাদ ও কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

মোক এনে এটি গুৰু-দায়িত্বত অধিষ্ঠিত কৰি মূল লক্ষ্যত কিমানখিনি সফলতা লাভ কৰিবলৈ সক্ষম হ'লো তাৰ মূল্যায়ণৰ ভাৰ-মাননীয় হাতত অৰ্পণ কৰিলো ।

মই কানৈ মহাবিদ্যালয়খনৰ উন্নয়ন হ'কে কাম কৰি যাম বুলি প্ৰতিশ্ৰুতি দিছিলো । কাৰ্য্যভাৰ হাতত লোৱাৰ আগতে কল্পনা কৰিছিলো মই উপ-সভাপতি পদৰ গুৰু দায়িত্বত থাকি মহাবিদ্যালয়খনৰ কাৰণে বহুত কৰিম , কিন্তু ভবা মতে কৰিব পৰা নগ'ল। ইয়াৰ মূলতে আছে এশ-একুৰি সমস্যা। মই ভাবো সেই কৰ্তব্য আৰু দায়িত্ব পালনৰ চেষ্টাৰ ত্ৰুটি কৰা নাই।

মই শ্বহীদ বেদীত প্ৰথম শ্বহীদ তৰ্পণ কৰোতে চিঁঞৰি কৈছিলো মহাবিদ্যালয়ৰ উন্নয়নৰ লগতে ছাত্ৰী বাসভৱনৰ চাৰিসীমা পকা কৰিম । তাৰ বাবে মই যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ । চৰকাৰৰ বিভিন্ন বিষয়াক মহাবিদ্যালয়ৰ উন্নতিৰ কাৰণে স্মাৰকপত্ৰ দিছিলোঁ আৰু আলোচনা-বিলোচনা কৰিছিলো। ছাত্ৰী বাসভৱনৰ চাৰিসীমা নিৰ্মাণৰ অৰ্থে পঞ্চাশ হাজাৰ আৰু ছাত্ৰ একতা সভাৰ উন্নয়নৰ কাৰণে পচিঁছ হেজাৰ টকা চৰকাৰৰ ফালৰপৰা অনুদানৰূপে আনিছিলো । কিন্তু সকলো টকা অধ্যক্ষ মহোদয়ৰ ওচৰত আছে । মাননীয় অধ্যক্ষয়ে এই কাম কৰিবলৈ সঁহাৰি জনোৱা নাছিল । তেওঁৰ লগত মই ছাত্ৰ সমাজৰ উন্নয়নৰ বাবে ই বেয়া হ'ব লগা হ'ল । তথাপিও মই মোৰ অসমাপ্ত কামবোৰ কৰি যাম বুলি দৃঢ় প্ৰতিজ্ঞ ।

এইখিনিতে এই প্ৰতিবেদনৰ দ্বাৰাই কিছু কথা সমূহ কানৈয়ানৰ আগত বেকত্ কৰিব বিচাৰিছোঁ । ছাত্ৰ একতা সভাৰ জনৈক বিষয়ববীয়াই ছাত্ৰ সমাজৰ আগত মোৰ ভাবমূৰ্ত্তি বিনষ্ট কৰিবলৈ এক গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছে । তেওঁলোকৰ এই মহান উদ্দেশ্যৰ ফলাফলৰ ভাৰ সমূহ কানৈয়ানৰ হাতত ।

পৰিশেষত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ মাৰ্জনাৰ প্ৰাৰ্থনাৰে ........।।।

# General Secretary's Column


*"We understand death for the first time when they put their icy hand upon one whome we love"*

**"MAD DE STEEL."**

Situated in the hearts of Upper Assam admit the hustle and bustle Dibrugarh town life, yet lies the Dibrugarh Hanumanbox Surajmall Kanoi College which can be regarded as one of the best outstanding college of Assam. Today every Kanoian realised about the colossal loss of those who sacrifies their life in laying out a strong foundation. I pay my homage to them with heavy Heart.

Taking the responsibil- the weightage job and fortunate opportunity to serve the Col- intend my credit in hinning this support and help offered me an dent's Union Society. I once and gratitude to all the Kanoians.

I still remember the day with my to-secretaries took oath Authority for can all round de- deemed to carry on my con- my principles and examples rath- of responsibility, I tried my end what extend I have been suc- up to the Kanoians to Judge.



ity of General Sec. post is one of moment for anyone as if gives an lege. I am indeed confented and post to all my Kanoians whose opportunity to serve the Stu- again offer my Heartiest thanks

13 Feb 1996. When I along to workhand-in-hand with the velopment of the College. I strain and tried my best in sitting er than precise. During my tenure but to serve the students. To cessful in executing my duties it's

During my tenure of secretaryship, my first task came in my hand in organising 'College Week.' Though lack of preparation and bad weather phemenon, we did not loose our hopes and confidence to held it successfully. It was held from 17th Feb 1996 to 24th Feb 96. Every Kanoian showed their efficiency in sports, cultural and other co-curricular activities and proved that Kanoins are not tacking behind in any discipline. I am hearty thankful to all the professors, Union Society members and the students whose co-operation helped me to organised the college week to a great success. Moreover during my tenure I got the opportunity to bid our outgoing Kanoins. I on behalf of the student's Union Society wishes them for their Bright Educational carrier. Farewel felicitrition was successfully held on 18th June 1996. Another great moment I got in organising freshmen social which was held on 16th Sep. '96 along with a cultural evening with all the pagaentry and execution :- Inspite of various official and financial problem we tried our best to organised those above mentioning activities.

Regarding problems of the students, that faces today are always numerous and solutions are few. I along with my Union Members often approach to the authority with the problems like irregularity of class, poor condition of our library,

laboratories, electricity problems and other various difficulties that faces by the students. Moreover I also discuss with the authority about various hostel problems. I tried my best effort to draw a healthy atmospheric environment and how far I achieve in my goals, it is up to the hands of every Kanoians to Judge. There is one thing I learned from my tenure of experiences that the students must come out in the open and rest to a fighting, non-relenting attitude to eliminate the problems. But a little society to all the Kanoians that they should key an alert eye open to check any unfair activity in or ourside the campus that might prove detrimental to our college image.

At length I express my indebness to our principal sir and all the teachers in general for helping me with valuable advice and guidance. I would not fulfilled my duties if I do not convey my heartiest thanks to all my co-secretaries whose co-operation help me throughout my tenure in every activities. Once again my heartiest thanks goes to Diganta, Puranda, Bijoy, Munin, Satya, Utpal, Pranjal, Bhupen, Ivy, Illa, Bindu, Mrinalini, Swapna, Samir, Pinky, Chandana and others My special regards goes to my serious specially Kabita Saikia, Suresh Gogoi.


I with the new union body of Kanoi College Student Union a grand success in giving a morale boost to the students of Kanoi College in every respect and up lifting the honour and dignity of the institution.

Lastly we never forgets,

"We the Kanoin
Believe in peace and unity
With speed and accuracy
We fly like an Eagle
high and high
in the Blue Sky" ---

Long live D.H.S.K. College.


**Sri Utpal Kr. Borgohain.**



# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ এখনি লেখত ল'বলগীয়া মহাবিদ্যালয় হৈছে - ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়। সোণালী জয়ন্তী গৰকি অহা এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনিৰ ১৯৯৫-৯৬ চনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত তিনিকোণীয়া প্ৰতিদ্বন্দ্বিতাৰ মাজত বিপুল ভোটৰ ব্যৱধানত মোক সহকাৰী সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনিৰ স্বাৰ্থৰ হকে সেৱা কৰিবৰ সুবিধা দিয়াৰ বাবে সমূহ কানৈয়ানলৈ জ্ঞাপন কৰিছোঁ কৃতজ্ঞতা আৰু আন্তৰিক ধন্যবাদ ।

কানৈ মহাবিদ্যালয়ৰ সমূহ কানৈয়ান আৰু অধ্যাপক-অধ্যাপিকা বৃন্দৰ আশীষ শিৰোগত কৰি, সংবিধান পালন আৰু আনুগত্যৰ শপতগ্ৰহণ কৰি সহকাৰী সাধাৰণ সম্পাদকৰূপে কি কৰিলোঁ বা নকৰিলোঁ সেইয়া আপোনালোকে তথা সময়ে নিৰূপন কৰিব । মোৰ দৃঢ় বিশ্বাস মই যিকোনো ক্ষেত্ৰতে চেষ্টাৰ অকনো ত্ৰুটি কৰা নাছিলোঁ। কাৰ্য্যভাৰ গ্ৰহণৰ এপষেক হোৱাৰ আগতেই অনুষ্ঠিত কৰিবলগা হয় "মহাবিদ্যালয় প্ৰতিভা সন্ধানী সপ্তাহ" নামেৰে মহাবিদ্যালয় সপ্তাহ যোৱা ফেব্ৰুৱাৰী মাহৰ ১৭ৰ পৰা ২৪ তাৰিখলৈ । মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো কাৰ্য্যসূচী সূচাৰুৰূপে সম্পাদন কৰাত সহায়-সহযোগ কৰাৰ উপৰিও "মহাবিদ্যালয় প্ৰতিভা সন্ধানী সপ্তাহ"ৰ লগত সঙ্গতি ৰাখি মই "বৰ্তমানৰ শিক্ষাপদ্ধতি আৰু আমাৰ যুৱ সমাজৰ ভৱিষ্যত শীৰ্ষক এখনি আলোচনা চক্ৰৰ আয়োজন কৰিছিলো। উক্ত আলোচনাচক্ৰখনিত ড০ - প্ৰহ্লাদ কুমাৰ বৰুৱা, শ্ৰীযুত দ্বীপেন শইকীয়া, অধ্যক্ষ শ্ৰীযুত ডিম্বেশ্বৰ চলিহা আৰু শ্ৰীযুতা উষাৰাণী বৰুৱা বাইদেউৱে বিষয়টিৰ ওপৰত তত্ত্বগধূৰ বক্তব্য আগবঢ়ায় । কিন্তু অতি পৰিতাপৰ কথা যে উক্ত আলোচনাচক্ৰখনিকে ধৰি মহাবিদ্যালয় সপ্তাহৰ প্ৰায় সকলো কাৰ্য্যসূচীতেই কানৈয়ানসকলৰ উপস্থিতি বৰ নগন্য সংখ্যক আছিল। আশা ৰাখিছোঁ ভৱিষ্যতে অনুষ্ঠিত হ'ব লগা মহাবিদ্যালয় প্ৰতিভা সন্ধানী সপ্তাহসমূহৰ সমূহ কাৰ্য্যসূচীতেই কানৈয়ান সকল উপস্থিত থাকি মহাবিদ্যালয় প্ৰতিভা সন্ধানী সপ্তাহ পালনৰ প্ৰকৃত উদ্দেশ্য সফল হোৱাত সহায় কৰে । কাৰণ মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠানখনিয়েই উদিত প্ৰতিভা সমূহৰ স্বাক্ষৰ বহন নকৰে ।



মহাবিদ্যালয় সপ্তাহৰ উপৰিও সময়ে সময়ে মোৰ ওপৰত ন্যস্ত কৰা দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টাৰ ত্ৰুটি অকনো কৰা নাছিলোঁ ।

কানৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীয়ে সাময়িকভাৱে হ'লেও মহাবিদ্যালয়খনিৰ বহুতো অভাৱ মোচন কৰিলে যদিও ছাত্ৰ নিবাস, ছাত্ৰী-নিবাস আৰু লেবৰেটৰীৰ শোচনীয় অৱস্থা দূৰ কৰাত সম্পূৰ্ণৰূপে ব্যৰ্থ হ'ল । ইয়াৰ বাবে কিছুমান আনুষঙ্গিক কাৰণক দোষী সাব্যস্ত কৰিব পাৰিলেও প্ৰধানভাৱে দোষী হৈছে মহাবিদ্যালয়খনিৰ পেটত গামোছা বন্ধা বিধৰ পুঁজি । কিন্তু অতি সুখৰ বিষয় যে মহাবিদ্যালয়খনিৰ "ছাত্ৰীনিবাস"ৰ মেৰামতিৰ বাবে চৰকাৰে ৫০,০০০ টকা অনুদানৰূপে আগবঢ়াইছে । আশা ৰাখিছোঁ উক্ত অনুদানৰ পৰা অদূৰ ভৱিষ্যতে ছাত্ৰীনিবাসৰ অলপ হ'লেও অসুবিধা দূৰ হ'ব।

প্ৰতিবেদন লিখাৰ চলতে সচেতন কানৈয়ানবৃন্দক উদ্দেশ্য কৰি কেইটামান কথা ব্যক্ত কৰিব বিচাৰিছোঁ । বেছি সংখ্যক কানৈয়ানৰ মুখত প্ৰায়েই শুনিবলৈ পোৱা যায় যে কানৈ মহাবিদ্যালয়ত লেতেৰা ৰাজনীতিৰ প্ৰবেশ ঘটিছে । ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয়ক লৈ কিছুমান স্বাৰ্থজড়িত বিবেকহীন কানৈয়ানে ৰাজনীতিৰ প্ৰভাৱত পৰি মহাবিদ্যালয়খনিৰ স্বাৰ্থৰ বিৰুদ্ধে কাম কৰিবলৈ উঠি-পৰি লাগিছে । যাৰ ফলত পাইন গছেৰে আবৰা শান্ত শৈক্ষিক পৰিৱেশ দিনকদিনে বেয়াৰ ফাললৈ গতি কৰিছে । কানৈ মহাবিদ্যালয়ৰ ঐতিহ্যত কলংক সনা এমুঠিমান কানৈয়ানৰ ঘৃণনীয় কাৰ্য্যকলাপৰ বিৰুদ্ধে কানৈয়ানে সমূহীয়াভাৱে বাধাৰ প্ৰাচীৰ গঢ়ি তুলিব লাগিব । কানৈয়ানৰ মাজৰ পৰা যাতে কোনো অকৃতজ্ঞ ছাত্ৰ একতা সভালৈ নিৰ্বাচিত হ'ব নোৱাৰে তাৰ বাবে কানৈয়ান সকল সদাসচেতন হৈ থাকিব লাগিব । কানৈয়ানেহে কানৈ মহাবিদ্যালয়ৰ পবিত্ৰ শৈক্ষিক পৰিৱেশ উন্নত কৰিব পাৰিব।

কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভালৈ সহকাৰী সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত হোৱাৰেপৰা কাৰ্য্যকালৰ সকলো ক্ষেত্ৰতে সহায়-সহযোগ তথা দিহা-পৰামৰ্শেৰে মোৰ সঠিক দিশ নিৰূপন কৰা সকলৰ নাম এই প্ৰতিবেদনতে নললে মোক অকৃতজ্ঞ, দোষে চুব । মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ অধ্যক্ষ শ্ৰীযুত ডিম্বেশ্বৰ চলিহাদেৱৰ লগতে সমূহ অধ্যাপক-অধ্যাপিকা সকললৈ । মোৰ কৃতজ্ঞতা, শ্ৰদ্ধা অশেষ ধন্যবাদ আৰু মৰম সমূহ কানৈয়ানলৈ যিসকলৰ সহায়-সহযোগ অবিহনে মই দিকহাৰা পঠিকৰ দৰে হৈ পৰিলোহেঁতেন।

সদৌ শেষত কানৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে

'জয় আই অসম

"জয়তু কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

*শ্ৰী আদিত্য শইকীয়া*

সহঃসাধাৰণ সম্পাদক

# সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন

ভূপেন কুমাৰ গগৈ

স্বনামধন্য মহান মহান ব্যক্তিৰ ব্যক্তিগত অৱদানেৰে ডিবৰুৰ প্ৰতীক ৰূপে বৈ আছে আধাশতিকা গৰকা ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয়। অসংখ্যজনে নিজৰ ভৱিষ্যৎ প্ৰতিবিম্বৰ আকাৰ বিচাৰি মহাবিদ্যালয়খনত ভৰি দিয়াৰ পিছৰ পৰাই সৃষ্টি হয় সপোন আৰু বাস্তৱৰ এক ক্ৰমশঃ ইতিহাস, আৰু ইয়াৰ ফলচুতিতেই ব্যক্তি জীৱনলৈ নামি আহে এক অভাৱনীয় পৰিৱৰ্তন । ছাত্ৰসমাজৰ আবেগিক মণীষাৰ প্ৰতীকৰূপে চিহ্নিত হোৱা সমাজ সেৱা বিভাগৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ দেখা যায় ভৱিষ্যতৰ সৃষ্টিৰ দাপোন ৰচাত ; আৰু এনে এটা গুৰুত্বপূৰ্ণ বিভাগত বিগত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰাৰ্থীত্ব আগবঢ়াই আশানুৰূপ ফলাফল পোৱাৰ পিছতেই মোৰ দায়িত্ব আহি পৰিল মহাবিদ্যালয়খনৰ লগতে ছাত্ৰ সমাজৰ স্বাৰ্থ সততে অক্ষুণ্ন ৰখা ।



সাধাৰণতে কোনো এটা দায়িত্বত অধিষ্ঠিত কাৰ্য্যক্ষেত্ৰত ৰূপায়ণৰ বাবে থকা প্ৰয়াসক সীমাবদ্ধ অসুবিধাই । ফলত কিছুমান মই ভাবো কাৰ্যক্ষেত্ৰত উৎসৰ্গ কৰাটোহে প্ৰকৃততে কৰণীয়, আৰু সেয়ে এই ভুল-ত্ৰুতিবোৰৰ বিচাৰ্য্যৰ ভাৰ সমূহ কানৈয়ানৰ দায়িত্বৰ ভাৰ গ্ৰহণ কৰাৰ কেইদিনমানৰ তম প্ৰতিভা সন্ধানী সপ্তাহ । বিগত বছৰ বিলাকৰ ভিতৰত আহিল — মহাবিদ্যালয় সপ্তাহৰ তোৰণ বস্তুৰ যোগান ধৰা , খেল পথাৰ মুকলি কৰা আদি তৃতীয় বৰ্ষৰ বিদায় সভা, নৱাগত আদৰণি সভা, ৰ প্ৰশিক্ষণ শিবিৰ, বিভিন্ন সামাজিক কামত ছাত্ৰ মই একচিত্তে জড়িত হৈ আছিলো । কিন্তু এইখিনিতে

হোৱাৰ পাছত কামবিলাক আশুনুৰূপভাৱে কৰি ৰাখে এৰাব নোৱাৰা আনুসংগিক সাফল্যতকৈও নিস্বাৰ্থভাৱে কাৰ্য্যৰ প্ৰতি ক্ষুদ্ৰ প্ৰতিবেদনৰ যোগেদিয়েই মোৰ কাৰ্যকালৰ ওচৰত অৰ্পণ কৰিলো।

পিছতেই আহি পৰিল মহাবিদ্যালয়ৰ ৫০ দৰেই মোৰ দায়িত্বত থকা কাৰ্যবিলাকৰ নিৰ্মাণ কৰা, বিভিন্ন ধৰণৰ Stationary তাৰ পাছৰ অনুষ্ঠানসমূহ যেনে — স্নাতক মহাবিদ্যালয়ত চাফাই অভিযান ,N.S.S. একতা সভাক প্ৰতিনিধিত্ব কৰা আদি কামত মই দুখেৰে কওঁ যে যোৱা স্নাতক ১ম বৰ্ষৰ

চূড়ান্ত পৰীক্ষা পলমকৈ হোৱাৰ বাবে স্নাতক তৃতীয় বাৰ্ষিক ছাত্ৰ ছাত্ৰীসকলৰ বিদায় সভাখন অনাড়ম্বৰ ভাৱে অনুষ্ঠিত কৰা হ'ল । এই ক্ষেত্ৰত অৱশ্যে মহাবিদ্যালয় কৰ্তৃপক্ষৰ উদাসীনতা আৰু একতা সভাৰ অমনোযোগীতাই প্ৰধানকৈ জগৰীয়া।

এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে সমাজ সেৱা বিভাগৰ কামৰ পৰিসৰ সীমিতৰ মাজত বিস্তৃত । এই বিভাগৰ তেনে কোনো নিৰ্দিষ্ট কাৰ্য্য নাই। গতিকে মই মহাবিদ্যালয়ৰ প্ৰায়বোৰ সৰু-বৰ কাৰ্য্যৰ লগতে মোৰ বিভাগটোক জড়িত ৰাখি মহাবিদ্যালয়খনৰ উন্নতিৰ অৰ্থে অবিহণা আগবঢ়াইছিলো। তথাপিও মই দুটা কাৰ্য্যৰ প্ৰতি সততে চেষ্টা কৰিছিলো —

মহাবিদ্যালয় চৌহদ পৰিস্কাৰ — পৰিচ্ছন্নতাকৈ ৰখা আৰু শ্ৰেণীসমূহ নিয়মীয়াকৈ হোৱাটো নিশ্চিত কৰা ।

ছাত্ৰ একতা সভাৰ প্ৰতিটো বিভাগৰ ওপৰতেই ভাৰপ্ৰাপ্ত অধ্যাপক, উপদেষ্টা আদিসকল থাকে । গতিকে কিবা এটা কাম কৰাৰ আগতে সকলো বিভাগৰ যৌথ সহযোগীতাৰ আৱশ্যক হয় । মই প্ৰতিটো বিভাগৰ বিভাগীয় সম্পাদকৰ লগত আলোচনা কৰি ওপৰৰ প্ৰথম কৰণীয়টো সফল কৰিবৰ মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত আঁচনিবোৰ দাঙি ধৰিছিলো । কিন্তু কৰ্তৃপক্ষৰ নেতিবাচক সঁহাৰিৰ বাবে সম্পূৰ্ণ সফল হ'ব নোৱাৰিলো সেয়ে মই অনাগত সময়ৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষই যেন অন্ততঃ শ্ৰেণী কোঠা কেইটা পৰিস্কাৰকৈ ৰখাৰ ওপৰ কিছু হলেও গুৰুত্ব আৰোপ কৰে । দ্বিতীয়টো কাৰ্য্যৰ বিষয়ে মাত্ৰ এটা কথাই ক'ব পাৰি যে যদি ছাত্ৰ-ছাত্ৰীসকল সজাগ-সচেতন হয় আৰু নিজ কৰ্মৰ প্ৰতি অনুৰাগী ও দায়িত্বশীল হয় তেনে শ্ৰেণীসমূহ নিয়মীয়া হোৱাটো ধ্ৰুৱপ ।

**সলাগৰ শৰাই**

* মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰী যুত ডিম্বেশ্বৰ চলিহা দেৱলৈ —
* মোৰ বিভাগীয় কামত সৰ্বতোকৰণে সহায়-সহযোগ আৰু দিহা-পৰামৰ্শ দিয়া । শ্ৰীমতী স্মৃতি ভট্টাচাৰ্য্য বাইদেউ, আৰু নাছেৰ জিয়াউদ্দিন আহমেদ হাজৰীকাচাৰ আৰু প্ৰতীক চৌধুৰী চাৰলৈ —
* কানৈ মহাবিদ্যালয়ৰ সমূহ শ্ৰদ্ধাপদ শিক্ষাগুৰু আৰু মৰমৰ কৰ্মচাৰী বৃন্দলৈ।
* বিভিন্ন কামত মোক সহায় সহযোগ কৰা সমূহ কানৈয়ানলৈ
* ছাত্ৰ একতাসভাৰ নিৰ্বাচনৰ প্ৰাকমুহূৰ্ত্তত প্ৰতিটো কামত গাৰ ছাঁৰ দৰে থাকি সহায় কৰা মোৰ অন্তৰংগ বন্ধু-বান্ধৱী আৰু অগ্ৰজ সকললৈ ।

সদৌ শেষত কানৈ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি আৰু সমূহ কানৈয়ানৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি কেতিয়াবা অজানিতে কৰা ভুল ত্ৰুটিৰ ক্ষমা প্ৰাৰ্থনাৰে এই প্ৰতিবেদনৰ সামৰণী মাৰিলো ।


জয় আই অসম

জয়তু কানৈয়ান

# প্ৰতিবেদন ঃ সাধাৰণ ক্ৰীড়া বিভাগ

প্ৰতিবেদনখন আৰম্ভ কৰাৰ আগতে মই সমূহ কানৈয়ানক ধন্যবাদ জ্ঞাপন কৰিছোঁ, যাৰ আশীৰ্বাদত মই, কানৈ কলেজে ৫০ বছৰ সম্পূৰ্ণ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে অৰ্থাৎ ৫১ নং বছৰত এই কলেজৰ সাধাৰণ ক্ৰীড়া বিভাগৰ সম্পাদকৰূপে কাৰ্য্য কৰিবলৈ সুযোগ পালো। ইয়াৰ পাছতেই মই এই কলেজৰ অধ্যক্ষ মহোদয় তথা অন্যান্য শিক্ষকসকলকো ধন্যবাদ জনাইছো কাৰণ তেওঁলোকৰ সহায়-সহযোগ অবিহনে মোৰ ক্ৰীড়া বিভাগৰ সম্পাদকৰূপত স্থিতি থকা সম্ভৱ নহ'লহেঁতেন । মই প্ৰণাম জনাইছো সেই গুৰুজনাক যাৰ দয়াত আজি আমি সকলো উজনি অসমৰ প্ৰখ্যাত কলেজ **'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়'**ত পঢ়িবলৈ সুযোগ পালো ।

কলেজৰ নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি সমূহ কিমান দূৰ সফল হ'ল বা হ'ব সেই কথা কানৈ কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে বিচাৰ কৰিব । মই মাথো ইমানেই ক'ব পাৰো যে, মোৰ দায়িত্বত থকা খেলসমূহ **'মহাবিদ্যালয়ৰ প্ৰতিভা সন্ধানি সপ্তাহ'**টোত যিমানদূৰ পাৰিলো সিমানখিনি সুকলমে আৰু পৰিপাটিকৈ পৰিচালনা কৰাত এখোজো পিছ হুঁহকি থকা নাছিলো । কিন্তু এই প্ৰতিভা সন্ধানি সপ্তাহটোত মোৰ দায়িত্বত থকা কিছুমান নতুন খেল অন্তৰ্ভূক্ত কৰাৰ বহুত হেঁপাহ আছিল যদিও অৰ্থজনিত কাৰণত সেই ইচ্ছা সফলকাম হৈ নুঠিল তাৰ বাবে মই দুঃখিত । তথাপি মোৰ কাৰ্য্যকালত আগৰ সম্পাদকসকল আগবঢ়োৱা খেলসমূহতকৈ বেছি খেল অন্তৰ্ভূক্ত হোৱাত মই নথৈ আনন্দিত হৈছো; আৰু এই খেলসমূহ পৰিচালনা কৰাৰ ক্ষেত্ৰত যিসকল বন্ধুবৰ্গই তথা অনুজসকলে মোক নিঃস্বাৰ্থে সহায়-সহযোগিতা আগবঢ়ালে সেইসকলক মই ধন্যবাদ জনাইছো আৰু আগলৈও তেওঁলোকে এনেদৰে সহায় আগবঢ়াব বুলি আশা কৰিছোঁ।



কলেজীয়া জীৱনৰ পাঁচটা বছৰ কেনেকৈনো পাৰ হৈ গ'ল মই গমকে নাপালো কিন্তু এই কলেজৰ বাবে মই আৰু মোৰ লগৰীয়া সকলে আগবঢ়োৱা অবদানসমূহ নোকোৱাকৈ থাকিলে হয়তো আমাৰ অনুজসকলে প্ৰেৰণা পোৱাৰ পৰা বঞ্চিত হ'ব । এখন কলেজৰ বাবে ইয়াত পঢ়া প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰেই কিছুমান দায়িত্ব আছে যিবোৰ পালন কৰাৰ বাবে ইয়াত পঢ়া সকলো ছাত্ৰৰেই মুখ্য কৰ্তব্য । এই ক্ষেত্ৰত মোৰ বন্ধুবৰ্গ ক্ৰমানুয়ে, দিপ্তী, নন্দীতাই বহুত চেষ্টা কৰিলে । প্ৰথমতে আমাৰ কলেজৰ দিপাৰ্টমেণ্ট হিচাপে আমিয়ে প্ৰথমতে আমাৰ অঙ্ক আৰু পৰিসংখ্যা বিভাগৰ ডিপাৰ্টমেণ্টত প্ৰাচীৰ পত্ৰিকাখন লিখি উলিয়াইছিলো । ইয়াৰ উপৰি আমি আমাৰ দিপাৰ্টমেণ্টটো চাফা কৰাইছিলো আৰু ডিপাৰ্টমেণ্টটোত বিজুলী যোগানৰ ব্যৱস্থা কৰা, দুৱাৰ খিৰিকিবোৰ উন্নত কৰা ইত্যাদি বিভিন্ন কামৰ বাবে আমি অধ্যক্ষ মহোদয়ক দৰ্খাস্ত দি অনুৰোধ কৰিছিলো । এনেদৰে আমি যিমান পাৰো আমাৰ দায়িত্বসমূহ পালন কৰিবলৈ চেষ্টা কৰিছিলো ।

মোৰ কাৰ্য্যকালত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ কলেজ সমাৰোহ হ'বলৈ বাকী আছে । আশা ৰাখিছো আমাৰ কলেজ উদীয়মান খেলপ্ৰেমীসকলে এই সমাৰোহত ভাগ ল'ব আৰু ভাল খেল প্ৰদৰ্শন কৰাৰ চেষ্টা কৰিব ।

মোৰ কাৰ্য্যকালত হোৱা প্ৰতিভা সন্ধানি সপ্তাহটোত শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰিছে ল'ৰা শাখাত শ্ৰী বিৰাজ গগৈ আৰু ছোৱালী শাখাত শ্ৰীমতী নিলাক্ষী গগৈয়ে । আকৌ শ্ৰেষ্ঠ দৌৰবিদ সন্মান লাভ কৰিছে শ্ৰী যোগানন্দ গগৈয়ে ।

নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাৰ ক্ষেত্ৰত মোৰ বহুতো বন্ধু তথা বান্ধবীয়ে সহায় কৰিছিল । সেইসকলৰ নাম উল্লেখ নকৰিলে হয়তো মোক পাপে চুব । বন্ধুসকলৰ ভিতৰত বিপুল, যোগেন, পৰাণজিত, মণ্টু, জিতু, সীমান্ত, অভিজিত আৰু বহুতো ; বান্ধৱীসকলৰ ভিতৰত মোৰ প্ৰিয় বান্ধৱী স্বৰ্ণালী শইকীয়াই মোক যথেষ্ট সহায় কৰিলো ; তদুপৰি, মীনাজ্যোতি, ৰশ্মি, দিপ্তী, নন্দিতা, অনামিকা, জুলি, জাহ্নবী (মিথু), কৃষ্ণা আৰু বহুকেজনী বান্ধৱীক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো । অনুজসকলৰ ভিতৰত মোৰ ভন্টি ৰেখা, আৰু তাইৰ লগৰীয়াসকল ক্ৰমে নিবেদিতা, সৰযু, বন্তি, পূবালী, ৰশ্মিৰেখা, আৰু বহুতে মোক সহায় আগবঢ়ালে । এইসকলৰ উপৰিও মই ধন্যবাদ জনাইছো, মালবিকা আৰু মীনাক (প্ৰণামিকা) আৰু সিহঁতৰ লগৰীয়া সকলক।

ইয়াৰ উপৰি মোৰ খেলসমূহ পৰিচালনা কৰাত পৰামৰ্শ আগবঢ়োৱাৰ বাবে শ্ৰীযুত পদ্মধৰ চেতীয়া চাৰ, শ্ৰীযুত পঙ্কজ কোঁৱৰ চাৰ, শ্ৰীযুত নফিল হুচেইন চাৰ, শ্ৰীযুত দিলীপ বৰবৰা চাৰ, আৰু শ্ৰীযুত নৰেন্দ্ৰ মেহেলা চাৰক মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যকালত যদি কিবা ভুল হৈছিল তেন্তে মোক সকলো কানৈয়ানে ক্ষমা কৰিব বুলি আশা কৰিলোঁ ।

সদৌ শেষত, সকলো কানৈয়ান, অধ্যক্ষ মহোদয়, শিক্ষকবৃন্দ তথা বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ এই প্ৰতিবেদনখন ইমানতে সামৰণি মাৰিলো ।

ভৱদীয়

***ৰহিদুদ জামান*** (সাধাৰণ ক্ৰীড়া সম্পাদক)

# মূখ্য ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন



'মোৰ প্ৰতিবেদনৰ আৰম্ভনিতেই মই সেইসকল বীৰশ্বহীদলৈ সশ্ৰদ্ধ শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছোঁ যিসকলে তেখেতসকলৰ বৰ্তমানবোৰ আমাৰ ভৱিষ্যতৰ বাবে উচৰ্গা কৰিলে আৰু অসম মাতৃৰ নাম উজ্বলালে ।

এই সুযোগতে মই আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত ডিম্বেশ্বৰ চলিহা দেৱলৈ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। মোক সকলো প্ৰকাৰৰ পৰামৰ্শ তথা সকলো সময়তে কৰা সহায়ৰ বাবে অধ্যাপক শ্ৰীযুত পাৰ্থ গাংগুলী চাৰলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা থাকিল । এনে এজন ক্ৰীড়ানুৰাগীক মোৰ বিভাগীয় অধ্যাপক হিচাপে পাই মই নিজকে কৃতাৰ্থ মানিছো।

পঞ্চাশ বছৰ অতিক্ৰম কৰা কানৈ মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ত গুৰুক্ৰীড়া বিভাগৰ দৰে গুৰুত্বপূৰ্ণ পদবী পাই নিজকে ধন্য মানিছো আৰু মোৰ এই পদবিৰ বাবে সৰ্বাধিক ভোটেৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰাৰ যি সুযোগ দিলে তাৰ বাবে মই সমূহ কানৈয়ানকে মোৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ ।

১৯৯৬ চনৰ ফেব্ৰুৱাৰী মাজত হৈ যোৱা নিৰ্বাচনৰ পাছতে সমূহ ছাত্ৰ একতা সভাৰ সদস্যৰ লগতে মইয়ো গুৰুক্ৰীড়া বিভাগৰ কাৰ্যভাৰ গ্ৰহণ কৰো । মই মোৰ কাৰ্য্যকালত কি কৰিলো কি নকৰিলোঁ , ভুলেই কৰিলোনে শুদ্ধই কৰিলো সেইয়া ছাত্ৰ-ছাত্ৰী সকলৰ বিচাৰ্য্য বিষয় ।

মই মোৰ কাৰ্য্যকালত খেলা-ধূলাত যাতে কানৈ কলেজৰ পদবীৰ সুনাম অক্ষুন্ন থাকে তাৰ বাবে সম্পূৰ্ণ ৰূপে চেষ্টা কৰিম বুলি প্ৰতিশ্ৰুতি বদ্ধ আছিলো আৰু বৰ্তমানলৈকে মই মোৰ দ্বায়িত্ব সম্পূৰ্ণ ৰূপে পালন কৰি আছো । বৰ্তমান এই প্ৰতিবেদন লিখাৰ তাৰিখত আন্তঃমহাবিদ্যালয়ৰ মোৰ বিভাগৰ খেল সমূহৰ আৰম্ভ হোৱাই নাই তথাপিও মই আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈসকলক অনুশীলনৰ ব্যৱস্থা কৰাইছো যাতে খেল সমূহত ভাল ফল দেখুৱাব পাৰে । মোৰ দৃঢ় বিশ্বাস প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ দলে এক উচ্চমানদণ্ডৰ খেল দেখুৱাব পাৰিব ।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত হোৱা মহাবিদ্যালয়ৰ প্ৰতিভাসন্ধানী সপ্তাহৰ খেলাত ক্ৰিকেট আৰু ফুটবলৰ খেলসমূহ খেলোৱাৰ দায়িত্ব মোৰ ওপৰত পৰে । ফুটবল খেলাসমূহ সুকলমে হৈ গৈছিল । এইবাৰ ফুটবল খেলাত ৮টা দলে যোগদান কৰিছিল । ফাইনেল খেলত ছাত্ৰবাসৰ 'খ' দলে ছাত্ৰবাসৰ 'ক' দলক ১-০ গলত পৰাজিত কৰি চূড়ান্ত বিজয়ী হয় । ছাত্ৰবাসৰ 'খ' দলৰ শ্ৰী সেৱক সোনোৱালে শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰে । উক্তখেলসমূহ পৰিচালনা কৰোতে দাদা শ্ৰী অমল শহকীয়া আৰু বন্ধু শ্ৰী দিগন্ত গগৈ আৰু শ্ৰী হলেশ্বৰ কোঁৱৰে (ৰূপান্তৰ) যথেষ্ট সহায় কৰে। তেওঁলোকক ধন্যবাদ জ্ঞাপন নকৰিলে মোকে পাপে চুব ।

এইবাৰ মহাবিদ্যালয় সপ্তাহত গতানুগতিকভাৱে আয়োজন কৰা অধ্যাপক একাদশ আৰু ন পুৰণি ছাত্ৰ একতা সভা একাদশৰ মাজত প্ৰীতি ক্ৰিকেট খেলখন প্ৰতিকূল বতৰৰ বাবে আয়োজন কৰিব পৰা নহ'ল । সময় সুবিধা পালে উক্ত প্ৰতিযোগিতাখন পিছত অনুষ্ঠিত কৰা হ'ব ।

খেলা-ধূলা আদিত কানৈ কলেজৰ অভাব চিৰলগৰী। পঞ্চাচ বছৰ অতিক্ৰম কৰা মহাবিদ্যালয়খনিত এখনো খেলাৰ পথাৰ নথকাটো দুখৰ বিষয় । যি বা এখন আছে বাৰিষা বতৰত দ পিতনিতকৈ কোনো গুনে কম নহয় । আকৌ শীতকালত মহাবিদ্যালয় সপ্তাহ হৈ যোৱাৰ পাছত তাৰ ব্যৱহাৰযোগ্যতাও নাইকীয়া হৈ পৰে । কৰ্তৃপক্ষই পথাৰখনৰ ওপৰত সুদৃষ্টি দিলে কানৈ কলেজৰ খেলপথাৰখন উজনী অসমৰ ভিতৰতত এখন উপযোগী খেলপথাৰত পৰিনত হ'ব। আশা কৰো কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত সেই অভাৱ পূৰণ কৰিব ।

মই মোৰ কাৰ্য্যকালচ্চ নিজকে নিকা কৰি ৰাখিবলৈ যত্ন কৰিছিলো আৰু কলেজৰ পৰিবেশ যাতে বাহিৰা শক্তিৰ প্ৰভাৱত কলুষিত নহয় তাৰ বাবে চেষ্টা কৰিছিলো । ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যাবোৰ সাধাৰণ সম্পাদকৰ লগত আলোচনা কৰি অধ্যক্ষৰ লগত তাৰ সমাধান সূত্ৰ উলিয়াবলৈ চেষ্টা কৰিছিলো ।

মোৰ কাৰ্য্যকালত বিভিন্ন দিহা পৰামৰ্শৰে সহায় কৰা মোৰ পৰম পুজনীয় শিক্ষাগুৰু সকললৈ শ্ৰদ্ধা থাকিল । বিভিন্ন ক্ষেত্ৰত সহায় কৰা অফিচাৰ কৰ্মচাৰী-বৃন্দ আৰু কেন্টিনৰ বাইদেউইতলৈ মোৰ কৃতজ্ঞতা থাকিল।

মোৰ অকৃত্ৰিম শ্ৰদ্ধা আগবঢ়ালো মোৰ দাদা সৰ্বশ্ৰী অনন্ত গগৈ, ৰূপজ্যোতি গগৈ, সুৰেশ গগৈ, ৰিবুল শৰ্মা, নব (বড়ো +চাংমাই) ত্ৰিদিব চেতিয়া, গৌতম চাহা, প্ৰমথেশ ডেকা, বাইদেউ মৌচুমী শৰ্মা আদিলৈ ।

মোৰ কৃতজ্ঞতা থাকিল চন্দন, শান্তনুৰাজ, মনোজ, কৃষ্ণ, ফাৰুক, দুলাল, অনুজ, জিতেন, বিষ্ণু, উত্তম, ৰোহিনী, বিশ্বজিৎ, অৰুণ, কল্যান (কে.কে.) ভাৰ্জিন, ৰঞ্জিত অৰূপ, অনন্ত, মিজু, ৰূপজোতি, হেন্ট, বন্তি, ৰুমা, শান্তনা, মিন্মৰী, জুলী আৰু বহুতো ছাত্ৰ-ছাত্ৰীলৈ যিসকলৰ অবিহনে মই সম্পূৰ্ণৰূপে সফল হ'ব নোৱাৰিলোহেঁতেন ।

শ্ৰদ্ধাৰে — জয়তু কানৈয়ান (জয়তু কানৈ ছাত্ৰ-একতা সভা)

**শ্ৰী ঋতুৰাজ বৰা**
গুৰুক্ৰীড়া বিভাগৰ সম্পাদক

# গৌণ ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো এই সকল মহান আত্মালে যি সকলৰ ত্যাগ আৰু প্ৰতিদানৰ ফলত অসমৰ শিক্ষা জগতত মূৰ দাঙি ঠিয় হৈছিল ডিব্ৰুগড় হনুমানবক্স কানৈ মহাবিদ্যালয় ।

নবনিৰ্বাচিত ছাত্ৰ একতা সভাই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই পঞ্চাশত মহাবিদ্যালয় প্ৰতিভা সন্ধানী সপ্তাহ আৰম্ভ হয় ।

মোৰ বিভাগত অনুষ্ঠিত কৰিছিলোঁ ভলীবল আৰু বেডমিন্টন প্ৰতিযোগিতা । ভলীবল প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ মুঠ ১০টা দলে যোগদান কৰিছিল । চূড়ান্ত খেলখনত জিটু হাজৰিকাৰ দলে Hostel A দলক হেৰুৱাই বিজয়ীৰ সন্মান লাভ কৰে ।

কিন্তু অতি দুখৰ বিষয় যে উজনি অসমৰ এখন ঐতিহাসিক মহাবিদ্যালয় হিচাপে কানৈ মহাবিদ্যালয়ত বিশেষকৈ খেলবিভাগত বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হয় । টেবুল-টেনিচৰ দৰে এক জনপ্ৰিয় প্ৰতিযোগিতা খেলৰ সাঁ-সজুলিৰ অভাৱত অনুষ্ঠিত কৰিব পৰা নগ'ল । তাৰোপৰি এখন উন্নত মানৰ খেল-পথাৰ নোহোৱাতো মহাবিদ্যালয় সপ্তাহত প্ৰধান সমস্যা হিচাপে আজি বহু বছৰ আগৰে পৰা দেখা দি আহিছে ।

খেল পৰিচালনা তথা পৰামৰ্শ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ শ্ৰীযুত নৰেন্দ্ৰ মেহলা আৰু শ্ৰীযুত প্ৰিয়দেব গোস্বামী চাৰলৈ শলাগৰ শৰাই আগবঢ়ালোঁ ।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য হিচাপে কাৰ্য্যকালৰ সময়ত সকলো ক্ষেত্ৰতে সহায়-সহযোগ আগবঢ়োৱাৰ বাবে বন্ধু ৰিতেন, মৃদুল, দীপাংকৰ, দীপক, ধ্ৰুৱ, সুৰেশ, সেৱক, দেবানন্দ, অতনু, ভাইটি — জিণ্টু, পুৰন্দৰ, দিগন্ত, উৎপল, ভূপেন, অভিজিত, বিজয়, অজিত, মনোজ, চণ্ডীৰ, প্ৰশান্ত, মুনীন সত্যজিৎ, ৰঞ্জিত, প্ৰণব, অনুজ, জিতেন, হৰনাথ, দীপক আৰু বন্ধু ৰিখেশ্বৰ, ৰিদিপ, মনীষলৈ মৰম আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ ।

মহাবিদ্যালয়ৰ সপ্তাহত বিভিন্ন কাৰ্য্যতে মোৰ নিচেই ওচৰত থাকি সকলো ক্ষেত্ৰতে সহায়-সহযোগ আগবঢ়োৱাৰ বাবে বন্ধু ৰন্টু, প্ৰতীম আৰু প্ৰবীৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত কানৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি তথা উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ এই প্ৰতিবেদন সামৰণি মাৰিলো ।

"জয়তু কানৈয়ান "

"জয়তু কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

*ধ্ৰুৱজ্যোতি বৰগোঁহাই*

গৌণ ক্ৰিয়া, সম্পাদক



( বিভাগীয় প্ৰতিযোগিতাৰ ফলাফল )

***Badminton***

(Girls Single Champion) : --
**Miss Prianka Baruah**
Girls Single Runner up :-
**Miss Tribani Patir.**

(Mix Double Champion) :-
**Mausum Kalita & Kashmiri Chetia**
(Mix Double Runner up) :--
**Nilanjan Baruah & Bidisha Baruah**


(Boys Single Champion) :-
**Sri Himen Gogoi**
(Boys Single Runner Up) :-
**Sri Avinna Chetia.**

***(Volley Ball )***

(Boys Champion) :-
**Sintu Hazaruka and his team.**
(Boys Runner up :-
**Hostel A Team.**

(Girls Champion) :-
**Miss Nilakhi Gogoi and her team.**
(Girls Runner up) :-
**Girls team.**

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে যোৱা নিৰ্বাচনত মোৰ অতি আস্থা ৰাখি যি সকল কানৈয়ানে মোক নিৰ্বাচিত কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ ।

কানৈ মহাবিদ্যালয় উজনি অসমৰ অন্যতম শ্ৰেষ্ঠ মহাবিদ্যালয় । কিন্তু পুঁজিৰ অভাৱত যিখিনি কৰিম বুলি আঁচনি লৈছিলোঁ কৰিব নোৱাৰিলোঁ । তথাপিও বিগত বছৰ বিলাকৰ দৰে এই বছৰো মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ অৰ্থাৎ ছাত্ৰ-জিৰণি কোঠাৰ অন্তৰ্গত খেলসমূহ বহুতো সুবিধা অসুবিধাৰ মাজেদি হ'লেও সুকলমেও হৈ যায় ।

মই এটা কথা পৰৱৰ্তী সম্পাদকৰ সুবিধাৰ্থে জনাব বিচাৰোঁ যে এনে কিছুমান প্ৰতিযোগী আছে যি নিৰ্ধাৰিত সময়ত প্ৰতিযোগিতাত অংশ গ্ৰহণ নকৰি খেলৰ চূড়ান্ত সময়ত আহি তেওঁৰ নাম নাপাই সম্পাদকৰ ওচৰত তথা খেল পৰিচালকৰ ওচৰত অসন্তোষ প্ৰকাশ কৰে । এই কাৰ্য্য যুক্তিসংগত নে ? সেয়া মহাবিদ্যালয়ৰ প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে নিজেই বিবেচনা কৰি চাব । এনে কাৰ্য্যত গণ্ডগোল সৃষ্টি কৰা বা সম্পদকৰ বদ্‌নাম কৰাৰো কু-অভিসন্ধি থাকিব পাৰে বুলি মোৰ সন্দেহ, কাৰণ চূড়ান্ত সময়ত নতুন প্ৰতিযোগীৰ নাম ভৰ্তি কৰা সম্পাদকৰ বা পৰিচালকৰ হাতত কোনো ব্যৱস্থা নাথাকে বা থাকিবও নোৱাৰে । মই সামান্য অভিজ্ঞতাৰ পৰা ক'ব বিচাৰোঁ যে, সম্পাদক, পৰিচালক আৰু প্ৰতিযোগী পৰস্পৰ বুজা-বুজিৰ মাজেৰেহে এই সমস্যা সমাধিত হ'ব । ইয়াৰ বাবে লাগিব পাৰস্পৰিক সহযোগিতা । মই আশা কৰোঁ পৰৱৰ্তীকালৰ সম্পাদক সকলে উক্ত সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰিব ।

কৃতজ্ঞতা স্বীকাৰ কৰিবলৈ লওঁতে প্ৰথমে সোঁৱৰিব লাগিব মোৰ বিভাগৰ উপদেষ্টা শ্ৰীযুত দেৱাঞ্জন হাজৰীকাদেৱ চাৰৰ কথা । মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকৰ্মী বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে সকলো সময়তে বিভিন্ন ধৰণে সহায় কৰি দিয়া মোৰ বন্ধু সুৰেশ, সেৱক, প্ৰতিম, ধ্ৰুৱ, মুনিন, বিজয়, দেৱজিৎ, দেৱানন্দ, দূৰ্গা, দীপক, পল্লৱ, সৌৰভ, মণ্টু, মনোজ, ভূপেন, ধ্ৰুৱ (বেটেৰী), প্ৰানকৃষ্ণ, অজিত, ৰঞ্জিত, গিৰিজা, দুলাল, উতেন, বিশ্ব, মৃদু, মনোৰঞ্জন, জয়ন্ত, দিগন্ত, প্ৰশান্তলৈ ।

ভাইটি — অনুজ বিনয়, মন্দেশ্বৰ, পবিত্ৰ, ৰাজকুমাৰ, জিতেন, দীপক, সুনিল, অনন্ত, কিশোৰ আদি ভাইটিহঁতলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো ।

লগতে ছাত্ৰী নিবাসৰ ছাত্ৰী সকলক এই সুযোগতে বিনম্ৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ । ইয়াৰ উপৰিও অজানিতে নাম থাকি যোৱা বন্ধু বান্ধৱীলৈ আন্তৰিক মৰম থাকিল । শেষত অনিচ্ছাকৃতভাৱে বৈ যোৱা ভুল-ক্ৰুটিৰ বাবে সকলোৰ ওচৰত ক্ষমা বিচাৰিছোঁ ।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উন্নতিৰ লগতে ''কানৈয়ান''ৰো উন্নতিৰ কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ ।


ধন্যবাদ
''জয়তু কানৈ মহাবিদ্যালয় ''
ছাত্ৰ একতা সভা ।

**শ্ৰীমৃদুল গগৈ**
*(ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক)*

# সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

*মানস প্ৰতীম নাথ*

ভাৰতবৰ্ষৰ পূৰ্ব্বাঞ্চলত অৱস্থিত বৃহত্তম মহাবিদ্যালয় কেইখনৰ ভিতৰত এই কানৈ মহাবিদ্যালয় অন্যতম। কানৈ তীৰ্থৰ এই জ্ঞান বৃক্ষৰ শীতল জাঁত দাক্ষা ল'বলৈ অহা এজাক পোহৰ সন্ধানী ছাত্ৰ-ছাত্ৰী, সুপ্ৰিয় সতীৰ্থৰ আন্তৰিক মৰম শুভ-ইচ্ছাৰ বিনিময়ত ১৯৯৫-৯৬ চনৰ ছাত্ৰ একতা সভাৰ অভূততপূৰ্ব সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক ও তৰ্ক বিভাগৰ সম্পাদক হিচাপে বিজয়মাল্য গ্ৰহণ কৰিবলৈ পোৱাত নিজকে ধন্য মানিছো আৰু সেইসকললৈ পৰম কৃতজ্ঞতা আৰু অন্তৰভৰা সস্নেহ, শুভ-ইচ্ছা যাচিছোঁ। নাজানো কাৰ্য্যভাৰ গ্ৰহণ কৰি ছাত্ৰ একতা সভাৰ অতি আদৰৰ, চেনেহৰ অলংকাৰেৰে বিভূষিত এই আসনখনৰ মৰ্য্যাদা আবু সদব্যৱহাৰ কৰিব পাৰিছো নে নাই। কিন্তু মই জানি-শুনি কোনো ধৰণৰ অসৎ ব্যৱহাৰ কৰা নাই। অজানিতে যদি মোৰ ভুল হৈছে, ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত কৰযোৰে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।



কাৰ্য্যভাৰ হাতত লৈয়ে যিখিনি কাৰ্য্য গভীৰ আস্থা আৰু আন্তৰিকতাৰে সু-সম্পন্ন কৰা হ'ল তাৰে খতিয়ান দাঙি ধৰিবলৈ প্ৰয়াস কৰিছো।

কাৰ্য্যকালৰ আৰম্ভনিতেই অনুষ্ঠিত কৰা হ'ল বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ। প্ৰতিবছৰৰ দৰেই এইবাৰো সাংস্কৃতিক ও তৰ্ক বিভাগৰ বিভিন্ন প্ৰতিযোগিতা সমূহ পতা হয়। বিচাৰকৰ মতে প্ৰতিযোগিতা সমূহ উন্নত মানদণ্ডৰ হৈছিল। এইবাৰ সাংস্কৃতিক প্ৰতিযোগিতাত পাঁচটা প্ৰধান প্ৰতিযোগিতা সংযোজন কৰা হ'ল। সেই কেইটা হৈছে — (১) স্ব-ৰচিত অসমীয়া কবিতা আবতি প্ৰতিযোগিতা, (২) ৰচনা প্ৰতিযোগিতা (বিষয় - ধৰ্মীয় ঐক্য সম্প্ৰীতি) (৩) চিত্ৰ অংকণ প্ৰতিযোগিতা (প্ৰদৰ্শনী), (৪) দেশীয় সাজ-পাৰ প্ৰতিযোগিতা (৫) বিজ্ঞাপন প্ৰতিযোগিতা।

সময়ৰ নিচিনা ভাল চকু কাৰোৰে নাই। সাধনা আৰু সময় একেলগে থাকে। সময় নিজৰ ঠাইত বৈ থাকে আৰু আমি মৃত্যুলৈ আগবাঢ়ি গৈ থাকো। এই কথালৈ লক্ষ্যৰাখি মহাবিদ্যালয়ত বিভিন্ন প্ৰতিযোগিতা মাজে সময়ে ছাত্ৰ-ছাত্ৰীৰ আনন্দৰ বাবে আৰু উপকৃত হ'বৰ বাবে পাতিব লাগে। কিন্তু পাতিবৰ বাবে অৰ্থ তথা সময়েই নোলায় বা নহয়। মহাবিদ্যালয়ৰ বিভিন্ন বন্ধ, যেনে - নিৰ্বাচন, অধ্যাপকৰ অনশন, বিভিন্ন পৰীক্ষা আদি। মই মোৰ কাৰ্য্যকালত সময় সুবিধা উলিয়াই মাজে সময়ে দুই এটা সাংস্কৃতিক প্ৰতিযোগিতা পাতি থাকিম। ভৱিষ্যতে যি সকলে এই পদ ল'ব তেওঁলোককো মাজে সময়ে পাতিবলৈ অনুৰোধ জনালোঁ।

বৰ্ত্তমানলৈকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰা আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতা সমূহ হোৱা নাই। মই আশা কৰো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতা সমূহত যোগদান কৰি সাফল্য লাভ কৰিব।

এই সকলৰ ওচৰত মই চিৰকৃতজ্ঞ

ছাত্ৰ একতা সভাৰ সভাপতি তথা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত ডিম্বেশ্বৰ চলিহা দেৱ, তত্ত্বৱধায়কদ্বয় শ্ৰীযুত বিমান চলিতা, শ্ৰীযুক্তা এচ. দেৱী আৰু শ্ৰীমতী এম. পুৰকায়স্থ বাইদেউলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদিছো।

বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক প্ৰতিযোগিতা সমূহ সূচাৰুৰূপে পৰিচালনা কৰা আৰু বিভিন্ন ক্ষেত্ৰত হিতোপদেশ, সু-পৰামৰ্শ দিওঁতা — সৰ্বশ্ৰী শান্তনু সেনগুপ্তা, পি. এন. সিং, দেৱপল্লৱ ৰাজখোৱা, ফৰিদা খৰিফুদ্দিন, আভা দত্ত, সুদক্ষিণা দাস উষাৰাণী বৰুৱা আৰু আমন্ত্ৰিত বিচাৰক — শ্ৰীযুত গোলাপ চন্দ্ৰ নাথ, শ্ৰীযুত অনিল শৰ্মা, শ্ৰীমান বিশ্ববিজয় বৰকাকতি আৰু শ্ৰীযুত মদন মোহন দত্ত। আৰু মঞ্চত উদ্বোধনৰ বাবে আমন্ত্ৰণ কৰি অনা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰবক্তা শ্ৰীযুত প্ৰহ্লাদ কুমাৰ বৰুৱাদেৱলৈ কৃতজ্ঞতা জনাইছো।

কাৰ্য্যকালৰ আৰম্ভণিৰে পৰা আজিলৈকে মোৰ লগত ছাঁৰ দৰে লাগি সহায় আগবঢ়োৱা এইকেইজন বন্ধু-বান্ধৱী তথা শুভাকাংখী মোৰ অন্তৰত নিৰ্মজ্জিত হৈ অক্ষয় হৈ ৰ'ব। সৰ্বশ্ৰী — জয়ন্ত গগৈ, মনোজ শইকীয়া, কৃষ্ণকান্ত সন্দিকৈ, সুনিল নাথ, মিহিৰ বৰদলৈ, মৌচুমী ৰাজখোৱা, অপৰাজিতা গোস্বামী, উষা বৰুৱা, এনিৰেখা গগৈ আদি।

লগতে এইসকল বন্ধু বান্ধৱী আৰু শুভাকাংক্ষীৰ নাম উল্লেখ নকৰিলে ভুল হ'ব — গৌৰি, চন্দন, গিৰিচ, ৰূপজ্যোতি, ৰাতত্তুল, প্ৰাঞ্জল, বজাৰঙ্গ, বক্তিম, ভাৰ্জিণ সৌৰভ, মনোজ, অচল, বিষ্ণু, দিপঙ্কৰ, অভিজিৎ, শৈলেন, মাধৱ, পল্লৱী, মনালিছা বীৰ, পপি, শান্ত্বনা, সংগীতা, ৰশ্মি, মামনি, পুৱালী জুমি, চন্দনা, চেমিম, পিঙ্কি, ৰুমি, কাশ্মিৰ, আইভি, শিল্পা, মিতালী, পলি, ৰূপালী, চুনুমুনু, পৰিণিতা আৰু বহুতো ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জনাইছো।

প্ৰতিবেদন লিখি থাকিলে ওৰকে নপৰে, আজিৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিছো ।

সদৌ শেষত কানে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা সমূহ অধ্যাপক, অধ্যাপিকাৰ ভৱিষ্যত মংগল কামনা কৰিছোঁ ।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ ফলাফল সমূহ এনেধৰণৰ ঃ**

(১) স্ব-ৰচিত কবিতা আবৃতি প্ৰতিযোগিতাৰ ফলাফল, (অসমীয়া)

ক) প্ৰথম স্থান - মাধৱ কুমাৰ দেউৰী খ) দ্বিতীয় স্থান - বেদান্ত প্ৰসাদ বৰুৱা, গ) তৃতীয় স্থান - প্ৰশান্ত হাজৰিকা

উদগণী বঁটা ঃ পপী শান্তনা ভড়ালী আৰু মানস প্ৰতীম নাথ

**(২) অসমীয়া কবিতা আবৃতি প্ৰতিযোগিতাৰ ফলাফল ঃ**

ক) প্ৰথম স্থান — শ্ৰীমতী সংগীতা মজিন্দাৰ বৰুৱা খ) দ্বিতীয় স্থান — শ্ৰী বেদান্ত প্ৰসাদ বৰুৱা গ) তৃতীয় স্থান — শ্ৰী মৌচুম বৰুৱা, পপী শান্তনা ভড়ালী।

উদগণী বঁটা ঃ শ্ৰী চিৰঞ্জীৱ ভট্টাচাৰ্য্য

প্ৰশান্ত হাজৰিকা, সৰজু দুৱৰা

**(৩) বাংলা কবিতা আবৃতি প্ৰতিযোগিতাৰ ফলাফল ঃ**

ক) প্ৰথম স্থান - শ্ৰীমতী সংগীতা মজিন্দাৰ বৰুৱা

খ) দ্বিতীয় স্থান — কস্তুৰী চেটাৰ্জী

গ) তৃতীয় স্থান — শ্ৰী মাধৱ কুমাৰ দেউৰী, শ্ৰী মৌচুম বৰুৱা শ্ৰী চিৰঞ্জীৱ ভট্টাচায্য

**(৪) ইংৰাজী কবিতা আবৃতি প্ৰতিযোগিতাৰ ফলাফল ঃ**

ক) প্ৰথম স্থান — শ্ৰী চিৰঞ্জীৱ ভট্টাচাৰ্য্য

খ) দ্বিতীয় স্থান — শ্ৰীমতী কস্তুৰী চেটাৰ্জী গ) তৃতীয় স্থান — শ্ৰী বেদান্ত প্ৰসাদ বৰুৱা।

**(৫) হিন্দী কবিতা আবৃত্তি প্ৰতিযোগিতাৰ ফলাফল ঃ**

ক) প্ৰথম স্থান — শ্ৰী চিৰঞ্জীৱ ভট্টাচাৰ্য্য

খ) দ্বিতীয় স্থান — শ্ৰীমতী কস্তুৰী চেটাৰ্জী গ) তৃতীয় স্থান — নমিতা কোঁৱৰ ।

**(৬) তৰ্ক প্ৰতিযোগিতাৰ ফলাফল ঃ**

ক) প্ৰথম স্থান — শ্ৰীমতী বলিন্দ্ৰীনী পাটৰ

খ) দ্বিতীয় স্থান — শ্ৰীমতী কস্তুৰী চেটাৰ্জী (যুটীয়া) অভিজিত চুতিয়া ।।

**(৭)সৃষ্টিমূলক নৃত্য প্ৰতিযোগিতাৰ ফলাফল ঃ**

ক) প্ৰথম স্থান — শ্ৰীমতী সংগীতা বৰগোঁহাই

ৰুমী ভাগৱতী।

**(৮) মুকাভিনয় প্ৰতিযোগিতাৰ ফলাফল ঃ**

ক) প্ৰথম স্থান — শ্ৰী বিজয় বুঢ়াগোঁহাই

খ) দ্বিতীয় স্থান — প্ৰশন্ত হাজৰিকা গ) তৃতীয় স্থান — মাধৱী দেউৰী

**(৯) একক অভিনয় প্ৰতিযোগিতাৰ ফলাফল ঃ**

ক) প্ৰথম স্থান — শ্ৰীমতী ৰুমী ভাগৱতী

খ) দ্বিতীয় স্থান — শ্ৰী সুৰজ কোঁৱৰ্ৰ গ) তৃতীয় স্থান/ শ্ৰীমতী ৰুমামণি বৰা

**(১০) ভেশ্চন প্ৰতিযোগিতাৰ ফলাফল ঃ**

ক) প্ৰথম স্থান — শ্ৰী প্ৰশান্ত বৰশইকীয়া

খ) দ্বিতীয় স্থান — প্ৰশান্ত হাজৰীকা গ) তৃতীয় স্থান — শ্ৰীমতী আইভি শইকীয়া শ্ৰী বিষ্ণু গোঁহাই ।

**(১১) বিহুনাম প্ৰতিযোগিতাৰ ফলাফল ঃ**

ক) প্ৰথম স্থান —শ্ৰী প্ৰশাক হাজৰিকা

খ) দ্বিতীয় স্থান - শ্ৰী বিষ্ণু গোঁহাই

গ) তৃতীয় স্থান - শ্ৰী সুৰজ কোঁৱৰ

**(১২) বিহু নাচ প্ৰতিযোগিতাৰ ফলাফল ঃ-**

ক) প্ৰথম স্থান - শ্ৰীমতী সংগীতা গোঁহাই

খ) দ্বিতীয় স্থান - ,, ,, পল্লৱী গগৈ

গ) তৃতীয় স্থান - শ্ৰী প্ৰশান্ত হাজৰিকা

**(১৩) গগণা বাদন প্ৰতিযোগিতাৰ ফলাফল ঃ-**

ক) প্ৰথম স্থান — শ্ৰী প্ৰশান্ত হাজৰিকা

খ) দ্বিতীয় স্থান - শ্ৰী সুৰজ কোঁৱৰ

গ) তৃতীয় স্থান - শ্ৰী ৰূপজ্যোতি নেওগ

**(১৪) বিজ্ঞাপন প্ৰতিযোগিতাৰ ফলাফল ঃ-**

ক) প্ৰথম স্থান - শ্ৰীমতী জুৰিমা বৰা, সংগীতা মজিন্দাৰ বৰুৱা

খ) দ্বিতীয় স্থান - শ্ৰী সুৰজ কোঁৱৰ

গ) তৃতীয় স্থান - শ্ৰী মাধৱ দেউৰী

**(১৫) ৰচনা প্ৰতিযোগিতাৰ ফলাফল ঃ-**

ক) প্ৰথম স্থান — শ্ৰী শৈলেন গোঁহাই

খ) দ্বিতীয় স্থান - শ্ৰী অভিজিৎ চুতীয়া

গ) তৃতীয় স্থান - শ্ৰী ভূগীল নেওগ

**(১৬) আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ ফলাফল ঃ-**

ক) প্ৰথম স্থান - শ্ৰী শৈলেন গোঁহাই

খ) দ্বিতীয় স্থান - শ্ৰী মৌচুম বৰুৱা (মৌচুম)

গ) তৃতীয় স্থান - শ্ৰী সুৰজ কোঁৱৰ, শ্ৰী গিৰিন্দ্ৰ বৰা

**(১৭) কুইজ প্ৰতিযোগিতাৰ ফলাফল ঃ-**

ক) প্ৰথম স্থান - শ্ৰী দীপাংকৰ কাকতী, শ্ৰীমতী ৰিম্পল বৰদলৈ

খ) দ্বিতীয় স্থান - শ্ৰী বিকাশ ৰায়, শ্ৰী মণ্টু গগৈ

গ) তৃতীয় স্থান - (১) শ্ৰী সঞ্জীৱ ফুকন, শ্ৰী মৌচুম বৰুৱা

- (২) শ্ৰী কনক দত্ত, শ্ৰী বিষ্ণু গোঁহাই

**(১৮) একাংকীয়া নাট প্ৰতিযোগিতাৰ ফলাফল ঃ-**


নাট প্ৰতিযোগিতাত কেৱল শ্ৰীমতী ৰিম্পল বৰদলৈৰ পৰিচালনাত এখন নাটক হোৱা বাবে এই দলক উদগনি বঁটা প্ৰদান কৰা হয় ।

**(১৯) চিত্ৰ প্ৰদৰ্শনী প্ৰতিযোগিতাত প্ৰতিযোগী কেৱল এজন হোৱা বাবে প্ৰথম, দ্বিতীয়, তৃতীয় স্থান বাচনি কৰা নহ'ল।**

# সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

*জয়ন্ত কুমাৰ গগৈ*

প্ৰতিবেদনৰ পুৰাই পুৰাই মই যি সকল ব্যক্তিৰ মহান ত্যাগ আৰু বলিদানৰ ফলত কনৈ মহাবিদ্যালয়ে সুদীৰ্ঘ ৫০ (পঞ্চাচটা) বছৰ অতিক্ৰম কৰি আজিৰ দিনত উপনীত হৈছে তেওঁলোকলৈ মোৰ অশ্ৰুভৰা শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছোঁ, লগতে যিসকল কনৈয়ানে মোক উজনি অসমৰ এনে এখন ঐতিহ্য মণ্ডিত মহাবিদ্যালয়ৰ হৈ সেৱা আগবঢ়োৱাৰ সুযোগ কণ আগবঢ়ালে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। কনৈ মহাবিদ্যালয়ৰ ঐতিহ্যৰ কথা পুনৰবাৰ দোহৰাৰ প্ৰয়োজন নিশ্চয় নাই। এনে এখন মহাবিদ্যালয়ৰ এটা গুৰুত্বপূৰ্ণ পদত থাকি লাভ কৰা টেঙা- মিঠা কেতবোৰ অভিজ্ঞতাৰ চানেকীৰে মোৰ এই প্ৰতিবেদনৰ কলম ভৰাব খুজিছোঁ। ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদকৰ হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিচৰে পৰা মই মোৰ বিভাগটো কিছু নতুনত্বৰে ভৰপুৰ কৰিবৰ বাবে অহৰহ চিন্তা-চৰ্চ্চা কৰিছিলো। কিন্তু মহাবিদ্যালয় কৰ্তৃপক্ষই আগবঢ়োৱা কেতবোৰ বিশেষ দিশৰ সীমাবদ্ধতা আৰু অমনোযোগিতাই মোক প্ৰতি পদে পদে বিচলিত কৰি পেলাইছিল। তথাপিতো মই নিষ্ঠা আৰু একাগ্ৰতাৰে মোৰ কাৰ্য্যভাৰ চলাই যোৱাৰ প্ৰতিশ্ৰুতিৰে আগবাঢ়িছিলো। অৱশ্যে তাত মই কিমান দূৰ সফলতা অৰ্জন কৰিব পাৰিছিলো তাৰ বিচাৰ মই কনৈয়ান সকলৰ ওপৰত এৰি দিছোঁ।



বিগত বছৰবিলাকৰ দৰে এই বছৰো ৫০তম মহাবিদ্যালয় প্ৰতিভা সন্ধানী সপ্তাহ বিভিন্ন সমস্যাৰ মাজেৰে উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। সপ্তাহৰ সংগীত বিভাগৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয় ইং ২০/২/৯৬ তাৰিখে। উক্তদিনা কাৰ্য্যসূচীত উল্লেখ কৰা সময়মতে পুৱা ৮-৩০ মিনিটত অধ্যাপিকা ফৰিদা শ্বৰফুদ্দিন বাইদেউৰ বন্তি প্ৰজ্বলন আৰু বৰগীত, লোকগীতৰ বিচাৰকদ্বয় শ্ৰীযুত হৰি বায়ন আৰু ক্ষিৰেশ্বৰ বায়নৰ মঙ্গলাচৰণেৰে এটি আটক ধুনীয়া পৰিবেশেৰে দিনটোৰ কাৰ্য্যসূচীৰ পাতনি মেলা হয়। প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে অনুষ্ঠিত হয় যদিও অংশগ্ৰহণকাৰীৰ সংখ্যা নিচেই তাকৰ আছিল। অৱশ্যে এই বিষয়ত মই ছাত্ৰ-ছাত্ৰীসকলতকৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষকহে বিশেষভাৱে জগৰীয়া কৰিম। বাকীবিলাক মহাবিদ্যালয়ৰ তুলনাত আমাৰ মহাবিদ্যালয়ৰ নিৰ্বাচন যথেষ্ট পলমকৈ অনুষ্ঠিত কৰিব লগীয়া হৈছিল। আনহাতেদি চাৰিও দিশৰ পৰা জুমুৰি দি ধৰা পৰীক্ষাবিলাকো ইয়াৰ এটা অন্যতম কাৰণ। গতিকে এনে অৱস্থাত প্ৰতিযোগীৰ সংখ্যা তাকৰ হোৱাটো স্বাভাৱিক। মই মাননীয় অধ্যক্ষ মহোদয়ক এই সুযোগতে ভৱিষ্যতে এই বিষয়ত সজাগতা অৱলম্বন কৰিবৰ বাবে অনুৰোধ জনালো। তথাপিও প্ৰতিযোগীসকলৰ উৎসাহ আৰু একাগ্ৰতাৰ দিশটোলৈ লক্ষ্য কৰি আন্তঃ মহাবিদ্যালয়ৰ প্ৰতিযোগীতাসমূহ ভাল ফল দেখুৱাব বুলি আশা কৰিব পাৰি। আমি তেওঁলোকৰ উন্নতিৰ লগতে উজ্জ্বল ভৱিষ্যতৰো কামনা কৰিলো।

সময়ৰ কোবাল গতিৰ লগত যোৰপাতি এতিয়া মই প্ৰতিবেদনৰ মুনি চুনি বেলিকাত উপস্থিত হৈছোঁহক। এই মুহূৰ্ত্তত মই মোৰ কাৰ্য্যকালৰ বিভিন্ন সফলতা বিফলতাৰ আঁৰত থাকি মোক বিভিন্ন ধৰণেৰে সহায়-সহযোগিতা আগবঢ়োৱা সকলৈলৈ একোখনকৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়াবলৈ লৈছো। কনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ এনে এটা গুৰুত্বপূৰ্ণ পদৰ দায়িত্বভাৱ মুৰ পাতি লোৱাৰ পিছত প্ৰতি মুহূৰ্ত্ততে মোক দিহা-পৰামৰ্শৰে উদ্বোদ্ধ কৰা সেই মহান গৰাকী হ'ল মোৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যাপিকা শ্ৰদ্ধেয়া ফৰিদা শ্বৰফুদ্দিন বাইদেউ। সঁচাই ফৰিদা বাইদেউৰ চিৰসেউজ তত্বাবধান আৰু দিহা-পৰামৰ্শই প্ৰতিটো কঠিন কাম যেন নিমিষতে কৰি পেলাই অত্যন্ত উজু। তেখেতলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা আৰু আজীৱন ঋনী হৈ থকাৰ প্ৰতিশ্ৰুতি আগবঢ়ালো, দ্বিতীয়তে মই আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত ডিম্বেশ্বৰ চলিহা মহোদয়ৰ প্ৰমুখ্যে সমূহ অধ্যাপক-অধ্যাপিকা বিশেষকৈ মেহেলো চাৰ, মিঠু বাইদেউ, মুনীন শৰ্মা চাৰ, জয়শ্ৰী কোঁৱৰ বাইদেউ, কল্পনা সেনগুপ্তা বাইদেউ আৰু অসমীয়া বিভাগৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা অৰ্পণ কৰিলো। তৃতীয়তে মই মোৰ, বিভাগৰ প্ৰতিযোগিতা সমূহত বিচাৰক হিচাপে উপস্থিত থকা সৰ্বশ্ৰী হৰিবায়ন, ক্ষিৰেশ্বৰ বায়ন, পৰিতোষ মুখাৰ্জী আৰু ৰঞ্জনা শৰ্মা বৰদলৈ বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা অৰ্পণ কৰিলো। চতুৰ্থতে মোক প্ৰতি মুহূৰ্ত্ততে সহায়-সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ লক্ষ্যদা আৰু জিন্তুদা আৰু মোৰ মৰমৰ ভন্টী ৰূপাঞ্জলী (মণ্টিলৈ) মোৰ আন্তৰিক কৃতজ্ঞতা ও মৰম যাচিলো। ইয়াৰ ওপৰিও মোৰ মৰমৰ বন্ধুবৰ্গ ক্ৰমে অপূৰ্ব, হিৰণ্য, ধৰ্ম, জিন্তু, ৰঞ্জন, মেহতাব, চিৰঞ্জিত, জয়ন্ত, অভিজিৎ, অনন্ত, সীমান্ত, মানস (শৰ্মা নাথ) ইন্দ্ৰজিৎ, ৰাজু, নিবাৰণ, সংগীতা, মজিন্দাৰ বৰুৱা, শিল্পা, জুলি, ববি, জুটিকা, সৰযু, ভৱালী (মামুন), বৰ্ণালী, বন্তিৰ লগতে কনৈ ছাত্ৰী নিবাসৰ সমূহ ছাত্ৰীলৈ আৰু মোৰ মৰমৰ ভাইটি ক্ৰমে অচিন্ত্য, বিকাশ, মৌচুম, বেনী, দিপাংকৰলৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু সৰ্বাংগীণ উন্নতিৰ কামনা কৰিলো। অৱশেষত মই মোৰ কাৰ্য্যকালৰ সময়ত অজানিতে কৰা বিভিন্ন ভুলৰ বাবে সদৌটিৰে ওচৰত কৰজোৰে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। কনৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ উন্নতি কামনা কৰাৰ লগতে আজীৱন মহাবিদ্যালয়খনৰ উন্নতিৰ হকে কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতিৰে আজিৰ প্ৰতিবেদনৰ কলম ইমানতে সামৰণি মাৰিলো।

ছাত্ৰ ঐক্য জিন্দাবাদ
সংগীত বিভাগৰ জয়তু কনৈয়ান সম্পাদক।
ডিঃ হঃ সুঃ কনৈ মহাবিদ্যালয়

# 'কানৈয়ান'ৰ প্ৰাক্তন সম্পাদকসকল

| | | |
|---|---|---|
| ১৯৪৬ -৪৭ | — | ইৰা দত্ত |
| ৪৭ - ৪৮ | — | বিনন্দ চন্দ্ৰ বৰুৱা |
| ৪৯ - ৫০ | — | ভূপেন্দ্ৰ নাৰায়ণ বৰপুজাৰী |
| ৫০ - ৫১ | — | লক্ষী বড়া |
| ৫১ - ৫২ | — | নৰেন্দ্ৰ নাথ গোস্বামী |
| ৫২ - ৫৩ | — | খগেন্দ্ৰ মোহন |
| ৫৩ - ৫৪ | — | নিত্যা হাজৰিকা |
| ৫৪ - ৫৫ | — | দুৰ্গা দত্ত বাগ্‌ৰি |
| ৫৫ - ৫৬ | — | উজ্জ্বল শইকীয়া |
| ৫৬ - ৫৭ | — | যামিনী ফুকন |
| ৫৭ - ৫৮ | — | সুশীল দুৱৰা |
| ৫৮ - ৫৯ | — | কিৰণ শৰ্মা |
| ৫৯ - ৬০ | — | বিশ্ব বৰুৱা |
| ৬০ - ৬১ | — | লুইত দাস |
| ৬১ - ৬২ | — | অনিল কুমাৰ বাজৰিকা |
| ৬২ - ৬৩ | — | লম্বেশ্বৰ বৰুৱা |
| ৬৩ - ৬৪ | — | হেম ওজা |
| ৬৪ - ৬৫ | — | মুকুট সিংহ ফুকন |
| ৬৫ - ৬৬ | — | ৰজনী কান্ত চুতীয়া |
| ৬৬ - ৬৭ | — | কল্পনা দত্ত |
| ৬৭ - ৬৮ | — | তৰুণ কুমাৰ গগৈ |
| ৬৮ - ৬৯ | — | ভীম কান্তবৰগোহাঞি |
| ৭০ - ৭১ | — | মোহন সোণোৱাল |
| ৭১ - ৭২ | — | হিতেশ বিকাশ গগৈ |
| ৭২ — ৭৩ | — | ডম্বৰু বড়া |
| ৭৩ — ৭৪ | — | লক্ষী প্ৰিয়া দেৱী |
| ৭৪ — ৭৫ | — | গিৰিণ গগৈ |
| ৭৬ — ৭৭ | — | সঞ্জীৱ বড়া |
| ৭৭ — ৭৮ | — | কৃপাল কুমাৰ বৰুৱা |
| ৭৮ — ৭৯ | — | প্ৰভাত প্ৰাণ কোঁৱৰ |
| ৭৯ — ৮০ | — | ৰূপেশ্বৰ শইকীয়া |
| ৮১ — ৮২ | — | মনোজ কুমাৰ বৰুৱা |
| ৮২ — ৮৩ | — | নিণ্টু গগৈ |
| ৮৩ — ৮৪ | — | কল্যানী বৰুৱা |
| ৮৬ — ৮৭ | — | কামিনী কুমাৰ গোঁহাই |
| ৮৭ — ৮৮ | — | নৱজ্যোতি শইকীয়া |
| ৮৮ — ৮৯ | — | পানীৰাম ডেকামৰাণ |
| ৮৯ — ৯০ | — | সুনীল ৰাজকোঁৱৰ |
| ৯০ - ৯১ | — | সুবোধকুমাৰ সোনোৱাল |
| ৯১ - ৯২ | — | প্ৰভাত কুমাৰ গগৈ (অপ্ৰকাশিত) |
| ৯২ - ৯৩ | — | মৃণাল কুমাৰ গগৈ |
| ৯৩ - ৯৪ | — | নবজিৎ দেউৰী |
| ৯৪ - ৯৫ | — | ৰাজীৱ গগৈ |
| ৯৫ — ৯৬ | — | মানস প্ৰতীম শৰ্মা |


Chiranjit '96